# সম্ভৱতঃ

গীতালি বৰা



**SHAMBHAVATAH** : A Collection of Stories by Shri Geetali Borah and Published by : Monoj Kumar Deka on behalf of Binapani, Zoo- Narengi Road, Tiniali, (Opp. Sahab Tilla)Guwahati -24 (Assam),Ph.:098640-95856

**First Edition : July, 2006** **Price : Rs.50.00**

প্ৰকাশক

মনোজ কুমাৰ ডেকা

**বীণাপাণি**

জু-নাৰেঙ্গী ৰোড, তিনি আলি,

চাহাব টিলাৰ বিপৰীতে, গুৱাহাটী -৭৮১০২৪

দূৰভাষ ঃ ৯৮৬৪০-৯৫৮৫৬ (ম'বাইল)

প্ৰথম সংস্কৰন ঃ জুলাই, ২০০৬

গ্ৰন্থস্বত্ব ঃ লেখিকা

প্ৰচ্ছদ ঃ মনজিৎ ৰাজখোৱা

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰক ঃ নৰ্থ ইষ্টৰ্ণ অফছেট প্ৰিণ্টাৰ্ছ

জু-নাৰেঙ্গী ৰোড, তিনিআলি, গুৱাহাটী -২৪

দূৰভাষ ঃ ৯৮৬৪০-৯৫৮৫৬ (ম'বাইল)

মা

আৰু

দেউতাৰ হাতত

—আইজনী

কৃতজ্ঞতা ঃ

অৰূপা পটঙ্গীয়া কলিতা, ইমৰান হোছেইন, ৰণেন কুমাৰ গোস্বামী, চৈয়দ নুৰ ইছলাম আহমেদ, কুমুদৰঞ্জন দাস, মণিমালা গগৈ আৰু সৌৰভ কুমাৰ ক্ষত্ৰিয়লৈ

## একলম—

এক অচিন বিষাদবোধৰ হাতত ধৰি ডাঙৰ হৈছিলো। একধৰণৰ নিঃসংগতাত সময়ে সময়ে ভাৰাক্ৰান্ত হৈছিলো।
শব্দ মোৰ সুহৃদ আছিল।
শব্দ জোৰা লগাই অৰ্থবহ কিবা এটা সৃষ্টি কৰাটো খেলা হৈ পৰিছিল। আত্মসন্তুষ্টি পাইছিলো।

নিভৃতত আজন্ম আলোড়ন আৰু নৈঃশব্দ্যৰ সহবাস আছিল। ইয়াৰ পৰা সৃষ্ট সশব্দ আবেগখিনিক নিয়াৰিকৈ সজোৰাৰ প্ৰয়াসেই মোৰ গল্প।

নিজৰ সৃষ্টিৰ প্ৰতি মোৰ মোহ আছে। অথচ হীনমন্যতাও কম নহয়। তথাপি কাকত-আলোচনীত বিভিন্ন সময়ত প্ৰকাশ পোৱা গল্পখিনি থূপ খুৱাই উলিওৱাৰ সাহস কৰিছো— 'সম্ভৱতঃ'।

কোনো সহৃদয় পাঠকক মুহূৰ্তৰ বাবেও যদি মোৰ গল্পই আকৃষ্ট কৰিব পাৰে মই সুখী হ'ম।

*গীতালি বৰা*

যোগাযোগৰ ঠিকনা— দৈনিক বাতৰি, বি কে টাৱাৰ, গণেশগুৰি, গুৱাহাটী-৭৮১০০৬
ফোন নম্বৰঃ ৯৮৬৪১-৭৭৫০৮

# সূচীপত্ৰ


১ ◆ ডঁবিয়ালিত জোনাক ........ ০৯
২ ◆ ঈষৎ মনঃস্খলন আৰু এটা নতুন চোলা ........ ১৫
৩ ◆ অপ্রেম........ ২২
৪ ◆ যাত্ৰা পথত এসন্ধ্যা ........ ২৭
৫ ◆ সংগী........ ৩৫
৬ ◆ মোহ-পিঞ্জৰ ........ ৪১
৭ ◆ সম্ভৱতঃ ......... ৪৭
৮ ◆ সন্ধিক্ষণ ........ ৫৩
৯ ◆ দিনান্তৰ বাঁহী ........ ৫৯
১০ ◆ এসন্ধ্যাৰ নায়িকা ........ ৬৪
১১ ◆ বৃত্ত ........ ৭০
১২ ◆ শব্দ, নৈঃশব্দ্য, জীৱন ........ ৭৬
১৩ ◆ ক্ষণভংগুৰ ........ ৮১
১৪ ◆ অন্তঃগাথা ........ ৮৯
১৫ ◆ অপূৰ্ণ ........ ৯৫
১৬ ◆ শূণ্যতাৰ স্বপ্ন গাথা ........ ১০১

ব-ৰ মৰ্মস্পৰ্শী আছিল সেই দৃশ্য!

পাণবজাৰৰ বাছষ্টপত মই প্ৰথম দেখিছিলো ছোৱালীজনীক। শতচ্ছিন্ন ঢিলা ফ্ৰক এটাৰ মাজেৰে প্ৰায় উন্মুক্ত হৈ আছিল তাইৰ বুকুৰ উঠন অংগ আৰু ফ্ৰকটোৰ আঁৰত তাইৰ গৰ্ভদেশ কলহ এটাৰ দৰেই স্ফীত হৈ আহিছিল।

তৎপৰ হৈ উঠিছিল মোৰ কেমেৰা। স্ফীত কলহৰ মাজত জীৱনৰ উপস্থিতিয়ে তাইক আলোকচিত্ৰ এখনৰ বিষয়বস্তু কৰি তুলিছিল। সন্ধ্যাৰ ব্যস্ত পদপথত নিৰ্বিকাৰভাৱে দণ্ডায়মান সেই বলীয়া কিশোৰী আবদ্ধ হৈ পৰিছিল মোৰ ৯০ হেজাৰ টকীয়া ডিজিটেল কেমেৰাটোত। ....বাতৰি কাকতৰ শেষ পৃষ্ঠাত প্ৰকাশ পোৱা আলোকচিত্ৰখনৰবাবে সম্পাদকে মোক প্ৰশংসা কৰিছিল। ষ্টাফৰ সমুখত কাকতখন দাঙি ধৰি ধেমেলীয়া সুৰেৰে ছাৰে কৈছিল, 'অনুভাৰ সুমতি হৈছে। গছবন এৰি এইবাৰ মানুহৰ ছবি তোলা কৰিছে। ৰিয়েলিষ্টিক। গুড।'

সেইদিনা অশোকাত ধোঁৱাই থকা কফিৰ কাপ আগত লৈ মোক বৰ টান কথা শুনাইছিল অনিৰ্বাণে। মই হেনো অনুভূতিহীন হৈ পৰিছো। সস্তীয়া প্ৰশংসা আৰু বাঃবাঃৰ আশাত মই পণ্য কৰি তুলিছো মোৰ সংবেদনশীলতাক। 'তই যদি ফটোখন তোলাৰ পাছতো ছোৱালীজনীৰ গালৈ কাপোৰ এখন দলিয়াই থৈ আহিলিহেঁতেন মই তোক মানুহ বুলি ক'লোহেঁতেন।' অনিৰ্বাণে কৈছিল।বৰ কৰ্কশ আৰু শ্লেষপূৰ্ণ আছিল তাৰ কথাকেইষাৰ।

.... আৰু কি এক অপৰাধবোধত, কি এক তাড়নাত সেইদিনা আবেলিয়েই মই উপস্থিত হৈছিলোগৈ বাছষ্টপটোত। ছোৱালীজনী তেতিয়া তাত নাছিল।

ঘটনাটোৰ কথা মই পাহৰি পেলালো। এয়াই স্বাভাৱিক আছিল। শীতৰ আবেলিৰ ঠেটুৱৈ লগা জাৰৰ অভিজ্ঞতা গ্ৰীষ্মৰ শীত-তাপ নিয়ন্ত্ৰিত কোঠালীত বহি পাহৰি যোৱা যায়।বৰ্ষাৰ বোকা-পানীৰ কথা শৰতৰ নিৰ্মেঘ-সুনীল আকাশৰ তলত থিয় হৈ মনত পেলোৱা যায় জানো! নাযায়, আৰু এয়াই স্বাভাৱিক। বিস্মৃতিৰ এই স্বাভাৱিক প্ৰক্ৰিয়াত স্বাভাৱিকভাৱেই লীণ হৈ আছো আপুনি, মই, অনিৰ্বাণ, আমি সকলো। নহয় জানো?

# উঁৰিয়লিত জোনাক

ইতিমধ্যে কেৰিয়াৰক লৈ মই খুব সচেতন হ'বলগীয়া হৈছিল। ফটো জাৰ্ণেলিষ্ট হিচাপে নিজৰ পৰিচিতি গঢ়াটো নিঃসন্দেহে কষ্টসাধ্য। বিশেষকৈ ছোৱালী এজনীৰবাবে। চিমেট্ৰি, চৰৰ কঁহুৱা,

ৰেড লাইট এৰিয়াৰ নিষিদ্ধ জীৱন — এই সকলোৰে মাজত মই ঘূৰিবলৈ আৰম্ভ কৰিছিলো মৰ্মস্পৰ্শী আলোকচিত্ৰৰ সন্ধানত। কেতিয়াবা মোৰ সংগী হৈছিল অনিৰ্বাণ। ৰাষ্ট্ৰীয় কাকত এখনৰ উত্তৰ-পূবৰ সংবাদদাতা অনিৰ্বাণৰ উদ্দেশ্য আছিল অগতানুগতিক 'হিউমেন ষ্টৰী'ৰ সন্ধান কৰা।

মোৰ প্ৰথম আৰু প্ৰধান নিচা আছিল প্ৰকৃতি। মূলতঃ জন্মদিনত দেউতাই উপহাৰ হিচাপে দিয়া কেমেৰাটোৰ পৰাই জীপ লৈ উঠিছিল ফটোগ্ৰাফীৰ নিচা। গুলঞ্চৰ লঠঙা ডাল, ফুলত পৰি থকা পখিলা, গছৰ ডালত পৰি থকা ভাটো, মৰনৈৰ পাৰৰ অকলশৰীয়া গছজোপা — এইবোৰেই আছিল মই কৈশোৰত তোলা প্ৰথম পৰ্যায়ৰ ছবি। তাৰ পাছৰ পৰ্যায়ত সৰিয়হ ফুলৰ ফটো তোলাৰ বাবে বিশ্বনাথ ঘাটত নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈছো। সূৰ্যাস্তৰ মনোমত ফটো এখন তুলিবৰ বাবে দিনৰ পাছত দিন উমানন্দৰ নৈপৰীয়া শিলত বহি ৰৈছো ঘণ্টাৰ পাছত ঘণ্টাজুৰি ।

কিন্তু, বাতৰি কাকতৰ ফটোগ্ৰাফাৰ হিচাপে টিকি থাকিবলৈ এইখিনি কামেই যথেষ্ট নহয় । বৰঞ্চ বহুবাৰ মই সম্পাদকৰ গালি খাইছো, ৱাৰ্নিঙো। 'তুমি কেমেৰা এৰি কবিতা লিখা কৰা'— এই ইয়াৰ্কিও শুনিছো।

তাৰ পাছত জীৱনৰ পাছে পাছে দৌৰিছো। ভাববিলাসী কবিতাৰ জীৱন নহয়, ফুটপাথত পৰি ৰোৱা নিৰন্ন জীৱন। দোকালটকা জোনাকৰ আঁৰত সাৰ পাই উঠা নিশাৰ লোমহৰ্ষক জীৱন। নোটৰ বাণ্ডিলৰ চক্‌চকনিত জিলমিলাই উঠা কদৰ্য জীৱন।

.... এটা বস্তিত সোমাইছিলো। লগত অনিৰ্বাণ। মহানগৰীৰ উৰণীয়া সেঁতুৰ তলৰ বস্তিটো ওপৰে ওপৰে চালে সন্ধ্যাতে শুই পৰা যেন লাগে। নিয়ন লাইটৰ উন্নাসিক উজ্জ্বলতাৰ মাজতো নিষ্প্ৰদীপ হৈ থকা বস্তিৰ শাৰী শাৰী সৰু সৰু ঘৰবোৰ কিবা যেন আখজা! খাপ নোখোৱা ধৰণৰ। পকেটমাৰ, ঠেলাৱালা, দেহোপজীৱিনীৰে ভৰি থকা বস্তিটোত বাস কৰা ৰুগীয়া বৃদ্ধ এজনৰ লগত আমি কথা পাতিছিলো। তিনিখন চকচকীয়া পঞ্চাশটকীয়া নোটৰ বিনিময়ত পলিথিনেৰে সজাঁ তেওঁৰ ঘৰ (!) টোত বহিবলৈ বৃদ্ধই আমাক অনুমতি দিছিল।

...... এই বস্তিত দহ-বিশ টকাত বিক্ৰী হয় দেহোপজীৱিনীৰ শৰীৰ। স্কুলীয়া ছাত্ৰৰ পৰা আৰম্ভ কৰি ট্ৰাক ড্ৰাইভাৰলৈকে বস্তিৰ নাৰীবোৰৰ খৰিদ্দাৰ। আমিবহি থকা পলিথিনৰ চালিখনৰ তলত ইটাৰ এটা সৰু চৌকা, দুফালে দুটা বস্তা, সম্ভৱতঃ বৃদ্ধৰ পৰিয়ালৰ বিছনা। খেকাৰ, শেঙুনেৰে অপৰিষ্কাৰ বস্তা এখনত আমি বহি পৰিলো। পাছফালৰ নৰ্দমাটোৰ পৰা পচা জাবৰ আৰু বিষ্ঠাৰ অকটা গোন্ধ ভাঁহি আহিছিল। বৃদ্ধই অনিৰ্বাণৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ আৰম্ভ কৰিলে....। কেইমিনিটমানৰ পাছতে বুকুত কেঁচুৱা এটা সামৰি বৃদ্ধৰ গাভৰু আবিয়ৈ জীয়েক সোমাই আহিল। এই ছোৱালীজনীৰ দেহ বিক্ৰী কৰা টকাৰ ওপৰতে সংসাৰ চলে বুলি বৃদ্ধই আমাক কৈছিল। জীৱনত প্ৰথমবাৰৰ বাবে ইমান কাষৰ পৰা এজনী দেহোপজীৱিনীক মই দেখা পালো।

আমি দিয়া নোটকেইখন ছোৱালীজনীৰ ফালে আগবঢ়াই দি বৃদ্ধই তাইক কিবা এটা বুজালে। মই লক্ষ্য কৰিলো ছোৱালীজনীৰ চকু দুটা গভীৰ আৰু নৈৰ্ব্যক্তিক। একেবাৰে দ্বিধাহীনভাৱে সমুখৰ বস্তাখনত বহি পৰি আমাৰ সমুখতে কান্দি থকা কেচুৱাটোক গাখীৰ খুৱাবলৈ আৰম্ভ কৰিলে ছোৱালীজনীয়ে।

মই যথেষ্ট বিব্ৰত হ'লো। অনিৰ্বাণ নিৰ্বিকাৰ। খন্তেকপৰ মাক আৰু কেঁচুৱাৰ ফালে মুগ্ধ দৃষ্টিৰে চাই সি পুনৰ বৃদ্ধৰ লগত কথা পাতিবলৈ ধৰিলে। কণমানি ৰেকৰ্ডাৰটোত সি বাণীবদ্ধ কৰি গ'ল বৃদ্ধৰ মুখ নিঃসৃত নিষিদ্ধ গলিৰ গাথা, বিচক্ষণ সাংবাদিকৰ অনুসন্ধিৎসাৰে।

গাভৰু মাকৰ পিয়াহ মুখত লৈ একান্তমনে চুহিছে কেঁচুৱাটোৱে। মানুহজনীৰ সৰ্বশৰীৰৰ পৰা ঘাম আৰু ময়লাৰ মিশ্রিত গোন্ধ এটা ওলাইছে। অবাক হৈ মই চাই ৰ'লো নিষিদ্ধ গলিৰ এজনী সস্তীয়া মানুহৰ শৰীৰী সত্তাৰ। তাই যেন সামান্য টোপনিয়াইছে। খহটা ক'লা ছালৰ মানুহজনীৰ শৰীৰটো আটিল। ক্ষুধা আৰু দাৰিদ্ৰই তাইৰ শৰীৰক এতিয়াও নিঃস্ব কৰি তোলা নাই। কেঁচুৱাটোক গাখীৰ খুৱাওতে ব্লাউজৰ ফাঁকেৰে উন্মুক্ত হৈ থকা তাইৰ বুকুখন স্পষ্টকৈ মোৰ চকুত পৰিল। অস্বাভাৱিকভাৱে ভৰুণ। ৰঙা-ক'লা কিছুমান সাঁচ স্পষ্টকৈ জিলিকি আছে। বোধহয় দাঁতৰ। মই জিকাৰ খাই উঠিলো।

মই এটা স্নেপ লব বিচাৰিলো। 'জীৱন আৰু দৰিদ্ৰতা' শীৰ্ষক এখন আলোকচিত্ৰ প্ৰদৰ্শণীৰ বাবে প্ৰস্তুত হৈছো মই। মানুহজনীৰ চকু-মুখ-চুলি, বহাৰ ভংগী আদিত ব্যাপ্ত হৈ আছে দৰিদ্ৰতাৰ চিৰন্তন ছবি এখন। দুচকুৰ নৈৰ্ব্যক্তিকতা আৰু কোলাৰ কেঁচুৱাটোৱে ছবিখন অধিক মৰ্মস্পৰ্শী কৰি তুলিছিল। বহুত বুজোৱাৰ পাছত এশ টকাৰ বিনিময়ত সেই অৱস্থাতে স্নেপ এটা লবলৈ দিবলৈ তাই মান্তি হ'ল।

অনিৰ্বাণৰ কথা পতা শেষ হৈছিল। আৰু অধিক তথ্য আৰু আলোকচিত্ৰৰ বাবে আমি ঘৰটোৰ পৰা ওলাব খুজিলো। তেতিয়া সন্ধ্যা চাৰে সাত বাজিছিল। আমি বহাৰ পৰা উঠিব ধৰোতেই পলিথিনৰ চালিখনৰ ওপৰত লাঠী এডালেৰে টুকুৰিয়াই কৰ্কশ কণ্ঠেৰে মাতিলে কোনোবাই—
'ৰাবিয়া, ৰাবিয়া—'

মোৰ সমুখত কেচুৱাক পিয়াহ খুৱাই থকা মানুহজনী সচকিত হৈ উঠিল। কেঁচুৱাটোৰ মুখৰ পৰা পিয়াহটো আজুৰি আনি শাৰীখন গাত মেৰিয়াই তাই খৰধৰকৈ ওলাই গ'ল। বস্তাত পৰি ৰোৱা কেঁচুৱাটোৱে টেঁটু ফালি চিঞৰিছিল। ...... মোৰ সমুখত এয়া এক নিষ্পাপ মানৱ সন্তান। কিন্তু, ক্ৰন্দনৰত শিশুটো বুকুত সাবটি নিচুকাবলৈ মই সাহস কৰিব নোৱাৰিলো। কেঁচুৱাটোৰ হাত-ভৰিত দগ-দগীয়া ঘা। তেঁজ-পূঁজ ওলাই আছে। নাকৰ শেঙুন বৈ আহিছে ডিঙিলৈকে। ঘৃণাৰ অনুভূতিয়ে মোৰ মমতাক গাপ দি ৰাখিলে আৰু লগে লগে মই নিজকে ধিক্কাৰ দিবলৈ আৰম্ভ কৰিলো । ...... আৰু মোক লজ্জিত কৰি সংকোচহীনভাৱে অনিৰ্বাণে কেঁচুৱাটো দাঙি ল'লে। দুহাতেৰে জোকাৰি জোকাৰি সি কেঁচুৱাটোক নচুৱাবলৈ ধৰিলে। সঁচাকৈয়ে অলপ সময়ৰ পাছত কেঁচুৱাটোৰ কান্দোন বন্ধ হৈ গ'ল।

বাহিৰত কাৰোবাৰ সৈতে তৰ্ক কৰিছিল ৰাবিয়াই। আমি এতিয়াহে শুনিবলৈ পালো। কৰ্কশ কোনো পুৰুষ কণ্ঠই হুংকাৰ দিছিল—'ছালী ৰেণ্ডী, এতিয়া নগ'লে হ'ব! টানি লৈ যাম (অশ্লীল)। এডভান্স ল'বি, আৰু পাছত.....!'

'না-না—আজ চাৰ দে আমাকে। বাচ্ছাটোৰ বেমাৰ আছে।' কান্দো কান্দো মাতেৰে অনুনয় কৰিলে ৰাবিয়াই।

মই ওলাই যাব খুজিছিলো। অনিৰ্বাণে মোক টানি বহুৱাই দিলে।

'ছালীব'ল — নহ'লে কাইলৈ ঘৰ এৰিব লাগিব (অশ্লীল)। শিয়াল - কুকুৰে তোৰ বাচ্ছা টানি খাব'।

ৰাবিয়াৰ উচুপনিবুটজোতাৰ শব্দৰ লগত লাহে লাহে দূৰলৈ আঁতৰি গ'ল। ৰাবিয়াৰ দেউতাকলৈ চালো—পৰম তৃপ্তিৰে অনিৰ্বাণৰ পৰা খুজি লোৱা চিগাৰেট হুপিছে। বৃদ্ধৰ পৰা জানিলোঁ— সেইজন পুলিচ। বহুকেইজন পুলিচে এনেদৰে বস্তিৰ মাইকী মানুহক কেতিয়াবা ৰাতি লৈ যায়।

যাব নুখুজিলে বস্তিৰ পৰা খেদি দিয়াৰ, ধাণ্ডা বন্ধ কৰি দিয়াৰ হুমকি দিয়ে। সিহঁতে বিচাৰিলেই ৰেমাৰী গিৰীয়েক, পিয়াহ খাই থকা কেঁচুৱাক এৰি গুচি যাব লাগে মাইকী মানুহবোৰ।

উভটি আহোঁতে গোটেই চহৰখনকে মোৰ ৰুগ্ন যেন লাগিছিল। পথত চলি থকা চিকচিকীয়া নতুন মডেলৰ গাড়ীবোৰ, ওখ ওখ বিল্ডিংবোৰ, সদৃশ্য হোটেল-ৰেষ্টুৰেণ্ট, দামী সাজ-পাৰ পিন্ধা মানুহবোৰ—সকলোতে যেন বিয়পি আছে জটিল ৰোগৰ বীজাণু। যেন আমি সকলো আক্রান্ত হ'ব ধৰিছো ক্ৰমে ক্ৰমে...! মোৰ মৌনতাক ব্যংগ কৰি অনিৰ্বাণে কৈছিল—'জীৱন এয়াহে অনুভা! সোণাৰু, কৃষ্ণচূড়া, নদীৰ ঢৌ কিমান চাবি আৰু ? সেইবোৰ আচলতে ৰিয়েল লাইফৰ মুখামুখি হ'ব নোখোজা এছকেপিষ্টৰহে উপভোগৰবস্তু।'

'আমি কনিষ্টবলজনকবাধা দিব পাৰিলোহেঁতেন।' মই স্বগতোক্তি কৰিলো।

'সিহঁতৰ জীৱনৰ স্বাভাৱিক গতিত মুহূৰ্তৰ বাবে হস্তক্ষেপ কৰি তই একো কৰিব নোৱাৰ অনুভা। আজি আমি বাধা দিলেও কাইলৈ একেখিনি ঘটনাই পুনৰ ঘটিব। — এইবোৰ মানুহৰ জীৱন-শৈলীৰ স্থায়ী পৰিৱৰ্তন ঘটাব নোৱাৰিলে মাজত হস্তক্ষেপ কৰি কোনো লাভ নাই। হিতে বিপৰীতহে হ'ব। আমাৰ কাম সমস্যাখিনি ফ'কাছ কৰা। সেয়া আমি কৰিম। বাকীবোৰ-'

অনিৰ্বাণৰ পাছৰ কথাখিনি মই নুশুনিলো। এই মুহূৰ্তত যেন মোৰ চেতনাৰ নিভৃতত হাত-ভৰি এছাৰি কান্দি উঠিছে কেঁচুৱাটোৱে! আঃ কি কৰিছে ৰাবিয়াই, কেঁচুৱাটোৰ মাকে! ভাগ্যৰ ওচৰত আত্ম সমৰ্পণত অভ্যস্ত মানুহজনীয়ে ধৰ্ষিতা হ'বলৈ স্বেচ্ছাই এৰি দিছে চাগে' নিজৰ ৰক্ত-মাংসৰ শৰীৰটোক। ... আৰু ... আৰু তাইৰ সেই ভৰুণ স্তন! এটা হাতেৰে এটা স্তন খামুচি ধৰি আনটো স্তন শুহি থকা কেঁচুৱাটোৰ সেই তৃপ্ত ভংগিমা! নিশ্চয় মাতৃ- ৰসেৰে পূৰ্ণ সেই বক্ষ এতিয়া পিষ্ট হৈছে নিৰ্মমভাৱে।

'আ-হ' মোৰ মুখৰ পৰা যন্ত্ৰণাৰ এটা অস্ফুট শব্দ ওলাই আহিল। মোলৈ কিছুপৰ চাই থাকি স্নেহ আৰু বিৰক্তিৰে অনিৰ্বাণে ক'লে, 'তই আচলতে ফুল-তৰা-গানৰ কবিতা লিখা ছোৱালী আছিলি। খুব বেছি আৰামী চকীত বহি মাৰে হাতত তুলি দিয়া গাখীৰ খাই খাই সৰ্বহাৰাৰ কবিতা লিখিব লাগিছিলি।— ভুলক্ৰমেহে তই ফটোগ্ৰাফাৰ হ'বলৈ আহিলি, আৰু পৰিলিহি প্ৰেছ মেডিয়াৰ পাল্লাত।'

'জীৱন আৰু দৰিদ্ৰতা'ই উচ্চ প্ৰশংসা পাইছিল। নিৰ্দিষ্ট বাতৰি কাকতখনৰ চাকৰি এৰি দি মই ফ্ৰী- লান্স কৰিবলৈ আৰম্ভ কৰিছিলো। ক্ৰমশঃ উৰ্ধ্বগামী হৈ আহিছিল মোৰ কেৰিয়াৰ। আৰু মই সলনি হ'ব ধৰিছিলো—।

খুব নিৰ্বিকাৰ হৈ মই ফুটপাথত পৰি ৰোৱা হাত-ভৰি নোহোৰা মানুহৰ ফটো ল'ব পৰা হ'লো। আনকি সিহঁতৰ সমুখত সিহঁতৰ দৰেই মুখ মেলি পৰি থকা বুভুক্ষ ভিক্ষা পাত্ৰক খুচুৰা নোহোৱাৰ অজুহাতত মই অভুক্ষ কৰি এৰি আহিছিলো। কোনো অপৰাধবোধ নাছিল।

ডাষ্টবিনৰ জাবৰ খুচৰি খাদ্যৰ সন্ধান কৰা শিশুৰ ফটো তুলিছিলো। তাৰ পাছ মুহূৰ্ততে চিকেন-চাওৰ সোৱাদ লওঁতে সম্পূৰ্ণৰূপে পাহৰি গৈছিলো সিহঁতৰ কথা।

'অফবিট ' ফটোৰ দ্বাৰা জীৱনৰ অন্য এটা ৰূপ ফুটাই তুলিবলৈ সক্ষম হোৱা বুলি মোৰ নাম হৈছিল। খ্যাতি আহিছিল।

কিন্তু হঠাতে এদিন মই আৱিষ্কাৰ কৰিলো মোৰ সংবেদনশীল মনটো ভীষণভাৱে ক্ষতিগ্ৰস্ত হৈছে। মই ক্ৰমশঃ হেৰুৱাব ধৰিছো মানুহক মানুহ কৰি ৰখা সেই চিৰন্তন বোধ। প্ৰকৃতিৰ অকপট

সান্নিধ্যৰ পৰিৱৰ্তে মোৰ প্ৰিয় হৈ উঠিছে ৰুক্ষ, কৰ্কশ, কিছুমান মৰ্মন্তুদ দৃশ্য। নহয় নহয়, সংবেদনশীলতাৰে নহয়, খ্যাতিৰ আপাহতহে মই এইবোৰ দৃশ্যৰ পাছে পাছে দৌৰিছো। এয়া যে আত্মাৰ তাড়নাবিহীন প্ৰতিযোগিতাৰ নিগনি দৌৰ! মই গভীৰভাৱে শংকিত হৈ উঠিলো।

অনিৰ্বাণে কৈছিল—'তই আচলতে নিজৰ মুখামুখি হ'বলৈ এৰি দিছ। 'তই' বুলি তই যাৰ মুখামুখি হৱ, সেয়া আচলতে তই নহয়, উচ্চাকাংক্ষা আৰু খ্যাতিৰ প্ৰলেপে ঢাকি ৰখা আন কোনোবাহে।'

* * * *

সি মোক এদিন মহানগৰীৰ পৰা বহু আঁতৰৰ এখন সৰু নদীৰ দাঁতিলৈ লৈ গ'ল। আপাতঃ শান্ত আৰু নিৰ্জন নিঃসৰ্গ! চকুৰে নমনা হোৱালৈকে কঁহুৱা আৰু কঁহুৱা। পানী যুঁৱলিত খেলিছে অচিন চৰায়ে। আকাশৰো উজ্জ্বল ৰূপ ।বহুদিনৰ পাছত মুগ্ধ হৈ মই চাই ৰ'লো প্ৰকৃতিৰ এই বিনন্দীয়া সৌন্দৰ্য্যক। আকাশৰ নীলাত, বিস্তীৰ্ণ কঁহুৱাত, চৰাইৰ কাকলিত বিলীণ হ'বলৈ মোৰ মন গৈছিল।

কাৰোবাৰ হাঁহি কাণত পৰিছিল। শিল ভাঙি নামি অহা পাৰ্বত্য জুৰিৰ দৰেই চঞ্চল সেই খিলখিল হাঁহি। আমি আগবাঢ়িলো হাঁহিটোৰ ফালে। নদীৰ পাৰতবালিঘৰ সাজিছে দুটি কণমানিয়ে। দেখিলেই বুজা যায় শিশু দুটি জনজাতীয় সম্প্ৰদায়ৰ । সিহঁতৰ ধেমালিত যেন সহযোগ কৰিছে এটি চৰায়ে। এবাৰ শিশু দুটিৰ হাতত, এবাৰবালিত খুটিয়াই দেও দি ফুৰা চৰাইটোৰ এখন ঠেঙত এটা সৰু পটি। চাই চাই হেঁপাহ নপলোৱা এটা দৃশ্য!

আমাক দেখি প্ৰথমে অপ্ৰস্তুত হৈছিল শিশু দুটি। কিন্তু কেইমিনিটমানৰ পাছতে অনিৰ্বাণৰ তৎপৰতাত সিহঁত আমাৰ বন্ধু হৈ পৰিল।বালিঘৰ সাজিবৰ বাবে অনিৰ্বাণে লংপেণ্ট কোঁচাই ল'লে। খন্তেক পাছতে দোপাট্টা টানকৈ কঁকালতবান্ধি ময়োবালিঘৰ সাজিবলৈ আৰম্ভ কৰিলো...। আমাৰ দৰে দুজন চহৰীয়া ডেকা-গাভৰুক খেলাৰ সংগী হিচাপে পাই সিহঁতৰ আনন্দৰ সীমা নাছিল। আনকি মাজে মাজে চৰাইটোৰেও খুটিয়াবলৈ ধৰিলে আমাৰ হাতত।

চৰাইটোক প্ৰথমে কঁহুৱাৰ মাজত ঠেং ভাগি পৰি থকা অৱস্থাত পাইছিল শিশু দুটিয়ে। ঘৰলৈ নি পাঁচদিন পৰিচৰ্যা কৰাৰ পাছত পুনৰ ইয়াতে চৰাইটোক এৰি গৈছিল সিহঁতে। কিন্তু, উৰিব পৰা হোৱাৰ পাছতো চৰাইটো গুচি নগ'ল। বৰঞ্চ, কান্ধত উঠি সিহঁতৰ লগতে গুচি গ'ল সিহঁতৰ ঘৰলৈ।

এতিয়া পুৱা খাদ্য বিচাৰি উৰি যোৱা চৰাইটো হেনো বিয়লি পুনৰ উভটি আহে। সিহঁতৰ লগত নদীৰ পাৰত খেলে আৰু সিহঁতৰ লগতে ঘৰলৈ যায়। আচৰিত কাহিনী! মুগা-সেউজীয়া ৰঙৰ ঘৰঁচিৰিকা এটাতকৈ কিছু ডাঙৰ চৰাইটো কোন প্ৰজাতিৰ অনিৰ্বাণ আৰু মই ধৰিব নোৱাৰিলো। শিশু দুটিয়ে তাৰ নাম দিছে 'বুবি' ।

এসময়ত পশ্চিম দিশৰ শ্যামল পাহাৰ এখনত সোণালী ৰঙৰ ফাঁকু সিঁচি নৈ পৰীয়া গছ এজোপাৰ ফেৰেঙণিত ওলমি ৰ'ল বেলিটো। আমি দিয়া টফী খাই খাই ডঁৰিয়লিটোৰ ফালে গুচি গ'ল শিশু দুটি। ডঁৰিয়লিটোৰ পৰা কিছু দূৰত এলানি চাংঘৰ চকুত পৰিল। মোৰ মাজৰ সজাগ ফটোগ্ৰাফাৰ জন সাৰ পাই উঠি খুজিলে।

বেলি লহিয়াব ধৰিছে ।.... দিগন্তত শুকুলা মেঘৰ পাল তৰা নাওবোৰে সোণালীবৰণ লৈছে।

তলত বিস্তীৰ্ণ কঁহুৱাৰ মাজত এখন নীলাভ একা-বেঁকা নদী। কঁহুৱা ফালি দিগন্তৰ ফালে ধাবমান প্ৰকৃতিৰ সান্নিধ্যত ডাঙৰ হোৱা দুটি শিশু.... লগত এটি প্ৰেমিক পখি ....

মোৰ পাৰিপাৰ্শ্বিক নিঃসৰ্গৰ এই বিশালতৰ ৰূপৰ মাজত নিজকেবৰ ক্ষুদ্ৰ যেন লাগিল। এই স্নিগ্ধতাত, এই প্ৰশান্তিত নগণ্যতকৈও নগণ্য যেন বোধ হ'ল আমাৰ স্থিতি। 'আঃ কি সুন্দৰ!' যান্ত্ৰিকভাৱে মই কেমেৰা পোনালো।

'এই বিশালতাক আবদ্ধ কৰিব পৰাকৈ তোৰ কেমেৰা শক্তিশালী নহয় অনুভা, থৈ দে।' হাতেৰে কেমেৰাটো আঁতৰাই দিলে অনিৰ্বাণে।

কঁহুৱা ফালি গাড়ীলৈ উভটি আহোতে সি মোৰ হাতখন লাহেকৈ ধৰি আছিল।

সন্ধ্যা প্ৰায় চাৰে-সাতবজাত আমাৰ গাড়ী মহানগৰীত সোমাল। আৰু সেই বিশেষ সন্ধ্যাটোতে পাণবজাৰৰ পদপথত মই প্ৰত্যক্ষ কৰিলো প্ৰায় ডেৰবছৰৰ আগতে দেখা সেই গৰ্ভৱতী বলীয়া কিশোৰীক।

গাড়ী ৰখাই আমি নামি আহিলো। পদপথ সংলগ্ন ৱালত আউজি থিয় দি আছিল তাই। কোলাত ময়লা কাপোৰৰ এটা টোপোলা। টোপোলাটো তাই কেঁচুৱা লোৱাৰ দৰেবুকুত সাবটি আছে যদিও প্ৰকৃততে ফটা কাপোৰৰ সেই টোপোলাটোত কেঁচুৱা আছে নে নাইবুজা নাযায়। ছোৱালীজনীৰ অস্থি চৰ্মসাৰ শৰীৰৰ উৰ্ধ্বাংগত দুটা মঙহৰ লডা ওলমি আছে। জিলজিলিয়া ফটা ফ্ৰকৰ মাজেৰেব্ৰাবিহীন বক্ষত স্পষ্টকৈ জিলিকি আছিল শুকান মঙহৰ ৰূপ লোৱা তাইৰ স্তন। চুটি ফ্ৰকটোৱে শুকান খৰিৰ দৰে হোৱা তাইৰ উৰু ঢাকিবপৰা নাছিল। আৰু কি আশ্চৰ্য! তাইৰ ক্ষয়িষ্ণু শৰীৰটোত পুনৰ কলহৰ দৰে স্ফীত হৈ আহিছে তাইৰ গৰ্ভ! সমুখলৈ আঙুলি টোৱাই তাই অহৰহ গালি পাৰি আছে কাৰোবাক।

'স্নেপ ল'বি?' অনিৰ্বাণে সুধিলে।

'ওঁহো! সকলো সময়তে জীৱন কেমেৰাত আবদ্ধ হৈ নপৰে।'

পাণবজাৰৰ সেই ব্যস্ত পদপথত আচম্বিতে মই 'মোৰ' মুখামুখি হ'লো। মোক ঢাকি ৰাখি সক্ৰিয় হৈ পৰা মোৰ মাজৰ সাংঘাতিক কেৰিয়াৰ সচেতন ফটোগ্ৰাফাৰজন মোৰ পৰা বিচ্ছিন্ন হৈ পৰিল আৰু ফুটপাথেৰে খোজকাঢ়ি ক'ৰবাত নেদেখা হৈ গ'ল।

মই নিৰ্ভাৰ হৈ উঠিলো। স্বাধীন হৈ উঠিলো। এটা দিনৰ অনিৰ্বচনীয় অপূৰ্ব অভিজ্ঞতাই পুনৰ মোৰ মাজৰ ফুল-তৰা-গান আৰু আকাশ ভাল পোৱা ছোৱালীজনীক জগাই তুলিব খুজিলে —

কোনো চাপ নাই এতিয়া - কেৰিয়াৰ, প্ৰদৰ্শনী, প্ৰশংসা - ! আনকি, মোৰ ক্ষণিক লজ্জাৰ বিনিময়ত পদপথত থিয় দি ৰোৱা বলীয়া কিশোৰীজনীৰ শৰীৰত আবুৰ দিব পৰাকৈ মই সাহসী হৈ উঠিলো।

গাত লৈ থকা গুলপীয়া দোপাট্টাখন ছোৱালীজনীৰ গাত মেৰাই দি পথৰ দাঁতিত পাৰ্ক কৰি থোৱা অনিৰ্বাণৰ গাড়ীলৈ মই দ্ৰুত খোজেৰে আগবাঢ়িলো। □□

ডাক্তৰৰ ঘৰৰ কামখিনি খৰখেদাকৈ সামৰি যাবলৈ ওলাওতে চাৰে পাঁচ বাজিলেই। ড্ৰয়িং ৰুমৰ প্ৰকাণ্ড ঘড়ীটোলৈ চাওঁতে ল'ৰা-ছোৱালীকেইটালৈ মনত পৰি বগীৰ বুকুখন ধৰফৰাই উঠিল।

ধুনীয়া, চাফ-চিকুন ঘৰটোৰ চৌহদৰ পৰা ওলাই বগীয়ে ৰাস্তাত ভৰি থ'লে। ৰঙা-বগা আপেলৰ দৰে তুলতুলীয়া চেহেৰাৰ ল'ৰা- ছোৱালীকেইটামানে ৰাস্তাটোত ৰং-বিৰঙৰ চাইকেল এখন লৈ ব্যস্ত হৈ আছে। এবাৰ এটা উঠিছে, পেডেল মাৰিছে, কাষে কাষে আন কেইটামান দৌৰিছে। তাৰ পাছত আন এটা চাইকেলখনত উঠিছে। বাকীবোৰ দৌৰিছে ...। বগী ৰাস্তাটোৰে পাৰ হৈ যাওঁতে সিহঁতে লৰা-লৰিকৈ আঁতৰি বাট এৰি দিলে। যেন তাইৰ পৰা এফুট আঁতৰত থিয় নহ'লেই সিহঁতৰ শৰীৰ লেতেৰা হ'ব।

ছবিৰ দৰে ধুনীয়া আৱাসিক এলেকাটো এৰি বগী মূল পথত উঠিল। গাড়ী-মটৰৰ হৰ্ণ তাইৰ কাণত পৰা নাই। মানুহৰ অবিৰাম অহা-যোৱা, কৃত্ৰিম পোহৰৰ চাকচিক্য একো তাইৰ চকুত পৰা নাই। তাই দেখি আছে তৰ্জাৰ বেৰ দিয়া এটি অকনমাণি কোঠা ... চোতালত বহি থকা শুকান-উবান তিনিটা ল'ৰা-ছোৱালী ...। চৌপাশৰ অস্পষ্ট কোলাহলবোৰৰ মাজেদি সৰকি আহি তাইৰ কাণত ধৰা দিলে ল'ৰা-ছোৱালীকেইটাৰ মাতকেইষাৰে — 'মা ভোক লাগিছে', 'মা, আজি খাবলৈ কি আনিছ ...?'

নৈপৰীয়া গাঁও এখনলৈ মনত পৰে বগীৰ। সোণালী ধান, ঘৰে ঘৰে তামোল-পাণ, শাকনি বাৰী। এখন নৈ আছিল ... থিয় গৰা ... শৰতৰ কঁহুৱা ফুলিলে এনে লাগিছিল যেন আকাশৰ বগা বগা ডাৱৰবোৰহে নামি আহিছে মাটিলৈ ...! সিহঁতৰ হেঁপাহৰ সেই নৈখনেই এদিন সিহঁতৰ জীৱনলৈ অন্ধকাৰ মাতি আনিলে। গাঁওখন নদীৰ বুকুত জাহ গ'ল। বগীৰ মাক-দেউতাক-দাদাক-আইতাকৰ দৰে গাঁওখনৰ আধাতকৈও বেছি মানুহক নৈখনে বুকুত সামৰি থ'লে। যিবোৰ বাচি থাকিল দিহিঙে-দিপাঙে জীৱন লৈ পলাল। ৰহিম দৰ্জীৰ পুতেক ৰফিকৰ হাতত ধৰি বগী মহানগৰীলৈ আহিছিল। একোঠলীয়া ঘৰ এটা ভাৰালৈ লৈয়ে তাইক

## ঈষৎ মনঃস্খলন আৰু এটা নতুন চোলা

ৰফিকে 'নিকাহ' কৰিছিল। আচলতে, হিন্দু-মুছলমানৰ পৰিচয় সিহঁতে নদীৰ বুকুত জাহ যোৱা গাঁওখনতে এৰি আহিছিল। চহৰত দৰ্জীৰ কাম এটা যোগাৰ কৰিবলৈ ৰফিকৰ বৰ বেছি কষ্ট হোৱা নাছিল।

'বগী, কামৰ পৰা আহিলিয়ে নেকি?' ডাঙৰ কাপোৰ চিলোৱা দোকান এখনৰ কেচবক্সৰ ওচৰত বহি থকা ধেপেচী মানুহ এজনীয়ে বগীক ৰিঙিয়াই মাতিলে। মিন্নি। বেঙুণীয়া শাৰী, টিক্‌টিকীয়া ৰঙা লিপষ্টিকেৰে মানুহজনীক একেবাৰে ভাল লগা নাই।

বগী ৰৈ গ'ল। মিন্নিয়ে তাইক হাত বাউল দি ওচৰলৈ মাতিলে।

'নোসোমাওঁ অ'। দেৰি হৈছে। ইহঁতকেইটা — '

'অকণমান বহিবি আহ। গোটেইজনী ভাগৰত লাল-কাল দি আহিছ একেবাৰে।' মিন্নিয়ে বহাৰ পৰা উঠি আহি বগীৰ হাতত ধৰিলেহি। মিন্নিৰ কাষতে প্লাষ্টিকৰ টুল এখনত বহি বৰ আগ্ৰহেৰে তাই আগবঢ়াই দিয়া চাহ আৰু চিঙৰা খালে বগীয়ে। ডাঙৰ কোঠাটোত দুজনী ছোৱালী আৰু এজন ল'ৰাই খট্‌খট্ শব্দ কৰি চিলাই মেচিনত কাপোৰ চিলাইছে। এজনী শকত ছোৱালী পলিথিনৰ পেকেট এটা লৈ সোমাই আহিল। সমুখতে বহা ল'ৰাটোৱে পলিথিনত থকা কাপোৰখিনি ফিটা এডালেৰে জুখি কিবা এটা ক'লে। মিন্নি আগবাঢ়ি গৈ ছোৱালীজনীৰ শকত শৰীৰটো ফিটাডালেৰে জুখি জুখি ল'ৰাটোক হিচাপবোৰ কৈ গ'ল। সি খচ্‌খচ্‌কৈ কাগজত লিখি গ'ল। আগতে এই কামটোৰ কথা কৈ ৰফিকক খুব জোকাইছিল বগীয়ে। ৰফিকৰ সৈতে এখন ডাঙৰ টেইলৰ্চত একেলগে বহাৰ সপোন দেখিছিল তাই। কি কি যে নাছিল সিহঁতৰ সেই সপোনবোৰত —দুকোঠলীয়া এটা ঘৰ ... সৰু পাকঘৰ এটাত শাৰী শাৰী পাত্ৰত চাউল, আটা, ডাইল, চাহপাত, চেনি! ... এটা টেমাত কেইখনমান বিস্কুট! গা ধুবলৈ চাবোন, মূৰত তেল! মাহত এদিন এখন চিনেমা ... ! ল'ৰা-ছোৱালীকেইটাৰ কিতাপ পঢ়াৰ ভুন্ ভুন্ শব্দই পুৰা-গধুলি কোঠা দুটা ভৰাই ৰাখিব! শকত ছোৱালীজনী গুচি গৈছিল। কাগজ এখেনৰে চিঙৰা তিনিটা বান্ধি বগীৰ হাতত দি মিন্নিয়ে ক'লে —

'কিনো ভাবিছ, ইমানকৈ? — এইকেইটা ল'ৰা-ছোৱালীকেইটাক দিবি।'

চাহকাপ খাই বগীৰ গাটো ভাল লাগিছিল। ডাক্তৰৰ ঘৰত দুপৰীয়াৰ ভাতসাঁজ খাওঁতে সদায় মনটো বেয়া লাগে। ভাতৰ লগত ডাইল অকণমান পালেই হাঁহি পেলোৱা ল'ৰা-ছোৱালীকেইটালৈ মনত পৰি যায়। কিন্তু, নাখালেও নহয়। পুৰা আঠ বজাত ওলাই গৈ তাই বেলি বহাৰ পাছতহে উলটিব পাৰে। ইমান সময় একো নোখোৱাকৈ কাম কৰিবলৈ শক্তিনো পাব ক'ৰ পৰা!

সিহঁতৰ গলিত থকা আনবিলাক মাইকী মানুহে দিনত সৰু-সুৰা কাম কৰাৰ বাদেও আন এটা কামো কৰে। ৰিক্সাৱালা, ঠেলাৱালা বা বাছৰ হেণ্ডিমেনৰ লগত নদীৰ ওপৰত থকা জাহাজৰ ভগা কেবিন বা নিজৰ ঘৰৰ ভিতৰতে দুই/তিনি ঘণ্টা পাৰ কৰি দহ টকা/বিশ টকা ঘটি লয়। এই কামটোৰ বাবে কেতিয়াও বগী সন্মত নহ'ল। তাইক ইমান মৰম কৰা মানুহটো ... মৰি গ'লেও তাইৰ গা, মন সকলোতে ৰফিক আছে। তেনেস্থলত ... !

খৰখোজেৰে গৈ থকা বগী এইবাৰ আন এটা ঠেক, অলপ আন্ধাৰ পথেৰে আগবাঢ়িল। কিবা এটাত উজুটি খাওঁতে হাতৰ পৰা মিন্নিয়ে দিয়া টোপোলাটো পৰি যাব খুজিছিল। তাই কোনোমতে চম্ভালি ল'লে।

আগতে মিন্নিৰ অৱস্থাও তাইৰ দৰেই আছিল। বেমাৰী ল'ৰা এটা আৰু পেটমোচা ছোৱালী এজনীৰ সৈতে এসাঁজ খালে এসাঁজলৈ চিন্তা কৰিবলগীয়া অৱস্থা। কিন্তু এটা বৰ দুখলগা আৰু ভয়ানক ঘটনাই মিন্নিৰ জীৱনটোৱেই সলনি কৰি পেলালে। তাইৰ এতিয়াৰ টকা-পইচা, ঘৰ, দোকান সকলো সেই সাংঘাটিক বেয়া ঘটনাটোৰে 'ভাল' পৰিণতি। 'ভাল জানো' —হঠাতে এটা ছিন্ন ভিন্ন ক্ষুদ্ৰ শৰীৰলৈ মনত পৰি বগী জিকাৰ খাই উঠিল। সেই বিশেষ ৰাতিটো —

শীতৰ ৰাতি আছিল। জোনৰ শেঁতা পোহৰত বগীৰ চোতালতে বহি বহু পৰলৈকে কথা পাতি আছিল বগী আৰু মিন্নিয়ে। কেঁচা খৰিৰ জুইকুৰাৰ দুফালে এৰি অহা দিনবোৰ সুঁৱৰি ম্ৰিয়মান হৈ পৰিছিল সিহঁতৰ মুখ দুখন। এটা সময়ত অঙঠাৰ উত্তাপে শীতত গোট মাৰিব ধৰা সিহঁতৰ শৰীৰত উম দিব নোৱাৰা হ'ল। মানুহটো মৰি যোৱাৰ দুখ, বেমাৰী ল'ৰাটোক চিকিৎসা কৰাব নোৱাৰাৰ দুখ আৰু ছোৱালীজনীক ভালকৈ গা ঢাকিব পৰাকৈ কাপোৰ এসাজ দিব নোৱাৰাৰ দুখ — এই আটাইবোৰ দুখ সামৰি-সুতৰি জুইকুৰাৰ কাষৰ পৰা মিন্নি উঠি যোৱাৰ পাছতে ফটা-কঁথাৰ তলত গা টো সুমুৱাইছিলহে বগীয়ে — ৰাতিটো থান-বান কৰি মিন্নিয়ে ভয়ানকভাৱে বিনাবলৈ আৰম্ভ কৰিছিল। বুকু কঁপি যোৱা সেই বিননিত গলিটোৰ সৰু সৰু ঘৰবোৰৰ পৰা মানুহবোৰ ওলাই আহিছিল। দৌৰী গৈ বগীয়ে দেখিছিল সাতবছৰীয়া জীয়েকৰ তেজে তুমৰলি শৰীৰটো সাবটি বলিয়াৰ দৰে মাটিত বাগৰি কান্দিছে মিন্নিয়ে। মানুহবিলাকে জোৰ কৰি মিন্নিক আঁতৰাই দিছিল। নিনাৰ অপুৰঠ বুকু আৰু ওঁঠ দাঁত আৰু নখৰ আঁচোৰত ছিন্ন-ভিন্ন হৈ পৰিছিল। গাল আৰু শৰীৰৰ নিম্নাংগ ...! হোলোকা হোলোকে ওলোৱা নিজৰ শৰীৰৰে তেজৰ ডোঙাত যেন ডুবিবহে ধৰিছিল মৃত শৰীৰটো!

খৰ-ধৰকৈ এন্ধাৰ বাটটোৰে গৈ থকা বগীয়ে অলপ বৈ দীঘলকৈ এটা হুমুনিয়াহ এৰিলে। মিন্নিয়ে কোৱা এষাৰ কথা মনত পৰিল তাইৰ! নিনা মৰাৰ আঠ মাহমানৰ পাছত ল'ৰাটোক হস্পিতালৰ পৰা ঘৰলৈ আনি শাৰীৰ আগেৰে চকু মোহাৰি মিন্নিয়ে কৈছিল — 'তাই মৰি ল'ৰাটোক বচাই থৈ গ'ল। ডাক্তৰে কৈছে ত্ৰিশ হেজাৰ টকা দি অপাৰেচন নকৰা হ'লে ল'ৰাটো আৰু বেছিদিন নাবাচিলহেঁতেন!' কিন্তু অকল ল'ৰাটোৱেই বাচিল নে!

ঘটনাটোৰ পাছত বহুত মানুহেৰে গলিটো ভৰি পৰিছিল। সৰু সৰু, পুতলাৰ দৰে ধুনীয়া গাড়ীবোৰত উঠি ডাঙৰ ডাঙৰ মানুহবোৰ মিন্নিৰ ঘৰলৈ আহিছিল। মানুহবোৰে ন্যায়ৰ কথা কৈছিল, আইনৰ কথা কৈছিল। এদিন কড়া ইস্ত্ৰি কৰা কাপোৰ আৰু ছানগ্লাছ পিন্ধা কেইগৰাকীমান শকত-আৱত মানুহে ল'ৰাটোৰ সৈতে মিন্নিক আন এটা ঘৰলৈ লৈ গৈছিল। সিহঁতৰ গলিটোৰ পৰা অলপ আঁতৰত থকা ডাঙৰ ফ্লেট এটাৰ নাইট চকীদাৰজনকো পুলিচে ধৰি নিছিল। তাৰ পাছৰ গোটেইখিনি কথা বগীয়ে ভালদৰে নাজানে। নুবুজেও। ৰুগীয়া ল'ৰাটোৰ সৈতে মিন্নিৰ ফটো বাতৰি কাকতত ওলাইছিল, টিভিত ওলাইছিল। মহিলা সংগঠন আৰু কিবা মানৱাধিকাৰ আয়োগে বোলে মিন্নিৰ হৈ খুব যুঁজিলে। স্বয়ং মুখ্যমন্ত্ৰীয়ে আহি মিন্নিৰ লগত কথা পাতি গ'ল । ... আৰু নিনাৰ মৃত্যুৰ সাত মাহৰ পাছতে চৰকাৰ আৰু ফ্লেটৰ মালিকৰ পৰা মিন্নিয়ে মুঠ তিনিলাখ টকা পালে।

'বুজিছ, আমাৰ নিচিনা সৰু মানুহৰ হৈ মাত মাতিবৰ বাবেও বহু ডাঙৰ মানুহ আছে।' মিন্নিয়ে কৈছিল তাইক। বগীয়ে বুজিছিল — কোনোবাই যদি ইমান দুখ লগাকৈ সিহঁতৰ

নিচিনা মানুহৰ সৰু ছোৱালী মাৰি পেলায়, সিহঁতৰ হৈ যুঁজিবলৈ বহু ডাঙৰ মানুহ ওলাই আহিব। থানা ঘেৰাও হ'ব, শোভাযাত্রা হ'ব ... মুঠতে দোষীৰ শাস্তি হ'বই। ... আৰু মৰা ছোৱালীজনীৰ পৰিয়ালে বহু টকা পাব।

কেঁকুৰী এটা ঘূৰাৰ পাছতে ঠেক গলি এটায়েদি বগী সোমাই গ'ল। নিনাৰ মৃত্যুৰ পাছৰ পৰা এই ঠাইখিনিত ৰাস্তাৰ ওপৰত লাইট হ'ল। দূৰৰ পৰাই তাই দেখিলে ডাঙৰ দুটা ল'ৰা-ছোৱালী মামু আৰু দীপাই ঘৰৰ সমুখৰ মুকলি ঠাইকণতে ভঙা কেৰাহীৰ ওপৰত সজা চৌকাটোত ফটা কাগজেৰে জুই জ্বলাই আছে। বগী আহি সিহঁতৰ ওচৰতে বহিল।

দীপাই পানী এগিলাছ আৰু মেৰী বিস্কুট দুখন মাকৰ হাতত তুলি দিলেহি।

'বিস্কুট ক'ত পালি?' অলপ সন্দেহ আৰু উষ্মাৰে সুধিলে বগীয়ে। কিন্তু ভয়তে তলমূৰ কৰা ল'ৰা-ছোৱালীহালৰ শুকান মুখকেইখন চাই তাই কথাটো অধিক বঢ়াবলৈ ইচ্ছা নকৰিলে। তাই সিহঁতক চিঙৰাকেইটা উলিয়াই দিলে। ষ্ট্রিট লাইটৰ পোহৰৰ চমকাবোৰে সিহঁতৰ চোতালৰ এন্ধাৰখিনি সম্পূৰ্ণকৈ আঁতৰাব পৰা নাই। এন্ধাৰ আৰু পোহৰে কোলা-কুলি কৰি থকা চোতালত বহি থাকোতে বগীৰ আন এখন চোতাললৈ মনত পৰে। সাৰি মচি নিকা কৰি থোৱা বহল এখন চোতাল। পদুলিত নওলা, বাৰীত পকি থকা আম, কঠাল, জামু। তেনে এখন ভৰপূৰ গাঁও তাইৰ ল'ৰা-ছোৱালীকেইটাই হয়তো কেতিয়াও দেখিবলৈ নাপাব। দীপাই চচপেন এটাত চাউল অলপ উঠাই দিছিল। ক'ৰবাৰ পৰা গুড্ডী আহি কু-কুৱাই তাইৰ কোলাত সোমালহি। কাণেৰে নুশুনা, কথা ক'ব নোৱাৰা গুড্ডী বগীৰ আটাইতকৈ সৰু ছোৱালী। দেখাত দীপা আৰু মামুতকৈ তাই বেছি ধুনীয়া। দীপাৰ হাতৰ পৰা চিঙৰাটো লৈ খাওঁতে গুড্ডীৰ মুখখন পোহৰ হৈ পৰিল। টেঁ টেঁ শব্দ কৰি তাই মাক আৰু বায়েকক কিবা এটা বুজাব খুজিছিল।

ৰফিকলৈ মনত পৰি পুনৰ চকু দুটা সেমেকি উঠিছিল বগীৰ। মানুহটো থকা হ'লে আজি! বক্‌বক্‌কৈ উতলিব ধৰা চাউল বঢ়োৱা পানীখিনিলৈ চাই থাকোতে তাইৰ চকুৰ পৰা এটোপাল চকুলো সৰি পৰিল।

+++

চকুৰ পানীৰে গাৰুটো তিতি গ'ল বগীৰ। বাতবিষে কোঙা কৰি পেলোৱা শৰীৰটো লৈ সাতদিন বিছনাত পৰি আছে তাই। ডাক্তৰৰ ঘৰৰ কামখিনি দীপাই কৰিবলগীয়া হৈছে। এটা বছৰ যেন চকুৰ নিমিষতে পাৰ হৈ গ'ল। কিমান যে পৰিৱৰ্তন আহিল এই এটা বছৰত বগীৰ জীৱনলৈ, চহৰখনলৈ!

গলিৰ লেতেৰা ধাগুাবোৰৰ পৰা নিজে আঁতৰত থাকি জীয়েককো আঁতৰত ৰখা বগীয়ে দীপাক বুজাবলগীয়া হ'ল — 'আমাৰ দৰে মানুহৰ জীৱন এনেকুৱাই। এইবোৰলৈ ভয় কৰি কাম কৰি কামলৈ নগ'লে খাবি কি?' ডাক্তৰৰ ঘৰত কাম কৰিবলৈ যোৱাৰ দুদিন পাছতে উভতি আহি মাকক সাবটি ধৰি খুব কান্দিছিল দীপাই। ডাক্তৰৰ হিপ্পী হেন চেহেৰাৰ পুতেকে বোলে চাহ দিবলৈ যাওঁতে তাইক ...! কামিজৰ বুকুৰ কাষৰ ফাটি যোৱা অংশটো উৰ্ণাৰে ঢাকি যেনেতেনে ঘৰ পালেহি তাই। কান্দি কাটি লেবেজান হোৱা ছোৱালীজনীক বুজালে বগীয়ে — 'এইবোৰ ভাতৰ লগত পানী খোৱাৰ দৰে কথা ... ।'

মিন্নিৰ ওচৰলৈ এশ টকা ধাৰ বিচাৰি যোৱা মামুক মিন্নিয়ে ভিতৰলৈকে সোমাবলৈ

নিদিলে।

ন বছৰীয়া ল'ৰাটো আজিকালি দিনটো টলৌ-টলৌকৈ ঘূৰি ফুৰে। ৰাতি আহি মাকৰ হাতত কেতিয়াবা দুই/পাঁচ টকা তুলি দিয়ে। সি ক'লৈ যায়, পইচা ক'ৰ পৰা আহে সুধিবলৈ বগীৰ সাহ নহয়। আৰু চহৰখন — ওপৰা উপৰিকৈ কেইবাটাও বোমা ফুটি বহুত মানুহ মৰিল চহৰখনত। এতিয়া যেনিয়ে চোৱা যায় পিন্ পিন্‌কৈ পহৰা দি থকা মিলিটেৰীবোৰহে চকুত পৰে। পুৱা ওলাই যোৱা ল'ৰা-ছোৱালী দুটাক বগীয়ে কয় — 'ভালদৰে থাকিবি। এন্ধাৰ হোৱাৰ আগতেই ঘূৰি আহিবি।'

... দিনৰ দিনটো চোতালত মাৰ্বল খেলি থাকে গুড্ডীয়ে। কেতিয়াবা অলপ সময়ৰ বাবে ৰাস্তাত ৰয়। তাইৰ সম-বয়সীয়া কোনো ল'ৰা-ছোৱালী দিনটোত গলিত নাথাকে। কাম কৰিবলৈ চব ভাগে ভাগে ওলাই যায়। গুড্ডীয়ে মাজে মাজে টেঁ টেঁকৈ চিঞৰি বিছনাত পৰি থকা মাকক খাবলৈ বিচাৰে। একো দিব নোৱাৰিলে হাতত যি পায় তাকে দলিয়াই ভাঙে। বিছনাত পৰি থাকি দুৱাৰৰ ফাঁকেৰে চোতালত খেলি থকা গুড্ডীলৈ চাই আছিল বগীয়ে। চাৰে ছবছৰীয়া ছোৱালীজনীৰ গাটো মলিয়ন, ফটা চোলাটোৰে ভালদৰে ঢাকিব পৰা নাই। বগীৰ বুকুখন ধহমহাই উঠিল — কি হ'ব এই ছোৱালীজনীৰ তাই মৰাৰ পাছত! নিজে একো এটা কৰিব নোৱাৰিলে জীৱনভৰ কোনে খুৱাই থাকিব তাইক!

আস! যদি এই ছোৱালীজনীৰ জন্মই নহ'লহেঁতেন! ঠিক এই ভাবটো মনলৈ আহোতেই বগীয়ে দেখিলে পেটুৱা, ডাঙৰ মোছ থকা মিলিটেৰীজনে গুড্ডীক হাত বাউল দি ওচৰলৈ মাতিছে। বগীয়ে প্ৰায় পাঁচদিনমানৰ পৰা লক্ষ্য কৰিছে — সিহঁতৰ ঘৰৰ সমুখৰ কেঁকুৰিটোৰ দোকানকেইখনৰ ওচৰত বৈ পহৰা দিয়া মিলিটেৰীৰ সাজ পিন্ধা পেটুৱা মানুহটোৱে গুড্ডীক বৰকৈ লক্ষ্য কৰি থাকে। কেতিয়াবা ওচৰলৈ মাতি নি টফী বা বা বিস্কুট কিনি দিয়ে।

আজিও মানুহজনে দিয়া টফীটো হাতত লৈ আঁকৰী ছোৱালীজনীয়ে কিৰিলিয়াই উঠিল। ধুনীয়া মুখখনত বিচিত্ৰ ভংগী এটা কৰি টেঁ টেঁকৈ আঙুলি জোকাৰি তাই সম্ভৱতঃ মানুহজনক ধন্যবাদ জনালে।

বগীৰ গাটো সিৰ-সিৰাই উঠিল। ইঃ কেনেদৰে মানুহটোৱে ছোৱালীজনীৰ গাটোলৈ ট টকৈ চাইছে! তাইৰ এনে লাগিল যেন এতিয়াই গৈ মানুহটোক টানকৈ কথা এষাৰ শুনাই ছোৱালীজনীক হাতত ধৰি টানি ভিতৰলৈ লৈ আনিব। বগী চুচৰি উঠিব খুজিছিল। কিন্তু, মূৰ ঘূৰাই পুনৰ বিছনাত পৰি গ'ল। ... আৰু আচৰিত ... তাইৰ ক্লান্ত, মেলা চকুহাললৈ দিন দুপৰতে এটা সপোন বাগৰি আহিল — তাইৰ মনৰ অবচেতনত শুই থকা সপোন, নে কল্পনা ... অভাৱ আৰু দাৰিদ্ৰই পিষ্ট কৰা তাইৰ ইচ্ছাৰ অভ্যন্তৰত তাই নিজেও নজনাকৈ শুই থকা সপোনেইনে এইটো ...! তাইৰ অগোচৰে মাতৃত্বৰ মমতাতকৈ জীৱন ডাঙৰ হৈ উঠোতে তাইৰ ভাবনাক মথি মথি তাই ক'ব নোৱাৰাকৈ গা-ভাৰী হৈ উঠা এটা সপোন ...

মিন্নিৰ দৰে এখন টেইলৰ্চৰ কেচ বক্সত বহি তাই টকা গণিছে। শুকান-উবান ফলা খৰি হেন শৰীৰটো তাইৰ নিটোল হৈ আহিছে। তাই ডাঠ গুলপীয়া ৰঙৰ (ৰফিকে এইটো ৰং বৰ ভাল পাইছিল) এখন শাৰী পিন্ধিছে। ভৰিত ধুনীয়া চেণ্ডেল। ডিঙিত মণি, ওঁঠত লিপষ্টিক। ক'ৰবাত এমব্ৰইডেৰী শিকি দীপা ঘৰলৈ উলটি আহিব। তাই ধুনীয়াকৈ চেলোৱাৰ পিন্ধিব। কোনোবা ডাক্তৰৰ পুতেকে বুকুত খামুচি ধৰাৰ ভয়টো আৰু এইজনী দীপাৰ চকুত লিপিত

খাই নাথাকিব! আৰু মামু ... সি নিজেই অটো কিনিব। অটো চলাব।

সন্ধ্যা ঘৰলৈ উভতি আহি বগীয়ে ল'ৰা-ছোৱালীহালৰ বাবে মটৰৰ ঘুগনি আৰু মাংস ৰান্ধিব। মিন্নিৰ নতুন ঘৰটোত থকাৰ দৰে এটা ডাঙৰ ৰঙীণ টিভি থাকিব সিহঁতৰ। এটা গান শুনা যন্ত্ৰ! ... আৰু পাকঘৰত ... শাৰী শাৰীকৈ সজোৱা টেমাত ভৰি থাকিব দাইল, চাউল, চেনী ... বাতৰ বিষৰ যন্ত্ৰণাৰ ওপৰত সপোনটোৱে এটা মমতাৰ লেপন দিছিল। বগীয়ে গমেই পোৱা নাছিল পেটুৰা মিলিটেৰীজনৰ লগত গুড্ডী গলিটো পাৰ হৈ চহৰৰ ফালে গুচি গৈছে। তাই এই সপোনটোৰ আগৰ কথাখিনি চেতনাৰ ভিতৰলৈ টানি আনিলে। ... ৰং-বিৰঙৰ এগাল গাড়ী সিহঁতৰ ঘৰলৈ আহিছে ... বহুত মানুহ ... কাৰোবাৰ কেমেৰাৰ ফ্লাচ জ্বলিছে ... কোনোবাই তাইক কিবা সুধিছে ... বাতৰি কাকতৰ বাবে ফটো ল'বলৈ দীপা আৰু মামুক তাইৰ কাষত কোনোবাই থিয় কৰাই দিছেহি ...

হাই-উৰুমিৰ মাজত তাইৰ চকু ভৰি আহিছে ... ধুনীয়া মুখৰ আঁকৰী ছোৱালীজনীলৈ মনত পেলাই তাই হুৰাওৱাৰে কান্দিছে ... ইয়াৰ আগত ... কি ঘটিব ইয়াৰ আগতে ... বগীৰ সপোনটো সমুখলৈ নহয় পিছলৈ দৌৰিছে এইবাৰ ...

এন্ধাৰবোৰ থানবান কৰি এটা চিঞৰ গলিটোত ওপঙি ফুৰিছে। মানুহবোৰে তৰ্জাৰ বেৰৰ সৰু ঘৰ এটালৈ ঊৰ্দ্ধশ্বাসে দৌৰিছে। বুকুত কিবা এটা সাৰটি বলিয়াৰ দৰে ৰাউচি জুৰি মাটিত বাগৰি কান্দিছে মানুহ এজনীয়ে। বগীয়ে দেখিলে সেইখন তাইৰেই মুখ। মানুহবোৰে জোৰ কৰি তাইক বুকুত সাৰটি থকা দেহটোৰ পৰা আঁতৰাই নিছে। ... এটা কোমল শৰীৰ ... নখ আৰু দাঁতৰ আঁচোৰত বুকু, ওঁঠ বিদীৰ্ণ। গাল, ডিঙি, তলপেটত কেঁচা তেজৰ চেকুঁৰা ... শৰীৰৰ নিম্নাংগৰ পৰা জিৰ জিৰকৈ নিগৰিছে কেঁচা তেজ। ... আৰু ... আৰু এই চিনাকি যেন লগা মৃতদেহটো ... আ! এইখন দেখোন গুড্ডীৰ মুখ! ৰফিকৰ দৰে চেহেৰা পোৱা তাইৰ ধুনীয়া আঁকৰী ছোৱালীজনী ... !

ধমহকৈ বগীৰ সপোনৰ বেলুনটো ফুটি থাকিল। বাহিৰত এন্ধাৰ। সম্ভৱতঃ লোডশ্বেডিং।

দোকানৰ পৰা পোহৰৰ সামান্য ৰেঙণি কেঁকুৰিটোত পৰিছেহি। তাত গুড্ডী নাই, তাইক টফী দিয়া পেটুৰা মিলিটেৰীজনো নাই। অস্পষ্টকৈ বগীৰ মনত পৰিল — সপোনত ডুবি থকা তাইৰ চকুহালৰ সমুখেদিয়েই গলিটো পাৰ হৈ মানুহজনৰ লগত গুচি গৈছিল গুড্ডী। এইবাৰ আৰু তাইক বাতবিষে বিছনাত বান্ধি ৰাখিব নোৱাৰিলে। খৰকৈ লেকেচিয়াই লেকেচিয়াই তাই বাহিৰলৈ ওলাই আহিল। দীপা আৰু মামু উভতি অহা নাই। বগীৰ বুকুখন ভয়ত গোট মাৰিবলৈ ধৰিছে। তাই লেকেচিয়াই লেকেচিয়াই প্ৰায় দৌৰিবলৈ ধৰিছে। 'গুড্ডীক দেখিছিলিনে? গুড্ডীক?' সমুখত যাকে পাই তাকে সুধিছে তাই। নাই। কোনেও গুড্ডীক দেখা নাই।

গলিৰ প্ৰতিটো ঘৰতে খবৰ ল'লে বগীয়ে। নাই। গুড্ডী নাই। কি কৰিব এতিয়া তাই! মামু বা দীপা কোনোবা এটা অহালৈ বাট চাই চোতালতে ধপকৈ বহি পৰিল বগী। আস! নিনাৰ সেই নিথৰ দেহটো! বাঘৰ দৰে কোনোবাই আঁচুৰি-বাকুহি পেলোৱা তাইৰ কোমল বুকুখন ... !

বগীয়ে কান্দিবলৈ ধৰিলে। নাই তাই বাট চাব নোৱাৰে। তাইৰ আঁকৰী ছোৱালীজনী ...! বগীয়ে গলিটোৱে দৌৰিবলৈ ধৰিলে ...।

হঠাতে দপকৈ লাইটবোৰ জ্বলি উঠিল। ষ্ট্ৰীট লাইটৰ পোহৰত তাই স্পষ্টকৈ দেখিলে পেটুৱা মিলিটেৰীজনৰ হাতত ধৰি জপিয়াই জপিয়াই গুড্ডী আহি আছে। তাইৰ গাত এটা নতুন চোলা। টৈ টৈকৈ কিবা কৈ আহিছে তাই। স্ফুৰ্তিত ছোৱালীজনীৰ মুখখন জিলিকি উঠিছে।

মাকক দেখি তাই একে দৌৰে মাকৰ ওচৰ পালেহি। টৈ টৈকে_কিবা এটা ক'বলৈ যত্ন কৰা ছোৱালীজনী বগীয়ে বুকুৰ কাষ চপাই ল'লে।

সিহঁতৰ ওচৰত থিয় হৈ গুড্ডীৰ লগত অহা পেটুৱা মানুহজনে ধুনীয়া হাঁহি এটা মাৰি কোৱা কথাখিনিয়ে বগীৰ মনটোও ষ্ট্ৰীট লাইটত উজলি উঠা গলিটোৰ দৰে পোহৰাই পেলালে। মানুহজনে হিন্দীতে কোৱা কথাখিনি তাই ঠিকেই বুজি পাইছিল — 'বাইদেউ, বেয়া নাপাব। আপোনাক নোসোধাকৈয়ে ছোৱালীজনীক দোকানলৈ লৈ গ'লো। তাইৰ ফ্ৰকটো চুটি আৰু পুৰণা হৈ গৈছিল। ... মোৰ ঘৰতো সাইলাখ এইৰ দৰে এজনী ছোৱালী আছে। মোৰ আটাইতকৈ সৰু ছোৱালী। এইক দেখিলেই তাইলৈ মনত পৰে ...।' □ □

ৰঙামাটিৰ বালিচহীয়া ৰাস্তাটোৰ ঠিক যিখিনি ঠাইত দুবছৰৰ আগতে প্ৰীতমৰ খণ্ডিত দেহ-ৰেখা তেজৰ ডোঙাৰ মাজত পৰি আছিল, তাৰপৰা ঠিক দহ গজমান বাওঁফালে লঠঙা ডালত দো খাই খাই শিমলু ফুলি থকা ঠাইখিনিতে কেনভাছ আৰু তুলিকাৰ লগত ব্যস্ত হৈ থকা শিল্পীজনক প্ৰথম দেখিছিল তাই। সেইদিনা তাই ক'লা, ভৰিলৈকে ঢাক খোৱা ছাটিনৰ পোছাক এযোৰ পিন্ধিছিল। কান্দোনৰ গহীন আৰু জয়াল সুৰ এটা টিলাটোৰ সেই নিজান বতাহজাকত পাকঘুৰণি খাই খাই ঘূৰি ফুৰিছিল। বতাহৰ সেই পকনিয়াটোৱে তাইৰ উন্মুক্ত চুলিৰ মাজত মাজে মাজে জিৰণি ল'ব বিচাৰিছিল।

ক্ৰমশঃ ডুবিব ধৰিছিল বেলিটো। অস্তাচলৰ ঈষৎ ৰঙচুৱা আৰু কমলাবুলীয়া আভা ক'লাৰ মাজত জিলিকি থকা তাই শুভ্ৰ, করুণ মুখখনত প্ৰতিবিম্বিত হৈ এনে কিছুমান ৰেখাচিত্ৰৰ সৃষ্টি কৰিছিল যে ভাব হৈছিল তাই পৃথিৱীৰ বাহিৰৰ কোনো কল্পলোকৰ বাসিন্দা। সেইদিনা প্ৰীতমৰ মৃত্যু তিথি আছিল। দিনটোৰ সমস্ত সময়খিনি তাই পাৰ কৰিছিল প্ৰীতমৰ স্মৃতি বিজড়িত দুখ আৰু আহ্লাদৰ সৈতে।

তাইৰ মসৃণ, নিৰুদ্বেগ খোজবোৰ টিলাটোৰ ৰঙা বালিচহীয়া মাটিৰ ওপৰেৰে ঘূৰি ঘূৰি এঠাইত স্থিৰ হৈ ৰৈ গ'ল। সন্মুখত তুলিকা লৈ আত্মবিভোৰ সেই তৰুণ শিল্পী। স্বপ্নাবিষ্ট মানুহৰ দৰে তুলিকাৰে ৰং বুলাই গৈছে কেনভাছত। মূৰটো সামান্য বেঁকা কৰি ডিঙি মেলি তাই কেনভাছলৈ চালে। তেজ আৰু বেলিৰ ৰং একাকাৰ হৈ যোৱা আকাশৰ তলত কেইযোৰমান ত্ৰস্ত চকু আৰু হালধীয়া পাতৰ সৈতে উৰলিব ধৰা এজোপা গছ।

'তোমাৰ নাম কি?'

গলগলীয়া মাতেৰে এবাৰো ঘূৰি নোচোৱাকৈয়ে সুধিলে শিল্পীয়ে। তাই সামান্য উচপ খাই উঠিল। তেওঁ যে তাইক দেখা পাব পাৰে এই কথা এবাৰৰ বাবেও তাইৰ মনলৈ অহা নাছিল।

# অপ্রেম

'নি-নিশিগন্ধা', কঁপা কঁপা মাতেৰে তাই উচ্চাৰণ কৰিলে। 'মই অভিষেক। অভিষেক চক্ৰৱৰ্তী। আৰ্ট কলেজত কাম

কৰোঁ।' শিল্পী তাইৰ ফালে ঘূৰিল।

'অহঃ আপোনাৰ ছবি মই চাইছোঁ আর্ট গেলেৰী আৰু কলাক্ষেত্ৰত। আপোনাৰ নামটো বহুদিনৰ পৰা শুনি আছো।' এইবাৰ সঁচাকৈয়ে উৎফুল্লিত হ'ল নিশিগন্ধা। চিত্ৰকলাৰ অকুণ্ঠ অনুগামী আছিল প্ৰীতম। প্ৰীতমৰ ছাঁৰ দৰে থকা নিশিগন্ধাও পাছলৈ চিত্ৰ অনুৰাগী হৈ উঠিছিল। সেইদিনা টিলাটোৰ একা-বেঁকা বাটেৰে সৰা শুকান পাতবোৰ গচকি গচকি অভিযেকৰ লগত তাই নামি আহিছিল।

'যাওঁ, পুনৰ লগ পাম।'

শিলপুখুৰীৰ পাৰৰ তাইৰ ঘৰটোলৈকে আগবঢ়াই দি শিল্পীয়ে কৈছিল। নিয়ন লাইটৰ পোহৰ পৰি জিলিকি থকা শিল্পীৰ মুখলৈ চাই 'নিশ্চয়' বুলি ক'ব খোজোতে নিশিগন্ধাই হঠাতে লক্ষ্য কৰিছিল তেওঁৰ দুচকুৰ তিৰবিৰণিৰ লগত প্ৰীতমৰ চকুৰ পোহৰৰ বহুত সাদৃশ্য আছে— উজ্জ্বল অথচ শান্ত আৰু বিচ্ছিন্ন।

তাৰ পাছত কেইবাবাৰো নিশিগন্ধাই অভিযেকক লগ পাইছে। ৰবীন্দ্ৰ ভৱনৰ অনুষ্ঠান, লুইতৰ বুকুৰ ৰেষ্টোঁৰা, কলাক্ষেত্ৰ আৰু বহু ঠাইত অভিযেকৰ লগত অতিক্ৰম কৰি আহিছে ভাল লগা সময়। এদিন হঠাতে ৰেষ্টুৰেণ্টত ধোঁৱাই থকা কফিৰ কাপ সন্মুখত লৈ অভিযেকে তাইক ক'লে, 'জানানে নিশিগন্ধা, তোমাৰ চুলি আৰু কণ্ঠত মেঘমল্লাৰৰ গোন্ধ থাকে। আৰু... তোমাৰ দৃষ্টিত ওলমি থাকে অহৰহ এটা উদাস বেলি—।' দৃষ্টিৰ উদাস বেলিটোৰ আঁৰৰ কথাখিনি সেইদিনা ক'ম বুলি ভাবিও তাই অভিযেকক নক'লে। কাৰো একো হানি নোহোৱাকৈ তাইৰ পদূলিত এতিয়া স্থবিৰ হৈ ৰৈ থকা সময়ৰ সুঁতিটো অভিযেকৰ অনুৰাগৰ উত্তাপত হয় যদি হওঁক প্ৰবাহমান। তাইতো জানে তাইৰ বুকুত অতীত গোট মাৰি বৰফ হৈ আছে। সময়ৰ এই বৰফস্তূপ অতিক্ৰম কৰি তাইতো এখোজো লৰ-চৰ কৰিব নোৱাৰে। এই প্ৰবাহে তাইৰ জীৱনক ক্ষণিকৰ বাবে তুষ্ট কৰি গ'লেও তাইতো উটি নাযায়!

সেই যে প্ৰীতম নামৰ ৰঙীয়াল চঞ্চল ল'ৰাটো—গান গাই, নাটক কৰি ঘূৰি ফুৰা অঞ্চলটোৰ অতি মেধাবী বুলি পৰিচিত ল'ৰাটো একেলগে সুখ-দুখ বোটলাৰ প্ৰতিশ্ৰুতি দি এদিন 'ডেডবডি' হৈ পৰি থাকিল আৰু তাইৰ পখিলাৰ দৰে ৰঙীণ সময়বোৰ 'ডেডবডি'টো ঢাকি দিয়া শুধ বগা কাপোৰখনত পৰিণত হ'ল, —তেতিয়াৰে পৰা তাইৰ বুকুত সময়বোৰ গোট মাৰি বৰফ হৈ আছে। ক্ষণিকৰ বাবে দুচকুত ৰং বোলাবলৈ অহা কোনো প্ৰেম প্ৰাৰ্থী বা সুহৃদে কেতিয়াও এই বৰফত দাগ কাটিব পৰা নাই। কিন্তু চকুত ঠিক প্ৰীতমৰ দৰে এক আশ্চৰ্য তিৰবিৰণি কঢ়িয়াই ফুৰা অভিযেকে যেন কেনেবাকৈ তাইৰ বুকুৰ পদুলিত ভৰি দিছেহি।

প্ৰৱাহিত হ'ব খুজিও পৰুৱাই পোৱাৰ দৰে সময় ৰৈ যায়। তাইৰ জলপ্ৰপাতৰ দৰে ঢৌ খেলা চুলিৰ ভাঁজত সাৰ পাব ধৰিও সাৰ পাই নুঠে প্ৰীতম প্ৰীতম আলফুল স্বপ্ন।

'তুমি মোক একো কোৱা নাছিলা। ময়ো নীৰৱে আছিলো। এই শেষ হ'ব নোখোজা নীৰৱতাৰ ফাঁকেৰে কেনেদৰে তোমাৰ চুলি এডাল বতাহে উৰুৱাই আনি মোৰ চোলাৰ ঠিক কলিজাৰ ওপৰতে পেলাই দিছিল আৰু এক মসৃণ চিনাকি গোন্ধত মই ডুব গৈছিলো!' অভিযেকে কৈ যায়। তাই ঠিক পখিলা এটা হ'ব খুজিও হ'ব নোৱাৰে। অসহায় পলু এটাৰ

দৰে শূন্যতাৰ দেৱাল বগাই থাকে।

এনেদৰে শূন্যতাৰ দেৱাল বগাই বগাই অতীত আৰু বৰ্তমানৰ মাজত কোনো ধৰণে সূক্ষ্ম সম্পৰ্ক এটা স্থাপন কৰিব নোৱাৰি এটা ৰাতি নিশিগন্ধাই উজাগৰে কটালে। পুৱতি নিশা খোলা খিলিকীৰ গ্ৰীলত ভেজা দি আলো-ছায়াৰ মাজেৰে আকাশলৈ চাওঁতে পৃথিৱীৰ এটা পুৰণি চিনাকি গোন্ধ তাইৰ নাকত লাগিল। এই গোন্ধটোৰ সৈতে মিহলি হৈ থাকিল চৰাইৰ কুজন আৰু বুকুৰ একোণত শুই থকা এটা বিষ...। আগদিনা ৰবীন্দ্ৰ ভৱনৰ এক ধ্ৰুপদী নৃত্য অনুষ্ঠানৰ পৰা অভিষেকৰ সৈতে তাই অটোৰে উভতি আহিছিল। তাইৰ নিচেই কাষতে তাইৰ সেই আপোন, হেৰাই যোৱা চকুৰ তিৰবিৰনি। কেনোবা এটা সময়ত তাই নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰা হ'ল। 'জানেনে— আপোনাৰ চকুৰ তিৰবিৰনিখিনি প্ৰীতমৰ লগত হুবহু একে।' যন্ত্ৰণাত তাইৰ মাতটো কঁপিছিল। ক'ব নোৱাৰাকৈয়ে সেই তিৰবিৰণিত বুৰ গৈ থাকি তাই অভিষেকৰ হাতখন স্পৰ্শ কৰিলে। লগে লগে ভায়'লিনৰ সুৰৰ দৰে এক করুণ মূৰ্চ্ছণা তাইৰ বুকুলৈ উটি আহিল। তাইৰ হাতখন ধৰি থাকিয়েই অভিষেকে ক'লে, 'তুমি একো হেৰুওৱা নাই। চাবা—তুমি সকলো পাবা।' এতিয়া খিৰিকীৰ গ্ৰীলত ভেজা দি ক্ৰমশঃ উজ্জ্বল হৈ অহা আকাশ, পৃথিৱী প্ৰত্যক্ষ কৰোঁতে বাৰে বাৰে তাইক জোকাৰি আছে সেই বাক্যাংশই— 'তুমি সকলো পাবা, সকলো পাবা।' নিশিগন্ধাই অনুভৱ কৰিছে ভায়'লিনৰ সেই করুণ কঁপনিটো এতিয়া তাইৰ উশাহত মিলি পৰিছে ক্ৰমশঃ। সেইদিনা আবেলি অভিষেকৰ ফোন আহিছিল— 'নিশিগন্ধা, তোমাৰ ছবি এখন আঁকিম বুলি কৈছিলো যে— কাইলৈ তুমি মোৰ ঘৰলৈ আহিব পাৰিবানে? দিল্লীত হ'বলগীয়া মোৰ একক প্ৰদৰ্শনীখনৰ বাবে মই বিশেষ ধৰণৰ ছবি এখনৰ পৰিকল্পনা কৰিছো। তুমি মডেল হ'ব লাগিব। ...দুপৰীয়া আহিবা। মই বাট চাম। হেল্ল'... আহিবাতো? হেল্ল—',

* * *

খিৰিকীৰে ৰ'দবোৰ চিটিকি আহি তাইৰ মুখত পৰিছেহি। ঈষৎ এন্ধাৰ কোঠাটোৰ একোণত ব্ৰাছ আৰু কেনভাছৰ সৈতে বিভোৰ হৈ পৰিছে শিল্পী। নিশিগন্ধাৰ দৃষ্টি স্থিৰ হৈ আছে খিৰিকীৰ বাহিৰৰ মৃদু বতাহে কোবাই থকা শিৰিষৰ পাতবোৰত...। এবাৰ শিল্পী উঠি আহিল। তাইৰ মুখখন সামান্য ওপৰলৈ তুলি দি পুনৰ নিজৰ ঠাইলৈ উভতি আহি তেওঁ ব্ৰাছ হাতত তুলি ল'লে। কেনভাছত ৰং বোলাবলৈ লৈ হঠাতে তেওঁ ৰৈ গ'ল। পলক নেপেলোৱাকৈ কিছু সময় তাইৰ ফালে চাই থাকি তেওঁ বিৰবিৰাই উঠিল, 'তোমাৰ সমগ্ৰ শৰীৰতে লহপহকৈ বিষাদৰ ফুল ফুলিছে নিশিগন্ধা। বক্ষ উন্মুক্ত কৰি দিয়া। আঃ এই সোণালী ৰ'দ আৰু তোমাৰ তামবৰণীয়া শৰীৰৰ ভাঁজে ভাঁজে ফুলি থকা বিষাদ ফুল! মোৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ ছবি হ'ব এইখন।'

নিশিগন্ধাই শিল্পীৰ মুখলৈ চালে। প্ৰশস্ত পথাৰৰ পৰিধিৰে দৃশ্যমান হোৱা সুদূৰৰ নীলিম পাহাৰত ডাৱৰে ঠেকা খোৱা চাই চাই উৎফুল্ল হৈ উঠা শিশুৰ দৰে এক নিষ্পাপ কৌতুহলী তিৰবিৰনি তেওঁৰ চকুত। সম্মোহিতৰ দৰে তাই এখোজ আগবাঢ়িব খুজিলে। 'ওহোঁ, তুমি তেনেদৰেই থাকা। চকুৰ ভাষা সলনি হ'বলৈ নিদিবা।' প্ৰীতমৰ দৰে লগা চকুৰ তিৰবিৰনিখিনি তাইৰ ফালে আগবাঢ়ি আহিল । লগে লগে নিৰ্জনতাৰ এক প্ৰচণ্ড ঢৌৰে তাই চৌপাশ নিজান

কৰি তুলিলে। তাইৰ শৰীৰত, ওঁঠত অতিক্ৰম কৰিব নোৱাৰা এক ভীষণ যন্ত্ৰণাদায়ক মৌনতা বিয়পি পৰিল। কেৱল তাই অনুভৱ কৰি থাকিল এনে ধৰণৰ এক আকুল তিৰবিৰণিয়ে বহুত দিনৰ মূৰত তাইৰ সন্মুখত আধা আলো আধা ছায়াৰ মাজত দেখা দিছে। কি স'তে তাই মৰনৈৰ দৰে নিস্তেজ হ'বলৈ দিব এই তিৰবিৰণিক। তাইক যে ইয়াৰ চেকুৰাবোৰ লাগে। অলপ সময়ৰ বাবে হ'লেও তাই মন আৰু শৰীৰৰ শূন্য কৰণিত ইহঁতক হেঁপাহ পলুৱাই সুমুৱাই ল'বলৈ বিচাৰিছে।

শিল্পীয়ে নিঃসংকোচ হাতেৰে খহাই পেলালে তাইৰ আকাশৰঙী শাৰীৰ আচল। ব্লাউজৰ বুটাম খুলি দি বক্ষবন্ধনীও অভ্যস্ত দুহাতেৰে তেওঁ নিশিগন্ধাৰ শৰীৰৰ পৰা আঁতৰাই পেলালে।... এসময়ত খিৰিকীৰ ফ্ৰেমত ফিক্সিড্ হৈ ৰ'ল নিশিগন্ধাৰ ঈষৎ কম্পিত দেহৰেখা। ঢৌ খেলোৱা চুলি আৰু নিৰাভৰণ বক্ষৰ উত্তুংগ শিখৰৰ মাজৰ তুষাৰ শুভ্ৰ অৱবাহিকাৰে তাই যেন গ্ৰীক ঐতিহ্যৰ এক সুকুমাৰ স্থাপত্য!

শিল্পীৰ তুলিকা বাঙ্ময় হৈ উঠিছে। এক' ও মনেৰে ৰং আৰু তুলিকাৰ লগত ব্যস্ত হৈ পৰা অভিষেকে নিশিগন্ধাৰ সুস্থিৰ শৰীৰৰ বাহ্যিক অৱয়বৰ ভিতৰত উত্তাল হৈ উঠা ধুমুহাজাকৰ সামান্য উমানো নাপালে।

'আঃ কি মৰ্মভেদী নম্ৰতা লুকাই আছে তোমাৰ অনাবৃত বক্ষত!... বুকুৰ সৌন্দৰ্য মই ঠিক তোমাৰ দৰে হোৱাটো বিচাৰোঁ। নম্ৰ, কিঞ্চিত অৱনত স্তনবৃন্ত। মাজৰ অৱবাহিকাত এই সাৰ পাই উঠো এই সাৰ পাই উঠো এক কৰুণ দোকমোকালি...! কোনো নাৰীৰ উদ্ধত অনমনীয় বুকুৱে মোক আকৰ্ষণ নকৰে।' উচ্ছাসিত শিল্পীৰ অৰ্ধস্ফুটঃ শব্দৰ টুকুৰাবোৰ কোঠাটোত ঘূৰি ফুৰিছে। মাজে মাজে তাইৰ কৰ্ণ কুহৰ আৰু শৰীৰত ঠেকা খাই খাই টুকুৰা-টুকুৰকৈ শব্দবোৰ ভাগিছে। ক্ৰমশঃ এক অসহনীয় যন্ত্ৰণাই ভয়ঙ্কৰভাৱে নিশিগন্ধাক লেহন কৰিবলৈ আৰম্ভ কৰিলে। তাইৰ অনাবৃত শৰীৰৰ বিষাদ ফুলবোৰে সামান্য সুখ-স্পৰ্শৰ বাবে আটাহ পাৰিবলৈ ধৰিলে। প্ৰীতমৰ মৃত্যুৰ পাছৰে পৰা এবাৰৰ বাবেও কাৰোবাৰ আকুল স্পৰ্শই তাইৰ মন শৰীৰৰ পৰা দুখ আৰু স্মৃতিৰ চেকুৰা মচি নিয়া নাই। দীৰ্ঘদিনীয়া তাইৰ অনাঘ্ৰাত অ-স্পৰ্শিত শৰীৰত অভিষেকৰ দৃষ্টিৰ তিৰবিৰণিয়ে তাই চিৰদিনৰ বাবে শুই পৰা বুলি ভবা একধৰণৰ আদিম ব্যাকুলতাৰ সৃষ্টি কৰিলে। ইয়াৰ ভৰ সহিব নোৱাৰি তাইৰ অশ্ৰু নিগৰি আহিল।

আনহাতে, শিল্পীৰ সৌন্দৰ্য পিপাসা যেন শেষেই নহ'ব। অঁকাৰ মাজে মাজে তেওঁ বিৰবিৰাই নিশিগন্ধাৰ নিৰাভৰণ শৰীৰৰ প্ৰশংসা কৰি থাকিল। ৰং-ব্ৰাছ-কেনভাছৰ লগত বিভোৰ হৈ থকা তৰুণ শিল্পীকো এই সময়ত এক সুখী শিল্প যেনেই ভাব হ'ল তাইৰ। এক অদ্ভুত মোহ তাই অনুভৱ কৰিলে অভিষেকলৈ, সিহঁতক স্পৰ্শ কৰি থকা সেই সময়খিনিলৈ।

কিমান সময় পাৰ হৈ গ'ল, শিল্পীৰ কেনভাছ কিমান ভৰি উঠিল, দুটা চকুৰ কিমান তিৰবিৰণিয়ে তাইৰ শৰীৰত খুন্দা খালে একোৰে হিচাপ ৰাখিব নোৱাৰিলে নিশিগন্ধাই। তাইৰ ভাব হ'ল অনন্ত কাল জুৰি স্থানু হৈ তাই বৈ আছে। কোনোবাই আহি হাতৰ মায়াবী স্পৰ্শেৰে তাইক জোকাৰি নিদিয়ালৈকে শৰীৰৰ অভ্যন্তৰত উত্তলা ধুমুহা এজাক লৈ তাই স্থানু হৈয়েই থাকিব লাগিব।

...খিৰিকীৰে ছিটিকি আহি তাইৰ মুখত পৰি থকা ৰ'দজাক নোহোৱা হোৱাৰ কেইটামান মুহূৰ্তৰ পাছতেই শিল্পী স্থিৰ হৈ ৰহিল। পলক নেপেলোৱাকৈ তেওঁ তাইৰ ফালে চাই থাকিল অলপ সময়। 'নি...শি...নি...শি...গ...ন্ধা...!' মৃদুকৈ মাতিলে তেওঁ। তাই একো উত্তৰ দিব নোৱাৰিলে। স্থানুৰ দৰে খিৰিকীৰ ফ্ৰেমত আৱদ্ধ তাইৰ ইতস্ততঃ দেহৰেখা। শিল্পী উঠি আহিল। প্ৰীতমৰ দৰে লগা তেওঁৰ চকুৰ তিৰবিৰণিবোৰে এইবাৰ তাইৰ ভৰি থকা দুচকুত ঠেকা খালে। নিশিগন্ধাৰ নিচেই কাষলৈ আহি থিয় হ'ল তেওঁ। 'মোৰ জীৱনৰ এক অন্যতম কৃতী হ'ব এই ছবি। ব...হু...ত নিৰাভৰণ শৰীৰ মই মোৰ ছবিৰ মডেল হিচাপে ব্যৱহাৰ কৰিছো। ইমান সমৃদ্ধ নাৰীৰ ঊৰ্ধ্বাঙ্গ মই দেখা নাছিলো।' এতিয়া তেওঁ তাইৰ নিশ্বাসৰ শব্দ শুনিব পৰা দূৰত্বত। শিল্পীয়ে দুহাত মেলি দিলে তাইৰ ফালে। মুহূৰ্তৰ বাবে কঁপি উঠিল নিশিগন্ধা। শৰীৰৰ বিষাদ ফুলবোৰে উচুপিবলৈ এৰি ক্ষণিক সুখ স্পৰ্শৰ বাবে অপেক্ষা কৰিলে। ক'ৰবাৰ পৰা এটা উত্তাল ঢৌ আহি মুদাই দিলে নিশিগন্ধাৰ দুচকু...। অথচ তাইৰ চকুৰ পৰা হিলদল ভাঙি নৈ এখন ব'বলৈ ধৰিলে। অভ্যস্ত প্ৰসাৰিত হাতেৰে এইবাৰ শিল্পীয়ে তাইৰ শৰীৰত তুলি দিলে বক্ষ বন্ধনী। ব্লাউজৰ বুটাম মাৰি কান্ধত তুলি দিলে আকাশৰঙী শাৰীৰ আঁচল। যি সময়ত আবেগ, বিবেক, স্মৃতি আৰু বৰ্তমান একাকাৰ হৈ তাইক গুড়ি কৰি আনিছিল আৰু এই সকলোৰে ঊৰ্ধ্বত তাইৰ শৰীৰি প্ৰয়োজন প্ৰচণ্ডভাৱে অদমনীয় হৈ উঠিছিল, যি সময়ত তাইৰ শৰীৰৰ ভাঁজে ভাঁজে উচুপি থকা বিষাদ ফুলবোৰে স্পৰ্শময় উজ্জ্বলতাৰ আশাত মূৰ তুলি অভিষেকৰ মুখলৈ কাতৰ হৈ চাইছিল আৰু হিলদল ভাঙি বৈ অহা অশ্ৰুৰ নৈখনে তাইৰ উদং ডিঙি আৰু আবৃত বুকু তিয়াই পেলাইছিল ঠিক সেই সময়তে অভিষেকৰ নিঃশ্বাসৰ শব্দ তাইৰ কাষৰ পৰা আঁতৰি গৈছিল। কেনভাছখনৰ ওচৰলৈ গৈ শিল্পীয়ে তেওঁৰ সৃষ্টিৰ ফালে প্ৰেম, আকুলতা আৰু অহংকাৰেৰে লক্ষ্য কৰিলে। তাৰপাছত, তাইৰ চকুৰেদি বৈ অহা অশ্ৰুৰ নৈখনলৈ চাই কোমল অথচ দৃঢ় কণ্ঠেৰে শিল্পীয়ে ক'লে, 'নাকান্দিবা নিশিগন্ধা। এইখন ছবিৰ বাবদ মই তোমাক অন্য মডেলতকৈ ব..হু..ত বেছি টকা দিম।'

...আৰু শুনা, উপযুক্ত মাননিৰ বিনিময়ত মই এদিন তোমাৰ সম্পূৰ্ণ নিৰাভৰণ শৰীৰৰ এখন ছবি আঁকিবলৈ বিচাৰিলে তুমি মান্তি হ'বানে?" ☐ ☐

# যাত্ৰা পথত এসন্ধ্যা

অলপ আগতে বৈ থকা কোবাল বতাহজাকৰ গতি স্তিমিত হৈ আহিছে। লাইটবোৰ নুমাই গ'ল। এক গভীৰ নিস্তব্ধতাত ডুব গ'ল নিষ্প্ৰদীপ সন্ধ্যাটো। সেই নিস্তব্ধতা আৰু পোহৰহীনতা বগাই আহিছিল পাহাৰৰ দাঁতিকাষৰীয়া বিল্ডিং এটাৰ তিনিমহলাৰ এটা ফ্লেটত বহি থকা তিনিজন মানুহৰ বুকুলৈও। ঘুৰণীয়াকৈ এখন টেবুলৰ চৌপাশে তেওঁলোক বহি আছে। বন্ধু। এজন কবি, এজন গল্পকাৰ আৰু এজন চিত্ৰকৰ। কোঠাৰ এটা কোণত নীলাভ কাঁচৰ পিৰিছ এখনত ভগা গ্লাছৰ টুকুৰাৰ মাজত ক্ষীণ শিখাৰ এডাল মমবাতি জ্বলি আছে। পোহৰৰ বৰ্ণচ্ছটা চেগা চোৰোগাকৈ চিটিকি পৰি কোঠাটোক মায়াময় কৰি তুলিছে। বিদেশী পানীয়ৰ দুটা সুগঢ়ি বটল দম্ভেৰে থিয় দি আছে টেবুলখনৰ ওপৰত। কেনেবাকৈ সিহঁতে যেন বুজি উঠিছিল তিনিজন মানুহৰ বুকুত শুই থকা কথাবোৰৰ আজি সিহঁতৰ অনুগ্ৰহতে মৰ-ঘুমটি ভাঙিব।

বৰুণৰ বুকত নিঃপালি দি থকা এটুকুৰা কাহিনীৰ ঘুমটি ভাঙিব ধৰিছিল... 'তাই উভতি আহিব চাবা। ...তাই এনেদৰে ইমানদিন নোৱাৰে মোৰ পৰা আঁতৰি থাকিব। তাই মই নহ'লে সপোনো দেখিব নোৱাৰে বুলি কৈছিল।' দহ মিনিটমানৰ পূৰ্বে মৈত্ৰেয়ীয়ে বৰুণক সুধিছিল— 'সোণালীক লগ পোৱানে কেতিয়াবা?' উত্তৰত সি মৃদুকৈ হাঁহি গ্লাচটো ওঁঠত লগাইছিল। তাৰ পাছৰপৰা এই কথাখিনিয়ে তাৰ মনলৈ আহি আছে। এটা পাতল গুলপীয়া নিচাৰ সৈতে লাটুমৰ দৰে পাক-ঘুৰণি খাই খাই তাৰ মনৰ মাজত ঘূৰি আছে এই কথাখিনি। মুখলৈ ওলাই অহা নাই। ইমান সৰু আৰু সাধাৰণ কথাটোকে কিয় বাৰে বাৰে কৈ থাকিব লাগে মানুহক! তাৰ ওপৰত অভিমান কৰি অলপ দিনৰ বাবেহে আঁতৰি গৈছে সোণালী— আগতে যেনিবা দুমাহৰ পাছতে আহিছিল— এতিয়া দুবছৰ হৈছে, আহিবতো!

অস্ফুট শব্দ এটা চাৎকৈ বৰুণৰ মুখেৰে নিগৰি পৰিল আৰু গিলাচৰ 'টুং-টাং-থিং-নাং' শব্দৰ লগত মিলি গ'ল।

'কিবা কৈছা বৰুণ'— মৈত্ৰেয়ীয়ে সুধিলে।

'কৈছো— পৃথিৱীখন ঘূৰণীয়া। তুমি যদি এই ঠাইৰ পৰা খোজ কাঢ়িবলৈ আৰম্ভ কৰা— একে দিশেৰে গৈ থাকা— ধৰি লোৱা বেলি ওলোৱা দিশেৰে, তেনেহ'লে পুনৰ এদিন ইয়াতে ওলাবাহি।'

সমুদ্ৰই হুমুনিয়াহ কাঢ়িলে। সামান্য নিচাতে অবান্তৰ কথা কিছুমান ভীষণ বাস্তৱ বুলি ভাবিবলৈ আৰম্ভ কৰে বৰুণে। সোণালী মাতৃ হোৱাৰ খবৰ পায়ো সি এটোপোলা মিঠাই লৈ আহিছিল। উজ্জ্বল মুখেৰে মিঠাই বিলাওতে বিৰবিৰাই আছিল সি— 'সোণালী 'মা' হ'ল। জানানে বিবাহিতা ছোৱালী এজনীৰ বাবে মাতৃত্ব কিমান ডাঙৰ প্ৰাপ্তি!'

'খল লল লক কক...' মৈত্ৰেয়ীৰ পাতল, সুগোল আঙুলীৰ মাজত নাচি উঠি বটলটোৱে গিলাচত অলপ পানীয় ঢালি দিলে। সহজে নিচা নালাগে মৈত্ৰেয়ীৰ। যিমান পেগ খালে বৰুণে 'সোণালী মোৰ ওচৰলৈ আহি আছে চা' বুলি দোৱোল খোৱা জিভাৰে লেনিয়াবলৈ ধৰিব, সিমানটা পেগত হয়তো তাইৰ চকুত আবেশ অকণমানেহে জ্বলমলাই উঠিব। সমুদ্ৰই কমকৈ খায়। তাৰ কেতিয়াও নিচা নহয়।

আচলতে পোৱা নোপোৱাৰ হিচাপ কৰি থকাতকৈ দামী সুৰাৰ পেগ এটাৰ দৰে জীৱনটো আলফুলকৈ পি খাই থৈ দিব লাগে। সুৰা পানী নিমিহলোৱাকৈ খালে যিদৰে চোকা লাগে, ডিঙিৰ পৰা পেটলৈকে পুৰি যায়— অনিয়ম আৰু যন্ত্ৰণাৰ অলপ আমেজ মিহলাই নল'লে জীৱন বিস্বাদ হৈ যায়। মিহলালেই উপাদেয়। এয়া মৈত্ৰেয়ীৰ ফিল'চফি। তথাকথিত বিচাৰেৰে 'নষ্ট চৰিত্ৰ' এই ছোৱালীজনীৰ ওচৰলৈ গীৰ্জালৈ যোৱাৰ দৰে যায় বৰুণ আৰু সমুদ্ৰ। তাইৰ ওচৰত সিহঁতে পাপ আৰু পুণ্যৰো 'কনফেচন' দিয়ে।

অলপ আগতে শেঁতা হৈ পৰা বতাহজাকৰ গতি লাহে লাহে বাঢ়ি আহিল। জিৰ জিৰ সুৰ তুলি বতাহজাকে মমৰ মিহি শিখাডালক জোকাবলৈ ধৰিলে।

'অ' উইণ্ড

লিফট মি এজ এ লিফ...'

বৰুণৰ কবি সত্তা সাৰ পাই উঠিল। কোঠাটোৰ কণ কণ শব্দৰ টৌবোৰক সামৰি সুতৰি দগ মগাই উঠিল তাৰ বলিষ্ঠ বিষণ্ণ কণ্ঠ।

তাৰ পাছত পুনৰ বাকহীন হৈ পৰিল কোঠাটো। কঁপি কঁপি নাচি থকা পোহৰৰ বৰ্ণচ্ছটা, বতাহৰ জিৰ জিৰ শব্দ আৰু গিলাছৰ টুং-টাং শব্দৰ সমলয়ে মৈত্ৰেয়ীৰ খুব নিঃভৃতত যেন এখন চেতাৰ বজাইছিল। এষণালৈ মনত পৰিছিল তাইৰ।

'সমুদ্ৰ— শুনা। শান্তি নিকেতনৰ 'বসন্ত উৎসৱ'ত এষণাই শকুন্তলাৰ ৰোলটো কৰিছিল। জোনৰ পোহৰত কন্ব মুনিৰ আশ্ৰমত গা ঢালি ঘূৰি ফুৰা মোৰ এষণাক তেতিয়া বোলে জোনাকৰ দৰে সুন্দৰ দেখাইছিল। তাইৰ বন্ধু নীতাই লিখিছিল মোলৈ—। ঠিকেইতো, জোনত কলংক থাকে— জোনাকত কিন্তু নাথাকে।'

'তুমি এষণাক ইমান দূৰলৈ পঠাই দিব নালাগিছিল।'

'নপঠোৱাকৈয়ো বহুত গুচি যায়। যিবোৰ নপঠোৱাকৈয়ে গুচি যায়, ভৰিৰ তলৰ মাটিখিনি শূন্য কৰি থৈ যায়। নিজৰ অস্তিত্বহীনতাৰ উপলব্ধি বুকুত অওঠা কঢ়িয়াই ফুৰাৰ দৰে। অৰিন্দম গুচি যাওঁতে মোৰ নিজকে ডাষ্টবিনত পেলাই দয়া মিঠাই ভৰাই অনা ডাঠ

কাগজৰ পেকেট এটাৰ দৰে লাগিছিল। তুমি নুবুজিবা।'

নীলাভ পোহৰৰ টুকুৰা এটা উফৰি পৰিছিল মৈত্রেয়ীৰ মুখৰ বাওঁফালে। পোহৰ টুকুৰালৈ চাই চাই তন্ময় হৈ গ'ল সমুদ্র। কুমাৰী মাতৃ মৈত্রেয়ী। নৈতিকতাৰ শৃংখলহীন কোনো এটা মুহূৰ্তত তাইৰ গৰ্ভত থিত লৈছিল জীৱন্ত মঙহ এটুকুৰাই। মঙহ টুকুৰাই পূৰ্ণাংগ ৰূপ লৈ হাত ভৰি এচাৰি থকা চাবলৈ তাই যিমান ব্যাকুল হৈ পৰিছিল, সিমানেই বিতত হৈছিল অৰিন্দম। সি আঁতৰি যোৱাৰ পাছতো দুৰ্দান্ত সাহসেৰে মৈত্রেয়ী থিয় দি থাকিল। অৱশ্যে, বিধৱা মাক আৰু প্রচুৰ সম্পত্তিৰ সমৰ্থনেও তাইক পৰোক্ষভাৱে সহায় কৰিছিল।

আজিৰ বেংকৰ উচ্চ পদস্থ চাকৰিয়াল মৈত্রেয়ীৰ লগত বিশ্ববিদ্যালয়ৰ দিনৰে বন্ধুত্ব বৰুণ আৰু সমুদ্রৰ। বহুতৰ তাচ্ছিল্যৰ পাছতো মৈত্রেয়ীৰ অভ্যন্তৰত থকা স্ফটিকৰ স্বচ্ছতাই সিহঁতক চুম্বকৰ দৰে টানিছিল। তাতে সুকুমাৰ কলাৰ একান্ত অনুৰাগী, সংবেদনশীল আৰু জীৱনৰ প্ৰায় একে ধৰণৰ দৰ্শন এটাৰ তপস্বী আছিল তিনিও। বন্ধুত্ব স্বাভাৱিক।

'তুমি এতিয়াও বিয়া কৰাব পাৰা। ৰিয়েলি- আই মিন ইট।' মৈত্রেয়ীক লক্ষ্য কৰি থকা বৰুণে ঘপহকৈ কৈ দিলে। নিশা পুখুৰী এটাৰ শান্ত, স্বচ্ছ জলৰাশিত প্রতিবিম্বিত হৈ থকা জোনৰ ছবিখন যেন শিলগুটি এটা দলি মাৰি দিয়াত ঠনৰকৈ ভাগি থাকিল।

এয়া মৈত্রেয়ীৰ বাবে নতুন প্রশ্ন নহয়। প্রায়ে বৰুণে সোধে, আন কোনো শুভাকাংক্ষী, কোনো বন্ধুৱে সোধে। একেটা নেতিবাচক উত্তৰকে ঘূৰাই পকাই দি থাকে তাই।

'হোৱেৰ দেয়াৰ ইজ এ হাৰ্ট, দেয়াৰ ইজ এ হোম— ঘৰৰ বাবে হৃদয় এখন ক'ৰ পৰা ধাৰ কৰি আনিম মই। ...আৰু পুৰুষবোৰ-নাৰীক সিহঁতে এটা মাংসপিণ্ডতকৈ অধিক বুলি নাভাবে। বাক চাতুৰ্য আৰু স্পৰ্শকলাৰে মাংসপিণ্ডটোক নিজৰ কৰি লোৱালৈকেহে সিহঁতৰ মনত প্ৰেমৰ সম্ভ্ৰম থাকে।' কঠিন শ্লেষ মিশ্রিত মৈত্রেয়ীৰ উত্তৰটো মন দি শুনাৰ পূৰ্বেই বৰুণ হয়তো ডুবি গৈছিল সোণালী সোণালী গোলাপী নিচাত। সমুদ্ৰ স্থিৰ হৈ থাকিল । কিমান যন্ত্ৰণাৰে মৈত্রেয়ী আৰু তাৰ মাজত ডুলি থকা সম্পৰ্কৰ আঁত এডাল সকলোৰে অলক্ষিতে কঢ়িয়াই ফুৰিছে সি! কেতিয়াবা ইয়াৰ খেলি-মেলি বিন্যাসে তাৰ উশাহ টানি ধৰিব খোজে। কি কৰিব মৈত্রেয়ীয়ে সেই কথা জানিলে। সি নিজেও স্বীকাৰ কৰিবলৈ টান পোৱা সেই নিৰ্মম সত্য!

মমৰ শিখা কোবাই থকা বতাহজাক তাৰ ভিতৰলৈ সোমাই গৈ তাৰ অলিন্দ নিলয় ভৰাই পেলালে। সি যেন মৈত্রেয়ীৰ কেনভাছত জীৱন্ত হৈ উঠা সেই সুৰটো— বৃত্তাকাৰ গতিৰে অলিন্দ নিলয় স্পৰ্শ কৰি অসীমৰ পৰা উটি অহা যি সুৰ লঠঙা গছৰ অৰণ্যত বৈ থকা এজাক তামৰঙী বতাহত মিলি গৈছে।

'...আপুনি কেৱল তেওঁৰ বাবেই ৰৈ থাকক।
যি আপুনি বেদনাত নীলা হৈ যোৱাৰ পাছতো
যন্ত্ৰণাত কোঙা হৈ পৰা আপোনাৰ হাত দুখন
সাবটি ল'বলৈ উভতি আহিব
কাঁইটীয়া অৰণ্যত

ওলাই যাব নোৱাৰাকৈ আপুনি বন্দী বুলি জানিও
যি উদ্‌ভ্রান্ত হৈ দৌৰি আহিব
আপোনাৰ বুকুত শুই থকা
প্ৰেমৰ এখন চহৰ বিচাৰি...'

ধীৰ অস্ফুট কণ্ঠৰ বৰুণৰ মুখ নিঃসৃত শব্দবোৰ কোঠাটোত ওপঙিবলৈ ধৰিলে।

'টুং টাং থিং'

গিলাচৰ শব্দত অলপ সময় বাকী আটাইবোৰ শব্দ ডুবি থাকিল।

'আজি কালি এই সময়ত কেতিয়াবা দুঘণ্টাও লোড শ্বেডিং হয়' — মৈত্রেয়ীয়ে ক'লে।

'মনত যদি পোহৰ নাথাকে বাহিৰৰ পোহৰে কি কৰিব!' বৰুণৰ জিভা দোবোল খাবলৈ ধৰিছে।

'তুমি আৰু নাখাবা নেকি!' সমুদ্ৰই বৰুণৰ হাতৰ গিলাচটো কাঢ়ি আনিব খুজিলে।

খুব মূল্যবান বস্তু এটা ভাগি যোৱাৰ ভয়ত শিশু এটিৰ হাতত তুলি নিদিয়াৰ ভংগিমাৰে গিলাচটো ওপৰলৈ উঠালে বৰুণে। তাৰ নিচা বেছি হৈ আহিছিল।

'জানানে মই কেতিয়াও সোণালীৰ উদং গাত হাত দিয়া নাছিলো। তাই অস্থিৰ হৈ পৰিলেও মই নিজকে চম্ভালি ল'ব পাৰিছিলো। মৈত্রেয়ী তুমি এটা কথা ক'বানে—

ছোৱালীবিলাকৰ মঙহৰ ঠিক তলতে হৃদয়খন মূৰৰ পৰা ভৰিলৈকে বিয়পি থাকে নেকি— মই তাইৰ শৰীৰটো নোচোৱাকৈ হৃদয়খন চুব বিচৰাটো ভুল হ'ল— শৰীৰ নুচুলো বাবেই হৃদয়ো চুব নোৱাৰিলো।'

'তুমি কোৱা দেখোন— মৈত্রেয়ী উভটি আহিব।'

'অ' কওঁনেকি! আহিব ছাগে। ছাগে মানে আহিবই— তাই নোৱাৰে মোক এৰি থাকিব— কেতিয়াও নোৱাৰে—'

অস্ফুট হৈ অহা শব্দবোৰৰ সৈতে আৰামী চকীখনত হেলান দিয়া বৰুণৰ চকুৰ পতা তন্দ্ৰাত জাপ খাই আহিল।

সমুদ্ৰই মৈত্রেয়ীলৈ চালে। নিৰ্লিপ্ত চকুৰ দৃষ্টিত যেন কোন সুদূৰৰ আহ্বান! এই আহ্বানত উটি-ভাঁহি ফুৰি কিমানবাৰ যে সি গল্পত লিখিছে তাইৰ কথা। তাইৰ অভ্যন্তৰৰ স্ফটিকোজ্জ্বল তিৰবিৰণিটোৰ কথা। গাম্ভীৰ্যৰ ডাঠ প্ৰলেপ এটা থাকিলেও তেত্ৰিশ বছৰীয়া যেন নালাগে মৈত্রেয়ীক। আৰু কোনে ক'ব তাই এজনী কিশোৰীৰ মাতৃ! তাইৰ উনৈশ বছৰ বয়সত হৈছিল সেই ভ্ৰূণৰ স্ফুৰণ!

এষণালৈ মনত পৰিল সমুদ্ৰৰ। এখন নিষ্পাপ, কান্তিময় মুখ। এষণাৰ দুবছৰ বয়সত মৈত্রেয়ীক লগ পাইছিল সি। আচৰিতভাৱে এষণাৰ লগত তাৰ চেহেৰাৰ সাদৃশ্য আছিল। পাছত সি জানিব পাৰিছিল এই সাদৃশ্যৰ আঁৰৰ ৰহস্য। মৈত্রেয়ীক সি ক'ব পৰা নাই। হয়তো নোৱাৰিব।

'এবাৰ এষণাৰ ওচৰলৈ যাবা নেকি? মোৰো কলকাতালৈ যাবলগীয়া আছে... মানে বিশ্বভাৰতীত এখন ছেমিনাৰ আছে।'

সমুদ্ৰৰ প্ৰশ্নটোৰ কোনো উত্তৰ নিদিলে মৈত্ৰেয়ীয়ে।

বতাহজাক ৰৈ গৈছে। ঘপকৈ লাইটবোৰ জ্বলি উঠিল। মৈত্ৰেয়ীয়ে উঠি গৈ লাইটৰ চুইছবোৰ অফ কৰি দিলে। পুনৰ এন্ধাৰ আৰু মম নিঃসৃত নীলাভ পোহৰৰ বৰ্ণচ্ছটাবোৰ কোঠাটোত হাতত ধৰা-ধৰিকৈ ৰৈ থাকিল।

'তুমি কিয় বিয়া নকৰোৱা সমুদ্ৰ— মূল সুঁতিৰে যোৱা মানুহ তোমালোক। মোৰ দৰে পোন ৰাস্তা এটাৰ প্ৰতি তীব্ৰ অনীহাতো নাই! এই বয়সত স্বাভাৱিক জীৱন এটাৰ বাবে কাৰোবাৰ নিকট সান্নিধ্যৰ খুব প্ৰয়োজন। বুজিছানে— মই কি ক'বলৈ বিচাৰিছো। আফটাৰ অল ছেক্স ইজ এন ইম্পৰটেণ্ট...।'

'প্ৰত্যেক মানুহৰ বাবেই বেলেগ বেলেগ বিষয় বেছি ইম্পৰটেণ্ট হ'ব পাৰে। মই যদি কওঁ— মই কাৰোবাৰ বাবে অপেক্ষা কৰি আছো আৰু স্বাভাৱিক জীৱনতকৈ এই ৰূঢ় অপেক্ষা মোৰ বাবে বেছি ইম্পৰটেণ্ট।'

'সকলো অপেক্ষাৰ অন্ত বিচৰা ধৰণে[illegible] হ'বও পাৰে।'

'তথাপি মই ভাবো এদিন এটা মিৰাক[illegible] ঘটিব। মোৰ অপেক্ষাৰ নায়িকাই প্ৰখৰ ৰ'দত দগ্ধ হৈ অথবা তীব্ৰ বৰষুণত তিতি বুৰি মোৰ হৃদয়ৰ দুৱাৰ খুলিবহি।'

'তুমি ভবাৰ দৰে নহ'বও পাৰে। প্ৰখৰ ৰ'দত মূৰৰ ওপৰত তেওঁ ছাটি এটাও তুলি ল'ব পাৰে। অথবা এয়াৰ কণ্ডিচনাৰ ৰূমত বহি তেওঁ বিথোভেনৰ সংগীত শুনি থাকিব। আৰু বৰষুণ। জানানে বৰষুণত তিতাটো বহুত মানুহৰে এটা নিচা। অথবা যদি কোনো বাছ ষ্টপৰ অস্থায়ী ছালিৰ তলত ৰৈ তেওঁ বাট চাই থাকে— বৰষুণ থামক।'

'আস! অপেক্ষা কৰাত ক্ষতি কি?'

'অপেক্ষাৰ ফল শূন্য হ'লে মানুহৰ কষ্ট হয়।'

'কষ্টৰ ভয়ত অপেক্ষাৰ আনন্দখিনিও চাকি নাচাম নে মই?'

'উহ সমুদ্ৰ। মই জাষ্ট তোমাক শুভেচ্ছা জনাব পাৰো।'

'শুনা মৈত্ৰেয়ী— তুমি এবাৰ মোৰ এই ইচ্ছাটোক কেনেভাছত আঁকিবৰ চেষ্টা কৰিবানে? উমি উমি জ্বলি থকা বা কোনো একক প্ৰান্তৰৰ নৈঃশব্দ্য ভাঙি ৰিণি ৰিণি বাজিব ধৰা এই ইচ্ছাক?'

'আৰু এই ইচ্ছাই মৰিচিকা খেদাৰ দৰে তোমাৰ কল্পনাৰ নায়িকাক খেদি ফুৰিব? গুলপীয়া ছায়া বৃত্ত এটাৰ মাজত আবদ্ধ কৰি ৰাখিম নে তোমাৰ ইচ্ছাক?'

'ইচ্ছা কৰিলে তুমি তোমাৰ স্বচ্ছতাখিনিও কেনভাছত উবুৰিয়াই দিব পাৰা মোৰ কল্পনাৰ লগত সানমিহলি কৰি।'

'বাঃ গল্পকাৰ— তুমি কিছু চেন্‌চ আনি লৈছা 'অপেক্ষা' নামৰ বিমূৰ্ত বস্তু এটালৈও।' মৈত্ৰেয়ীয়ে হাঁহিলে। তাইৰ দাঁত আৰু থুতৰীত একে সময়তে বৰ্তুলাকৃতিৰ এচমকা নীলাভ পোহৰ এচাৰ খাই পৰিছিল।

বতাহত দুলি দুলি তাইৰ কপাল আৰু গালত নাচি আছিল কেইডালমান উচ্ছৃংখল চুলি। মৈত্ৰেয়ীৰ হাঁহিটোৰ পৰাও যেন বিকিৰিত হৈছিল বেদনাৰ নিজস্ব এটা ৰং...।

এটা হাঁহিত ফুটি ওলাব পাৰেনে এনেদৰে— ইমান ৰিক্ততা! সমুদ্ৰৰ অলপ সাহসী

হ'বলৈ মন গ'ল। দুহাত মেলি যেন সি তাইৰ চুলি কেইডাল ঠিক ঠাক কৰি দিব। অলপ বিশ্বাস আৰু স্নেহৰ টিচু পেপাৰেৰে সি যেন তুলি আনিব তাইৰ চকুত ওপঙি থকা বেদনাৰ তৰল ছাঁখিনি।

'টোপনি ধৰিছে'? মৈত্ৰেয়ীয়ে সুধিলে।

'ওহোঁ। তোমাৰ সন্মুখত বহি আছো বাবে টোপনিয়ে টোপনিয়াই আছে।'

'সুন্দৰ। কিন্তু, টোপনিয়াই থকা টোপনিটোক একেবাৰে টোপনি যাবলৈ নিদিবা।'

'থল লল লক কক...'

মৈত্ৰেয়ীয়ে আৰু দুটা পেগ বনালে। এটা গিলাচ সমুদ্ৰলৈ আগবঢ়াই আনটো ওঁঠলৈ তুলি ধৰিলে।

'মৈত্ৰেয়ী, তোমাৰ হাতখন এবাৰ চুই চাব পাৰোনে?'

আকস্মিক প্ৰশ্নটোৰ পৰা কঁপনি এটা নিঃসৃত হৈ অলপ সময় কোঠাটোত বগুৰাবাই থাকিল। তাৰ পাছত নিৰ্জনতাত ডুব গ'ল। নিৰ্জনতাখিনি বহুপৰ থৰ হৈ ৰৈ থাকিল।

মৈত্ৰেয়ী খিৰিকীৰ কাষলৈ উঠি গ'ল। সমুদ্ৰই উভটি চালে। সিহঁতৰ সন্মুখত খিৰিকীৰ ফ্ৰেমৰ সিপাৰত বিশাল ব্যোম! তাত ওলমি আছে বহুত তৰা আৰু এটা জোন। তলত মহানগৰীৰ কৃত্ৰিম আলোৰ উন্নাসিকতা। পোহৰৰ ৰেখাবোৰে যেন হিলদল ভাঙি আকাশ চুবলৈ ঊৰ্ধৰ্মুখী হৈ দৌৰিছে। মৈত্ৰেয়ীৰ চকুত নিচাৰ এটা আবেশ বিৰিঙি উঠিছে। অদ্ভুতভাৱে সেমেকি উঠিছে তাইৰ কণ্ঠ—।

'সমুদ্ৰ শুনা- অৰিন্দমৰ পাছত এষণা খুব সৰু হৈ থাকোতেই মোৰ জীৱনলৈ- অ' ঠিক জীৱনলৈ নহয়, জীৱনৰ গণনাবোৰৰ ভিতৰলৈ আৰু এজন মানুহ আহিছিল। সমীৰ চৌধুৰী। তেৱোঁ প্ৰথমে মোক সুধিছিল— 'তোমাৰ হাতখন চুই চাব পাৰোনে?' তেতিয়ালৈকে অন্ততঃ প্ৰেম নিবেদন কৰা সকলো পুৰুষকে মই বুভুক্ষ শ্বাপদ বুলি ভবা নাছিলো। মোৰ তেজৰ উত্তাপ তেতিয়াও সাৰে আছিল। ক'ৰবাত কেতিয়াবা অদ্ভুত এক ক্ষুধাই পোখা মেলিছিল। কিন্তু প্ৰেমহীন শাৰীৰিক নৈকট্যৰ কথা মোৰ সপোনতো নাছিল। এদিন সন্ধ্যা ঘৰত অকলে আছিলো। তেওঁ আহিল। প্ৰেমৰ কিছু সংলাপ মাতিলে। মোৰ হাতখন চুই মোক বুকুত সুমুৱাই ল'লে। তাৰ পাছত...'

মৈত্ৰেয়ীয়ে উচুপিবলৈ ধৰিলে।

স্থানুৰ দৰে ৰৈ থাকিল সমুদ্ৰ।

'মই দুঃখিত মৈত্ৰেয়ী। তুমি মোৰ বাবে...'

'শুনা' হঠাতে উচুপনি বন্ধ কৰি তীক্ষ্ণ স্বৰেৰে ক'বলৈ ধৰিলে মৈত্ৰেয়ীয়ে 'তাৰ পাছত হেজাৰ বাধা সত্বেও তেওঁ মোৰ চেলোৱাৰৰ ৰছীত ধৰি টানিবলৈ ধৰিলে। কোঠাৰ পৰা দৌৰি ওলাই আহোতে তেওঁৰ হাতৰ মুঠিত মোৰ কামিজৰ টুকুৰা এটা ৰৈ গ'ল।' তাই পুনৰ লাহে লাহে আগৰ ঠাইত আহি ঢপকৈ বহি দিলে। খকমকলৈ সাৰ পাই উঠিল বৰুণ। সি চকিত দৃষ্টিৰে সমুদ্ৰ আৰু মৈত্ৰেয়ীলৈ চালে।

'কিয় তেনেদৰে ক'লে তাই... কিয় ক'লে?'

ঈষৎ আতংকমিশ্ৰিত প্ৰশ্নবোধক দৃষ্টিৰে সমুদ্ৰই বৰুণলৈ চালে।

'তুমি শুনিলানে সমুদ্র তাই কি ক'লে— মৈত্রেয়ী তুমি শুনিলানে...?' উদ্‌ভ্রান্তৰ দৰে লাগিছে বৰুণক। সমুদ্র তাৰ কাষলৈ উঠি গ'ল।

'কোনে কি ক'লে বৰুণ?' সমুদ্ৰই সুধিলে।

—'সোণালীয়ে...'

'অহ। তুমি সপোন দেখিছিলা।'

'সপোন। হ'ব পাৰে। কিন্তু তাই কিয় তেনেদৰে ক'ব মোক— কিয় ক'ব তাই আৰু নাহে। তাইৰ বাবে বাট নাচাবলৈ কিয় সকীয়াই দিব মোক। তাই কিয় এনেদৰে ক'ব— তাইক বিচৰাটো মৰিচিকা।'

'বৰুণ, তুমি সপোন দেখিছিলা।'

'বুজিছো। সপোনেই। কিন্তু তাই কিয় তেনেদৰে মিছা কথা ক'ব। ক'লেই হ'লনে— জানোতো মই তাই আহিবই। নোৱাৰে থাকিব মোক এৰি।— নোৱাৰে।' বৰুণে 'নোৱাৰে' শব্দটো কিছু সময় স্বগতোক্তিৰ দৰে আওৰাই থাকিল। তাৰ পাছত চকু মুদি পূৰ্বৰ দৰে চকীখনত হেলান দিলে। সমুদ্র তলমূৰকৈ থিয় দি থাকিল। এক আচম্বিক আঘাতে তাক যেন চুচুৰ্মৈ কৰি আনিছে।

'সমুদ্র তুমি মোৰ খুব ভাল বন্ধু। আজি কৰা প্ৰশ্নটো পুনৰ নকৰিবা মোক। মই তোমাক হেৰুৱাব বিচৰা নাই। আৰু মঙহৰ বাবে ক্ষুধাৰ্ত পুৰুষ চামৰ মাজত তোমাক মই কেতিয়াও কল্পনা কৰিব নোৱাৰো। জানানে সমুদ্র, নাৰীৰ সন্মুখত হৃদয়ৰ আবেগ উবুৰিয়াই দি আঁচলত মুখ গোজাৰ আচিলা বিচৰা পুৰুষ চামে আচলতে এটা বৰশী পেলায়।'

খুব মৃদুকৈ কোঠাটোত বাজি উঠা মৈত্রেয়ীৰ কণ্ঠই সমুদ্ৰৰ কলিজা খামুচি ধৰিলে। সি কেনেদৰে বুজাব মৈত্রেয়ীক কেনেদৰে তাইৰ মনৰ পৰা মচি পেলাব অবিশ্বাস আৰু অপ্ৰেমৰ গভীৰ দাগবোৰ। সি জানেনে নিজেই তাৰ এই মুহূৰ্তৰ আবেগৰ স্থায়িত্ব কিমান! গভীৰতা কিমান! সি উভতি চালে। সোঁহাতখন সমুদ্ৰৰ বাহুত ৰাখি কথাখিনি শেষ কৰিলে মৈত্রেয়ীয়ে— 'আমাৰ মাজত থকা বিশ্বাস আৰু অন্তৰংগতাৰে মোৰ হাতখন তুমি ইচ্ছা গ'লেই স্পৰ্শ কৰিব পাৰা। কিন্তু, এই যে মোক প্ৰশ্ন কৰিলা— 'তোমাৰ হাতখন চুই চাব পাৰোনে'— তুমি মোৰ বন্ধু হৈ নাথাকিলা। হৈ পৰিলা পুৰুষ। মোৰ এনে লাগিছে যেন তুমি এটা বৰশী পেলাব বিচাৰিছা। তোমাৰ দৃষ্টিত মই কেৱল নাৰী হৈ গৈছো... অৰ্থাৎ এটা উপাদেয় মাংসৰ স্তুপ।'

যন্ত্ৰণাত সমুদ্ৰৰ দুচকু জাপ খাই আহিব খোজে। 'মৈত্রেয়ী... মৈত্রেয়ী... জানানে তোমাৰ অভ্যন্তৰৰ স্ফটিকৰ দৰে স্বচ্ছতাখিনি কোনো নাৰীৰ মাজত দেখা নাই বাবেই মই এতিয়াও অবিবাহিত। একো নালাগে মোক- মাথোঁ তোমাৰ সন্মুখত বহি এই স্বচ্ছতাক বুকু ভৰাই লৈ যাবলৈ মাজে মাজে অনুমতি দিবা। যদি তুমি কেতিয়াবা দেখা পোৱা এই স্বচ্ছতাই মোকো শুদ্ধ কৰিছে, জুয়ে পোৱা সোণৰ দৰে— মই সুখী হ'ম।' মৃদু এছাটি বতাহত পাক খাই খাই এই কথাখিনি সমুদ্ৰৰ বুকুৰ মাজতে পকনীয়া হৈ ঘূৰি থাকিল।

সি নোৱাৰে এই কথা মুখ ফুটাই ক'ব। এই কথাও সি আজিলৈকে ক'ব পৰা নাই যে

এষণাৰ পিতৃ, মৈত্ৰেয়ীৰ যৌৱনৰ প্ৰথম পুৰুষ অৰিন্দম তাৰ জ্যেষ্ঠ ভ্ৰাতৃ। মৈত্ৰেয়ীয়ে লাইটৰ চুইচবোৰ অন কৰি দিলে। নীলাভ পোহৰৰ বৰ্ণচ্ছটাবোৰ উজ্জ্বল হালধীয়া ৰঙে গিলি পেলালে। মৈত্ৰেয়ীৰ বিষাদ-গম্ভীৰ উজ্জ্বল মুখখনলৈ পলক নোপেলোৱাকৈ চাই থাকিল সমুদ্ৰই।

একোঠালী উজ্জ্বল হালধীয়া পোহৰত মমৰ মূৰ্তিৰ দৰে স্থবিৰ হৈ আছে মৈত্ৰেয়ী। তাই জানে, সমুদ্ৰই নাজানে— এই স্থবিৰতাক গতিশীল কৰিব পাৰে কেৱল এটা সত্যই। এষণা সেই সত্যৰ নাম। ❑ ❑

সাংঘটিত ধৰণে আত্মকেন্দ্রিক হৈ পৰিছে মানুহ। সহৃদয়তা, মমতা, ত্যাগ আদি শব্দবোৰ আধুনিক পৃথিৱীত যেন হৃদয় বজাৰৰ একো একোটা অচল টকা। গুৱাহাটীৰ মাজমজিয়াৰ মাটি কঠাৰ বাবে দুয়ো পুতেকৰ মাজৰ তিক্ত হৈ পৰা সম্পৰ্কই পুনৰ এবাৰ বিভৱ বৰুৱাক এই কথা সোঁৱৰাই দিলে। বৃদ্ধত্বই ক্রমশঃ নিঃসংগ কৰি তোলা এজন মানুহ বিভৱ বৰুৱা। অৱসৰপ্ৰাপ্ত অধ্যাপক। লেখা-পঢ়া, বিয়লি লনখনত অলপ খোজকঢ়া, এমাহত দুই এখন মিটিং আৰু অনন্ত অৱসৰ — তাৰ বাদে একঘেয়ামিৰ লহ লহ জিভা মেলি ৰৈ থকা সময়ৰ স্তূপটোলৈ নির্বাক, ভীত হৈ চাই থাকে তেওঁ। অথচ স্বভাৱতেই তেওঁ আছিল নিঃসংগতাপ্ৰিয়। যাৰ বাবে তেওঁৰ বন্ধুৰ সংখ্যা সীমিত, নিকটাত্মীয়ৰ লগত সম্পৰ্ক কম, যাৰ বাবে তেওঁ মাজে মাজে অহংকাৰ আৰু কঠোৰতাৰ মুখা পিন্ধিবলৈও কুণ্ঠাবোধ কৰা নাছিল — সেই নিঃসংগতাপ্ৰিয় স্বভাৱেই যে এসময়ত বুমেৰাং হৈ তেওঁৰ বাবে ব্যাখ্যাহীন এক সুতীব্ৰ যন্ত্ৰণাৰ উৎস হৈ পৰিব তেওঁ কোনোদিনেই অনুমান কৰিব পৰা নাছিল।

নিস্তব্ধ দুপৰীয়া। খিৰিকিৰ সমুখলৈ চকীখন টানি আনি বহি পৰিল বিভৱ বৰুৱা। হাতত দৈনিক কাকত । একাপ চাহ লৈ পৰিয়ালৰ পুৰণা বনকৰা মানুহ ভদ্রেশ্বৰ সোমাই আহিল। এটা সংগৰ বাবে কাতৰ হৈ আছিল বিভৱ বৰুৱা। হৃদয়ৰ চাৰিওটা কোঠাতে উপচি পৰা ৰিক্ততাখিনি নিশ্চয় কমাব পাৰিব অলপ কথোপকথনে, অলপ স্বতঃস্ফূর্ত, আন্তৰিক কথোপকথনে! 'ভদ্রেশ্বৰ' তেওঁ লাহেকৈ মাতিলে। 'বহচোন। অলপ কথা পাতো।' চকুদুটা ডাঙৰ হৈ গ'ল ভদ্রেশ্বৰৰ। এইখন ঘৰত কাম কৰাৰ তাৰ পাঁচ বছৰৰো বেছি দিন হ'ল। বিভৱ বৰুৱাৰ এনে এটা অনুৰোধ ভদ্রেশ্বৰৰ বাবে সঁচায়ে আশ্চর্যকৰ। মুঢ়া এটাত অলপ আঁতৰি তলমূৰকৈ বহি পৰিল সি। 'তই যে কৈছিলি পাগলাদিয়াৰ পাৰৰ আওহতীয়া গাঁও এখনত তোৰ ঘৰ — তোৰ ঘৰখন কেনেকুৱা আছিলনো?' হে ভগৱান, মানুহজনৰ নিশ্চয় গা-চা বেয়া। নহ'লেনো এনে সময়ত এনেবোৰ কথা ...

## সংগী

'মানে ... মানে ... মানে ...' ঘেঁহাবলৈ ধৰিলে ভদ্ৰেশ্বৰে। অভিজ্ঞ অধ্যাপক আছিল বিভৱ বৰুৱা। এটা প্ৰশ্নৰ উত্তৰতে ছাত্ৰৰ মেধা আৰু দুৰ্বলতা ধৰি পেলোৱাৰ ক্ষমতা তেওঁৰ আছিল। ভদ্ৰেশ্বৰৰ বিব্ৰত আৰু অসহায় মুখখনলৈ চাই তেওঁৰ মায়া হ'ল। সি ঘেঁহাই থাকোতেই তেওঁ তাক যাবলৈ দিলে। সুদীৰ্ঘ দিন ধৰি নিজকে খুব সযতনে আনৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে তেওঁ। এতিয়া তেওঁ ইচ্ছা কৰিলেই সেই অভেদ্য আৱৰণ ভেদ কৰি যিকোনো লোক তেওঁৰ অন্তৰংগ হৈ পৰিব নিশ্চয় নোৱাৰে। জীৱনৰ অন্তিম সময়লৈকে নোৱাৰিলে অদিতিয়েও। অদিতি তেওঁতকৈ বহু বছৰৰ সৰু তেওঁৰ পত্নী যাৰ মৃত্যু হৈছে দুটা মাত্ৰ বছৰৰ আগেয়ে। বিভৱ বৰুৱাই মাজে মাজে ভাবে — অদিতি যদিহে জীয়াই থাকিলহেঁতেন তেওঁৰ নিস্তৰংগ জীৱনটোত নিশ্চয় ভালপোৱা আৰু দায়িত্ববোধৰ কিছু বুদ্‌বুদৰ উদ্ভৱ হ'লহেঁতেন। প্ৰাচুৰ্যৰ মাজতো ক'ৰবাত সাংঘাতিক ধৰণে হয়তো শূন্য হৈ আছিল অদিতি — তেওঁৰ আজিকালি এনে লাগে কেতিয়াবা। অতীতলৈ যেতিয়া উভতি চায়, মাকৰ আঁচলৰ উমখিনি বাদ দিলে যিগৰাকী মানুহ তেওঁৰ নিচেই কাষত আছিল যেন বোধ হয়, তেৱেঁই আছিল অদিতি। অথচ তেৱোঁ যে দূৰত আছিল কিমান!

খিৰিকীৰ জড় ফ্ৰেমৰ বাহিৰত নিস্তেজ হৈ আহিছে ৰ'দ জলমল এটা দিন। কংক্ৰীটৰ অৰণ্যৰ কাষৰীয়া নদীখনৰ দিশৰ পৰা এচাটি শীতল বতাহ বৈ আহিছে। বিভৱ বৰুৱাই কাণ উনালে। কথা কৈছে নেকি বতাহজাকে ... ক'ৰ পৰা ভাঁহি আহিছে ৰিণি ৰিণি এক নিফুট স্বৰ ... দুটি শিশুৰ কলকলনি ...। 'ঐশ্বৰ্য' আৰু 'কিশলয়'! আজিকালি কেতিয়াবা এনে হয়। দূৰ অতীতত যাপন কৰি অহা জীৱনৰ কোনো কোনো অংশ সোঁৱৰণীৰ অটল গভীৰৰ পৰা উঠি আহি বৰ্তমানৰ লগত মিলি যায়। তেওঁ নিজৰ লগত কথা পাতে। কেতিয়াবা শিশু ঐশ্বৰ্য আৰু কিশলয়ৰ থুনুক-থানাক মাতবোৰে তেওঁৰ কৰ্ণকুহৰত বনফৰিঙৰ দৰে জপিয়াই থাকে।

১৫ আগষ্ট। ঐশ্বৰ্যৰ জন্মদিন। ঘৰতে সৰুকৈ ৰুবীয়ে এটা পাৰ্টী দিছিল। বিশাল ড্ৰয়িং ৰুমত ৰুবী আৰু ঐশ্বৰ্যৰ গেষ্টবোৰৰ লগত অনিচ্ছা সত্ত্বেও কিছু সময় পাৰ কৰিবলগীয়া হৈছিল বিভৱ বৰুৱাই। এটা নিৰ্দিষ্ট সময়ত কোনোবাই বাতৰি চাওঁ বুলি টিভিটো অন কৰি দিলে। ধেমাজিত স্বাধীনতা দিবস উদ্‌যাপন কৰি থাকোতেই প্ৰচণ্ড এটা বিস্ফোৰণ হ'ল। বিস্ফোৰণৰ ঘটনাটো সম্পাদনা নকৰাকৈয়ে সম্প্ৰচাৰ কৰিছিল স্থানীয় চেনেল এটাই। স্বাভাৱিকতে সকলোৰে দৃষ্টি টিভিৰ ওপৰত নিবদ্ধ হ'ল। দৌৰি থকা মানুহবোৰ, ছিন্ন ভিন্ন শিশুৰ শৰীৰ ...। 'উস' 'আস' আদি শব্দবোৰ তুলাৰ দৰে কোঠাটোত ওপঙিবলৈ ধৰিলে। কোনোবাই চৰকাৰক, আন কোনোবাই আলফাক সমালোচনা কৰিলে আৰু এসময়ত টিভিৰ পৰ্দাত মানুহৰ কান্দোন আৰু শিশুৰ খণ্ড-বিখণ্ড শৰীৰৰ তেজৰ ডোঙা সমুখত লৈয়েই মাংস পোলাওৰ লগত ব্যস্ত হৈ পৰিল বিভৱ বৰুৱাৰ পুত্ৰৰ প্ৰজন্ম।

'আঃ ৰুবী। তুমি কি সুন্দৰ চিকেন বনাইছা। ঐশ্বৰ্যলৈ ঈৰ্ষাই লাগে।'

'জহা চাউলৰ পোলাও কিন্তু সুন্দৰ হৈছে দেই।'

'চাওঁ — মটৰ পনীৰৰ তৰকাৰীখন এইফালে দিয়াচোন।' দুৱাৰ বন্ধ কৰি নিজৰ কোঠাত সোমাইছিল বিভৱ বৰুৱা। তেওঁৰ ভয় লাগিছিল। সাংঘাতিক ভয়। কি চমৎকাৰ হৃদয়ানুভূতি

ৰুবীহঁতৰ ! এক কৰুণতম ঘটনাৰ শোকৰ পৰা মাংস-পোলাওৰ স্বাদলৈ সাংঘাটিক দীঘল যেন লগা এক পৰিক্ৰমা সিহঁতে কিমান সহজতে সমাপ্ত কৰিব পাৰে নিমিষতে!

ক্ৰমশঃ তেওঁৰ নিঃসংগতা বাঢ়ি আহে। এসময়ৰ নিঃসংগতাবিলাসী মানুহজনক নিঃসংতাৰ পীড়াই এনেদৰে কাতৰ কৰিবলৈ আৰম্ভ কৰিলে যে আবেলি আবেলি তেওঁ মহানগৰীৰ মাজ মজিয়াৰ এখন উদ্যানত অকলে অকলে খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে। প্ৰেমিক-প্ৰেমিকাৰ নৈকট্য আৰু মৃদু গুঞ্জন, দোলনাত দোলায়িত শিশুৰ আহ্লাদিত কল্লোল, কোনো দম্পতীৰ সুখী অৱসৰৰ পৰিকল্পনা আদিবোৰৰ মাজে মাজে তেওঁ খোজ কাঢ়ে। চৌপাশৰ গুঞ্জৰিত শব্দবোৰৰ এটা অংশ হিচাপে তেওঁ নিজকে কল্পনা কৰি লয়। আৰু ... যেতিয়া তেওঁৰ কোনো প্ৰাক্তন ছাত্ৰ আগবাঢ়ি আহি মাত দিয়ে, 'ছাৰ, ভালে আছেনে?' তেওঁৰ বুকুখন ভৰি উঠে। খুব সচেতনতাৰে তেওঁ কথাৰ পাতনি মেলে। অথচ সচেতন হৈ থাকে সকলো সময়তে আনে যাতে তেওঁক কথা চহকী বুঢ়া মানুহ বুলি ভাবি ল'ব নোৱাৰে।

দুই পুত্ৰ আৰু ডাঙৰ বোৱাৰীৰ চূড়ান্ত ব্যস্ততাৰ মাজত অধিক অৱহেলিত হয় বিভৱ বৰুৱা। 'দেউতা, কিবা লাগিছিল নেকি?' 'গা ভালে আছেনে?' আদি প্ৰশ্নবোৰেৰে সিহঁতে দায়িত্বশীল সন্তানৰ ভাও দিব বিচাৰে আৰু এনেবোৰ মুহূৰ্তত দৃঢ় ব্যক্তিত্বৰ অধ্যাপক বিভৱ বৰুৱাই অধিক গাম্ভীৰ্যৰে তেওঁৰ দৃঢ়তা আৰু সম্পূৰ্ণতাৰ কথা ঘোষণা কৰে।

ঐশ্বৰ্য সফল ব্যৱসায়ী। ৰুবী হায়াৰ ছেকেণ্ডাৰী স্কুল এখনৰ শিক্ষয়িত্ৰী। মহানগৰীৰ মাজমজিয়াৰ মাটিখিনিত সিহঁতে এটা বিজনেছ কমপ্লেক্স সাজিব বিচাৰে। ডাঃ কিশলয় বৰুৱাৰ ইচ্ছা তাত এখন নাৰ্ছিং হোম নিৰ্মাণ কৰাৰ। কিশলয়ে বিয়া কৰিবলৈ ওলোৱা ছোৱালীজনীৰ নাম প্ৰজ্ঞা। এবছৰৰ পাছত তায়ো মেডিচিনৰ ডাক্তৰ হৈ ওলাই আহিব। তাৰ পাছতে বিয়া।

একো সিদ্ধান্ত ল'ব পৰা নাই বিভৱ বৰুৱাই। মহানগৰীৰ দাঁতিকাষৰীয়া এই পাহাৰীয়া ঠাইখিনিত অলপ নিৰ্জনতা বিচাৰিয়েই তেওঁ ঘৰটো সজাইছিল। তেওঁৰ দুই পুত্ৰই এতিয়া ইয়াৰ পৰা উভতিব বিচাৰিছে প্ৰচণ্ড গতিশীল জনাৰণ্যৰ মধ্যৱৰ্তী স্থানলৈ।

অব্যাহত থাকে বিভৱ বৰুৱাৰ বিয়লিৰ উদ্যান পৰিক্ৰমা। সমবয়সী দুই এজন বৃদ্ধৰ লগত তেওঁৰ অন্তৰংগতা গঢ়ি উঠে। মুখ ফুটাই কোনেও একো নক'লেও তেওঁ বুজি পায় তেওঁলোক প্ৰত্যেকেই আধুনিক জীৱনৰ ধামখুমীয়াত দিশহাৰা হৈ পৰা একো একোজন মানুহ — অনভ্যস্ততাই যাক বিচ্ছিন্ন কৰি আনিছে সাম্প্ৰতিকতাৰ পৰা। জীৱন যাৰ বাবে পৰিণত হৈছে 'অন্ত'ৰ এক অন্তহীন অপেক্ষাত। তেওঁ অনুভৱ কৰে — নিসংগতাই পীড়িত কৰা মানুহ তেওঁৰ দৰে আৰু বহু আছে, অৰ্থাৎ তেওঁ নিঃসংগ নহয়।

কিছু পৰিৱৰ্তন আহে বিভৱ বৰুৱাৰ প্ৰাত্যহিকতালৈ। একঘেয়ামীৰ অনন্ত সময়ৰ নিসংগতাবোধ তেওঁৰ কিছু কমি আহে। বিয়লিৰ বাবে অপেক্ষাই তেওঁৰ পুৱা আৰু দুপৰবোৰক অৰ্থময় কৰি তোলে। মাটিৰ বাবে দুই পুত্ৰৰ তিক্ত সম্পৰ্ক অথবা বোৱাৰীয়েকৰ অত্যাধুনিকতাই তেওঁক গভীৰভাৱে আৰু দুখী কৰিব নোৱাৰা হয়। বিভৱ বৰুৱাই এটা সিদ্ধান্ত লয় — মহানগৰীৰ মধ্যৱৰ্তী স্থানৰ তেওঁৰ মাটি টুকুৰাত তেওঁ এটি বৃদ্ধাশ্ৰম সাজিব। উদ্যানৰ নতুন সংগী এসময়ৰ অভিযন্তা চিত্তৰঞ্জন দাসৰ লগত তেওঁ ইতিমধ্যে পৰিকল্পনা আৰম্ভ কৰি

দিলে। বৃদ্ধাশ্ৰমৰ লগতে এখন স্কুল থাকিব। মহানগৰীৰ ফুটপাথ আৰু বস্তিৰ পৰা তুলি অনা কিছু শিশুক লিখা-পঢ়া শিকাব। বিভৱ বৰুৱাৰ মনত সংগোপনে এটা অভিলাস আছিল — এই শিশুবোৰক আখৰৰ লগতে তেওঁ মানৱতাৰ পাঠ দিব। সিহঁতক জোনাকৰ কথা ক'ব, গছৰ জীৱনৰ কথা ক'ব। মুঠতে সমুখত মানুহৰ তেজ লৈ চিকেনৰ সোৱাদ ল'ব নোৱাৰা একো একোজন মানুহ গঢ়াৰ চেষ্টা কৰিব তেওঁ। ইতিমধ্যে চিত্তৰঞ্জন দাসৰ বন্ধু দিছপুৰৰ দুই-এজন মন্ত্ৰীৰ লগত সমগ্ৰ বিষয়টো তেওঁলোকে আলোচনা কৰিছিল। সকলোৱে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল, আন্তৰিকতাৰে।

এনেতে এদিন প্ৰজ্ঞা আহিল। দিল্লীত পঢ়ি থকা কিশলয়ৰ বাগদত্তাই মেডিকেলৰ অন্তিমটো পৰীক্ষা দি আহিছে। গুৱাহাটীত তেওঁলোকৰ ঘৰত দুদিন থাকি লক্ষীমপুৰৰ নিজৰ ঘৰলৈ যাব। প্ৰজ্ঞাৰ কথা বহুবাৰ শুনিলেও ছোৱালীজনীক প্ৰথম দেখিলে বিভৱ বৰুৱাই। ওখ, ক্ষীণ, কৃষ্ণ বৰণৰ ছোৱালীজনীৰ সমগ্ৰ ব্যক্তিত্বত এক অপূৰ্ব সৰলতা। কোমল মুখ, শিশুৰ দৰে নিষ্পাপ চকুৰ চাৱনি। বুদ্ধিদীপ্ততা আৰু সাৰল্যৰ সংমিশ্ৰণত এক সৌন্দৰ্যময় ব্যক্তিত্ব প্ৰজ্ঞাৰ। বিভৱ বৰুৱাৰ সান্ধ্য বিহাৰৰ কিছু পূৰ্বে তেওঁৰ কোঠালৈ ছোৱালীজনীয়ে অদ্ভুত এটা প্ৰস্তাৱ লৈ সোমাই আহিল।

'বৰদেউতা, কিশলয়ে কৈছে আবেলি বোলে সদায় আপুনি পাৰ্কত খোজ কাঢ়ে। আজি মোকো লগত নিবনে?' ইতঃস্ততঃবোধ কৰিছিল বিভৱ বৰুৱাই। কিন্তু ছোৱালীজনীৰ আশাৰে তিৰ্‌বিৰ্ চকু দুটালৈ চাই তেওঁ সন্মতি দিলে। কিশলয় হাস্পতালৰ পৰা ওভতা নাছিল। মুহূৰ্তৰ ভিতৰতে অফ হোৱাইট চুৰিদাৰ পিন্ধি, ক'লা বেগ এটা লৈ বিভৱ বৰুৱাৰ কাষত থিয় হ'লহি প্ৰজ্ঞা। পুনৰ আচৰিত হ'ল বিভৱ বৰুৱা। প্ৰজ্ঞাহঁতৰ বয়সৰ ছোৱালীৰ প্ৰসাধনহীন মুখ আৰু এনে সাধাৰণ বেশভূষা বিৰল নহ'লেও খুব বেছিকৈও দেখা নাযায়।

প্ৰজ্ঞাৰ বাবে সামান্য গৰ্ববোধ কৰিলে তেওঁ। মাৰুতি জেনখনত তেওঁৰ কাষতে বহিল প্ৰজ্ঞা। এই প্ৰথম প্ৰজ্ঞাহঁতৰ ঘৰৰ বিষয়ে ভালকৈ জানিলে বিভৱ বৰুৱাই। প্ৰজ্ঞাৰ দেউতাক সৰুতেই ঢুকাইছে। মাক অধ্যাপিকা। এটি ভায়েকে ইঞ্জিনীয়াৰিং পঢ়ি আছে।

উদ্যানত চিত্তৰঞ্জন বৰুৱা তেওঁৰ বাবে বৈ আছিল। প্ৰজ্ঞাক লগত দেখি তেওঁ কিছু আচৰিত হৈছিল। বিভৱ বৰুৱাই চিনাকি কৰাই দিলে। স্মাৰ্ট ছোৱালীজনী খুব সহজেই দুই বৃদ্ধৰ লগত মিলি গ'ল। তেওঁলোকৰ বৃদ্ধাশ্ৰমৰ পৰিকল্পনা শুনি তাই আনন্দত জপিয়াই উঠিল। 'বৰদেউতা, ময়ো থাকিম আপোনালোকৰ লগত। জানেনে বন্ধৰ দিনত আমি দহ-বাৰ জনীয়া গ্ৰুপ এটা দিল্লীৰ একো একোখন 'অল্ড-এইজ হোম'লৈ যোৱা কৰিছিলো। তেওঁলোকৰ লগত কেতিয়াবা কেৰম, লুডু খেলিছিলো আৰু কেতিয়াবা সৰু-সুৰা পিকনিকৰো আয়োজন কৰিছিলো। আমাৰ লগৰ দেবিকা ভৰদ্বাজ নামৰ ছোৱালীজনীৰ দেউতাকো 'অল্ড-এইজ হোম' এখনতে আছিল। ... আৰু বৰদেউতা, আপোনালোকৰ 'অল্ড-এইজ হোম'তো এজন ডাক্তৰ লাগিবই। মই মোৰ চাকৰি কনফাৰ্মড বুলি ধৰিবোনে?' স্মাৰ্ট নাটকীয় ভংগী এটাত ফিক্সড্ হৈ থাকি প্ৰজ্ঞাই তেওঁলোকৰ উত্তৰৰ বাবে অপেক্ষা কৰিলে। তাইৰ সৰু মূৰটোত মৰমেৰে টুকুৰীয়াই দিলে বিভৱ বৰুৱাই। দুদিন থাকিবৰ বাবে অহা ছোৱালীজনীক

আৰু দুদিন ৰাখিলে বিভৱ বৰুৱাই। ঐশ্বৰ্য, ৰুবী, কিশলয় সকলো আচৰিত হ'ল। বগা ফুল ছাৰ্টৰ কলাৰ উঠাই প্ৰজ্ঞাই কিশলয়ক জোকালে — 'তোমালোকেহে কোৱা দেউতাই কথা নাপাতে বুলি। আচলতে দেউতাৰ মানসিকতাৰ, দেউতাৰ বয়সৰ মানুহৰ লগত কথা পতাৰ সক্ষমতা তোমালোকৰ নায়েই।' অভিভূত হৈছিল কিশলয়। বৃদ্ধ দেউতাকৰ উদ্ভাসিত মুখখনে তাক সুখী কৰিছিল। ... আৰু খুব বিচক্ষণতাৰে প্ৰজ্ঞাৰ লগত দেউতাকৰ আত্মীয়তাৰ সুৰুঙাৰে এটা বৈষয়িক হিচাপ মিলাই ল'ব পৰা যাব বুলি সি আশা কৰিছিল। মুখত হাঁহি থাকিলেও ভিতৰি ভিতৰি আতংকিত হৈছিল ৰুবী আৰু ঐশ্বৰ্য। কি সাংঘাতিক চালাক এই ছোৱালীজনী! বিয়াৰ আগতেই দেউতাক পতাই লৈ ...।

যোৱাৰ আগদিনা বিভৱ বৰুৱাৰ কোঠাত খিৰিকীৰ সন্মুখত বহি আছিল দুই প্ৰজন্মৰ দুই প্ৰতিনিধি — প্ৰজ্ঞা আৰু বিভৱ বৰুৱা। তিনিটা দিন বিভৱ বৰুৱাই তেওঁৰ অতীতৰ কথা কৈছিল। আজি প্ৰজ্ঞাই নিজকে উন্মুক্ত কৰিলে — 'বৰদেউতা, লক্ষীমপুৰ চহৰৰপৰা সাত কিলোমিটাৰ আঁতৰৰ গাঁও এখনত আমাৰ [illegible] ঘৰ আছিল। মই তাতেই প্ৰাইমেৰী স্কুলত পঢ়িছিলো। কি যে অদ্ভুত আছিলো মই! মামাৰ ঘৰৰ কাষত এখন সৰু নদী আৰু পথাৰ আছিল। গাঁৱৰ গৰুবোৰ সেই পথাৰতে চৰিছিল। সন্ধিয়া পঢ়া টেবুলত বহোতে মাকক হেৰুৱাই অকলশৰীয়া হৈ হেম্বেলিয়াই থকা দামুৰীবোৰৰ দুখত মোৰ প্ৰায়ে চকুপানী ওলাইছিল।' ছোৱালীজনীয়ে অন্যমনস্কভাৱে হাঁহিলে। 'দেউতাক ভালদৰে মনতেই নপৰে। ফটো দেখিছো। মায়ে কয় তেওঁ বোলে খুব সাহসী আৰু দৃঢ় ব্যক্তিত্বৰ মানুহ আছিল। ... সম্ভৱতঃ দেখাত তেওঁ আপোনাৰ দৰেই আছিল। ওখ, গহীন আৰু ধুনীয়া ...।'

কি কয় এই ছোৱালীজনীয়ে! বাহিৰৰ পাতল এন্ধাৰৰপৰা বহু আগতে শুনা এটা ভাল লগা গীতৰ কলি যেন ওপঙি আহিছে বতাহত। বিভৱ বৰুৱাৰ চকুৰ কোণ দুটা সেমেকি উঠিছে।

'প্ৰজ্ঞা, মাৰাৰ লগত কথা পাতি তুমি মোলৈ ফোন এটা কৰিবা। যিমান সোনকালে পাৰি বিয়াখন ... ' তেওঁ ক'ব নোৱাৰাকৈয়ে মুখৰ পৰা ওলাই আহিল। বিভৱ বৰুৱাই প্ৰজ্ঞাক কৈ গ'ল কিদৰে নিজান বাতাবৰণ এটাৰ আশাত এই পৰ্বতীয়া ঠাইখিনিত তেওঁ ঘৰ সজাইছিল। খিৰিকীৰে দৃশ্যমান হোৱা আকাশত শুকুলা ডাৱৰৰ টুকুৰা কেইটামান ওপঙি আছিল। তাৰ তলেৰে ইংৰাজী ভি আখৰটোৰ আকৃতিত এজাক চৰাই উৰি গ'ল। প্ৰজ্ঞাই মুগ্ধ হৈ চালে। আৰু তাইৰ মুগ্ধ মুখখনলৈ চাই পিতৃহীনা ছোৱালীজনীৰ প্ৰতি অপাৰ মমতাৰে বিভৱ বৰুৱাৰ মনটো ভৰি উঠিল। পিছদিনা যাবৰ বাবে সাজু হৈ ব্ৰেকফাষ্ট কৰিবলৈ বহিছিল প্ৰজ্ঞা। কিশলয়ৰ লগত দুদিন ধৰি কৰা বজাৰেৰে তাইৰ বেগ দুটা ওফন্দি পৰিছিল। বিভৱ বৰুৱাৰ ভাল লাগিছিল। কোনেও নোকোৱাকৈয়ে তেওঁ বুজি পাইছিল এই বজাৰৰ অৰ্ধাংশই প্ৰজ্ঞা-কিশলয়ৰ বিয়াৰ প্ৰস্তুতি। অৰ্থাৎ ব্যতিক্ৰমী ছোৱালীজনী খুব সোনকালেই বোৱাৰী হৈ তেওঁৰ ঘৰলৈ আহিব। ঘৰখনৰ সকলো একেলগে বহিল ব্ৰেকফাষ্টৰ বাবে। প্ৰজ্ঞা যাব বাবেই এই ব্যৱস্থা। নহ'লে ঘৰখনত সকলোৱে একেলগে কাচিৎহে খাবলৈ বহে। টিভিটো অন কৰি দিলে কিশলয়ে। ৰাজনীতিৰ গতানুগতিক বাতৰিৰ লগতে আন এটা বাতৰিৰ প্ৰতি সকলো কৌতূহলী হৈ উঠিল। ন বছৰীয়া এগৰাকী কিশোৰীক ধৰ্ষণ কৰি হত্যা কৰিলে

চাৰিজন যুৱকে। টিভিৰ পৰ্দাত সৰল মুখৰ এজনী কিশোৰীৰ ফটো এখন কেইছেকেণ্ডমান ফিক্সড্ হৈ থাকিল। তাৰ পাছত তেজৰ ডোঙাৰ মাজত ফুলি উঠা এটি উলংগ নাৰীদেহ। ভদ্ৰেশ্বৰে ফুলা লুচী আৰু অমলেট দি গ'ল। মহানাগৰিক ব্যস্ততাৰ অভিজাত, ক্ষিপ্ৰ ভংগিমাৰে ৰবী আৰু ঐশ্বৰ্যই লুচীত কামোৰ দিলে। ডিঙি আৰু গালত হাত ৰাখি স্তব্ধ হৈ টিভিটোলৈ চাই থকা প্ৰজ্ঞাক হাতেৰে হেঁচুকি দিলে কিশলয়ে — 'কি চাই আছা — খোৱা। তোমাক গাড়ীত উঠাই ন বজাত মই নাৰ্চিং হোম পাবগৈ লাগিব।'

টিভিত বিভিন্ন এংগলৰ পৰা মৃতদেহটো দেখুৱাই আছে। এগৰাকী মানুহে তেজৰ ডোঙাটোত উবুৰি খাই পৰিব খুজিছে। খালী চাহকাপো মুখলৈ নিব নোৱাৰা হ'ল বিভৱ বৰুৱাই। কিশলয়ৰ তাগিদাত প্লেটৰ ফালে হাতখন আগবঢ়াই প্ৰজ্ঞা বৈ গ'ল। আশা আৰু আশংকাৰে বিভৱ বৰুৱাই চাই থাকিল — তেজৰ ডোঙাটোৰ দৃশ্যানুভূতিৰ পৰা ফুলা লুচীৰ স্বাদানুভূতিলৈ থকা দূৰত্বখিনি অতিক্ৰম কৰিবলৈ প্ৰজ্ঞাই কিমান সময় লয়! □ □

এটা ‘বিষ’ৰ বাবে সুহৃদৰ দৰে অপেক্ষা কৰিব পাৰেনে মানুহে— আকাশৰ দূৰ একোণত মেঘৰ আস্তৰণ আৰু আকাশ উজ্বলাই বিদ্যুৎ ৰেখাৰ দৰে চমকি উঠি তাৰ পাছত সেই দূৰৰ পৰাই ভাঁহি অহা গাজনিৰ গুম গুম শব্দৰ দৰে বুকুত গুজৰি গুজৰি বিয়পি পৰা এটা বিষ...

প্ৰোজ্জ্বল বিদ্যুৎৰেখা যেন এক তাৎক্ষণিক বিষাদ চমক আৰু গাজনিৰ গুম গুম শব্দ এই বিষাদ নিঃসৃত বিষ! যৌৱন-কৈশোৰৰ দোমোজাত থাকোতেই খুব বিহ্বল মুহূৰ্ত এটাত, অনুভূতিৰ সুক্ষ্ম তাঁৰ আৰু সপোনৰ খণ্ডচিত্ৰ কিছুমানৰ মাজত আউল ভাঙিব নোৱাৰোতে এই বিষে প্ৰথমবাৰৰ বাবে মোৰ ভিতৰত উকমুকাই উঠিছিল। সুনিৰ্দিষ্ট আকৃতিবিহীন সম্পৰ্ক নে সম্পৰ্কৰ আৰম্ভণী এটাক ‘ প্ৰেম’ নামাকৰণ কৰিছিলো। উকা কাগজত জিলিকি থকা কেইটামান আখৰৰ পৰা মোৰ সত্তাৰ সমগ্ৰ জুৰি কেনেদৰে বিয়পি পৰিছিল এটা নিভাঁজ সুগন্ধৰ ঢৌ! এই ঢৌত উটি-ভাঁহি ফুৰিয়েই নিজাকৈ মই এটা সপোন আঁকিছিলো। বৃত্তাকৃতিৰ সেই জলমল সপোনৰ কেন্দ্ৰত উপবিষ্ট হৈছিল আটোম টোকাৰি আখৰ কেইটাৰ গৰাকী—অলকেশ।

তেতিয়ালৈকে বৰ মসৃণ আছিল মই খোজকাঢ়ি যোৱা বাটবোৰ। বিচাৰিলেই জোন-তৰা থপিয়াই আনিবলৈ প্ৰস্তুত হৈ থকা দেউতা আৰু চেতনাত বোধৰ আখৰ চটিয়াই দিবলৈ যত্ন কৰি থকা মাৰ স্নেহ আৰু মমতাৰ ছাঁত থাকি এবাৰৰ বাবেও ভাবিব পৰা নাছিলো কেতিয়াবা জীৱিত শৰীৰেৰে স্বপ্নৰ মৃতদেহ কঢ়িয়াই ফুৰিব লাগিব।

মোৰ ব্যস্ততা আৰু অৱসৰত প্ৰচণ্ড অহংকাৰেৰে অধিকাৰ সাব্যস্ত কৰি দুলিবলৈ আৰম্ভ কৰিছিল বিশেষ এজন ব্যক্তিৰ কেইটামান আখৰ আৰু সেই আখৰকেইটাই বৈ অনা এখন নেদেখা অথচ কল্পনাত উজ্জ্বল হৈ জিলিকি উঠা তৰংগায়িত পৃথিৱী। কল্পনা, সপোন আৰু বাস্তৱ কোন এটা বিন্দুত যেন মিলি গৈছিল অথবা কোন এটা বিন্দুৰ পৰা প্ৰত্যেকেই আৰম্ভ কৰিছিল এক সুকীয়া যাত্ৰা!

## মোহ-পিঞ্জৰ

জীৱনৰ প্ৰথম উজুটিটো খাইছিলো বসন্ত কালৰ উজ্জ্বল আবেলি এটাত। মোতকৈ এক ক্লাছ ওপৰৰ সীমাৰ হাতৰ

মুঠিত উকা কাগজত চিকচিকাই আছিল মোৰ চেতনাত উপলব্ধিৰ অনিৰ্বচনীয়তা ছটিয়াই দিয়া সেইকেইটা বিশেষ আখৰ। স্কুলৰ পৰা আহোতে বৰ হেঁপাহেৰে, বৰ গৌৰৱেৰে মোৰ সন্মুখত তাই তুলি ধৰিছিল চিঠিখন— 'চা-না, অলকেশে দিছে।' দুবছৰৰ পূৰ্বে আমাৰ কলেজৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ তেতিয়া গুৱাহাটীৰ কটন কলেজত পঢ়ি আছিল অলকেশে। অঞ্চলটোত 'উজ্জ্বল ৰত্ন'ৰ লগত তুলনা কৰা অলকেশৰ তেনে এখন চিঠি তাইৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছিল।

বসন্তৰ সেই তজবজীয়া সুন্দৰ আবেলিটোতে বৰ অনুজ্জ্বল, টিমিক-টামাক মাটিৰ চাকিৰ মিহি শিখা এডাল হৈ পৰিছিলো মই আৰু নিয়ন লাইটৰ দৰে সপ্ৰতিভ, উজ্জ্বল সীমাৰ ওচৰৰে খোজ কাঢ়ি আহি আছিলো।...চিঠিখনত সীমাৰ সৌন্দৰ্যৰ উচ্ছসিত প্ৰশংসা আছিল। আৰু আছিল আবেগ-বিধুৰ প্ৰেমৰ সচেতন প্ৰকাশ।

নাই নাই। অলকেশে মোক বিট্ৰে কৰা নাছিল। তেওঁ কেতিয়াও মোৰ সৌন্দৰ্যৰ প্ৰশংসা কৰা নাছিল। মোক প্ৰেম নিবেদন কৰা নাছিল। তেওঁ মোলৈ লিখা চিঠিবোৰৰ বক্তব্য আছিল— '...ভালদৰে পঢ়িবা। এতিয়া প্ৰতিযোগিতাৰ যুগ। নহ'লে বহু পাছ পৰি ৰ'ব লাগিব। নিজৰ মাজত থকা 'ভাল'খিনি বিকশাই তোলাৰ চেষ্টা কৰা আৰু তোমাৰ চৌপাশকো ভাল কৰি তোলা।' হয়তো দেউতাৰ কথামতে মোক কিছুদিন অংক আৰু বিজ্ঞান শিকোৱাৰ পাছত মোৰ প্ৰতি তেওঁ ভ্ৰাতৃসুলভ দায়িত্ব এটা পালন কৰিবলৈ বিচাৰিলে। তাতে তেওঁ আছিল দেউতাৰ প্ৰিয় ছাত্ৰ।

সেইদিনা ঘৰলৈ আহি ড্ৰেচিঙৰ সন্মুখত ৰৈ নিজকে প্ৰথমবাৰৰ বাবে খুটিয়াই খুটিয়াই চাইছিলো। এমূৰ কেঁকোৰা ৰঙচুৱা চুলি, টেলেকা চকু, ক'লা বৰণ আৰু হীন স্বাস্থ্যৰ মোৰ অবয়বটোৱে আৰ্চীৰ ভিতৰৰ পৰাই যেন মোক সিয়াঁৰিছিল।... আৰু সীমা— গাখীৰত সেন্দূৰ মিলোৱাৰ দৰে গাৰ ৰং, টনা টনা চকু আৰু ভৰা গাল-মুখেৰে সীমাৰ উপনামেই হৈছে 'পৰী'।

চাৎকৈ মোৰ বোধৰ আকাশত যেন উজ্বলি উঠিছিল সত্যৰ বিদ্যুৎ তৰংগ। লাহে লাহে সত্যটো অনুধাৱন কৰিব পাৰিছিলো। তড়িতৰ দৰে চমকি উঠা সেই চমৎকাৰ বিষাদেই গাজনিৰ গুম গুম শব্দৰ দৰে দূৰৰ পৰা ভাঁহি আহি 'বিষ' হৈ মোৰ বুকুত বিয়পি পৰিছিল।... সপোনৰ মৃত খণ্ড-চিত্ৰবোৰৰ ওপৰত গুম-গুমনিৰ এখন শুধ বগা কাপোৰহে যেন কোনোবাই তৰি দিছিল।

কেইটামান আখৰৰ নিৰ্বোধ বাঙ্ময়তাৰে এসময়ত মূৰ্ত হৈ উঠিছিল এই সপোনবোৰ। সিহঁতৰ মৃত্যুৰ সময়তো মই মোৰ অভ্যন্তৰৰ বিষটোক নিচুকাবৰ বাবে কলম খামুচি ধৰিছিলো। আখৰবোৰ গল্প হৈছিল।

জীৱনৰ খলা-বমাবোৰ তাৰ পাছত ক্ৰমশঃ স্পষ্ট হৈ আহিছিল। বৰ সন্তৰ্পণে মই এটা খোলা নিৰ্মাণ কৰিছিলো। মানুহৰ লগত মুকলি মনেৰে কথা পাতিবলৈ, মিলি পৰিবলৈ মোৰ সংকোচ বাঢ়ি আহিছিল। একধৰণৰ হীনমন্যতাই তৰ্জনী আঙুলি টোঁৱাই বাৰে বাৰে যেন সকীয়াই আছিল— 'খবৰদাৰ। খোলাৰ বাহিৰ নোলাবি।'

সৰ্বনাশী এক ভয়ে অক্টোপাছৰ দৰে মোক মেৰাই ধৰিছিল— অৱহেলিত হোৱাৰ ভয়,

Nobody হৈ ভিৰৰ মাজত নিঃচিহ্ন হৈ যোৱাৰ ভয়। ইয়াৰ লগে লগে কাঠফুলাৰ দৰে বাঢ়ি আহি মোক ছাটি ধৰিছিল প্ৰাক্ যৌৱনৰ সেই নোপোৱাৰ যন্ত্ৰণাই। কিন্তু, পৰিপক্ক হোৱাৰ পাছত বুজি উঠিলো মোৰ সেই যন্ত্ৰণাৰ উৎস অলকেশৰ প্ৰেম নোপোৱাটো নহয়। সেয়া আছিল মোৰ হীন অস্তিত্ব, বিশেষত্বহীনতা, তাতকৈ বেছি সীমাৰ কাষত মোৰ অত্যন্ত নিষ্প্ৰভ স্থিতিৰ উপলব্ধি।

...মৃত সপোনৰ বোজা বৈ বৈ যন্ত্ৰণাৰ লগত মই অভ্যস্ত হৈ পৰিছিলো। বুকুত বিয়পি পৰা গুম গুম গাজনিৰ দৰে বিষটো মোৰ সত্তাৰ লগত অভিন্নপ্ৰায় হৈ পৰিছিল। যি অভিন্ন তাক গ্ৰহণ কৰিবলৈ মানুহ বাধ্য। আৰু... আৰু এনেকৈয়ে বিষটো হৈ পৰিছিল মোৰ সু-হৃদ।

সেই যে এদিন মোৰ প্ৰতিবিম্বই মোক সিয়াঁৰিছিল, ভ্ৰূকুটি কৰিছিল— সেই তেতিয়াৰে পৰা মই নিজকে কেতিয়াও ড্ৰেছিঙৰ সন্মুখত বৈ খুটিয়াই চোৱা নাছিলো। এবছৰ দুবছৰকৈ কেইবাটাও বছৰ পাৰ হৈ গ'ল। চৈধ্যবছৰীয়া কিশোৰী 'মই' জনী পঁচিশ বছৰীয়া হ'লো। খোলাৰ ভিতৰত কেৱল আখৰৰ লগত গঢ়ি তোলা নিবিড় সম্পৰ্কৰ বাবে মোৰ কেৰিয়াৰৰ গ্ৰাফডাল ঊৰ্ধ্বমুখী হ'ল। চাৰ্টিফিকেটবোৰ গধুৰ হ'ল। ...আত্মপ্ৰকাশৰ মাধ্যম হ'ল কেৱল গল্প।

তেতিয়া মই গুৱাহাটী ইউনিৰ্ভাছিটিৰ ৰিচাৰ্ছ স্কলাৰ হোষ্টেলত থাকো। এম এছ চি পাছ কৰি গৱেষণা আৰম্ভ কৰিছো মাত্ৰ। সন্ধ্যাপৰত বুকুত কিতাপ কেইখনমান সাবটি লৈ খৰধৰকৈ লাইব্ৰেৰীৰপৰা হোষ্টেললৈ গৈ আছিলো। মোৰ বাট ভেটি থিয় হ'ল অলকেশ—। তেওঁ তেতিয়া ৰসায়ন বিভাগৰ প্ৰবক্তা হিচাপে গুৱাহাটীৰ আগশাৰীৰ কলেজ এখনত যোগদান কৰিছে। সেই বছৰটোত সেয়া আছিল আমাৰ তৃতীয় সাক্ষাৎ। মোৰ হাতত তেওঁ বহল পেকেট এটা তুলি দিলে। হোষ্টেলৰ কোঠাত পেকেটটো খুলি বিস্ময়ত মই থৰ হৈ গ'লো। এক নাৰীৰ পট্ৰেইট। উজ্জ্বল, সুন্দৰ, অনন্য। তলত মোৰ নাম— 'ছায়া'।

অলকেশৰ লগে লগে এই কথাও মোৰ বাবে স্মৃতি হৈ গৈছিল যে তেওঁ এসময়ত ছবি আঁকিছিল...। বহু দিনৰ পাছত আৰ্চীত প্ৰতিবিম্বিত নিজৰ অৱয়ৱ তন্নতন্নকৈ পৰীক্ষা কৰিলো। ওখ, ক্ষীণ, ভাঁজহীন শৰীৰ, ঈষৎ ৰঙচুৱা কেঁকোৰা চুলি, শেঁতা বৰণ আৰু অনুজ্জ্বল চকুৰে 'মই' আৰু ফ্ৰেমত আবদ্ধ পট্ৰেইটখনৰ মাজত যেন বিস্তৰ পাৰ্থক্য!

খং আৰু অপমানত মই শিয়ৰি উঠিলো। মানুহৰ আটাইতকৈ সংবেদী তাঁৰডালত টুকুৰিয়াই হীনমন্যতাক দূৰন্ত কৰি পেলোৱা কেনেধৰণৰ ধেমালি এয়া!

মোৰ প্ৰশ্নৰ উত্তৰ চিঠিৰে দিছিল তেওঁ। মোৰ চেতনাত চিনাকি উপলব্ধিৰ অনিৰ্বচনীয়তা উবুৰিয়াই দিয়া সেইকেইটা বিশেষ আখৰেৰে— '...খোলাৰ পৰা বাহিৰলৈ ওলাই আহি মোৰ দৃষ্টিৰে নিজক চোৱা ছায়া। তোমাৰ বিষাদ-গম্ভীৰ মৌনতা মোৰ দৃষ্টিৰ সন্মুখত নতুন ৰূপত উদ্ভাসি উঠিছে। তুমি নাজানা তুমি কি আৰু মোক তুমি কি দিব পাৰা।... তোমাৰ আয়ত চকুৰ মণিত যে 'মই' কেতিয়াবা প্ৰতিবিম্ব হৈ ভাঁহি থাকিছিলো সেয়া তোমাৰ লেখাই কৈছে মোক।... নিজক ফাঁকি নিদিবা আৰু!' মই ফাঁকি দিয়া নাছিলো নিজক। আনৰ ফাঁকি গ্ৰহণ কৰিবলৈয়ো মোৰ প্ৰস্তুতি নাছিল। 'সীমা—?' সুধিছিলো তেওঁক। 'সীমা মোৰ অতীত আছিল। তেওঁ এতিয়া আন এজন পুৰুষৰ 'বৰ্তমান'। দুটি সন্তানৰ মাতৃ।'

আমাৰ বিয়া হৈ গ'ল। নাই। শৰীৰেৰে নিবিড় হ'লেও মোৰ সুহৃদ, তেওঁৰ পৰাই উদ্ভুত কৈশোৰৰ সংগী সেই 'বিষ'টোক আঁতৰাই পঠাব পৰাকৈ হৃদয়েৰে মোৰ সত্তাৰ ওচৰ চাপিব পৰা নাছিল অলকেশ। নিত্য সহচৰ নহ'লেও সামান্য সুৰুঙা পালেই মোৰ নিঃসংগতা আৰু নিৰ্জনতাত সুদূৰৰ বিজুলীৰ দৰে চমকি উঠি 'বিষ'টোৱে সোঁৱৰাই আছিল— 'মই আছো। মই আছো।'

আচলতে, অলকেশৰ স্নেহ আৰু আনুগত্যত মই কেনেবাকৈ যেন সহানুভূতিৰ এটা প্ৰলেপ দেখিছিলো। তেওঁৰ তৃপ্ত হোৱাৰ ভংগিমাত কেনেবাকৈ যেন বিৰিঙি উঠিছিল 'দাতা'ৰ গৰ্ব! দীৰ্ঘদিন যেন চৰম নিৰ্লিপ্তি আৰু হৃদয়ৰ দৈন্যৰ মুখা এখন পিন্ধি মই তেওঁৰ বাবে তপস্যা কৰিছিলো আৰু অৱশেষত তপস্যাত সন্তুষ্ট হৈ তেওঁ মোক কৃতাৰ্থ কৰিছে!

কিন্তু, সেই যে 'গীত' আহিল— অলকেশ আৰু মোৰ মাজৰ নিস্তৰংগ জলাশয়ত যেন সুক্ষ্ম গোলকৰ দৰে মমতাৰ অলেখ বুৰ-বুৰণি উফৰি পৰিল আৰু স্নেহ, বিশ্বাস, কৰ্তৃত্ব আৰু দায়িত্বৰ উখল-মাখলে আমাৰ জীৱনলৈ আগতে ভাবিব নোৱাৰা এক দুৰ্বাৰ গতি আনি দিলে।

গীতৰ মুখত 'মা' উচ্চাৰণ শুনাৰ পাছতে খোলাটোৰ পৰা মই সম্পূৰ্ণৰূপে ওলাই আহিলো। অৰ্থবহ, অৰ্থহীন টুকুৰা টুকুৰ খণ্ডবাক্যৰে অবিৰাম কথা পাতিবলৈ ধৰিলো গীতৰ লগত। নিজৰ লগত। আচঁীত নিজকে চাই মই বিস্ময় মানো। ইমান মসৃণ হ'লোনে মই! প্ৰাপ্তিৰ আনন্দই এনেদৰে উজ্জ্বল কৰি তুলিব পাৰেনে মানুহ! আচৰিত!

পূৰ্ণতাৰ উলপন্ধিত 'বিষ'টোৰ কথা মই পাহৰি থাকিলো। সম্ভৱতঃ ঈৰ্ষা আৰু অভিমানত, অথবা অৱহেলিত হোৱাৰ ভয়ত সিও এবাৰৰ বাবেও মোৰ ওচৰলৈ নাহিল।

...আৰু যেতিয়া মোৰ তাৰ কথা মনত পৰিল, তেতিয়া গীত স্কুললৈ যাবলৈ আৰম্ভ কৰিছে। স্কুলৰ বাহিৰৰ সময়খিনিত হোমৱৰ্ক, টেনিছ আৰু কম্পিউটাৰ তাইৰ অধিক কাষ চাপি আহিছে। কলেজৰ লগতে চেমিনাৰ আৰু প্ৰাইভেট আৰ্টস্কুল এখনক লৈ বেছি ব্যস্ত হৈ পৰিছে অলকেশ।

আস! মই মনত পেলোৱাৰ পাছতো এইবাৰ পূৰ্বৰ বিশ্বস্ততাৰে হিল-দল ভাঙি দৌৰি নাহিল মোৰ সুহৃদ। আচলতে, যিবোৰ সৰু সৰু কথাত পূৰ্বতে চেতন আকাশৰ দূৰ একোণত 'বিষ'ৰ উৎস বিষাদৰ তড়িতৰেখা চমকি উঠিছিল, সেই কথাবোৰ ইগন'ৰ কৰিব পৰা মুদ্ৰা এটা অনায়াসে মোৰ আয়ত্তৰ ভিতৰলৈ আহিছিল। মাতৃত্বৰ পূৰ্ণতাই নাৰীৰ সহন শক্তিকো জোৱাৰ উন্মুখ সমুদ্ৰপৃষ্ঠৰ দৰে স্ফীত কৰি তুলিব পাৰে নেকি!

থেছিচ চাবমিট কৰিয়েই মই কলেজ এখনত যোগদান কৰিছিলো। কলেজৰ ক্লাছৰ বাহিৰৰ সময়খিনিত অলকেশ আৰু গীত কোনেও মোক অফুৰন্ত সান্নিধ্য দিব নোৱাৰা হ'ল। ক্ষণিকৰ বাবে দুৰ্বাৰ হৈ পুনৰ স্তিমিত হৈ পৰা জীৱনৰ গতিৰ লগত এডজাষ্ট কৰিবলৈ গৈ মই ভাগৰি পৰিলো। এই সময়তে নিজৰ অস্তিত্ব বজাই ৰাখিবৰ বাবে মোক প্ৰয়োজন হ'ল এটা পুৰণা মাধ্যমৰ। গল্প এনে এটা মাধ্যম আছিল আৰু ইয়াৰ বাবেই অতীত চলাথ কৰি মই বিষটো বিচাৰিবলৈ ধৰিছিলো...।

অলকেশৰ গাড়ীৰ হৰ্ণৰ বাবে উৎকৰ্ণ হৈ থাকি শব্দটো শুনিলেই পদূলিলৈ আগবাঢ়ি

যাওঁ। 'ইমান জধলা হৈ কিয় থাকা?' অলকেশে বিৰক্তিৰে সোধে। কথা পাতিবলৈ বুলি গীতৰ আজৰি সময়ত তাইৰ কাষত বহিলে টিভিটো অন কৰি তাই তন্ময় হৈ যায়। মোৰ উপস্থিতি, সান্নিধ্যৰ প্ৰতি যেন প্ৰচ্ছন্ন অবজ্ঞা!

...এই সকলোৰে কাষে কাষে ক্ৰমশঃ পুনৰ এটা খোলাৰ কাঠামোৱে মোক আৱৰি বাঢ়ি আহিবলৈ উথপথপ লগায়।

এনেতে এটা 'মিৰাকল' ঘটিল। আমাৰ কলেজত নতুনকৈ জইন কৰিলে মোৰ সহপাঠী শান্তনুৱে। বন্ধুত্বৰ চিৰিয়েদি অন্তৰংগতা এঢাপ এঢাপকৈ ওপৰলৈ আগবাঢ়ি আহি থাকিল আৰু যিটো ব্যৱধানত হৃদয় স্পষ্ট হৈ দৃষ্টিত ধৰা দিয়ে সেই ব্যৱধানতে বৈ গ'ল। মোৰ উপস্থিতিত শান্তনুৰ চকুত উপচি পৰা পোহৰৰ চিক্‌মিকনিখিনি মই বুজিব পৰা হ'লো। এনে চিক্‌মিকনিয়েই এদিন উপচি পৰিছিল সীমাৰ চকুত, অলকেশৰ চকুত আৰু হয়তো সপোনত ডুবি থকা কৈশোৰত মোৰ চকুতো—।

মোৰ ভিতৰতো এটা পোহৰৰ উৎপত্তি হয়। কিন্তু মই ইয়াক অকলে যাপন কৰো। মই জানো, মোৰ চকুত এই পোহৰৰ কণাবোৰ চিটিকি পৰিলেই শান্তনু সন্তম হৈ উঠিব। একো নেহেৰুৱা আৰু একো নোপোৱাৰ অনাক্ষৰিক চুক্তিৰ আধাৰত আমাৰ মাজত গঢ় লৈ উঠিব নামবিহীন সম্পৰ্কৰ এচপৰা অবুজন অনুৰাগ...। হয়তো ইয়াৰ পৰা এদিন নিঃসৃত হ'ব পাৰে মোৰ আকাংক্ষিত সেই বিষ— মোৰ আত্ম-মগ্নতাত অভিমানী হৈ যি এদিন মোক এৰি গৈছিল।

*****

ফাঁচী বজাৰত কোনো এটা সন্ধ্যা গীতৰ হাতত ধৰি ঘুৰ্মুটিয়াই ফুৰিছিলো। তাইৰ আব্দাৰ পূৰাই পূৰাই চলমান জনসমুদ্ৰত ক্ষুদ্ৰ ঢৌ এটা হৈ গৈ থাকি ভাল লাগিছিল। হঠাৎ ফুটপাথৰ একোণলৈ আঙুলীয়াই দেখুৱালে গীতে। মানুহ এজনৰ হাতত সোণালী ফ্ৰেমৰ সঁজা এটাত আবদ্ধ ৰঙা জলকীয়াৰ দৰে ওঁঠৰ সেউজ ৰঙৰ এটা ভাটৌ।

...মোৰ স্মৃতিত বুৰবুৰণি উঠিল। প্ৰায় বিশ বছৰৰ আগৰ পিতাৰ ঘৰখন—। আগফালৰ বাৰাণ্ডাত সোণালী ৰঙৰ সঁজা এটাৰ ভিতৰত পাকঘূৰণি খাই খাই চি চিয়াই উঠিল তিতিয়ে। মোৰ আব্দাৰত দেউতাই কিনি আনি দিয়া ভাটৌটোৰ নাম আছিল তিতি। মগু, জলকীয়া, সি খাব পৰা অন্যান্য আহাৰ সঁজাটোৰ ভিতৰৰ কণমানি পাত্ৰটোত হেঁপাহেৰে ৰাখি মই তন্নতন্নকৈ লক্ষ্য কৰিছিলো তিতিক। কাৎচিতহে সি কিবা খাইছিল। পিতলৰ তাঁৰৰ মাজেৰে মূৰ উলিয়াই সি ঘুৰ্মুটিয়াই ফুৰিছিল সঁজাটোৰ ভিতৰতে। আৰু নিৰ্বোধৰ দৰে মই বাট চাইছিলো তাৰ চি চিয়নিবোৰ এদিন মাত হ'ব। মোলৈ চাই ঠোঁট লৰাই লৰাই সি ফিচফিচাই উঠিব— 'ছায়া, ছায়া...।' ভাবিছিলো মোৰ চৌপাশৰ নিৰ্জনতাক ভাঙি-চিঙি মোৰ কাষে কাষে উমলি ফুৰিব তিতিৰ চপল বাতুলতা।

এদিন তিতি মৰিল। এসোঁতা কান্দি মুখ ওন্দোলাই বহি থাকোতে টুকুমামা ওলালহি। ঘটনাটো শুনি বুজালে মোক— 'বনৰ পক্ষীয়ে সঁজাত থাকি সুখ নাপায় নহয় মাজনী। তিতিয়েও সঁজাৰ মাজত থাকি ভাল পোৱা নাছিল। মুকলি মনেৰে আকাশত উৰিবলৈ, লগৰ বিলাকৰ লগত জাক পাতি উৰি উৰি আহাৰ বিচাৰিবলৈ, গান গাবলৈ তাৰ মন গৈছিল।'

'মইতো তাক নিবিচাৰাকৈয়ে খাবলৈ দিছিলো।... আৰু সি ইয়াত গান গালেনো কি হয়?' মই পুনৰ কান্দি পেলালো। 'তোমাক যদি মা-দেউতাৰ পৰা আঁতৰাই নি ক'ৰবাত মস্ত ডাঙৰ সঁজা এটাত ভৰাই থিয়, তুমি ভালপোৱা মিঠাই, আঙুৰ, আপেল আদিৰে তোমাক বুৰাই পেলায় অথচ বাহিৰলৈ যাবলৈ নিদিয়ে— তুমি গান গাব, খাব পাৰিবা জানো?' টুকু মামাই মোৰ মূৰত হাত বুলাই সুধিলে। মোৰ কান্দোন বাঢ়ি গ'ল।

তিতিক মই পাহৰা নাছিলো। এতিয়াও চাৎকৈ মোৰ কথাখিনি মনত পৰিল। সেই যে সঁজাটোৰ তাঁৰৰ মাজেৰে মূৰ সুমুৱাই সুমুৱাই পাক ঘুৰণী খাই খাই ঘূৰি আছিল তিতি— সঁজাটোৰ ভিতৰত থকা তাক অহৰহ ৰিঙিয়াই আছিল এখন মুক্ত আকাশে, গছৰ সেউজীয়াই— ।

মোৰ সেই নিষ্পাপ নিবুৰ্দ্ধিয়ে কেনেদৰে চেপি-খুন্দি আনিছিল নীলা আকাশত উৰি ফুৰিব বিচৰা সেউজীয়া চৰাইটোৰ মুক্তিস্পৃহাক— আৰু এয়া অসম্ভৱ বুলি জানিও কিমান ক্ষীপ্ৰতাৰে তাৰেই সুৰঙা বিচাৰি সঁজাটোৰ ঠেক পৰিসৰত অহৰহ চলমান হৈ আছিল তাৰ ক্ষুদ্ৰ শৰীৰ!

গীতৰ হাতত ধৰি আঁতৰি আহোতে তাইক মই বহুত দিনৰ আগতে টুকুমামাই মোক কোৱা কথাখিনিকে ক'লো। কিন্তু, কি আচৰিত— গীতৰ হাতত ধৰি খোজ কাঢ়ি জনসমুদ্ৰৰ মাজেৰে গৈ থাকোতে মই নিজকে যেন দেখা পালো। মোৰ চেতনাত ছায়াচিত্ৰৰ দৰে প্ৰকট হৈ পৰিছিল সেই দৃশ্য... ধুঁৱলি-কুঁৱলি আকাশৰ তলত সোণালী ৰঙৰ এক পিঞ্জৰাত আবদ্ধ হৈ আছে ছায়া। অলকেশৰ লগত তাইক বান্ধি ৰখা অবিচ্ছিন্ন সূঁতাডাল, গীতৰ প্ৰতি উশাহৰ দৰে নিগৰি পৰা মমতা, দায়িত্ববোধ, ভৰপূৰ ঘৰ এখনৰ ভেঁটি হৈ থকাৰ মোহ আদিবোৰ পিঞ্জৰাটোৰ একো একোডাল ৰড— ইহঁতৰ মাজেৰে মূৰ উলিয়াই উলিয়াই ঘুৰ্মুটিয়াই ফুৰিছে ছায়াই। কুঁৱলিৰ ভিজা গোন্ধটো তাই পোৱা নাই। কুঁৱলিৰ সিমূৰে জোন আছে, তৰা আছে, ফুল আৰু ফুলৰ সৌৰভ আছে, আছে আকাশৰ নীলা আৰু গছৰ ভৰপূৰ সেউজীয়া—। অলপ গান আছে, একান্ত নিজা বুলি ক'ব পৰা কিছু অনুভূতি আছে, আছে আবেগ আৰু অনুৰাগৰ সেই প্ৰাচীন চহৰ। কুঁৱলিৰ আস্তৰণৰ মাজতে ঘনে ঘনে চমকি উঠিছে বিষাদৰ তড়িৎ ৰেখা অথচ বিষ হৈ তাইৰ চেতনাত লীন হ'ব পৰা নাই সেই গাজনিৰ গুম গুম শব্দৰ ঢৌ—।

....পিঞ্জৰাটোৰ পৰা বাহিৰলৈ ওলাই যোৱা সম্ভৱ নহয় বুলি জানিও ক্ষীপ্ৰ গতিৰে ৰডৰ মাজেৰে বাহিৰলৈ ভুমুকিয়াই পাকঘূৰণি খাই খাই ঘূৰি আছে ছায়া। □□

**সম্ভৱতঃ** তেওঁ অহাৰ কথা আছিল। এই কথাটো মনত থকাৰ বাবেই মোৰ আজি ধুনীয়াকৈ সাজোন-কাচোন কৰিবলৈ মন গৈছে। কি ৰং ভাল পাইছিল তেওঁ? মনত পৰিও যেন মনত পৰিব খোজা নাই। নীলা? হালধীয়া?

আইনাৰ সন্মুখত থিয় দিলোঁ। বিবৰ্ণ হৈ পৰা শৰীৰৰ ৰং লুকুৱাবলৈ নিশ্চয় পৰিধান কৰিব লাগিব ব্ৰাইট কালাৰৰ কিবা এটা। আলমাৰিৰ কাপোৰজাপৰ মাজৰ পৰা এজোৰ সাগৰ-নীলা চুৰিদাৰ উলিয়াই ল'লো। কাপোৰজোৰত গুলপীয়া ৰঙৰ মিহি এম্ব্ৰইডেৰি। কাপোৰসাজ পিন্ধি নিয়াৰিকৈ ৈলিখিনি আঁচুৰি বাহিৰলৈ ওলাই আহিলোঁ।

....এ মেয়ত ক'ব নোৱৰাকৈয়ে গেটৰ সন্মুখ পালোঁহি। দুই এখন ৰিক্সা, স্কুটাৰ, গাড়ী আহিছে, গৈছে। মৰা সাপ এডালৰ দৰে নিশ্চল হৈ ৰাস্তাটো পৰি আছে। এনে ধৰণৰ নিৰ্লিপ্তি নিশ্চলতা মোৰ বাবে কষ্টকৰ।

সকলোতে গতি থাকিব লাগে। একধৰণৰ প্ৰাণ-প্ৰৱাহ। সম্ভৱতঃ সেইবাবেই পাঁচ মহলাৰ খিৰিকীৰে বহুবাৰ জঁপিয়াব খুজিও মই ৰৈ গ'লো। তলৰ নিশ্চল পথটোত গতিশীল মানুহ আৰু যান-বাহনৰ মাজত নিশ্চল শ এটা হৈ মই পৰি থাকিম— তাৰ পাছত মোৰ মৃত্যু পৃথিৱীৰ বাবে হৈ পৰিব নিৰ্লিপ্তিৰে গ্ৰহণ কৰি লোৱা এটা সত্য মাত্ৰ— আনকি একান্ত আপোন মানুহখিনিৰ বাবেও মোৰ জীৱন হৈ উঠিব আলোড়নহীন এক স্মৃতি— না না। তাতকৈ বহু ভাল বেলকনিত বহি বাহিৰলৈ চাই ৰোৱাটো। এসময়ত ধূলিৰ তৰপৰ মাজত সেউজীয়া হেৰুৱাই পেলোৱা গছ-পাতবোৰকো আপোন যেন লাগে। ভালদৰে চালে শুকান বতাহৰ শূন্য বুকুতো একো একোটা ঢৌ দেখা যায়। তললৈ চালেতো কথাই নাই— মানুহ, গাড়ী, দোকান-পোহাৰ। অথচ কিয় যে এই সকলো অতিক্ৰম কৰি মোৰ দৃষ্টি লিপিত খাই ধৰে মৰা সাপৰ দৰে ৰাস্তাটোত! তললৈ মই চাব নোৱাৰোঁ।

## সম্ভৱতঃ

তেওঁ আহিব। বহু কথা ক'বলগীয়া আছে মোৰ। মই জানো, কথাবোৰ তেওঁক কোৱাৰ পাছত মই আৰু একো ভাবিব নালাগে। মোৰ হৈ তেওঁ ভাবিব। কৰিবলগীয়াখিনি কৰিব। হয়তো তাৰ পিচতে ক্ৰমশঃ মই পুনৰ ভৰুণ হৈ

উঠিম। এই যে প্ৰত্যেক নিশাতে বুকুত সোমাই থাকে এটা ভয়— মোৰ ডিঙিলৈ কাৰোবাৰ বলিষ্ঠ দুহাত নামি আহিব আৰু কৰ্কশ চেপাত এটা চটফটনিৰ সীমা অতিক্ৰম কৰি নিথৰ হৈ পৰিব মোৰ শৰীৰ— এই ভয়টো নোহোৱা হ'ব।

আহ! কি অৰ্বাচীন পূৰ্ণতা আৰু স্পন্দনেৰে ঠন ধৰি উঠিব জীৱন তেতিয়া!

কিচ্চেনলৈ গ'লোঁ। ফ্ৰিজৰপৰা মাংস উলিয়াই বৰ যতনেৰেএখন তৰকাৰী ৰান্ধিলোঁ। আটা মাৰি ফ্ৰিজত ভৰাই থ'লোঁ। তেওঁ আহিলে গৰমে গৰমে লুচি ভাজি দিম। বন্ধাকবি, কমলা, আঙুৰ, ধনিয়া আৰু তেঁতেলিৰ ৰসেৰে ধুনীয়াকৈ এখন ফ্ৰুট ছালাড কৰিম। বস্তুখিনি যতনাই থওঁতেই আদিত্য আহি ওলাল। মুখ-হাত ধুই কাপোৰ সলাই তেওঁ ডাইনিং ৰূমত বহিলহি।

'চাহ দিয়া।' আদিত্যই ক'লে।

কিবা এটা গুণগুণাই মই লুচি বেলিবলৈ লাগিলোঁ।

এই যে মোৰ কাষত বহি আছে আদিত্য— মোৰ স্বামী— তেওঁৰ উপস্থিতিয়ে মোৰ বুকুত তোলপাৰ লগাই থকা অপেক্ষাৰ আনন্দখিনি বিঘ্নিত কৰিব খুজিছে, মই আঁসে দিয়া নাই।

'আজি বৰ খুচ দেখিছোঁ। কিবা ভাল খবৰ আছে?' আদিত্যই সুধিলে।

মই একো নক'লোঁ। কেৱল হাঁহিলোঁ।

মোৰ কিছুমান কেৱল আদিত্যই পূৰণ কৰিব পৰা চখৰ কথা কওঁতে এনেদৰেই হাঁহিছিল আদিত্যই। তেওঁৰ হাঁহিটো আছিল মোতকৈ বহুগুণে বেঁকা, বিৰক্তিৰে ভৰা আৰু উপহাসমূলক।

মহানগৰীৰ যান্ত্ৰিক প্ৰাত্যহিকতাত উশাহ হেৰুৱাব খুজি তেওঁক বহুবাৰ কৈছিলোঁ— 'ব'লানা ক'ৰবালৈ যাওঁ। য'ত শুদ্ধ বতাহ থাকিব। সেউজীয়া থাকিব।'

'এনেবোৰ বিলাসিতাৰ বাবে মোৰ সময় নাই।' তেওঁৰ স্পষ্ট জবাব।

এদিন মোৰ নেৰানেপেৰা অনুৰোধত বিৰক্ত হৈ আদিত্যই কৈয়ে পেলালে সঁচা কথাষাৰ। তেওঁৰ বেবেৰিবাং ব্যাখ্যাৰ আঁৰত থকা মূল কথাটো আছিল মোৰ দৰে বেছি স্ফূৰ্তি কৰিব নোৱৰা মানুহৰ সংগত উম নাই। এনে সংগীৰ সৈতে কোনো অচিনাকি ঠাইত প্ৰতিটো মুহূৰ্ত একেলগে থাকি এটা বা দুটা ৰাতি কটোৱাটো তেওঁৰ বাবে বিৰক্তিকৰ হ'ব।

অথচ আমাৰ প্ৰেম-বিবাহ আছিল। মধুচন্দ্ৰিকাৰ বাবে আদিত্যৰ পছন্দ আছিল চিমলা। তেওঁৰ জেদৰ বাবেই ডিচেম্বৰ মাহৰ প্ৰচণ্ড ঠাণ্ডাতো চিমলালৈ গৈছিলোঁ।

পাৰ্বত্য প্ৰকৃতিৰ সৌম্য ৰূপ, একা-বেঁকা পাহাৰীয়া পথবোৰে ইমানকৈ আমাক মুগ্ধ কৰিছিল যে তাৰ ছমাহৰ পিচতে পুনৰ দাৰ্জিলিঙলৈ গৈছিলোঁ। তাৰ পিচতো যেতিয়া আজৰি পাইছোঁ— এটা বা দুটা ৰাতিৰ বাবেও ঢাপলি মেলিছোঁ শ্বিলং-চেৰাপুঞ্জীলৈ। এয়া বিয়াৰ পিচৰ প্ৰথম দুটা বছৰৰ কথা।

ধূমায়িত কফিত শোহা দি হয়তো মই অন্যমনস্ক হৈ পৰিছিলোঁ। খাই উঠি আদিত্য কেতিয়া উঠি গ'ল মই গমেই নাপালোঁ।

মোৰ ভাব হ'ল এখন গাড়ী যেন গেটত ৰৈছেহি। পঞ্চম মহলাৰ পৰাই যেন মই শুনিবলৈ পাইছোঁ গাড়ীৰ ষ্টাৰ্ট বন্ধ হোৱাৰ শব্দ। তেওঁ আহিল নেকি? তেওঁ—

খৰধৰকৈ বেলকনিলৈ ওলাই আহি তললৈ চালোঁ। গেটৰ কাষত কোনো গাড়ী নাই। তেওঁ দেৰি কৰিছে নেকি বাৰু? হয়তো ট্ৰেফিক জামত ফঁচিছে। মহানগৰীত মানুহ, যান-বাহন বেছি হৈ অহাৰ লগে লগে পুৰণা পথবোৰ সৰু আৰু সংকীৰ্ণ হৈ গৈছে। ঠিক বীৰবলৰ সাধুটোৰ দৰে। সেই যে আকবৰে ৰেখা এডাল আঁকি ৰেখাডাল স্পৰ্শ নকৰাকৈ চুটি কৰি দিবলৈ কৈছিল আৰু বীৰবলে ৰেখাডালৰ কাষতে আন এডাল দীঘল ৰেখা আঁকি দিছিল! আপোনা-আপুনি চুটি হৈ গৈছে প্ৰথমৰ ৰেখাডাল!

সেই সাধুৰ অভিপ্ৰেত সত্যটো কম-বেছি পৰিমাণে প্ৰযোজ্য হ'ব ধৰিছে মোৰ জীৱনতো। মই একে আছোঁ - আড়ম্বৰহীন, উদাস। কিছু পৰিমাণে জেদী, বিচ্ছিন্ন, বিষণ্ণ--। কিন্তু আড়ম্বৰ আহিছে আদিত্যৰ জীৱনলৈ। সেয়েহে এসময়ত তেওঁৰ ভাল লগা মোৰ আড়ম্বৰহীন-উদাস ব্যক্তিত্ব অপৰিৱৰ্তিত হৈ থাকিলেও অতি সপ্ৰতিভ নন্দনাৰ সান্নিধ্যৰ উম পোৱা আদিত্যৰ বাবে সেয়া হৈ উঠিছে অসহ্যকৰ। গ্ৰাম্যতা।

বতাহত ধূলি উৰিছে। দূৰৰ পাহাৰখন ,াকি ধৰিছে ধূলিৰ একো একোটা উড়ন্ত জুমে! মোৰ ভাব হ'ল হয়তো ধূলিৰ পৰা বাচিব। বাবে তেওঁ ক'ৰবাত সোমাইছে।

ভিতৰলৈ সোমাই মই দুৱাৰখন বন্ধ কৰি দিলোঁ। খিৰিকি, ভেন্টিলেটৰবোৰো জপাই দিলোঁ। পৰিপাটিকৈ থোৱা ঘৰটোৰ প্ৰতিটো কোণকে আকৰ্ষণীয় কৰি তুলিবলৈ মই যত্নৰ ত্ৰুটি কৰা নাই।

হিন্দী গানৰ কলি এটা সুহুৰিয়াই হাতেৰে গাড়ীৰ চাবি পকাই ওলাই আহিছিল আদিত্য। ক'লা টি ছাৰ্ট আৰু বগা জিন্‌ছেৰে ভীষণ সুন্দৰ দেখাইছে তেওঁক।

'কাম আছে। অলপ ওলাই যাম। আহোঁতে দেৰি হ'ব।' মোলৈ নোচোৱাকৈ আদিত্যই ওলাই যাওঁতে কৈ গ'ল।

মই জানো, তেওঁ এতিয়া নন্দনাৰ ফ্লেটলৈ যাব। উভতি আহিব মাজনিশা। আনদিনাৰ দৰে আদিত্যৰ এই প্ৰাত্যহিকতাই মোক আজি বেদনাহত নকৰিলে।

বৰঞ্চ মই উদ্‌গ্ৰীৱ হৈ থাকিলোঁ ফোন বজাৰ শব্দ শুনিবলৈ। অহাত পলম হ'লে নিশ্চয় মোক ফোন কৰি জনাব তেওঁ। সচাঁকৈয়ে খন্তেক পিছতো ফোনটো বাজি উঠিল। মই প্ৰায় দৌৰি গৈ ৰিচিভাৰটো তুলি ল'লোঁ।

'হেল্লো— হেল্লো — কিমান দেৰি হ'ব আৰু? মই বাট চাই আছোঁ।' অধৈৰ্য হৈ উঠিল নেকি মোৰ কণ্ঠ!

'হেল্লো, হেল্লো— মই কৈছোঁ মানু—'

আস! কাৰ মাত এয়া! তেওঁৰনে সঁচাকৈয়ে!

'মানু, মায়ে কৈছোঁ। ধৰিব পৰা নাই? কি হৈছে তোৰ? মাতটো অদ্ভুত লাগিছে।'

আস! কিমান দিনৰ মৰু ভ্ৰমণৰ পিছত যেন এজাক বৰষুণৰ স্পৰ্শ পাইছোঁ মই! কি অদ্ভুত মমতাময় মাৰ কণ্ঠ! যেন টিনপাতৰ ঘৰত বৰষুণৰ শব্দই এটি নিচুকনি গীতৰ সৃষ্টি কৰিছে আৰু নিবিড় শান্তিত মোৰ চকুৰ পতা জাপ খাই আহিব ধৰিছে ...

'ভালে আছনে মানু? বহুদিন তোৰ খবৰ ল'ব পৰা নাই। ফোনৰ লাইন বেয়া আছিল। আদি কেনে আছে?'

'ভালে আছোঁ আমি মা।'

'মোৰ তোলৈ বৰ চিন্তা হয় মানু। নিজৰ যত্ন ভালদৰে ল'বি। আদিক কথাবোৰ মৰমেৰে বুজাবি। খং-কাজিয়া কৰি মতা মানুহক বশ কৰিব পৰা নাযায়।'

'নাই মা। কথাবোৰ ঠিক হৈ আহিছে। আমি ভালে আছোঁ। তুমি নিজৰ যত্ন ল'বা।...'

অ', আৰু এটা কথা – এম ই স্কুলত পঢ়ি থাকোঁতে তুমি যে এবাৰ মোৰ কলম এটা মাইনাই চুৰ কৰা বুলি কওঁতে মিছা কথা কোৱা বুলি মোক বৰকৈ পিটিছিলা, মনত আছেনে মা, – মাইনা যে – বৰুৱা হেডছাৰৰ ছোৱালী, তুমি তেতিয়া আমাক ইংৰাজী পঢ়ুৱাইছিলা – মা, মই মিছা কথা কোৱা নাছিলোঁ। সঁচাকৈ তাই মোৰ কলমটো চুৰ কৰিছিল। ... সদায় মোৰ প্ৰিয় বস্তুবোৰ আনে কিয় চুৰ কৰি লৈ যায় মা?'

'মানু, মানু... কি বকিছ এইবোৰ... ক'ৰ কলম, কেতিয়াৰ কথা– হে হৰি...'

মাৰ মাতটো আকুল কান্দোন এটাৰ দৰে হৈ আহিল। কিন্তু, আজিৰ এই সময়খিনিত বিষাদ-গধূৰ পৰিৱেশ এটা সৃষ্টি কৰাৰ মোৰ অলপো মন নাই। মাৰ সৈতে কথা পতাৰ ইচ্ছা থকা সত্বেও মই ৰিচিভাৰটো থৈ দিলোঁ।

খিৰিকী খুলি বাহিৰলৈ ভুমুকিয়াই চালোঁ। ধূলিৰ ধুমুহাৰ বেগ কিছু কমিছে। অৱশ্যে সকলোতে এটা স্পষ্ট ধূলিয়ৰি ভাব। কিন্তু, তেওঁ এতিয়া আহিব পাৰিব।

ড্ৰয়িংৰুমৰ একাষত ৰঙা জবা ফুল আৰু নাৰিকল পাতৰ এটা পুষ্পসজ্জা আছিল। হাতেৰে মোহাৰি চাই দেখিলোঁ ধূলিৰ একেবাৰে মিহি তৰপ এটাই ফুলৰ পাহি আৰু নাৰিকল পাতবোৰ ঢাকি ধৰিছে। ফুল-পাতবোৰ ভিজা কাপোৰ এখনেৰে খুব আলফুলকৈ পৰিষ্কাৰ কৰিলোঁ।

এনেতে কলিংবেলৰ শব্দ শুনা গ'ল। মোৰ বুকুৰ ভিতৰত যেন একেলগে কেইবাটাও মন্দিৰৰ ঘণ্টা বাজি উঠিল। অৱশেষত তেওঁ আহি পালে। ঠিক এই মুহূৰ্তৰ পৰা নিশ্চল কথা কোৱা মৰা শ হোৱাৰ প্ৰক্ৰিয়া অভিমুখি মোৰ জীৱন সলনি হোৱাৰ কথা।

দুৱাৰ খুলি মই হতভম্ব হ'লোঁ। দ্বিতীয় মহলাৰ তিনি নম্বৰ ফ্লেটত থকা অৰুণা বাইদেউ।

সোমায়ে আৰম্ভ কৰিলে মানুহজনীয়ে—

'ইচ ইচ। কি চেহেৰা কৰিছা মানসী। ইমানকৈ খীনাইনে মানুহ।'

'.................'

'আদিত্যই বোলে ডিভোৰ্চ বিচাৰিছে, নিদিবা নিদিবা। কি বুলি ভাবে এই মতা মানুহবোৰে আমাক। একেলগে কাম কৰা সেই লংপেণ্ট পিন্ধা পাখৰীজনীক আনিব হ'ব পায়!'

মোৰ কাণত একো সোমোৱা নাই। মই 'তেওঁ'ৰ কথা ভাবিছোঁ। কিয়া ইমান পলম কৰিছে তেওঁ। এই যে সন্ধ্যা লাগি ভাগো ভাগো–।

অৰুণা চৌধুৰী নামৰ মস্ত শকত শ্লিভলেছ ব্লাউজ পিন্ধা মানুহজনী ছোফা এখনত আৰামকৈ বহি ল'লে। মোক কাষতে বহিবলৈ ইংগিত দি মন্ত্ৰণা দিয়াৰ ভংগীত ক'লে - 'মই তাবিজ দিয়া মানুহ এজনক জানো। দাদাৰা যে অৰুণা অৰুণা বুলি মোৰ পাছে পাছে ঘূৰি ফুৰে এনেয়ে বুলি ভাবিছা নেকি? তাবিজৰ কামাল বুজিছা - তাবিজ –। হাতীগাঁৱৰ...'

এইবাৰ মোৰ খং উঠিল। সম্ভাৱনাময় অপেক্ষাৰ এই সময়খিনিত মই নিজকে উবুৰিয়াই দিবলৈ বিচাৰিছিলোঁ। খুব পৰিছন্ন হৃদয়-মনেৰে 'তেওঁ'ৰ মুখামুখি হোৱা ইচ্ছা আছিল মোৰ।

কিন্তু, অৰুণা চৌধুৰীৰ মোক লৈ হোৱা চিন্তাৰ যেন অন্তই পৰিব নোখোজে।

'তুমি হ'ল বুলিয়েই ইমান ভাল চাকৰিটো এৰি দিবা নালাগিছিল। চোৱাচোন – এতিয়া এই মস্ত ফ্লেটটোৰ পৰা ওলাই গৈ তুমি বিধৱা মাৰাৰ দুকোঠলীয়া ঘৰটোত সোমাব লাগিব। কি যে কৰিবা...”

'বাইদেউ, এতিয়া মোৰ এজন বিশেষ আলহী অহাৰ কথা আছে। আপুনি যাব নেকি – ' বৰ তীক্ষ্ণ অথচ নম্ৰ স্বৰেৰে মই ক'লোঁ।

'আলহী? তোমাৰ দেখোন কোনো বন্ধু-বান্ধৱী নাই। মাৰাৰ বাদে পৰিয়ালৰ আন মানুহো কেতিয়াও অহা নাই। কোন আলহীনো?'

কঠোৰ সুৰেৰে কিবা এটা ক'বলৈ ধৰি মই থোতা-মোজা খালোঁ। এই যে, 'তেওঁ'ৰ বাবে মোৰ আকুল অপেক্ষা- যি এক প্ৰতিশ্ৰুতি, এটি উৎসৱ হৈ আহিব লাগিছে– কোন তেওঁ? মই মনত পেলাব পৰা নাই।

কিন্তু, মোৰ ভাব হ'ল, লোকৰ কথাত মূৰ সুমুৱাই ফুৰা অৰুণা বাইদেৱে নিশ্চিতভাৱে এই অপেক্ষাৰ আনন্দখিনি ধূলিস্যাৎ কৰি পেলাব। আজি সন্ধ্যাৰ যি বিশেষ অতিথি 'তেওঁ'ৰ সৈতে হ'বলগীয়া মোৰ নিবিড় আৰু বহু অপেক্ষাৰ শেষৰ আলাপ – সেয়া নিশ্চিতভাৱে বিঘ্নিত কৰি পেলাব এই মানুহজনীয়ে।

এটা মুহূৰ্তত মই হাতেৰে ডাঙৰ ফুলদানি এটা দাঙি লৈ অৰুণা বাইদেউৰ মূৰত আঘাত কৰিলোঁ। সম্ভৱতঃ তেওঁৰ বাবে এই আঘাতটোতকৈও ডাঙৰ আছিল আশ্চৰ্যৰ আঘাত। দুচকু বিস্ফোৰিত কৰি মানুহজনী ছোফাতে কাটি হৈ পৰিল আৰু চেতনা হেৰুৱালে।

এইবাৰ মই সন্তুষ্ট হ'লোঁ। 'তেওঁ' আহি মোৰ ড্ৰয়িংৰুমত চেতনাহীন মানুহ এজনী দেখিলে কি বুলি ভাবিব? অৰুণা বাইদেউৰ মূৰৰ ক্ষত স্থানৰ পৰা তেজৰ এটা সোঁত বৈ আহিছিল। ছোফাৰ কুশ্যনত যাতে তেজ নপৰে তাৰ বাবে মই তেওঁৰ মূৰটো মজিয়াৰ ফালে হাউলাই দিলোঁ। বগা মাৰ্বলৰ মজিয়াত তেজৰ ধাৰটোৱে অদ্ভুত নক্সা এটাৰ সৃষ্টি কৰিছিল। নক্সাটোৰ ফালে চাই মই কৰ্তব্য স্থিৰ কৰি পেলালোঁ –।

খুব কষ্ট কৰি অৰুণা বাইদেউক মই ছোফাৰ পৰা মাটিলৈ নমালোঁ। যদিও মই তেওঁক বেডৰুমলৈ টানি নি বিছনাৰ তলত লুকুৱাব বিচাৰিছিলোঁ সেয়া সম্ভৱ হৈ নুঠিল। ভীষণ শকত মানুহজনীক টনাটো বৰ কঠিন কাম আছিল। অৱশেষত ড্ৰয়িংৰুমৰ একোণলৈ মানুহজনীক টানি নিবলৈ মই সক্ষম হ'লোঁ। ছোফা আৰু ডিভানখন টনা-টনি কৰি এনে এক অৱস্থানলৈ আনিলোঁ য'ৰ পৰা মানুহজনীৰ শৰীৰটো বহু পৰিমাণে ঢাক খাই যায়। এইবাৰ বেলকনিৰ পৰা দুটা ফুলৰ টাব আনি সম্পূৰ্ণৰূপে অৰুণা বাইদেউৰ চেতনাহীন দেহটো লুকুৱাই পেলালোঁ। এতিয়া ড্ৰয়িংৰুমৰ এখন দেৱালত গা লগাই ছোফাৰ আঁৰত যে মানুহ এজনী পৰি আছে সেয়া কোনোমতেই কোঠাটোত সোমাই ধৰিব পৰা নাযায়।

মাৰ্বলৰ মজিয়াত পৰি ৰোৱা তেজৰ ধাৰটো ধুই পৰিষ্কাৰ কৰি মই পুনৰ এজনী নিৰ্জু

প্ৰকৃতিৰ মানুহ হৈ পৰিলোঁ।

এইবাৰ বেলকনিলৈ ওলাই আহি দেখিলোঁ — ষ্ট্ৰিট লাইট জ্বলি উঠিছে। ভিৰ জমিছে দোকান-পোহাৰত।

'তেওঁ' এতিয়াও নাহিল। যদিহে তেওঁ নাহে! আস! কি এক ভয়ংকৰ সম্ভাৱনা!

হঠাতে অৰুণা বাইদেউৰ প্ৰশ্নটো মোৰ মনলৈ আহিল— কোন তেওঁ? মই সজাগ হৈ ভাবিবলৈ আৰম্ভ কৰিলোঁ মোৰ ব্যাকুল প্ৰতীক্ষাৰ নায়কজনৰ কথা। কোন তেওঁ -- ক'ৰপৰা আহিব? একো মোৰ মনলৈ নাহিল।

'তেওঁ' বাৰু মোৰ দেউতা নেকি — যাৰ পোন, বলিষ্ঠ আঙুলিত ধৰি মই প্ৰথম খোজ কাঢ়িবলৈ শিকিছিলোঁ? যাৰ স্নেহ আৰু মমতাৰ অভেদ্য দুৰ্গৰ মই সুখী ৰাজকুমাৰী আছিলোঁ এদিন —? কিন্তু, তেওঁতো মৃত।

নে বাস্তৱ ছাৰ — যাৰ ওচৰত সততা আৰু নৈতিকতাৰ আদি পাঠ আওৰাইছিলোঁ, দেউতাৰ মৃত্যুৰ পিছত আকাশৰ অনুজ্জ্বল তৰা এটালৈ আঙুলিয়াই যি মোক আশাবাদে জীৱনক ধুনীয়া কৰাৰ কথা কৈছিল —

নে তেওঁ তাহানিৰ আদিত্য — মোৰ সকলো শূন্যতাক আবৰি ৰখাৰ প্ৰতিশ্ৰুতি দিয়া মোৰ প্ৰথম আৰু শেষ প্ৰেমিক, যাৰ চকুত চকু থৈ স্বপ্নৰ চৈ দিয়া নাৱত উঠি মই গুচি যোৱাৰ কথা আছিল এখন ধুনীয়া দেশলৈ —

নে 'তেওঁ' আন কোনোবা— চিনাকি-অচিনাকি —।

এসময়ত দোকান-পোহাৰবোৰ বন্ধ হৈ গ'ল। গাড়ী-মটৰৰ আহ-যাহ, মানুহৰ অহা-যোৱা সেৰেঙা হৈ পৰিল। ষ্ট্ৰিট লাইটৰ ৰহস্যময় পোহৰত নিশ্চল হৈ পৰি থাকিল পকী পথটো —।

ঠিক এনে সময়তে বহুবাৰ এই বেলকনিত থিয় হৈ মই তৰা নোহোৱা ধূসৰ আকাশখনৰ সৈতে আত্মীয়তা গঢ়াৰ চেষ্টা কৰিছোঁ অথবা তললৈ জঁপিয়াই দিয়াৰ কথা ভাবিছোঁ। ... ভাবিছোঁ আৰু নিজকে সংকুচিত কৰি আনিছোঁ।

আজিৰ কথা বেলেগ। ক্ৰমশঃ আন্ধাৰবোৰ গাঢ় হৈ আহিব। পথ হৈ পৰিব জনশূন্য। হয়তো এসময়ত আন্ধাৰো গলি যাব ...সোণালী হৈ উঠিল পুবাকাশ।

নিশ্চিতভাৱে ইয়াতে ৰৈ অপেক্ষা কৰিম 'তেওঁ'ৰ বাবে। নাহিবনে তেওঁ? আহিব। সম্ভৱতঃ ...।

ঈষৎ হালধীয়া আৰু সেউজ ৰঙৰ সংমিশ্ৰণত খুব স্নিগ্ধ আৰু কোমল যেন লগা গোলাপ জোপাৰ কুমলীয়া পাত এটাৰ আগত এই সৰো, এই সৰোকৈ এটোপাল বৰষুণৰ পানী ৰৈ আছে। অলপ আগতে সন্মুখৰ ফুলনিখন তচনচ কৰি যোৱা বতাহ-বৰষুণজাকৰ স্বাক্ষৰ বহনকাৰী সৰু টোপালটো গোলাপৰ কুমলীয়া পাতটো সামান্য কঁপাই তললৈ সৰি পৰিল। তাৰ সন্মুখত থকা সৰু ফুলনিখন, তাৰ সিপাৰৰ দুমহলীয়া ঘৰটো, বাওঁফালে থকা মদাৰ দুজোপা আৰু ধোঁৱাবৰণীয়া আকাশ— সকলোকে সাবটি ল'লে এক সৰ্বগ্ৰাসী নিস্তব্ধতাই।

প্ৰয়াগে বুকুত হাত দি চালে। নাই। ঢুক্ ঢুক্ শব্দটোত জীৱন জীৱন লগা কোনো স্পন্দন নাই। হেঁপাহ নাই। সি লাহেকৈ বহাৰ পৰা উঠি আহিল।

বৰষুণত ভিজি থকা তাৰ সন্মুখৰ কেঁচা ৰাস্তাটোৰপৰা খুব চিনাকি অথচ স্মৃতি হ'ব খোজা গোন্ধ এটা বতাহত ওপঙি আহিছে। বৰষুণ আৰু মাটিৰ মিশ্ৰিত গোন্ধ। ভিজা মাটিখিনিত লিপিট খাই পৰি গোন্ধটো বুকুলৈকে উজাই ল'বলৈ তাৰ মন গ'ল। তৈলচিত্ৰ এখনত খুব জীৱন্ত কৰি গোন্ধটো আঁকিব লাগিব— সি ভাবিলে।

লাহে লাহে সন্ধ্যাই এন্ধাৰৰঙী আঁচল মেলি সন্মুখৰ গছ-বনবোৰ, পাহাৰীয়া পথটো, আকাশখন আৱৰি ধৰিলে। সন্ধ্যাৰ সেই নিস্তব্ধ পৃথিৱীখনৰ প্ৰতি অদ্ভুত মোহ এটা বুকুত লৈ প্ৰয়াগ লাহে লাহে খোজ কাঢ়ি সন্মুখলৈ গৈ থাকিল। তাৰ লগে লগে গৈ থাকিল ভিজা মাটিৰ সেই আপোন আপোন কৰুণ গোন্ধটো।

শীতত ঠেৰেঙা দি গ্ৰীষ্মৰ বাবে অপেক্ষা কৰা মানুহৰ বাবেও শীতৰ ঋতুৰ অন্তিম দিনকেইটা খুব মোহনীয় হৈ পৰে। ঠিক সেইদৰে গ্ৰীষ্ম যাবৰ পৰত মোহনীয় হৈ পৰে বৰগছৰ তলত জুৰ লৈ মৰা মেলবোৰ, ৰৌদ্ৰ-প্ৰখৰ দুপৰৰ পাছত সন্ধ্যাৰ শৰীৰ শাঁত পেলোৱা বতাহছাটি। ঠিক সেইদৰে যিবোৰ বস্তু প্ৰয়াগৰ বাবে অলপ দিনৰ আগতে কেৱল ছবিৰ উপজীব্য হৈ পৰিছিল, যিবোৰ কথা হৈ পৰিছিল নিৰ্লিপ্তিৰ নামান্তৰ— এতিয়া সেইবোৰেই অনন্য সৌন্দৰ্যৰ

## সান্ধিক্ষণ

আকৰ হৈ পৰিছে। এসময়ৰ অৰ্থহীন, অতিক্ৰম কৰিব নোৱাৰা সময়বোৰ এতিয়া হৈ পৰিছে গভীৰ অৰ্থৱহ। জীৱনৰ দীপ্তিৰে উজ্জ্বল।

পানীৰঙৰ ছবি এখন আঁকিবলৈ লৈ প্ৰয়াগ থমকি ৰয়। স্বচ্ছ পানীৰ দৰে স্বচ্ছ আছিল অদিতিৰ দুচকু। তাৰ 'বিধ্বস্ত প্ৰকৃতি', 'নিঃসংগতা', 'অপেক্ষা', 'ৰোদন' আৰু 'শস্যৱতী' শিৰোনামাৰ ছবিকেইখনৰ ওপৰত থমকি ৰৈ ৰৈ তাৰ চকুত স্থিৰ হৈ গৈছিল সেই দুচকুৰ স্বচ্ছতা। তাৰ পাছত এদিন সি সেই দুচকুত অলপ অস্থিৰতা দেখিছিল। তাৰ পাছত দেখিছিল এক অনুচ্চাৰিত আকুতি। ৰিঙা ৰিঙা লগা এপ্ৰিল মাহৰ দুপৰীয়া এটাত তাৰ কণমানি, জধলা ষ্টুডিঅ'টো অদিতিয়ে থান-থিত লগাই দিছিল। স্নেহ আৰু কৃতজ্ঞতাত টলমল কৰি থকা তাৰ চকু দুটাত ওঁঠ লগাই আঁতৰি যাব খোজা অদিতিক বুকুৰ মাজলৈ টানি আনি সুধিছিল সি— 'মই নোকোৱাকৈয়ে মোৰ মনৰ কথাবোৰ কেনেদৰে তুমি বুজি পাই যোৱা অদিতি?' লাহে লাহে সি বুজি উঠিছিল সেই স্বচ্ছ দুচকুৰ ছোৱালীজনীৰ মমতাৰ ছাঁত কেনেদৰে সি ঠন ধৰি উঠিছে! তাৰ বুকুৰ কিমান গভীৰত প্ৰোথিত হৈছে তাইৰ ভালপোৱা, তাইৰ ব্যাকুলতাখিনিৰ শিপা।

প্ৰয়াগৰ কষ্ট হয়। খুব কষ্ট হয়। অদিতি গুচি যোৱাৰ পাছতো কিয় বাৰু সি তাৰ কলিজাৰপৰা 'অদিতি' নামৰ ব্যাকুলতাৰ শিপাডাল উভালি পেলাব পৰা নাই!

কামাখ্যা গে'টৰ কেঁচা মাটিৰ গোন্ধ বিলোৱা পাহাৰীয়া ৰাস্তাটোৰে বহুত দিনৰ মূৰত প্ৰয়াগ নগৰখনলৈ নামি আহিল। পাণবজাৰৰ বিয়লিৰ আড্ডা জমাই থকা নৱ, ৰাতুল, গুঞ্জনহঁত প্ৰয়াগক দেখি আনন্দত জঁপিয়াই উঠিল।

'কিহে শিল্পীবৰ— হুছেইন (মকবুল ফিদা হুছেইন) হোৱাৰ আখৰা চলিছেনে কি? ইমানদিন অন্তৰ্ধান হৈ থাকিল যে!' নৱই বহি থকা চকীখন প্ৰয়াগক এৰি দিলে।

'নে বিৰহ বেদনাত ক্লান্ত হৈ...'

গুঞ্জনৰ টেলেকা চকুলৈ চাই আৰম্ভ কৰা বাক্যটো আধাতে এৰি স্বৰূপে ঘেঁহাবলৈ ধৰিলে।

প্ৰয়াগৰ ভাল লাগিছে। অসময়ত অসংলগ্ন কথা কৈ সকলোকে বিৰক্ত কৰা স্বৰূপৰ মাতলামিখিনি, আগতে প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰা তাক লৈ হোৱা ৰাতুলহঁতৰ ব্যস্ততাখিনি তাৰ খুব ভাল লাগিছে।

'তুমি বৰকৈ ক্ষীণাইছা। পৰিশ্ৰম বেছি হৈছে যেন পাইছো। খোৱা-বোৱা ভালদৰে কৰিবা।' প্ৰয়াগৰ মুখলৈ চাই অন্যমনস্কভাৱে ৰাতুলে ক'লে।

তাৰ পাছত পাণবজাৰৰ নৈমিত্তিক আড্ডাত সিহঁত হেৰাই গ'ল।

আৰু... আড্ডাৰ বিষয় ইৰাক, বিশ্বকাপ, পাক-ভাৰত সমস্যাৰ পৰা ঘূৰি ঘূৰি নবীন কবিৰ কবিতাত আৱৰ্তিত হ'বলৈ ধৰোঁতেই পাণবজাৰৰ অলি-গলিবোৰত ঘূৰি ফুৰা বাঁহী বাদকজনৰ বাঁহীৰ সুৰ ভাঁহি আহিল। প্ৰথমে এটি সৰু জুৰিৰ দৰে, তাৰ পাছত এখন গভীৰ কৰুণ প্ৰশস্ত নদীৰ আবেগেৰে সুৰটো তাৰ হৃদয় বিদীৰ্ণ কৰি ব'বলৈ ধৰিলে।... কিয় ভাল লাগে এই আকাশ, পৃথিৱী, বতাহ—। চৰাইৰ কাকলি, ঋতুবোৰ, বন্ধুৰ আড্ডা, ব্ৰাকীৰ দোকানৰ মালিকৰ তলব, মদ খাই হুলস্থূল কৰাৰ পাছত ভাৰাঘৰৰ মালিকৰ সকীয়নি— এই সকলোৰে ভাঁজে ভাঁজে থূপ খাই থাকে জীৱনৰ প্ৰতি এৰিব নোৱাৰা মায়া। বাঁহীৰ মাত শুনিলে কিয় পৃথিৱীৰ

প্ৰতি মোহ জাগে, মৰিবলৈ মন নাযায়।

অথচ কিমান কাতৰতাৰে সি মৃত্যু কামনা কৰিছিল কেইটামান মাত্ৰ দিনৰ আগতে! শিলিগুৰিৰ পৰা অহা ট্ৰেইনৰ তলৰ চিট এটাত শুই শুই তৰাভৰা আকাশ চাই সি বহুবাৰ চলন্ত ট্ৰেইনখনৰ পৰা জঁপিয়াই দিয়াৰ কথা ভাবিছিল। অদিতিবিহীন জীৱন এটাৰ কথা কল্পনা কৰিব পৰা যায় জানো! সেই ৰাতি সি অদিতিৰ নতুন ৰূপ প্ৰত্যক্ষ কৰি উভতি আহিছিল। অদিতিয়ে ভালপোৱা অস্তাচলত ডুবিব ধৰা বেলিটোৰ দৰেই গোল, উজ্জ্বল ৰঙা সেন্দূৰৰ ফোঁট এটা অদিতিৰ সৰু কপালখনত জিলিকি আছিল। তাইৰ পোন সেওঁতা ডুবাই ৰখা সেন্দূৰখিনিয়ে ছুৰীৰ ধাৰ যেন হৈ তাৰ বুকুত ৰেপিছিল। আগতে কাণ, হাত, ডিঙি ক'তো অলংকাৰৰ পয়োভৰ নথকা কৃশ ছোৱালীজনী অলংকাৰৰ ভৰত সামান্য হাউলি পৰিছিল। ৰঙা পাটৰ কাপোৰ সাজেৰে অদিতিক তাৰ বলি দিবলৈ নিয়া ছাগলী এটাৰ দৰে লাগিছিল। হয়। ঠিক তেনে এক অসহায়তাৰ চামনিয়েই আৱৰি ৰাখিছিল শাহুৱেক আৰু নন্দেকৰ লগত বিবাহ অনুষ্ঠানত এটাত উপস্থিত থকা তাৰ চিনাকি ছোৱালীজনীক।

সি একো নুসুধিলে অদিতিক। দিল্লীত কৰ্মশালা এখনত যোগদান কৰি মুম্বাই আৰু ত্ৰিবান্দ্ৰমত প্ৰদৰ্শনী দুখন অনুষ্ঠিত কৰি গুৱাহাটীলৈ উভতি আহোতে প্ৰয়াগৰ মাত্ৰ চাৰিমাহ সময় লাগিছিল। এই চাৰিটা মাহৰ ভিতৰতে কেনেকুৱা প্ৰচণ্ড অসহায়তাই অদিতিক তাৰ অস্তিত্ববিহীন পথ এটাৰে গতি কৰিবলৈ বাধ্য কৰালে তাৰ সোধা নহ'ল। তাইৰ স্বামীৰ কৰ্মস্থল শিলিগুৰিলৈ সেই উদ্দেশ্যৰেই যোৱা প্ৰয়াগে অদিতিক আঁতৰৰ পৰা হেঁপাহ পলুৱাই চাই তাইৰ সন্মুখত নোলোৱাকৈয়ে উভতি আহিল। ওৰে বাটটো ট্ৰেইনৰ খিৰিকীৰে আকাশৰ তৰা চাই চাই সি কান্দিছিল। বহুদিনলৈকে নিজকে পৃথিৱীৰ নিঃসংগতম ব্যক্তি বুলি অনুভৱ কৰিছিল সি। বৰ মৰ্মান্তিক, অসহ্যকৰ আছিল সেই উপলব্ধি। কিমান কাতৰভাৱে সি মৃত্যু কামনা কৰিছিল তেতিয়া। অথচ এতিয়া...!

ন বজাত পাণবজাৰৰ আড্ডা ভাগিল। ৰাতুলে স্কুটাৰেৰে তাক তাৰ ঘৰলৈ যোৱা ৰাস্তাটোৰ সন্মুখত নমাই দিলে।

নীলাচল পাহাৰৰ গাত লাইটৰ ভিন্নৰঙী উজ্জ্বলতা ছেগা-চোৰোকাকৈ এচাৰ খাই পৰিছে। কৃত্ৰিম পোহৰৰ এই বিন্যাস প্ৰয়াগৰ ভাল লাগিছে। পাহাৰৰ গাত ঠেকা খাই অহা বতাহখিনিয়ে বনৰীয়া ফুলৰ গোন্ধ অলপ কঢ়িয়াই আনিছে। বনৰীয়া ফুলৰ গোন্ধত ইমান মাদকতা থকাৰ কথা সি আগতে নাজানিছিল। কোঠাত সোমাই সি আধা আঁকা ছবিখনলৈ চালে। কুঁৱলীত বগা আঁচল হেৰাই যাব ধৰা এটা অস্পষ্ট অবয়ৱ। 'এৰে এণ্ড এৰে' শিৰোনামাৰ এই ছবিখনৰ বাবে সি দুহেজাৰ এটা এডভাঞ্চ লৈ থৈছে। 'আৰু মাত্ৰ তিনিমাহ', সি মুখৰ ভিতৰতে আওৱালে আৰু কামত লাগিল।

নিশা তিনি বজাত ছবিখন সম্পূৰ্ণ হ'ল। সি তাৰ বাল্যবন্ধু তথা বৰ্তমান কেন্সাৰ ইনষ্টিটিউটৰ ডাক্তৰ হিমানে দিয়া দৰবকেইটা খালে আৰু বিছনাত পৰিল। পুৱতি নিশাৰ চিলমিল টোপনিৰ মাজতো তাৰ বুকুৰেদি গভীৰ নদী এখনৰ শান্ত আবেগেৰে পাণবজাৰত শুনা বাঁহীৰ সুৰটো বৈ থাকিল।

...এতিয়া নিশ্চিত মৃত্যুৰ বাবে অপেক্ষা কৰি কৰি পৃথিৱীৰ প্ৰেমত পৰা লিউকেমিয়া

ৰোগী প্ৰয়াগ ইয়াৰ আগতে আৰু এবাৰ খুব গভীৰভাৱে পৃথিৱী আৰু জীৱনৰ প্ৰেমত পৰিছিল। অদিতি কাষত আছিল তেতিয়া। তাই তাৰ ওচৰলৈ অহাৰ পৰা আঁতৰি যোৱালৈকে আকাশখন বেছি নীলা দেখিছিল প্ৰয়াগে। উদং পথাৰ আৰু লাউমূৰা পাহাৰবোৰেও তাক সোঁৱৰাব পাৰিছিল জীৱনৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ কথা। নতুন ৰং-ৰূপেৰে জীপ লৈ উঠিছিল প্ৰকৃতি। তাৰ ছবিত সেউজীয়া ৰঙৰ পয়োভৰ বাঢ়িছিল। বলিষ্ঠ আৰু আশাদীপ্ত হৈ পৰিছিল ছবিৰ ৰেখাবোৰ।

জীৱন আৰু পৃথিৱী উকা কৰি অদিতি আঁতৰি গ'ল। সি বিচৰাৰ দৰেই অনিৰ্বাণ মৃত্যুৰ সেই নিৰ্মম সত্য সি হিমানৰ কণ্ঠৰপৰা নিঃসৃত হোৱা শুনিলে। কিন্তু অদিতিৰ লগে লগে অন্তৰ্হিত হোৱা জীৱন-তৃষা মৃত্যুৰ নিশ্চিতিয়ে অতি গভীৰভাৱে তাৰ হৃদয়ত জগাই তুলিলে। জীৱনক পৃথিৱীৰ লগত সাঙুৰি থোৱা জৰীডাল কিমান দৃঢ় মৃত্যুৰ দুৱাৰডলিত ৰৈ থাকোঁতে সি বুজি উঠিল।

দুটা দিন ৰং আৰু তুলিকাৰ লগত প্ৰয়াগ ব্যস্ত হৈ থাকিল। মৃত্যুৰ আগেয়ে জীৱনৰ এই মোহ সি অংকন কৰি যাব লাগিব। জীৱনৰ বাকী থকা দিনকেইটা অধিক কষ্টকৰ কৰি তুলিব পাৰে বুলি জনাৰ পাছতো সি নিচা নোহোৱালৈকে মদ খালে। শৰীৰ মনৰ স্বাভাৱিক অৱস্থাত অস্বাভাৱিক সুন্দৰ জীৱন্ত ছবি এখন অংকন কৰিব পৰা নাযায়।

তাৰ সন্মুখৰ কেনভাছত তাৰ স্বসৃষ্ট ৰেখাবোৰে বাৰে বাৰে নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। বুকুৰ পৰা জীৱন জীৱন এক অৰণ্যৰোদন হাতৰ আঙুলি গৰকি তুলিকাৰে কেনভাছলৈ নামি আহে। তাৰ পাছত ৰেখাবোৰ সময়ৰ দৰে অবিশ্বাসী হয়— যি একান্ত নিজৰ হোৱাৰ পাছতো নিয়ন্ত্ৰণ হেৰুৱাই প্ৰতাৰণা কৰে। বাৰে বাৰে ব্যৰ্থ হোৱাৰ পাছতো জীৱনৰ অংশ এই অনিয়ন্ত্ৰিত সৃষ্টি, সৃষ্টিৰ পৰা উদ্ভুত যন্ত্ৰণা তাৰ ভাল লাগে। ভুলবোৰ, গতি আৰু স্থবিৰতাৰ সাফল্য আৰু নিষ্ফলতাৰ প্ৰেমত সি আকণ্ঠ ডুব যাব খোজে।

ক্ৰমান্বয়ে কেনভাছ ভৰি উঠে। প্ৰয়াগ চকিত হয়। কি আশ্চৰ্য সুন্দৰতাৰে তাৰেই সৃষ্টিয়ে তাক মোহিত কৰিছে। অথচ সি আশা কৰাৰ দৰে জীৱনৰ প্ৰতি থকা হাবিয়াস, পৃথিৱীৰ প্ৰতিটো বস্তুৰ লগত জড়িত হৈ থকা আবেগতো পৰিস্ফুট হৈ উঠা নাই ছবিখনত। চিন্তাক্লিষ্ট প্ৰয়াগে এসময়ত তাৰ হৃদয়, জীৱন আৰু ছবিখনৰ মাজত থকা সম্পৰ্ক বুজি উঠে। কেনেবাকৈ সি আশ্বস্ত হয়। সি ছবিখনৰ এটা শিৰোনামা দিয়ে আৰু দীৰ্ঘ দূৰত্ব অতিক্ৰম কৰাৰ দৰে এক গভীৰ অথচ মধুৰ ক্লান্তিত বিছনাত পৰি ৰয়। বিছনাৰ কাষৰ খিৰিকীখনৰ সিপাৰে থকা গোলাপজোপাৰ কোমল পাতবোৰত তেতিয়া পূৰ্বাচল বিদাৰি অহা ৰ'দালিয়ে চিকমিকাইছিল।

তৃতীয়দিনা আবেলি যথেষ্ট সুস্থ অনুভৱ কৰিলে প্ৰয়াগে। খিৰিকীখন খুলি অভ্যাসবশতঃ সি বাহিৰলৈ চাই আছিল। তাৰ চকুৰ সন্মুখত ৰ'দ জলমল আকাশখন মেঘময় হৈ পৰিল আৰু অলপ পাছতে হুৰহুৰাই বৰষুণ পৰিবলৈ ধৰিলে। দুহাত মেলি সি বৰষুণৰ শীতল, ক্ষণভংগুৰ শৰীৰ চুই চালে। বৰষুণৰ ৰেৱাজ শুনি শুনি অন্তিম দিনটোলৈকে তেনেদৰে নিৰুদ্বিগ্ন হৈ বহি থাকিবলৈ তাৰ মন গৈছিল। কিন্তু, অলপ সময়ৰ পাছতে বৰষুণজাক আঁতৰি গ'ল। ভিজা মাটিৰ ভাল লগা গোন্ধটো লৈ লৈ সি নামি আহিল। হিমানৰ ওচৰলৈ যাব লাগিব।

প্ৰয়াগক চেকআপ কৰাৰ পাছত হিমানৰ কপালৰ ৰেখাবোৰ থুপ খালে। তাক বৰ চিন্তিত যেন লাগিল। যিমান সোনকালে পাৰি প্ৰয়াগে হাস্পতালত চিট লোৱাৰ ওপৰত গুৰুত্ব দিলে হিমানে। ঘৰৰ মানুহ মতাৰ কথা ক'লে। মাহীমাকক লৈ কৰা দেউতাকৰ সংসাৰখনত অনাহূত অতিথি আছিল প্ৰয়াগ। শৈশৱ-কৈশোৰৰ অৱহেলা-প্ৰেমহীনতাই ৰুক্ষ কৰা তাৰ জীৱনত 'ঘৰ' নামৰ কোনো দুৰ্বলতাই পোৱাৰ নামত ঘৰ এৰাৰপৰা থিতাপি লোৱা নাই। তথাপি, দেউতাকৰ তেজাল, গম্ভীৰ অথচ কোমল যেন লগা মুখখনে প্ৰয়াগৰ বুকুৰ ভিতৰত সৰুকৈ কঁপনি তুলি গ'ল। দুজোপা এজাৰৰ সৈতে দীঘল পদূলি এটা, পুৰণি এল-পেটাৰ্ণৰ আটোমটোকাৰি ঘৰ এটালৈ তাৰ মনত পৰিল। হিমানক সোনকালেই হাস্পতালত চিট লোৱাৰ প্ৰতিশ্ৰুতি দি প্ৰয়াগ উভতি আহিল।

বৰষুণে পিছল কৰি থোৱা কেঁচা মাটিৰ সৰু ৰাস্তাটোৰেদি ওপৰলৈ উঠিবলৈ প্ৰয়াগৰ কষ্ট হ'ল। নিশা তেতিয়া ন মান বাজিছিল। মালিগাঁৱৰ ফালৰপৰা ৰে'লৰ উকি এটা ভাঁহি আহিল। শিলিগুৰিৰ পৰা অদিতিক চাই উভতি অহা ৰেলখনেও এনেদৰেই উকিয়াইছিল। তাৰ হৃদয় বিদীৰ্ণ কৰি কেনেদৰে পাৰ হৈ গৈছিল উকিটো! জাপ নোখোৱা চকুৰ পতাৰ ওপৰেৰে পাৰ হৈ যোৱা অনিদ্ৰাৰ ৰাতিটো উকিটোৰ লগে লগে কেনেদৰে চটফটাই উঠিছিল! ভীষণ কৰুণ যেন লগা এই ৰেপণিৰ দৰে উকিটো প্ৰয়াগৰ ভাল লাগিছে। কিয় ভাল লাগে— কিয় ভাল লাগে এই কৰুণ উকিবোৰ, পিছল পথটোত বৰষুণে এৰি যোৱা বোকাবোৰ কিয় বুকুত সানি ল'বলৈ মন যায়! নিশা ভগ্নস্তূপৰ দৰে স্থবিৰ হৈ থকা গছবোৰৰ ডালে-পাতে ওলমি থকা নিস্তব্ধতাখিনিয়ে অদিতিবিহীন জীৱনত মৃত্যুস্পৃহাৰ পৰিৱৰ্তে কিয় জগাই তোলে জীৱন-তৃষা! প্ৰয়াগৰ থৰক-বৰক খোজবোৰ আৰু মন্থৰ হয়। বুকুৰ পৰা ক্ষীণ উচুপনি এটা ছিটিকি আহি চৌপাশৰ থম থম নৈঃশব্দ্যত ৰিব্ ৰিব্‌কৈ বিয়পি পৰে।

এসময়ত সি তাৰ কণমানি ভাৰাঘৰটোৰ গেটত থিয় হ'ল। এন্ধাৰ বাৰাণ্ডাৰ চিৰিৰ পৰা এটা ছায়ামূৰ্তি উঠি আহি তাৰ কাষত ৰ'লহি। ৰাতুল। 'তোমাৰ বাবে এঘণ্টা বহি আছো। অদিতিয়ে মোৰ ঠিকনাত তোমালৈ চিঠি এখন পঠাইছিল। জৰুৰী।' ৰাতুলে তালৈ চিঠি এখন আগবঢ়াই দিলে। 'যাওঁ'।' সি যাবলৈ গেট খুলিলেই।

'নাথাকা?'

'নাই। মেডিকেলত খুড়ী এজনী আছে। তালৈ যাব লাগিব। স্কুটাৰ তলতে ৰখাই থৈ আহিছো।' ৰাতুল গুচি গ'ল। প্ৰয়াগৰ বুকুৰ ভিতৰত জোৱাৰ উঠিছিল। কি লিখিব পাৰে অদিতিয়ে? ফুলৰ পাহি সৰিলেও দুখ পাব যেন লগা ছোৱালীজনীয়ে তাৰ বুকুৰ সমস্ত সেউজীয়া খহাই থৈ যোৱাৰ পাছত পুনৰ কি লিখিব পাৰে তালৈ? ষ্টুডিঅ' কৰি লোৱা কোঠাটোৰ উজ্জ্বল বগা পোহৰত প্ৰয়াগে অদিতিৰ ৰাবীন্দ্ৰিক হাতৰ আখৰৰ চিঠিখন পঢ়িলে। বুকুৰ আবেগৰ ঢৌবোৰ সহ্য কৰিবলৈ তাৰ কষ্ট হৈছিল। চিঠিখন পঢ়ি উঠি থৰক-বৰক খোজেৰে প্ৰয়াগ তাৰ সদ্যসমাপ্ত ছবিখনৰ সন্মুখত থিয় হ'ল। যিখন ছবি আঁকোতে তাৰ পৰিকল্পনাক ভ্ৰূকুটি কৰি ৰেখাবোৰে নিয়ন্ত্ৰণ হেৰুৱাইছিল সেই ছবিখনকে এতিয়া সি হৃদয়ৰ সমস্ত আকুলতাৰে আঁকোৱালি ল'বলৈ বিচাৰিলে। ছবিখনৰ সন্মুখত বৈ তাৰ পৰাই নিঃসৃত কোমলতাত সি গলিবলৈ ধৰিলে। ফ্ৰেমৰ মাজত আবদ্ধ হৈ অদিতিৰ প্ৰতিকৃতিয়ে তেতিয়া

তালৈ অপাৰ মমতাৰে চাই আছিল।

বৰ দুৰ্বল অনুভৱ কৰিছে প্ৰয়াগে। ছালৰ বেষ্টনীৰ ভিতৰত তাৰ শৰীৰৰ তেজবোৰে জীৱনৰ সপক্ষে উত্তালভাৱে বিদ্ৰোহ আৰম্ভ কৰিছে। এই যন্ত্ৰণাৰ তীব্ৰতাও তাৰ ভাল লাগিছে। পৃথিৱীৰ ক'তো যেন অসুন্দৰ একো আৰু নাই।

নিস্তব্ধ ৰাতি। নীলাচল পাহাৰৰ সৰু ঘৰ এটাত মৃত্যুৰ ক্ষণ গণি থকা ডেকা শিল্পীজনে অদ্ভুত এক বিষাদ আৰু অসহ্য আনন্দত উচুপিবলৈ আৰম্ভ কৰিলে। তেওঁৰ বুকুৰ চাকনৈয়াত তেতিয়াও স্থিৰ হৈ ওপঙি থাকিল প্ৰেয়সীৰ চিঠিৰ কেইটামান চুটি বাক্য— 'প্ৰয়াগদা, মই একেবাৰে তোমাৰ ওচৰলৈ গুচি যাম। কি পৰিস্থিতিত মই আঁতৰি আহিছিলো, কেনেদৰে দুঃস্বপ্নৰ দৰে ঘটনাবোৰ ঘটি আছে মই পাছত বুজাই ক'ম। মই জানো তুমি মোক নিবলৈ আহিবা। মই বাট চাই আছো। —অদিতি।' □ □

সন্ধ্যা সাতমান বজাত খবৰটো পাইছিলো। ফেন্সীত বিহুৰ বজাৰ কৰিবলৈ যোৱা অবিনাশ শইকীয়া আৰু তেওঁৰ তিনি বছৰীয়া সন্তান ৰীমাৰ দেহ বোমা বিস্ফোৰণত ছিন্ন-ভিন্ন হৈ পৰিছিল। খবৰটো পায়েই উধাতু খাই ঘটনাস্থলীলৈ স্কুটাৰ দৌৰাইছিল জিতে।

পম্পাক বুকুত সাৱটি সৰগ পৰা মানুহৰ দৰে বহি আছিলো মই, বহু পৰ। হস্পিতাল, থানা আদিত ঘূৰা-ঘূৰি কৰি নিশা এঘাৰমান বজাত উভতি আহিছিল জিৎ। গা-পা ধুই পম্পাক বুকুত সুমুৱাই লৈ ভগা ভগা স্বৰ এটাৰে তেওঁ মোক কৈছিল ঃ জানা মানু, ৰীমাই এখন হাতেৰে বাৰ্বি ডল এটা খামুচি আছিল, ডেডবডি এম্বুলেঞ্চত উঠোৱাৰ আগলৈকে।

শিয়ঁৰি উঠিছিলো মই। মহানগৰীৰ একেটা গলিৰে বাসিন্দা হোৱাৰ সূত্ৰে অবিনাশৰ লগত আমাৰ সামান্য চিনাকি আছিল। পাছত সমবয়সীয়া ৰীমা আৰু পম্পাৰ বন্ধুত্বৰ আঁত ধৰি এই চিনাকি সৌহাদ্যলৈ পৰিণত হৈছিল। সদ্য মাতৃহাৰা ৰীমাক স্বাভাৱিক কাৰণতে প্ৰয়োজনতকৈ অধিক মৰম কৰিছিলো মই।

ডেডবডি, বোমা আদি শব্দৰ লগত অপৰিচিত পম্পাই তাইৰ থুনুক-থানাক মাতেৰে জিতৰ ওচৰত আব্দাৰ কৰিলে 'ৰীমাৰ ঢেৰ বাৰ্বি ডল আছে। মোকো আৰু এটা বাৰ্বি ডল দিবানে পা . . . পা?'

পম্পাৰ কথা শুনি খবৰটো পোৱাৰ পাছত প্ৰথমবাৰৰ বাবে উচুপি উচুপি কান্দিলো মই। জীতে কৈ গ'ল — 'আজিতো পাঁচ তাৰিখ। সাত এপ্ৰিললৈকে সংগঠনে এনে বিস্ফোৰণ ঘটাব। সেইদিনা সংগঠনৰ প্ৰতিষ্ঠা দিৱস।'

আ। ৰাইজৰ স্বাধীনতাৰ বাবে, মংগলৰ বাবে সংগঠিত এটা সংগঠনৰ স্বাধীনতা অনাৰ কি অভিনৱ পন্থা! বিহুৰ বজাৰ কৰিবলৈ যোৱা, হাতত পুতলা লৈ থকা শিশুক বোমাৰে উৰুৱাই দিব লাগিব। হত্যা কৰিব লাগিব জীৱিকাৰ সন্ধানত ঘৰৰ পৰা ওলাই অহা কোনো পথচাৰীক। এই খবৰ টিভিত ওলাব, বাতৰি কাকতত ওলাব। তেহে অস্তিত্ব ৰক্ষা হ'ব এটা মুক্তিকামী সংগঠনৰ।

পম্পাৰ নিষ্পাপ, কোমল মুখখনলৈ চাই অজান আশংকাত মোৰ বুকুখন কঁপি উঠিল — পম্পা, মাজনী মোৰ বৰ দুঃসময়ত আহিলি তই! তোক নিৰাপদে আৰৰি ৰাখিবলৈ মোৰ মমতাও যে অপাৰগ! পম্পাক সাৱটি শুই থাকোতে সেই নিশা এটা অদ্ভুত সপোন দেখিলো। হাতত বেলুন লৈ এখন সেউজীয়া প্ৰশস্ত বননিৰ ওপৰেদি পম্পা দৌৰিছে। তাইৰ থুনুক-থানাক মাতবোৰে বতাহত কম্পন তুলিছে। হঠাতে এটা প্ৰচণ্ড শব্দ হ'ল। পম্পাৰ হাতত থকা বেলুনবোৰ ফুটি তাৰ পৰা ওলাই পৰিল একো একোখন অগ্ৰাসী হাত — আঙুলিত যেন ৰক্তৰ পিপাসা! ... আৰু মোৰ ভৰিত, মোৰ কাষত বৈ থকা জিৎ আৰু আন সকলোৰে ভৰিত লহ-পহকৈ গজি উঠি মাটিত প্ৰোথিত হৈছে একো একোডাল ৰক্তবৰ্ণৰ শিপা। মোৰ চকুৰ সন্মুখতে মোৰ একমাত্ৰ সন্তানৰ ডিঙিৰ নিচেই কাষ পালেহি অগ্ৰাসী এখন হাত আৰু নিৰুপায় হৈ মই চাই থাকিলো ...

ক'ৰবাত এটা বাঁহী বাজিছিল। ভয় আৰু শংকাত থক্ থক্কৈ কঁপি উঠা মোৰ দেহটোত মমতাৰ আঙুলি বুলাব ধৰিছিল বাঁহীৰ কোমল সুৰটোৱে। ভয়ংকৰ সপোনটোৰ পৰা মোক জগাই তোলা সুৰটোৰ প্ৰতি কৃতজ্ঞ হৈ পৰিলো মই। মন কৰিলো — আমাৰ কাষৰ ভাৰাঘৰটোৰ পৰাই ভাঁহি আহিছে সেই সুৰ। ... যেন গভীৰ ব্যথা আৰু মমতাৰে কোনোবাই মনত পেলাইছে এৰি অহা কোনো আপোনজনক! হৃদয়ৰ নিভৃতৰ সকলো আবেগ উজাৰ খাই পৰি খুব কাতৰ, কৰুণ হৈ পৰিছে সেই বাঁহীৰ মাত।

মোৰ নিচেই কাষতে পৰম নিচিন্ত হৈ টোপনি যোৱা পম্পাৰ মুখখনলৈ ডিম লাইটৰ ঈষৎ নীলা পোহৰত বহুপৰ চাই থাকিলো মই।

'... সোনকালে ডাঙৰ হ তই মাজনী। অলপ বুজা হ'লেই, মোক এৰি থাকিব পৰা হ'লেই ইয়াৰ পৰা বহু আঁতৰত কোনো বৰ্ডিং স্কুলত তোক নাম লগাই দিম। বিস্ফোৰণ, ডেডবডি আদি শব্দবোৰে তোৰ প্ৰাত্যহিকতাত শংকা আৰু বেমেজালিৰ সৃষ্টি কৰিব নোৱাৰিব। স্ব-ভূমিৰ পৰা আঁতৰত থাকিয়েই তই ডাঙৰ হ, কিন্তু ডাঙৰ হ সুস্থ জীৱনবোধেৰে। এই অসুস্থ পাৰিপাৰ্শ্বিকতাৰ পৰা তোক আঁতৰাই পঠাম মই ... ' অস্ফুট উচ্চাৰণেৰে মোৰ ঘুমন্ত কন্যাৰ সৈতে মই অব্যাহত ৰাখিলো মোৰ কথোপকথন আৰু এসময়ত এই উচ্চাৰণবোৰ বাঁহীৰ মাতটোৰ সৈতে কোনো এটা বিন্দুত মিলি গ'ল! এন্ধাৰ নিশাৰ সমগ্ৰ নিস্তব্ধতাক থান-বান কৰি মোৰ কাণৰ কাষত যেন নিচুকনি গীত এটিহে বাজি উঠিল। মই শুই পৰিলো।

পিছদিনা বিয়লি ঘৰৰ সন্মুখৰ লনত চাইকেল চলাই থকা পম্পাৰ হাতত ধৰি আমাৰ ঘৰলৈ প্ৰথম আহিছিল বিজন। কোমল মুখৰ, বহল ক'লা চকুত বিষাদ বৈ ফুৰা এটা সৰুফুটীয়া ল'ৰা। ডিব্ৰুগড়ৰ কোম্পানী এটাত কাম কৰে। কোম্পানীৰ কামৰ বাবেই গুৱাহাটীলৈ আহি আমাৰ কাষৰ ভাৰাঘৰটোত আছেহি বন্ধুকেইজনমানৰ লগত।

বিজনৰ বন্ধু, মানে ৰাজীৱ আৰু অম্লানৰ লগত পম্পাৰ খুব বন্ধুত্ব। সেই সূত্ৰেই বিজনৰ হাতত ধৰি টানি আনি চোতালৰ পৰাই থুনুক-থানাক মাতেৰে চিঞৰিলে তাই — 'মা, মা, নতুন আংকল আহিছে ... চাহ কৰা।'

কথা পাতি গম পালো, কালি ৰাতি বিজনেই বাঁহী বজাইছিল। 'যলৈকে যাওঁ বাঁহীটো লৈ যাওঁ। বাঁহী নবজোৱাকৈ মই থাকিব নোৱাৰো' — সি ক'লে।

সেইদিনা বহুসময় বহিছিল বিজন। পম্পাৰ লগত লুডু খেলিছিল। তাইক ড্ৰয়িং শিকোৱাৰ প্ৰতিশ্ৰুতি দিছিল। দ্বিতীয় কাপ চাহ খাই বিজন যাবলৈ ওলাওঁতেই জিৎ হুৰমূৰকৈ ঘৰ সোমালহি। বিজনৰ লগত চিনাকি হৈয়ে চোফাত গা এৰি চকু মুদি দিলে জিতে।

'কি হ'ল?' সুধিলো মই।

'আবেলি গণেশগুৰিৰ ফ্লাই অ'ভাৰৰ তলত ব্লাষ্ট হ'ল। দুজন পুলিচ মৰিছে। তিনিজন আহত। এজনৰ অৱস্থা ছিৰিয়াছ।' হমুনিয়াহত পাক খাই থকা আশংকাজৰ্জৰ কণ্ঠেৰে জিতে কথাখিনি শেষ কৰিলে — 'আৰু মানু, নিহত দুজনৰ এজন নৱ — নৱাৰুণ'। নৱ জিতৰ সহকৰ্মী-বন্ধু মৃণালৰ ভায়েক। ফিজিক্সৰ গ'ল্ড মেডেলিষ্ট নৱাৰুণে দুবছৰৰ আগতে আৰক্ষী বিষয়া হিচাপে চাকৰিত যোগদান কৰিছিল। দায়িত্বশীল আৰক্ষী বিষয়া হিচাপে নাম আছিল নৱাৰুণৰ।

পৰিৱেশটো থমথমীয়া হৈ পৰিল। জিতৰ হাতত কণকণ হাত দুটাৰে থপৰিয়াই পম্পাই সুধিলে — 'নৱ আংকলৰ কি হ'লনো পাপা?'

মই টিভিৰ ছুইচ অন কৰি দিছিলো। পম্পাক কোলাত লৈ যাবলৈ ওলোৱা বিজন পুনৰ বহি পৰিল। গণেশগুৰিৰ ফ্লাইঅ'ভাৰৰ তলৰ হোটেল অম্বৰীশৰ সন্মুখৰ বিস্ফোৰণ হোৱা ঠাইখিনি দেখুৱাইছে নিউজত। তেজৰ ডোঙাৰ মাজত পৰি আছে এপাত জোতা, নোট বুকৰ দৰে এখন বহী। এইবাৰ নিহত দুজনৰ ডেডবডিৰ ক্ল'জআপ দেখুৱাইছে। শৰীৰৰ এফাল ক্ষত-বিক্ষত হৈ পৰা নৱাৰুণৰ মুখখন তেতিয়াও অক্ষত আছিল। এইবাৰ বিজনক সুধিবলৈ ধৰিলে পম্পাই — 'নৱ আংকল কিয় তেনেকৈ শুই আছে নতুন আংকল? কোৱানা ... কোৱা না ...'

সেইদিনা নিশা আৰু অধিক কৰুণ হৈ বাজিছিল বিজনৰ বাঁহী। মোৰ দৰে জিতো সাৰে আছিল। এসময়ত কাষৰ বিছনাৰ পৰা জিৎ আমাৰ কাষলৈ উঠি আহিল। পম্পাৰ মূৰত হাত বুলাই সুধিলে মোক — 'টোপনি ধৰা নাই?'

'ওঁহো'

'সুন্দৰ বজাইছে, নহয়নে?'

মই উত্তৰ নিদিলো। জিতো নীৰৱ হৈ পৰিল। মোৰ এনে লাগিল মোৰ দৰে তেওঁৰ বুকুতো এখন নদী খান্দিছে বাঁহীৰ মাতটোৱে। বিষাদপূৰ্ণ অথচ তৃপ্তিকৰ সুৰ এটাৰে উপচি পৰা এখন নদী ...।

আস! এই শুষ্ক, মলিয়ন পাৰিপাৰ্শ্বিকতাৰ প্ৰতিটো নিশাতে যদি বাজিলেহেঁতেন এনে এটা সুৰ ... শংকাজৰ্জৰ নিশাৰ শেষৰ এটি নিচুকনি গীতৰ দৰে। গ্ৰীষ্মৰ কোনো শীতল স্ৰোতস্বিনীৰ দৰে!

সাত এপ্ৰিলত অৱধাৰিতভাৱেই মহানগৰীৰ বাট পথ শূণ্য হৈ পৰিল। বিপণীত ক্ৰেতাৰ সংখ্যাও নগণ্য। টিভিৰ নিউজত গম পাই থাকিলো গোলাঘাট, ডিব্ৰুগড়, বিহপুৰীয়া আৰু পাভৈত বিস্ফোৰণ হৈছে। অভূতপূৰ্ব এক আশংকাই খোপনি পুতিছিল মোৰ বুকুত। জিতৰ ম'বাইলত ফোন কৰি কেইবাবাৰো খবৰ ল'লো মই — 'ঠিকে আছানে?', 'ক'ত আছা?', 'কি কৰি আছা' ইত্যাদি। দুপৰীয়া অম্লান আৰু বিজন আহিছিল। টিভিৰ নিউজ চাই যাবলৈ

ওলোৱা ল'ৰা দুটাক জোৰ কৰি লুডু খেলিবলৈ বহুৱালে পম্পাই। চাহ একাপ আগবঢ়াই দি বিজনক সুধিলো মই — 'ইমান কৰুণকৈ বাঁহী বজোৱা যে। ডেকা ল'ৰা। কিহৰ ইমান দুখ তোমাৰ?' বিষাদত ডুবি থকা বহল চকুহাল মেলি ধৰি ক'লে সি —

'মাঁলৈ কেতিয়াবা খুব মনত পৰে বৌ। পাঁচ বছৰৰ আগতে মাক শেষবাৰৰ বাবে দেখিছিলো।'

এইবাৰ মোৰ বিস্মিত হোৱাৰ পাল। 'কিয়?'

অম্লান সামান্য বিৰক্ত হ'ল যেন।

'কি হ'ব আৰু — ইগ'। ফাল্টু ইগ'ৰ বাবে ঘৰ এৰি আহি এতিয়া ট্ৰেজেদি ফালি মৰিছে।' — অম্লানে ক'লে।

খন্তেক পাছতে লুডু সামৰি যাবলৈ ওলাইছিল অম্লান, বিজন। বিজনৰ পৰা ড্ৰয়িং শিকাৰ আগ্ৰহত পম্পাও সিহঁতৰ লগতে ওলাল।

সন্ধ্যাৰ আগে আগে পম্পাক থৈ গৈছিল বিজনে। সিহঁতৰ দুকোঠলীয়া ঘৰটোৰ পৰা সেইদিনা সন্ধ্যাতে ভাঁহি আহিছিল বাঁহীৰ মাত। বিষণ্ণ, হৃদয়স্পৰ্শী সুৰ। অফিচৰ পৰা আহি মুখ হাত ধুই খাবলৈ বহা জিতৰ কোলাত বহি পম্পাই তাইৰ ড্ৰয়িং শিকাৰ খতিয়ান দিলে — 'পাপা, নতুন আংকলে মোক আজি ঘৰ আঁকিবলৈ শিকালে। ... জানানে পাপা, খুব ধুনীয়া ছবি আঁকে নতুন আংকলে। মাকৰ ছবি আঁকিছে। ... মোক আৰু ছবি আঁকিবলৈ শিকাব আংকলে।'

'তুমি কিহৰ ছবি আঁকিবানো মাজনী?' এচকল ব্ৰেড পম্পাৰ মুখত তুলি দি আদৰেৰে সুধিলে জিতে।

'ডেডবডি'ৰ।

উচপ খাই উঠিলো মই। কি কয় এয়া পম্পাই। অৰ্থ নজনাকৈয়ে কেনে কিছুমান ভয়ংকৰ শব্দ আজিৰ শিশুৰ চিনাকি হৈ পৰিছে। অদ্ভুত এক ব্যথাই মোৰ বুকুখন মুচৰি পেলালে। পম্পাক কোলাত তুলি খিৰিকীৰ সন্মুখত থিয় হ'লো মই। ওখ ওখ বিল্ডিঙে আকাশ ঢাকি আছে। তাৰ ফাঁকেৰে ওলাই থকা আকাশৰ ক্ষুদ্ৰ টুকুৰাটোলৈ আঙুলিয়াই দেখুৱালো পম্পাক — 'নহয় মাজনী, তুমি ডেডবডি আঁকিব নালাগে। সৌৱা চোৱা — আকাশ ...। তুমি আকাশৰ ছবি আঁকিবা। জোন আৰু তৰাৰ ছবি আঁকিবা।

'আকাশৰ ছবিত কি ৰং দিম, মা?'

'কিয় — নীলা আকৌ।'

'আকাশতো নীলা নহয়।'

হতভম্ব হৈ পৰিলো মই। ঠিকেইতো। আকাশ বুলি মুৰৰ ওপৰৰ যি নিঃসীম উচ্চতালৈ আঙুলি টোৱাই দেখুৱাইছো পম্পাক, সেয়া সঁচাকৈয়ে নীলা নহয়। মহানগৰীৰ যান্ত্ৰিক পোহৰে, প্ৰদূষিত বায়ুয়ে শুহি পেলাইছে সমস্ত নীলা। কি ক'ম এতিয়া পম্পাক। বিজনৰ বাঁহীৰ মাতটোৱে তেতিয়াও যেন আকুলি-বিকুলিকৈ মাতি আছিল কাৰোবাক।

'ঠিক আছে। তুমি বাৰু আকাশ আঁকিব নালাগে। পাপাক আঁকিবা। মোক আঁকিবা। নতুন আংকলে বজোৱা বাঁহীটো আঁকিবা।'

তীব্ৰ গতিৰে পুলিচৰ কেইখনমান গাড়ী আহি অম্লানহঁতৰ ভাৰাঘৰৰ সন্মুখত ৰ'লহি। খপ্‌কৈ বন্ধ হৈ গ'ল বাঁহীৰ মাত। লগে লগে গুলিৰ শব্দই সমগ্ৰ এলেকাটো কঁপাই তুলিলে। উচ্‌প খাই উঠি মোক সাৱটি ধৰিলে পম্পাই।

'গু...ৰু...ম...গু...ৰু...ম...' অম্লানহঁতৰ ভাৰাঘৰটো আৱৰি ধৰা আৰক্ষীৰ বন্দুকেৰে বৰষুণৰ দৰে গুলিবৰ্ষণ হ'বলৈ ধৰিলে। আমাৰ গেট খুলি খৰধৰকৈ সোমাই আহিল চুবুৰীয়া দিলীপ কটকী।

' ... বৰ ভয়ংকৰ কথা শইকীয়া। সেই যে ৰাতি ৰাতি বাঁহী বজাইছিল ল'ৰাটো — সংগঠনৰ ডাঙৰ নেতা বোলে। গুৱাহাটীৰ আটাইকেইটা বোমা বিস্ফোৰণ তাৰ নেতৃত্বতে হৈছিল আৰু এই যে ভাৰাঘৰত থকা ল'ৰাকেইটা — সিহঁতো সংগঠনৰ ল'ৰা। আপোনালোকৰ ঘৰলৈও আহ-যাহ আৰম্ভ কৰিছিল হেনো। পুলিচে সোধ-পোচ কৰিলে চিনি নাপাওঁ বুলি ক'ব। ডাঙৰ কথা হৈ যাব পাৰে। মই কথাটো জানিব পাৰি আপোনালোকক আগতীয়াকৈ খবৰ দিবলৈ আহিলো।' উশাহ নসলোৱাকৈ কথাখিনি শেষ কৰিলে কটকীয়ে।

গুলীয়াগুলিৰ শব্দ তীব্ৰতৰ হৈ আহিছিল। সম্ভৱতঃ ঘৰটোৰ ভিতৰৰ পৰাও প্ৰতিআক্ৰমণ হৈছিল। গুৰুম-গুৰুম শব্দই ছানি ধৰিছিল আমাৰ সৰু পাহাৰীয়া এলেকাটোৰ আকাশ-বতাহ।

ভীতা হৰিণীৰ দৰে হৈ পৰিছিল পম্পাৰ কনমাণি চকু দুটা। মই কঁপা কঁপা দুহাতেৰে তাইৰ ভয়াৰ্ত চকুহাল ঢাকি ধৰিলো। পৰাহ'লে মই এতিয়া পম্পাক সাময়িকভাৱে বধিৰ কৰি পেলালোহেঁতেন। বন্দুকৰ এই প্ৰচণ্ড শব্দ শুনিব নালাগে তাই। পৰা হ'লে মই তাইক লৈ গ'লোহেঁতেন এনে এখন দেশলৈ য'ত তাই কেৱল চৰাইৰ কাকলি শুনিব। বাঁহীৰ সুৰ শুনিব। শুনিব ভোমোৰাৰ গুঞ্জন ... বৰষুণৰ চিপ্ চিপ্ শব্দ।

প্ৰায় দহ মিনিটজুৰি গুলীয়াগুলি চলি থাকিল। এসময়ত শব্দবোৰ শাম কাটিলে। পদূলিত সাংবাদিক, চুবুৰীয়াই জুম বান্ধিছিল। কটকীৰ লগতে জিতো ওলাই গ'ল। পম্পাৰ হাতত ধৰি বাৰাণ্ডাৰ পৰাই মই মানুহৰ জুমটোলৈ চাই থাকিলো। অলপ সময়ৰ পাছত জিৎ উভতি আহিল। এগিলাছ পানী গালে-মুখে চটিয়াই ছোফাত বহি হাত-ভৰি মেলি দিলে তেওঁ। হুমুনিয়াহ এটা চেপি ৰাখিবলৈ যত্ন কৰাত স্বগতোক্তিৰ দৰে শুনালে তেওঁৰ কণ্ঠ — 'ডেডবডি চিনিবই নোৱাৰি। গুলিয়ে মুখ থকা-সৰকা কৰি পেলাইছে।'

আৰক্ষীৰ গাড়ী, সাংবাদিকৰ ভিৰ, চুবুৰীয়া মানুহ সকলো আঁতৰি গ'ল এসময়ত। বন্ধ এটা কোঠাৰ ভিতৰত পম্পাক কোলাত লৈ জিতৰ কাষত বহি থাকিলো মই। টিভিটো অন কৰিবলৈ লৈ পুনৰ কিবা এটা ভাবি জিৎ বহি পৰিল।

কোঠাৰ টিউব লাইটৰ পোহৰবোৰে যেন অলৌকিক ৰূপহে ধৰিছিল। অদ্ভুত এক নিস্তব্ধতাৰ বুকুত জাহ হৈছিল এলেকাটো। পম্পাৰ চকুলৈ চাবলৈ মোৰ ভয় লাগিছিল। আস। ক'ৰবাত যদি ৰিণিকি ৰিণিকি বাজি উঠিলহেঁতেন এটা বাঁহীৰ মাত — কৰুণ, মধুৰ নিচুকনি গীতৰ দৰে।

কোঠাটো ডুবাই ৰখা গহীন নৈঃশব্দ্যত এইবাৰ বাঁহীৰ দৰেই বাজী উঠিল পম্পাৰ মাত — 'পাপা, নতুন আংকল ডেডবডি হৈ গ'ল নেকি? কোৱানা পাপা। নতুন আংকল ...' ☐☐

নদীখন আপোনমনে বৈ আছে। বাৰিষা দুৰ্দান্ত হৈ পৰা নদীখনৰ শান্ত সমাহিত অৱয়ব সন্মুখত লৈ সৰু আটক ধুনীয়া ল'জটোৰ ওপৰমহলাৰ বাৰাণ্ডাত ওচৰা-ওচৰিকৈ বহি আছে দুজন মানুহ। কাণৰ কাষৰ চুলিত ৰূপালী ৰং লগা প্ৰায় যাঠী-সত্তৰ বছৰীয়া মানুহগৰাকীৰ শৰীৰত বগা চিক্কৰ এখন শাৰী আৰু এখন ক'লা শ্বল। যৌৱনে শৰীৰৰ পৰা মেলানি মগাৰ পাছত এক আশ্বৰ্য স্নিগ্ধতা বিয়পি পৰিছে তেওঁৰ মুখত, দেহত। ঠিক সূৰ্য ডুবাৰ পাছত অস্তাচল জুৰি ওপঙি ৰোৱা অপৰূপ সুমথিৰাৰঙী উজ্জ্বলতাখিনিৰ দৰে। তেওঁৰ কাষৰ চোফাত এজন সমবয়সীয়া বৃদ্ধ। কৃত্ৰিম ৰঙাৰ স্পৰ্শ থকা মূৰৰ ৰূপালী চুলি পৰিপাটিকৈ ফণিওৱা। পিন্ধনত গ্ৰে ৰঙৰ চুট।

বাহিৰৰ পৰা চালে মানুহজনক স্থিতপ্ৰজ্ঞ যেন লাগে যদিও ভালদৰে লক্ষ্য কৰিলে ধৰিব পাৰি তেওঁৰ বাহ্যিক সুস্থিৰতাৰ আঁৰত একধৰণৰ ছট্‌ফটনি মৃদুভাৱে বিয়পিবলৈ আৰম্ভ কৰিছে। '... তাৰপিছত শান্তি নিকেতনত থাকিলো অলপ দিন। তুমি জানা নহয় মোৰ বাইদেউ-ভিনদেউ নাইনিতালত আছিল। শান্তি নিকেতনৰ পৰা মই তালৈ গ'লো। বৰ ধুনীয়া ঠাই নাইনিতাল ... । সেউজীয়া আৰু সেউজীয়া ... । ঢেৰ অৰ্কিড। এবছৰৰ পাছত দেউতাৰ কথামতে এ চি এছ দিলো। তাৰ পাছত এয়া দোষী-নিৰ্দোষীৰ বিচাৰ কৰি কৰি যোৱা বছৰ অৱসৰ ল'লো।'-শেঁতা অথচ উচ্ছাসপূৰ্ণ মাত এটাৰে অৱসৰপ্ৰাপ্ত বৃদ্ধ হাকিমে কৈ গ'ল। মৃদুকৈ হাঁহিলে মানুহগৰাকীয়ে। হাঁহিলে তেওঁৰ গালত সৰুকৈ টোল পৰে। বৃদ্ধই টোলটোলৈ চালে।

'তুমি বহুখিনি একে আছা।' শেঁতা হুমুনিয়াহ এটাৰ মাজেৰে কঁপি কঁপি সৰকি আহিল বৃদ্ধৰ কণ্ঠ।

এইবাৰ বৃদ্ধাই শ্বলখন আৰু অলপ টানি ল'লে। সৰু পাহাৰীয়া চহৰখনে সন্ধ্যাৰ পাতল এণ্ডেৰুৱা সাজ পিন্ধিবলৈ আৰম্ভ কৰিছে। বাৰাণ্ডাৰ গ্ৰীলৰ ফাঁকেৰে দেখা পোৱা নতিদূৰৰ সেউজীয়া বননিয়ে কৃত্ৰিম পোহৰ আৰু পাতল এন্ধাৰৰ সংমিশ্ৰণত নিস্তেজ, বিষণ্ণ ৰূপ ধাৰণ কৰিছে। ব্যস্ত জনপথত কোনেও কালৈও উভতি নোচোৱা এজুম মানুহৰ

## এসন্ধ্যাৰ নায়িকা

অহা-যোৱা।

'তুমি গান গাবলৈ এৰি দিলা নেকি পৰিণীতা?' বৃদ্ধৰ প্ৰশ্ন। বৃদ্ধা নিৰুত্তৰ হৈ থাকিল।

'তুমি ভাটখাণ্ডেৰ সংগীত শিক্ষা সমাপ্ত কৰিলানে?' পুনৰ সুধিলে বৃদ্ধই।

এজাক বতাহ বলিছিল। মূৰটো সামান্য বেঁকা কৰি চকু মুদি বৃদ্ধাই দীঘলকৈ উশাহ ল'লে।

'এই সময়খিনি মোৰ খুব প্ৰিয়। অলপ খোজ কাঢ়িবা নেকি ?' তেওঁ সুধিলে।

উত্তৰবিহীন প্ৰশ্নবোৰ বুকুতে সামৰি লৈ বৃদ্ধ বহাৰ পৰা উঠিল। জ্ঞাতসাৰে এদিনৰ বাবেও তেওঁ কেতিয়াও পৰিণীতাৰ অনুৰোধ উপেক্ষা কৰা নাছিল। কৰিব নোৱাৰে।

নদীখনৰ কাষৰ সৰু একা-বেঁকা পথটোৰে দুয়ো আগবাঢ়িল। টেক্সি, দুই এখন অটোৰিক্সা পাৰ হৈ গৈছে। এখন সৰু উদ্যানৰ চাপৰ পকী বেঞ্চ এখনত দুয়ো বহিল। ঠাণ্ডা বাঢ়ি আহিছিল।

'মই যদি আগতে জানিলোহেঁতেন মোৰ ' !'ৰাই তোমাৰ ছোৱালী বিয়া কৰাবলৈ ওলাইছে।' বৃদ্ধই ক'লে।

'জীৱনৰ সৰহভাগ ঘটনাই নভবাকৈয়ে 'ধটি যায়। এই যে তোমাক লগ পালো এনেদৰে -ইমান দিনৰ মূৰত, এনে এটা পৰিৱেশত, মইতো কল্পনাও কৰা নাছিলো। তুমি ভাবিছিলানে?' বৃদ্ধই সুধিলে। এইবাৰো বৃদ্ধা নিৰুত্তৰ। যেন বৃদ্ধৰ সকলো প্ৰশ্নক সজ্ঞানে উপেক্ষা কৰিবলৈ তেওঁ অংগীকাৰবদ্ধহে!

বৃদ্ধাৰ ডাঙৰ ল'ৰা প্ৰজ্ঞানে তেওঁৰ কাষতে বহি থকা বৃদ্ধ পৰাণ বৰুৱাৰ একমাত্ৰ সন্তান ঈশাণীক এমাহ পূৰ্বে ৰেজিষ্ট্ৰি কৰি বিয়া কৰাইছে। দুয়ো মুম্বাইত থাকে, বেংকৰ চাকৰিয়াল। বিবাহৰ তথাকথিত আনুষ্ঠানিকতাত অবিশ্বাসী দম্পতিয়ে বিবাহৰ পাছত তেওঁলোকৰ অত্যন্ত সৰু পৰিয়াল দুটাৰ অভিনৱ 'মিট' এটাৰ ব্যৱস্থা কৰিলে — এই সৰু পাহাৰীয়া চহৰখনত। এনেদৰেই ইয়াত এতিয়া লগ হৈছে ঈশাণী, প্ৰজ্ঞান, পৰাণ বৰুৱা, পৰিণীতা আৰু পৰিণীতাৰ কণিষ্ঠ পুত্ৰ ছানী।

বৃদ্ধাগৰাকীয়ে সোঁহাতখনেৰে দূৰলৈ আঙুলিয়াই দেখুৱালে —

'দিগন্তৰ লগত আগতে ইয়ালৈ আহোতে সেই জনজাতীয় গাঁওখনলৈ গৈছিলো। সেই যে টিমিক-ঢামাক চাকিৰ পোহৰ জ্বলি আছে — সেইখনেই গাঁও। বেতেৰে খুব সুন্দৰ সামগ্ৰী তৈয়াৰ কৰে মানুহবোৰে। দামো সস্তা। দিগন্তই সৰু ফন্দিং ঝুলনা এখন কিনিছিল, ছানীৰ বাবে।'

'দিগন্ত ... '

'অস। দিগন্ত মোৰ স্বামীৰ নাম।'

'তেখেতক এবাৰ লগ পোৱাৰ ভীষণ ইচ্ছা আছিল।'

'মানুহৰ সৰহভাগ ইচ্ছাই পূৰণ নহয়।'

'তেখেত কেনে আছিল? তুমি খুব সুখী আছিলা নিশ্চয়।'

'তেখেত খুব দায়িত্ববোধসম্পন্ন লোক আছিল। প্ৰজ্ঞানে কৈছে ছাগৈ কেনেদৰে খুব কম বয়সতে তেওঁ ব্যৱসায়ত ...' বৃদ্ধাৰ ওঁঠৰ ফাঁকেৰে হুমুনিয়াহ এটা সৰি পৰিল।

'ঈশাণীৰ মাক অসমীয়াৰ বিষয় শিক্ষয়িত্ৰী আছিল। ভাল চেতাৰ বজাইছিল।' বৃদ্ধৰ বুকুৰ পৰাও উজাই আহিল বিষাদৰ দীৰ্ঘশ্বাস। প্ৰয়াত জীৱনসংগীক সুঁৱৰি মুৰ্হূতৰ বাবে আনমনা হৈ পৰিল দুয়োজন মানুহ।

দীৰ্ঘ সময়ৰ নিৰৱতা। বৃদ্ধই নিৰৱতাৰ মাজতে বাঙ্ময় হৈ উঠা পয়ত্ৰিশ-চল্লিশ বছৰৰ পূৰ্বৰ অতীত খেপিয়াবলৈ আৰম্ভ কৰিলে ... ।

বহু বছৰৰ পূৰ্বে বৰ্ষণমুখৰ সন্ধ্যা এটাত পৰিণীতাৰ সৈতে শেষবাৰৰ বাবে খোজ কাঢ়িছিল তেওঁ, এখন প্ৰশস্ত নদীৰ দাঁতিয়েদি। কিছুমান মুহূৰ্ত থাকে যি কেতিয়াবা সক্ৰিয় হৈ উঠে মানুহতকৈ, মানুহৰ মনন আৰু অনুভূতিতকৈ। সেইদিনা বিশ্ববিদ্যালয়ত আঢ়ৈটা অন্তৰংগ বছৰ অতিবাহিত কৰাৰ পাছত সমাগত হৈছিল বিদায়ৰ ক্ষণ। বাহ্যিক দৃষ্টিত এয়া আছিল নিতান্তই সাধাৰণ আৰু অনিবাৰ্য। কিন্তু, তেওঁলোকৰ নিৰ্দিষ্ট দূৰত্বৰ খোজবোৰৰ ফাঁকে ফাঁকে, শব্দৰ ৰূপ ল'বলৈ থেৰো-গেঁৰো কৰা কিছুমান অবেগৰ ফাঁকে ফাঁকে এটা অসাধাৰণ মুহূৰ্তই গঢ় লৈ উঠিছিল। অসম্ভৱ প্ৰেক্টিকেল আৰু কেৰিয়াৰ সচেতন দুই যুৱক-যুৱতীয়ে সেই মুহূৰ্তটোক হৃদয়ত থাপি লৈছিল ঠিকেই, কিন্তু সমৰ্পিত কৰা নাছিল নিজকে। হুৰহুৰাই আকাশ ফালি সৰি পৰা বৰষুণ এজাকত তিতি বুৰি দুয়ো দুটা ভিন্ন পথেৰে উভতি খোজ দিছিল নিজ নিজ আৱাসলৈ।

... এজাক চেঁচা বতাহে ঢৌ খেলি খেলি উমলিবলৈ ধৰিছে বৃদ্ধ পৰিণীতাৰ কৃষ্ণ-ৰূপালী চুলিৰ ভাঁজত।

'কিবা কৈছা?' বৃদ্ধৰ ফালে চাই সুধিলে তেওঁ। বৃদ্ধই অনুভৱ কৰিলে তেওঁ কিবা এটা ক'বলৈ উন্মুখ হৈ উঠিছে। অথচ কি সেই কথা তেওঁ ভাবি উলিয়াব নোৱাৰিলে।

'কেতিয়াবা নিঃসংগ অনুভৱ কৰা নে তুমি?' বৃদ্ধাৰ লাহী ওঁঠত এটা অপ্ৰত্যাশিত অথচ স্পষ্ট প্ৰশ্ন।

ইংৰাজী 'ইউ' আখৰটোৰ আকৃতিত এজাক চৰাই উৰি আহিছিল। সম্ভৱতঃ ব্যস্ত এটা দিনৰ অন্তত বাহলৈ সিহঁতৰ এই সু-শৃংখলিত ওভতনি যাত্ৰা।

'ওঃ কি ক'লা? নিঃসংগ?' হো হোৱাই হাঁহিলে বৃদ্ধই। বুকুৰ ভিতৰত ৰি ৰি কৈ বাজি উঠিছে কিবা এটা। তীক্ষ্ণ, কষ্টকৰ। তেওঁৰ ক'বলৈ মন গ'ল কিদৰে ঈশাণীৰ মাকৰ মৃত্যুৰ পাছত তেওঁৰ চৌপাশৰ পৰা আত্মীয়তাৰ উচ্ছাস হেৰাই গৈছে। ইণ্ট্ৰভাৰ্ট স্বভাৱৰ মানুহজন যি এসময়ত 'প্ৰাইভেচি' সুৰক্ষিত কৰাৰ স্বাৰ্থত বন্ধুৰ সংখ্যাও বঢ়াব বিচৰা নাছিল, তেওঁ পৰাণ বৰুৱাই এতিয়া মানুহৰ সংগৰ বাবে 'অ'ল্ড এইজ হোম'লৈ যোৱাৰ কথা ভাবিবলৈ আৰম্ভ কৰিছে ...। কিন্তু নক'লে তেওঁ।

'নাইতো। ঠিকেই আছো। পঢ়া-শুনা, গান এইবোৰ লৈয়ে ব্যস্ত আছো। মাজে মাজে দুই এটা ছ'চিয়েল ভিজিটো দিওঁ। ঘৰত মোৰ তিনিজন 'মেইড' আছে। দায়িত্বশীল। ঘৰৰ মানুহৰ দৰে।

... কিয় সুধিলা?'

নিৰুত্তৰ, বয়স্কা পৰিণীতালৈ চাই কথাখিনি কওঁতে কিন্তু পৰাণ বৰুৱাৰ বুকুৰ মাজত আন এটা সত্যহে ক্ৰমশঃ স্পষ্ট হ'বলৈ ধৰিলে। কেৱল এতিয়াইতো নহয়, দিব্যা —ঈশাণীৰ

মাক জীয়াই থাকোতেওতো মাজে মাজে অদ্ভুতধৰণৰ এক অনুভৱে পুলি পোখা মেলি বহি লৈছিল তেওঁৰ বুকুত। এখন নদীৰ দাঁতিৰ বৰ্ষণমুখৰ এটা সন্ধ্যা আছিল এই অনুভূতিৰ উৎস। সেই সন্ধ্যাৰ এটা অনন্য মুহূৰ্তক অমৰ কৰি দিব পৰাকৈ সাহসী হৈ উঠিব নোৱাৰাৰ দুখে পীড়িত কৰিছে তেওঁক, নিঃসংগ কৰিছে। আজীৱন।

' ... তুমি ... তুমি কেতিয়াবা নিঃসংগ হোৱানে পৰিণীতা?'

খুব কোমল, বসন্তৰ প্ৰথমজাক কিন কিন বৰষুণৰ দৰে এটা দৃষ্টি বৃদ্ধাৰ চকুত। যেন ভটিয়নি সোঁতে উটাই নি অতীতত এচাৰ মাৰি পেলাব খুজিছে পৰাণ বৰুৱাক! বৰষুণৰ গোন্ধৰ লগত মিহলি হৈ থকা খৰিকাজাঁইৰ দৰে এক স্নিগ্ধ সুগন্ধি যেন চাৰিটা দশকৰ আগৰপৰা বগুৰাবাই আহিব ধৰিছে তেওঁৰ ফালে।

ওঁঠৰ কোনত ফটফটীয়া হাঁহি এটা বিৰিঙাই ক'লা শ্বলখনৰ তলৰপৰা দীঘল চেইন এডালত আঁৰি লোৱা হাঁহকণীৰ আকৃতিৰ এটা লকেট উলিয়াই আনিলে বৃদ্ধাই। শেঁতা লাহি আঙুলিৰ অপূৰ্ব ভংগীমাৰে লকেটটো দুভাগ কৰি বৃদ্ধক দেখুৱালে তেওঁ।

এখনত যুৱতী পৰিণীতা আৰু আনখনত এজন সুন্দৰ উজ্জ্বল যুৱকৰ ছবি। যুৱকৰ ছবিখনলৈ ইংগিত কৰি বৃদ্ধাই ক'লে, 'দিগন্ত — মোৰ স্বামী। তেওঁৰ স্মৃতিয়ে মোক কেতিয়াও নিঃসংগ হ'বলৈ দিয়া নাই।'

আহত হ'ল বৃদ্ধ। প্ৰসংগ সলনিৰ প্ৰয়োজন অনুভৱ কৰিলে তেওঁ।

'বিশ্ববিদ্যালয়ৰ দিনবোৰ মনত পৰেনে পৰিণীতা?'

'কিছু কিছু। যিমানেই বয়স বাঢ়িছে সিমানেই মোৰ মনত শৈশৱৰ স্মৃতিবোৰহে উজ্জ্বল হৈ উঠিছে। আচৰিত কথা কি জানানে পৰাণ — এনে কিছুমান স্মৃতিৰ লগত মোৰ এটা এটা দীঘল পুৱা, সুদীৰ্ঘ আবেলি পাৰ হৈ যায় যিবোৰৰ দুবছৰৰ আগলৈকে কোনো ধৰণৰ অস্তিত্বই নাছিল।'

পৰাণ বৰুৱাৰ মনত পৰিল মাকৰ অকাল আৰু অদ্ভুত স্মৃতিভ্ৰংশৰ বিষয়ে প্ৰজ্ঞানে এদিন কৈছিল তেওঁক।

'যেনে ... ?' আগ্ৰহেৰে সুধিলে তেওঁ।

'যেনে ... যেনে ধৰা হালধীয়া পখিলা এটা খেদি খেদি এদিন ওচৰৰে হাবি এখনত সোমালোগৈ। ... আৰু হঠাতে গছৰ মুঢ়া এটাত উজুটি খাই ঢেপেলা-ঢেপেল গছ এজোপাৰ ওপৰত উবুৰি খাই পৰিলো। গছজোপা চোৰাত আছিল। তেতিয়াৰ সেই যন্ত্ৰণাই পাঁচ-ছয় দশক অতিক্ৰম কৰি এতিয়াও মোৰ শৰীৰত থিত লয় জানানে! চোৰাতে ডকা কষ্টৰ মাজতে কেতিয়াবা পাৰ হৈ যায় সুদীৰ্ঘ এটা আবেলি ...'

'আচৰিত। কিন্তু, তুমি সদায়েই বেছি অনুভৱী। স্পৰ্শকাতৰ। আৰু কোৱা — '

'আৰু কি?'

'তোমাৰ বৰ্তমান জুৰি বহি থকা স্মৃতিৰ কথা।'

' ... আৰু শুনিবা?' হাঁহিলে বৃদ্ধাই। কপালৰ ভাঁজত জিলিকি উঠিল এটা প্ৰশ্নবোধক। লাহে লাহে প্ৰশ্নবোধকটো অন্তৰ্হিত হ'ল। বৃদ্ধাৰ সমগ্ৰ মুখমণ্ডলত পৰিব্যাপ্ত হ'ল স্মৃতি ৰোমন্থনৰ তৃপ্তি।

'... ক্লাছ ওৱান-টুৰ কথা। মোৰ সহপাঠী মজদুৰ ছোৱালী এজনীয়ে মাকে মাটিৰে সাজি দিয়া পুতলা এটা আলফুলকৈ হাতৰ মাজত লৈ মোক দেখুৱাইছিলহি এদিন। প্লাষ্টিকৰ পুতলাৰ লগত সদা-অভ্যস্ত মোৰ প্ৰচণ্ড ঈৰ্ষা হ'ল তাইলৈ। ... মাটিৰ পুতলাটো হাতত লৈ গৌৰৱত তাইৰ মুখখন পোহৰ হৈ উঠিছিল আৰু মই কি কৰিলো জানা?' বৃদ্ধাৰ ওঁঠৰ কোনত জান-নাজান এটা হাঁহিৰ আভাস। চকুত এটুকুৰা আকাশ। মেঘময়। '... মই মাটিৰ পুতলাটো হাতত লৈ সেইটো মোহাৰি ভাঙি পেলালো, সজ্ঞানে।'

বতাহ এছাটিয়ে গছৰ পাতৰ জিৰ জিৰ শব্দ বিয়পাই দিছিল সকলোতে। সেই শব্দৰ মাজতে বিষণ্ণ এটা সুহুৰীৰ দৰে বাজি উঠিল বৃদ্ধাৰ শেষ কথাখিনি — 'তাইৰ দুচকু পানীৰে ভৰি পৰিছিল। সজল, ৰঙা চকুহালিৰে মোলৈ অদ্ভুত দৃষ্টি এটাৰে চাই থাকি তাই দৌৰি দৌৰি গুচি গৈছিল ঘৰলৈ।

... এতিয়া তাইৰ বাবে, সেই মাটিৰ পুতলাটোৰ বাবে কষ্ট হয়, ভীষণ।'

তলমূৰ কৰিলে বৃদ্ধাই, সম্ভৱতঃ কষ্ট লুকুৱাবলৈ। ঢিলা খোপাটোৰ শৃংখল ভাঙি বতাহে খেলি-মেলিকৈ উৰুৱাব ধৰিলে ক'লাৰ স্পৰ্শ থকা বৃদ্ধাৰ কেইডালমান ৰূপালী চুলি। কাতৰ হৈ পৰিল পৰাণ বৰুৱা — তেওঁ যদি বৃদ্ধাৰ বিশৃংখল চুলিখিনিত কোমলকৈ হাত বুলোৱাৰ অনুমতি পালেহেঁতেন! যদিহে বৃদ্ধাৰ শেঁতা হাতখন স্পৰ্শ কৰাৰ অধিকাৰ থাকিলেহেঁতেন তেওঁৰ!

'... আৰু একো মনত নপৰে পৰিণীতা? বিশ্ববিদ্যালয়ৰ দিনবোৰ ... আমি একেলগে কটোৱা সময়খিনি ... '

'তোমাক মনত আছে। নামেৰে সৈতে হয়তো আৰু দুই তিনিজনকহে মনত পেলাব পাৰিম। সকলো অস্পষ্ট ছবি এখনৰ দৰে হৈ পৰিছে। কেতিয়াবা কাৰোবাৰ মুখখন মনলৈ আহে, নাম পাহৰো। কেতিয়াবা কোনো ঘটনা বা পৰিৱেশ ৰিণিকি ৰিণিকি মনত পৰে। টুকুৰা-টুকুৰ। বিশৃংখল।'

আশাত উজ্জ্বল হৈ উঠিল পৰাণ বৰুৱাৰ মুখ। তেনেহ'লে ... তেনেহ'লে তেওঁৰ সমস্ত জীৱন জুৰি বহি থকা এটা নিৰ্দিষ্ট মুহূৰ্তৰ স্মৃতি সজীৱ হৈ আছে নেকি পৰিণীতাৰ মনতো। জানিব লাগিব। তেওঁ জানিব লাগিব এই কথা।

'ফাইনেল পৰীক্ষাৰ শেষত ঘৰলৈ একেবাৰে উভতি যোৱাৰ আগদিনা আমি বহুসময় একেলগে আছিলো। বৰষুণত খুবকৈ তিতিছিলো। মনত আছেনে তোমাৰ?' সহজভাৱে হাঁহি খুব আশাৰে সুধিলে তেওঁ আৰু বৃদ্ধাৰ চকুত খুব গভীৰভাৱে কিবা এটাৰ সন্ধান কৰিলে। বৃদ্ধাৰ চকুদুটা জোনাকীৰ দৰে উজলি উঠিল মুহূৰ্তৰ বাবে। পিছ মুহূৰ্ততে নিষ্প্ৰভ হৈ পৰিল। পাৰ্বত্য সন্ধ্যাটোৰ দৰেই যেন বিষাদসিক্ত। সন্মতিসূচকভাৱে মূৰ দুপিয়ালে তেওঁ।

'গোটেই সময়খিনি তোমাৰ মনত আছেনে পৰিণীতা?'

'তুমি এ চি এছৰ প্ৰস্তুতি চলোৱাৰ কথা কৈছিলা। শাস্ত্ৰীয় সংগীতৰ বাদে আন গীতৰ 'ষ্টেজ শ্ব' নকৰিবলৈ কৈছিলা মোক।'

এইখিনি কথা পৰাণ বৰুৱাই নিজে পাহৰি গৈছিল। সম্ভাৱনাৰ আশ্চৰ্য পুলকে আত্মালৈকে তেওঁক জোকাৰি গ'ল। নিশ্চয় পৰিণীতাৰ মনত আছে সকলো। নিশ্চয় তেৰোঁ বহন কৰি

আহিছে সুখ-স্মৃতিৰ সেই বিষাদ-কাতৰতা, তেওঁৰ দৰেই।

'আৰু ...?'

'আৰু ... ' পৰিণীতাৰ দুচকুত নিৰ্ভাৰ শূণ্যতা, কণ্ঠতো। হতাশাৰ দীৰ্ঘশ্বাস এটাক ভেটা দিবলৈ প্ৰাণপনে চেষ্টা কৰিবলগীয়া হ'ল পৰাণ বৰুৱাই। হেৰাই গৈছে সম্ভাৱনা, সম্ভব্য প্ৰাপ্তিৰ আনন্দময় প্ৰতীক্ষা — । তেওঁৰ মাজত সদা জীৱন্ত এটা মুহূৰ্তক সেই মুহূৰ্তৰ নায়িকাই কেতিয়াবাই প্ৰক্ষেপ কৰিছে বিস্মৃতিলৈ।

আচম্বিতে তেৰোঁ নিৰ্ভাৰ হৈ উঠিল।

নাই। আৰু একো অৱশিষ্ট নাই জীৱনত। যি তেওঁৰ বাবে কঢ়িয়াই আনিব পাৰে অপাৰ নতুনত্ব। এনে কোনো ব্যক্তি নাই, যাৰ অপূৰ্ণতাৰ যন্ত্ৰণাই তেওঁক বিদ্ধ কৰিব পাৰে আমৃত্যু। সকলো সহজ। ভাৰহীন। সৰলৰৈখিক আৰু নিস্তৰংগ।

পোন বাট এটাৰে জীৱনৰ সিপাৰলৈ নিতান্তই স্বাভাৱিকভাৱে গতিশীল হোৱাৰ আগতে শেষবাৰৰ বাবে পৰিণীতাৰ হৃদয়ত ভুমুকিয়াই চোৱাৰ ইচ্ছা হ'ল তেওঁৰ। পৰাণ বৰুৱা কাষ চাপি আহিল পৰিণীতাৰ। বৃদ্ধাৰ শীৰ্ণ কোলাত পৰি ৰোৱা অলস হাত এখন নিজৰ হাতলৈ তুলি ল'লে তেওঁ।

'পৰিণীতা, আৰু একো মনত নপৰে তোমাৰ? ... একোৱেই?'

বলি থকা বতাহজাকৰ গতি শ্লথ হৈ পৰিছিল। ছানী থিয় হৈছিলহি তেওঁলোকৰ কাষত।

'মা ... মা, কাকো নোকোৱাকৈ ইমান দূৰ আহিছা। চিন্তা নালাগে নেকি?' বিৰক্তি আৰু উষ্মা মিহলি কণ্ঠেৰে অভিযোগ কৰিলে সি।

পৰাণ বৰুৱাৰ হাতৰ মুঠিৰ পৰা খহি পৰিল পৰিণীতা গোস্বামীৰ অলস হাতখন, যিদৰে হাতৰ ৰিক্ত মুঠিৰ পৰা সময় খহি পৰে — গছৰ পৰা সৰি পৰে মৰহা ফুলৰ পাহি। পৰিণীতা থিয় হ'ল। 'নোযোৱা?' সুধিলে তেওঁক। 'তোমালোক যোৱা। মই অলপ সময় বহিম।' পৰাণ বৰুৱাই উত্তৰ দিলে। ইতিমধ্যে তেওঁক সৌজন্যসূচক মাত এষাৰো নিদিয়াকৈ উলটি খোজ দিবলৈ আৰম্ভ কৰিছিল ছানীয়ে।

তেওঁৰ ফালে অলপ হালি খুব সৰুকৈ কৈ উঠিল বৃদ্ধা পৰিণীতাই —

'মই পাহৰা নাই পৰাণ, ব্ৰহ্মপুত্ৰৰ পাৰত বৰ্ষণমুখৰ সন্ধ্যা এটাত তুমি মোৰ হাতত চুমা খাইছিলা। আৰু ... '

'মা' — ছানীয়ে পুনৰ চিঞৰি মাতিলে।

পৰাণ বৰুৱাই দেখিলে — বাক্যটো সম্পূৰ্ণ নকৰাকৈয়ে নিৰ্লিপ্ত খোজ এটাৰে কণিষ্ঠ পুত্ৰৰফালে আগবাঢ়ি গৈ থাকিল পৰিণীতা। □ □

ইপাৰ-সিপাৰ নেদেখা পখাৰখনত এন্ধাৰৰ কোমল চেকুৰা কিছুমান বিয়পি পৰিছে। বহুত দিনৰ আগতে যিবোৰ এজাৰ, শিমলুৰ তলত নিশাহঁতৰ খিলখিল হাঁহি আৰু কৌতুহলী নিঃশ্বাসবোৰ ঘূমুটিয়াই ফুৰিছিল, সেইবোৰ এজাৰ আৰু শিমলু ভগ্নস্তূপৰ দৰে বিষণ্ন আৰু বিধ্বস্ত হৈ পাতল এন্ধাৰত থিয় দি আছে। আজি জোনাকীৰ জাক ওপঙিবনে বতাহত... উন্মনা তৰাবোৰে চঞ্চল হৈ চকু টিপিয়াই জোকাবনে তাইক...! আস। কিমান দিনৰ মূৰত যে তাই গাঁৱলৈ আহিছে! কৰ্মসূত্ৰে তাই এতিয়া আকাশ নোহোৱা, সেউজীয়া নোহোৱা, ফুলৰ সুগন্ধি নোহোৱা মহানগৰী এখনৰ বাসিন্দা।

আৰু বহুদূৰ আছে গাঁৱলৈ। শীতল বতাহ এজাকে নিশাক লাহেকৈ চুই দিলে। তাইৰ খোজবোৰ দ্রুত হ'ল। গাঁৱৰ একোণত সৰু আচাম টাইপৰ ঘৰ এটাৰ এন্ধাৰ বাৰাণ্ডাত নিশ্চয় সময়ৰ অনন্ত স্তব্ধতাৰ মুখামুখি হৈ এহাল বৃদ্ধ-বৃদ্ধা বহি আছে। পৰস্পৰক ফাঁকি দিবলৈ যত্ন কৰা দুয়োৰে উদাস দৃষ্টি নিশ্চয় স্থবিৰ হৈ আছে পদুলিত— 'আহিবনে মাজনী....।'

মাজনী আহিছে। এৰা ঢপলিয়াই আহিছে মাজনী। ভৰা ঘৰ এখনৰ প্ৰাচুৰ্য-শৃঙ্খলৰ পৰা, আপাততঃ সুখী সংসাৰ এখনৰ দৃঢ় বিন্যাসৰ পৰা, নবৌ, খুড়ী, বোৱাৰী, নি আদি সম্বোধনবোৰৰ জড় আকৰ্ষণ সোলোকাই তাই দৌৰি আহিছে এহাল বৃদ্ধ-বৃদ্ধাৰ কাষলৈ।

...বহুত দিনৰ আগতে তেওঁলোকৰ চুলিত যেতিয়া অলপো ৰূপালী ৰং পৰা নাছিল, যেতিয়া তেওঁলোকৰ মুখাবয়ব আছিল জোনাকৰ দৰে মসৃণ আৰু মমতাৰ উমসনা, তেতিয়াই মাজনী আহিছিল তেওঁলোকৰ জীৱনলৈ। তাইৰ থুনুক-থানাক মাতবোৰ, থাপাক-থুপুক খোজবোৰ মানুহ হালৰ বুকুত সপোন হৈ ফুলি আছিল সকলো সময়তে। কিমান আটোল-টোলকৈ গঢ়িছিল সপোনটো তেওঁলোকে! কলা কলাকৈ বাঢ়ি অহা স্ব-নিৰ্মিত সপোনটো বুকুত সাবটি প্ৰাপ্তিৰ অহংকাৰত কিমানবাৰ যে উজ্বলি উঠিছিল তেওঁলোকৰ তৃষিত দুচকু.....!

খোজবোৰ দ্রুত হ'ল মাজনীৰ। তাইৰ চাৰিশ বছৰীয়া শৰীৰৰপৰা যেন কেইটামান বছৰ সুলকি পৰিছে। সুলকি

পৰিছে কলেজৰ কৃতী অধ্যাপিকা নিশা বৰুৱাৰ গম্ভীৰ মোটটো আৰু তাই চুলিত ৰিবন মাৰি, ফুটফুটীয়া ফ্ৰক পিন্ধি দৌৰি ফুৰা সৰু ৰাংঢালী 'মাজনী'জনী হৈ পৰিছে।

গাঢ় এন্ধাৰত ওপঙি উঠিছে জোনাকী পৰুৱাৰ জাক। আকাশত দুই এটা তৰাই মিচিকিয়াইছে আৰু চোতালত দেও দি দি মাজনীয়ে উকিয়াইছে— "মা, মা চোৰাচোন তৰাটো খহি পৰিল", "দেউতা জোনবাইৰ বুকুত কোনে তুলসী ৰুলে", "হাতীপটিয়েদি খোজ কাঢ়ি এবাৰ ফুৰি আহিম দেই...।" গ্ৰীষ্মৰ সন্ধ্যা চোতালত পাটি পাৰি বহা মাক দেউতাকৰ মাজত নাভূত-নাশ্ৰুত প্ৰশ্ন আৰু কল্পনা কিছুমানৰ সৈতে টোপনিত লাল কাল দিয়া মাজনীয়ে তেতিয়া ভাবিছিল পৃথিৱীৰ সীমা মানে সোনাতলী পথাৰৰ সিটো পাৰ। ....আৰু জীৱন মানে মাক আৰু দেউতাকৰ মাজত থকা নিৰাপত্তাখিনি। তাই কেতিয়াও ভাবিব পৰা নাছিল বিচ্ছিন্ন এক লোকালয়ত তাইৰ এটা সুকীয়া জীৱন হ'ব য'ত তাইৰ মাক-দেউতাকৰ অস্তিত্ব হ'ব বতাহে কোবাই থকা মিঠাতেলৰ চাকিৰ শিখাৰ দৰেই অনুজ্জ্বল, টিমিকি-ঢামাক। স্কুটাৰৰ হেড লাইটৰ দৰে লগা পোহৰ এটা এন্ধাৰ ফালি মাজনীৰ ‌ গলে আগুৱাই আহিছে। আহি আহি পোহৰটো আৰু ঠিক পোহৰটোৰ লগত আহি থকা শ দটো মাজনীৰ নিচেই কাষতে কঁপি কঁপি ৰৈ গ'ল। ঈষৎ আশ্চৰ্য আৰু আনন্দ মিহলি কণ্ঠ এটাই প্ৰায় চিৎকাৰ কৰি উঠিল— "হা-ৰে নিশা দেখোন! অকলে অকলে ইমান ৰাতি...। অনুজদা অহা নাই?" চিনাকি চিনাকি লগা কণ্ঠটো কাৰ আছিল তাই ঠিক মনত পেলাব নোৱাৰিলে। ইপিনে এন্ধাৰত আগন্তুকৰ মুখখনো স্পষ্টকৈ নেদেখি।

"কি হ'ল? চিনি পোৱা নাই?" আগন্তুকৰ কণ্ঠত পূৰ্বৰ উৎসাহ সামান্যও ম্লান হোৱা নাই।

এইবাৰ কণ্ঠৰ গৰাকীক মাজনীয়ে চিনি পালে। লগে লগে তায়ো উৎসাহিত হৈ উঠিল। "শাশ্বত... তুমি? কোনফালে যোৱা?" প্ৰাথমিক কুশল-বাৰ্তা বিনিময়ৰ পাছত শাশ্বতে স্কুটাৰ ষ্টাৰ্ট কৰিলে "উঠা উঠা। তোমাক ঘৰত থৈ আহিমগৈ।" অলপপৰ কিংকৰ্তব্যবিমূঢ় হৈ থাকি তাই জোৰেৰে প্ৰতিবাদ কৰি উঠিল "নালাগে নালাগে। তুমি যোৱা। কিমাননো দূৰ আৰু! গুৱাহাটীত ৮-৩০ টা ৯-০০ টা লৈকে অকলে ঘূৰি ফুৰো।" শাশ্বতে কোনোপধ্যেই তাইক অকলে খোজকাঢ়ি যাবলৈ দিবলৈ মান্তি নোহোৱাত সঁচা কথাষাৰকে কৈ পেলালে মাজনীয়ে, "আচলতে শাশ্বত বহুদিনৰ মূৰত গাঁৱৰ সতেজ শীতল বতাহজাক গাত লাগিছে। তৰাভৰা আকাশৰ তলেৰে জোনাকি পৰুৱাৰে বেষ্টিত হৈ বহুত দিনৰ মূৰত খোজ কাঢ়িছোঁ। ...এতিয়া নিঃসঙ্গ যাত্ৰাৰ এই আনন্দখিনি তোমাৰ স্কুটাৰত গৈ হেৰুৱাব খোজা নাই। ...আৰু মাত্ৰ সাত বাজি গৈছেহে।" অনুভৱী ল'ৰা শাশ্বত। মাজনীৰ সহপাঠী। আগতে দুয়ো একেলগে নাটক কৰিছিল। গানৰ ষ্টেজ প্ৰগ্ৰেম কৰিছিল। সি বুজিলে। "তোমাৰ পাগলামীবোৰ নুগুছিল আৰু" স্কুটাৰ ষ্টাৰ্ট কৰোতে সি ক'লে আৰু ফুৰফুৰীয়া ধূলি অলপ উৰুৱাই গুচি গ'ল। এন্ধাৰত অকলে পুনৰ বাট বুলিবলৈ আৰম্ভ কৰিলে তাই। হাতত এটা সৰু এটাচি। কপালৰ ঘাম আৰু ধূলিত লিপিত খাই পৰিছে তাইৰ চুলি। কটনৰ শাৰীখন প্ৰয়োজনতকৈও গধুৰ যেন বোধ হৈছে।

...দ্বিতীয়খন দলং পাৰ হ'ব খুজি তাই খন্তেক থমকি ৰ'ল। দলংখনৰ ঠিক দাঁতিয়েদি কটাবাটলৈকে নামি গৈছে এটা ৰাস্তা। কটাবাটৰ বিস্তৃত পথাৰ আৰু সৰু সেউজীয়া টিলা

এটাৰ ছবি এখন মাজনীৰ মানস পটত ভাঁহি উঠিল। তাই সম্ভৱতঃ স্কুললৈ যোৱাৰো বহু আগৰ কথা সেয়া। কাম কৰা মানুহ যথেষ্ট থাকিলেও মাক-দেউতাক মাজে মাজে পথাৰলৈ গৈছিল। কেতিয়াবা মাজনীকো লগত লৈ গৈছিল। এদিন ক'ৰ পৰা জানো বৰ মৰম লগা হৰিণ এটা দৌৰি দৌৰি আহিল সোণালী ধানৰ মাজে মাজে আৰু গামোচাৰ তম্বু তৰি ধানৰ ওপৰতে মাকে বহুৱাই থোৱা মাজনীৰ কাষতে বাগৰি দিলে। লগে লগে হাতত কাঁচি-লাঠি-জোং লৈ কেইজনমান মানুহ দৌৰি আহি মাজনীহঁতৰ ওচৰ পালেহি। মাজনীৰ মাকে হৰিণটো সাবটি ধৰিলে আৰু দেউতাকে উচ্চ স্বৰত তৰ্ক আৰম্ভ কৰি দিলে অস্ত্ৰধাৰীসকলৰ লগত। কিন্তু অৱশেষত মাজনীৰ মাক-দেউতাকৰ হাজাৰ বাধা সত্বেও পথাৰৰ সোণালী ৰঙ ৰঙা হৈ যোৱাকৈ হৰিণটোক যাঠীৰে খোটা হ'ল। হিংস্ৰ আনন্দত মানুহকেইজনে কিৰিলি পাৰি উঠিল। চটফটাই চটফটাই সিহঁতৰ সন্মুখত বাগৰি পৰি মৃত্যুক সাবটি লোৱা হৰিণটোৰ যন্ত্ৰণাকাতৰ বিননি আৰু সেই ভয়াৰ্ত চকুহাল মাজনীৰ বুকুৰ ভিতৰলৈকে বহি গৈছিল।... তাৰ পাছত বহু ৰাতি টোপনিত উচুপিছিল তাই। চক খাই সাৰ পাই উঠি মাকক সাবটি ধৰিছিল।.... আৰু সেই সময়চোৱাতে তাইক টোপনি নিয়াবৰ বাবে দেউতাকে ৰামায়ণ মহাভাৰতৰ সকলো কাহিনী কৈ শেষ কৰিছিল। বিয়াৰ পাছত অনুজহঁতৰ সুদৃশ্য ড্ৰয়িং ৰুমত হৰিণাৰ শিং আৰু বাঘৰ ছালৰ অহংকাৰী সজ্জা দেখি তাইৰ চকুযোৰ ডাঙৰ হৈ উঠিছিল। সেয়া বোলে অনুজৰ সফল চিকাৰী বুলি খ্যাতি থকা জমিদাৰ ককাকৰ কৃতী! সিহঁতৰ বেডৰুমৰ পৰা অনুজৰ অত্যন্ত অনিচ্ছা সত্বেও তাই হৰিণাৰ সৰু ৰূপালী ৰং দিয়া শিংযোৰ বাহিৰ কৰি দিছিল। শৈশৱত দেখা মৃত্যুমুখী হৰিণটোৰ কাতৰ চাৱনি আৰু কৰুণ বিননি কটাবাটলৈ যোৱা বাটটোৰ দাঁতিত অকলশৰে থিয় দি থকা মাজনীৰ বুকুত বিশ-একৈশ বছৰৰ পাছত পুনৰ উকমুকাই উঠিল...।

এইখিনিৰ পৰাই জনবসতি ঘন হৈছে। দোকান-পোহাৰো হৈছে দুই-এখন। কিছুমান ল'ৰা-ছোৱালী আৰু আদহীয়া মানুহ ফুৰিবলৈ ওলাই আহিছে। মাজনীৰ নিৰ্লিপ্ত খোজৰ মুদ্ৰা আৰু ক্লান্ত অৱয়ৱৰ ওপৰেৰে বহুতৰে অনিসন্ধিৎসু দৃষ্টি বাগৰি গৈছে। সৰুতে তাইক লগত লৈ ফুৰাৰ আচৰিত প্ৰৱণতা এটা আছিল দেউতাকৰ। মেধাৱী, দেখনিয়াৰ, গহীন-গম্ভীৰ ছোৱালীজনী লগত লৈ ফুৰোতে দেউতাকৰ মুখখন গৰ্বত উজ্জ্বল হৈ থাকিছিল। তেওঁ আশা কৰিছিল সকলোৰে লক্ষ্য কৰক আৰু ঈৰ্ষিত হওক তেওঁৰ সন্তান ভাগ্যত। 'মোৰ ছোৱালী' 'মোৰ ছোৱালী' দেউতাকৰ মুখত লাগি থাকিছিল। দেউতাকৰ অন্ধ সন্তান-প্ৰীতিৰ বাবে মাজে মাজেনো কমখন অস্বস্তিত পৰিছিল নে তাই! সেই যে স্কুল ছুটীৰ সময়তে আকাশ ভাগি হুৰমুৰকৈ পৰিল বৰষুণজাক আৰু লগৰবোৰৰ লগত আৰম্ভ হৈ গ'ল খিৰিকীৰে হাত উলিয়াই বৰষুণ চোৱাৰ প্ৰতিযোগিতা। নহ'লে আঠটা ক্লাচৰ শেষত অলপ গল্প-গুজব! ...নাই। মাজনীৰ সেই ভাগ্য নাছিল। ডাঙৰ ছাতি এটা লৈ দেউতাকৰ বিশ্বস্ত অনুচৰ মনোকাই স্কুল পাইছিলহি। 'বডিগাৰ্ড আহি গ'ল তোৰ'— লগৰবোৰৰ ইয়াৰ্কিৰ মাজেৰে তাই মনোকাইৰ লগত গুচি আহিব লগা হৈছিল। ঘৰৰ দুৱাৰদলিত বৈ থকা দেউতাকৰ উদগ্ৰীৱ অধীৰ দৃষ্টিলৈ তাইক দেখাৰ লগে লগে এক স্বস্তিৰ আভা নামি আহিছিল। দেউতাকৰ চকুত জিলিকি উঠা স্বস্তিৰ এই আভা চাই পৰিতৃপ্ত হ'বলৈ বিয়াৰ পাছৰ প্ৰথমটো বিহুত মাজনী ঘৰলৈ যাব

নোৱাৰিলে। দেউতাকৰ ব্যক্তিত্বৰ আঁৰত সদায় লুকাই থকা মাকৰ বুকুৰ হাহাকাৰখিনি, কাঁহিত ভাত বাঢ়ি লওঁতে চকুৰ কোণত লুকুৱাই ৰখা চকুপানীখিনি ডেৰশ কিলোমিটাৰ দূৰত থাকিও ব্যস্ততাৰ আঁৰে আঁৰে মাজনীয়ে অনুভৱ কৰি থাকিল। সেইবাৰ মাজনীৰ একমাত্ৰ ননদ বসুন্ধৰা ঘৰলৈ আহিছিল। প্ৰথম প্ৰসৱৰ সময়। মাকৰ ঘৰৰ আদৰ-যত্ন আৰু নিৰাপত্তাবোধৰ আৱশ্যক।

'ইয়াৰ পাছত ছুটী পালেই...' তাইৰ মূৰত হাত বুলাই যথেষ্ট সহমৰ্মিতাৰে অনুজে তাইক প্ৰতিশ্ৰুতি দিছিল— বসুন্ধৰা যোৱাৰ পাছতে দুয়ো এইবাৰ ঘৰলৈ যাব।

নতুন ঘৰখনৰ চুক কোণবোৰ মাজনীৰ চিনাকি হৈ উঠিল। দেওৰেকে ভাল পোৱা চিকেন-বিৰিয়ানি, শাহুৱেকৰ আলু পৰঠা আৰু অনুজৰ প্ৰিয় নৰসিংহৰ জোলখন বনোৱাত মাজনী পাকৈত হ'ল। কলেজৰ ক্লাচ কেইটা সামৰি আহি আজৰি পৰত খিৰিকী খুলি গজল শুনাৰ পৰিৱৰ্তে অনুজৰ ইচ্ছামতে চিনেমা চাবলৈ বা শাহুৱেকক সংগ দিবলৈ টিভিৰ ওচৰত বহিবলৈ তাইৰ বেয়া নলগা হ'ল। কিন্তু অ নৰ পচন্দমতে ৰন্ধাৰ সময়ত মাজনীৰ ঠিকেই মনত থাকিল তাইৰ অনুপস্থিতিত তাইৰ প্ৰিয় মাছ জাতিলাওৰ আঞ্জাখন বনাবলৈ মাকৰ ছাগৈ কষ্ট হয়...। দেউতাকে বজাৰ কৰি অনাৰ পাছত কলডিলটো কাটিবলৈ ধৰা মাকক ছাগৈ কয় "আজি নালাগেচোন দিয়া। মাজনী আহেইবা! তাই আকৌ কলডিল বৰ ভাল পায় নহয়।" স্মৃতিৰ অনুচ্ছ গুণগুণনিবোৰে অনবৰতঃ তাইৰ সোঁৱে-বাঁৱে অগা-ডেৱা কৰি থাকিলেও কলেজ আৰু ভৰা ঘৰ এখনৰ আব্দাৰ অনুযোগবোৰ আওকাণ কৰি মাক দেউতাকৰ উৎকণ্ঠা প্ৰতীক্ষাৰ অন্ত পেলাবলৈ বহাগ বিহুৰ আগলৈকে তাই ঘৰলৈ যাব নোৱাৰিলে। বহাগ বিহুৰ সময়তে শাহুৱেকৰ সৰু ষ্ট্ৰ'ক এটা হ'ল। ডাঙৰ জাক-বৰজনাক, দেওৰেক আৰু আলধৰা মানুহ এজাক থাকিলেও ঘৰখনত তাইৰ উপস্থিতিৰ বোলে অতীব প্ৰয়োজন। নহ'লে বেয়া দেখি। অনুজৰ যুক্তি!

এসোপা অভিযোগ আৰু তাৰ আঁৰে আঁৰে এটা প্ৰবল ক্ষোভ মাজনীৰ বুকুৰ ভিতৰত উমি উমি জ্বলিবলৈ ধৰিলে।

গোসাঁই বিহুৰ দিনা খুৰাকৰ ল'ৰা বিজয়ে ফোন কৰিলে— 'মাজনীবা, বৰদেউতাই মোকে পঠিয়ালে তোৰ খবৰ ল'বলৈ। বৰদেউতাৰ কেইদিনমানৰ পৰা জ্বৰ। ফোন কৰিবলৈ আহিব পৰা নাই। ভাল পালেই আহিব।' মাজনীহঁতৰ ঘৰৰ পৰা টাউনৰ পিচিঅ'লৈ সাত কিলোমিটাৰ দূৰ।

'অনুজ, কাইলৈ মই ঘৰলৈ যাম।' সেইদিনা ৰাতি খুউব শীতল দৃঢ় সুৰ এটাৰে মাজনীয়ে ক'লে। ব্যৱসায় সম্পৰ্কীয় কাগজ-পত্ৰ অলপ খুব মনোযোগেৰে খুচৰি থকাৰ পৰা বিৰক্তিৰে মূৰ তুলি অনুজে প্ৰশ্নবোধক দৃষ্টি এটা নিক্ষেপ কৰিলে তাইলৈ।

'দেউতাৰ অলপ জ্বৰ হেনো। বিজয়ে ফোন কৰিছিল।' এক গভীৰ অক্ষমতাৰ দুখে তাইৰ মাতটো বিৰিণা পাতৰ দৰে কঁপাইছিল।

'কিন্তু, মাৰ এই অৱস্থাত এনেদৰে...। মা আৰু বৌক কি বুলি ক'বা? বসুধাইঁতেও হাঁহিব মোক।' অলপ ইতঃস্ততঃ কৰি অনুজ বিছনাখনতে পোন হৈ বহিল।

'মা এতিয়া সম্পূৰ্ণ সুস্থ। মই ভাবিছিলো তোমাকো যোৱাৰ কথা ক'ম। কিন্তু...' চকুলৈ

বাগৰি আহিব ধৰা অশ্ৰুৰ নৈ খনক ভেটা দিবলৈ আপ্ৰাণ চেষ্টা কৰিব লগা হ'ল মাজনীয়ে।

'চোৱা নি—এই সময়ত এনেদৰে গ'লে মায়ে দুখ পাব। বিহুৰ পাছত তুমি কেইটামান দিনৰ ছুটী লৈ ল'বা। ময়ো পাৰো যদি....' যিমান পাৰি সিমান কোমল স্বৰেৰে এটা সিদ্ধান্ত দিয়াৰ ভঙ্গীত ক'লে অনুজে।

....শৰীৰত জ্বৰ জ্বৰ ভাব এটা মাজনীয়েও অনুভৱ কৰিলে। সৰুতে তাইৰ জ্বৰ হ'লে দেউতাক কাষতে শুই নাথাকিলে তাইৰ টোপনি নাহিছিল। এতিয়া গাত এশ দুই ডিগ্ৰী জ্বৰ থাকিলেও ক'বলৈ সংকোচ হয়। ....আৰু ডেৰশ কিলোমিটাৰ আঁতৰত তাইৰ বৃদ্ধ দেউতাকৰ জ্বৰতপ্ত চকুহাল ছাগে কিমান তৃষিত হৈ আছে। কিমান কাতৰভাৱে ছাগে তেওঁ আশা কৰি আছে— মাজনী আহিব...!

সেইদিনা অনুজৰ গাৰ কাষতে শুই শুই মাজনীয়ে অনুভৱ কৰিলে অনুজ তাইৰ পৰা বহুত দূৰলৈ আঁতৰি গৈছে। অচিনাকি চহৰ এখনৰ বিচ্ছিন্ন গলি এটাত অকলশৰে ৰৈ আছে দিকহাৰা মাজনী।

পুৱতি নিশা তাই এটা সপোন দেখিলে—

দুডালকৈ চুলি বন্ধা ফুটফুটীয়া ফ্ৰক পিন্ধা অকণমানি ছোৱালী এজনী মৰনৈৰ পাৰে পাৰে দৌৰি আছে। ভৰিৰ ভাঁজে ভাঁজে চিটিকি পৰিছে জোনাকৰ ৰং...। তাইৰ চঞ্চল ৰিবণৰ গাঁঠিৰ ভাঁজত এথুপি তৰা...! ক্ৰমশঃ ছোৱালীজনীৰ মুখখন দেখা পাইছে মাজনীয়ে। এয়া দেখোন তাই। এৰা, তায়েই। কিন্তু লাহে লাহে মৰনৈখন যি ঠাইত চকুৰ আঁৰ হৈ পৰিছে তাৰ পৰাই শ্লথ গতিৰে আগুৱাই আহিছে মেঘৰ আকৃতিৰ এচপৰা এন্ধাৰ। চৰাইৰ মাত আৰু নৈখনৰ কুলু কুলু সাংগীতিক ধ্বনিক ম্লান কৰি এন্ধাৰ চপৰাৰ লগতে বাঢ়ি আহিছে এক ভয়ঙ্কৰ গম গম শব্দ। বিতত মাজনীয়ে এইবাৰ উলটি দৌৰিবলৈ আৰম্ভ কৰিছে। ...চিৰাল ফটা দি ফাটিছে মৰনৈৰ দুপাৰৰ শস্য-শ্যামলা পথাৰ... নীলা নদীখন ছাইৰঙী হৈ পৰিছে। ক্ৰমশঃ এন্ধাৰৰ চিটিকনি আৰু শব্দবোৰে মাজনীৰ হাত-ভৰি-কঁকালত খামুছি ধৰি পাছলৈ টানিছে। ক্লান্ত, ভয়াৰ্ত মাজনীয়ে হঠাতে দেখা পাইছে ৰিনি ৰিনি—স্থিত প্ৰজ্ঞ, পৃথিৱীৰ সমস্ত মমতা চকুত লৈ তাইলৈ চাই থকা এহাল মানুহ...। আকুল দুহাত মেলি তেওঁলোক ৰৈ আছে তাইক বুকুত সুমুৱাই ল'বলৈ। ...মাজনীৰ হাত-ভৰিৰ পৰা অদৃশ্য শব্দৰ অপ্ৰেম ডোলবোৰ পুনৰ খহি পৰিল। চিৰালফাট দিয়া পথাৰখনে সেউজীয়া সাজ পিন্ধি মিচিকিয়াই হাঁহিলে। নীলা নদীখনলৈ কুলু কুলু শব্দবোৰ, বিভ্ৰান্ত বতাহজাকলৈ চৰাইৰ কলৰৱ আৰু শীতলতা উভতি আহিল। মাজনীয়ে আৰু বেগেৰে দৌৰিবলৈ আৰম্ভ কৰিলে...। মানুহ হালৰ পাৰিপাৰ্শ্বিকতাত কিমান যে নিৰাপত্তা আছে! এই নিৰাপত্তাৰ বেষ্টনিত সোমাব খোজোতেই তাই সাৰ পাই গ'ল।

অনুজ শুই উঠালৈ তাই কানি-কাপোৰ বান্ধি ৰেডি হৈছিল। শাহুৱেক আৰু জাকৰ অসন্তুষ্টিৰ মাজেৰেই কৰিবলগীয়া কামখিনি শেষ কৰিছিল।

শুই উঠি তাইৰ ধৃষ্টতা(!) দেখি চকিত হৈ পৰা অনুজক তাই লাহেকৈ মাত্ৰ কৈছিল, 'কলেজৰ ছুটীৰ এপ্লিকেশ্যনখন ড্ৰাইভাৰটোৰ হতুৱাই দিয়াই দিবা। যিমান দিনলৈকে মা দেউতাৰ প্ৰয়োজন আছে বুলি ভাবো মই তেওঁলোকৰ লগত থাকিম।... আৰু এটা কথা, এই অৱস্থাত

তেওঁলোকক অকলে ইমান দূৰত এৰাটো ভাল নেদেখি। তেওঁলোকে আপত্তি নকৰিলে সম্ভৱতঃ এইবাৰেই মই তেওঁলোকক একেবাৰে মোৰ ওচৰলৈ লৈ আহিম।'

....আৰু মাত্ৰ এটা কেঁকুৰি ঘূৰিলেই ঘৰৰ পদূলিটো দেখা পাব মাজনীয়ে। ক'ৰবাৰপৰা বনৰীয়া ফুলৰ সুবাস এটা উৰি আহি তাইৰ নাকত লাগিল। আকাশলৈ চাই দেখিলে— নিৰ্মেঘ, নীলা। পপীয়া তৰা এটা উথপ-থপ লগাই খহি পৰিল। প্ৰকাণ্ড জৰি গছ জোপাৰ কাষতে থকা মেৰুণ ৰঙৰ লোহাৰ গেটখন জোনাকত জিলিকি উঠিছে। ভৰহীন হৈ মাজনী সেইফালে আগবাঢ়িল। ঠিক সেইখিনিৰ পৰাই তাই এটা নিৰাপত্তা বেষ্টনি তৈয়াৰ কৰিব লাগিব— মৰমৰ মাক আৰু দেউতাকৰ বাবে। ☐ ☐

গভীৰ হৈ আহে নৈঃশব্দ্য। কিছু জয়াল। মই উৎকৰ্ণ হৈ অপেক্ষা কৰো মোৰ ফালে আগবাঢ়ি অহা এটা শব্দৰ বাবে। কিন্তু নাই। প্ৰতীক্ষাৰ দুঃসহ সময়বোৰ অতিক্ৰম কৰি কোনো শব্দই আগুৱাই নাহে। ডিম লাইটৰ ঈষৎ নীলা পোহৰত পাকঘূৰণি খাই খাই বিস্তাৰিত হয় নৈঃশব্দ্যৰ ছাঁ আৰু মই ডুব যাওঁ। কোঠাটোৰ সকলো আচবাব, দেৱালৰ পেইণ্টিঙৰ ওপৰত উফৰি পৰে সেই প্ৰাচীন, শোকাকুল স্তব্ধতা। মোক গ্ৰাস কৰি ক্ৰমশঃ মোৰ অভ্যন্তৰৰ পৰাই মোৰ পাৰিপাৰ্শ্বিকতালৈ প্ৰসাৰিত হয় নৈঃশব্দ্য... এক দুঃসহ নিৰ্জনতা।...

এনে এক সময় আছিল যেতিয়া একান্ত নিৰ্জন পৰতো আশ্চৰ্যকৰভাৱে শব্দময় হৈ উঠিছিল মোৰ সমগ্ৰ সত্তা। মই ঠন ধৰি উঠিছিলো। কাৰ লগত তুলনা কৰিব পৰা যায় শৰীৰৰ ভিতৰৰ সেই নিস্তৰংগ আলোড়নক— যি এটা ভ্ৰূণৰ ধাৰণৰ লগে লগে মৃদুভাৱে গুঞ্জৰিত হ'ব ধৰে গৰ্ভত আৰু চৌপাশক কৰি তোলে ধ্বনিময়! যেন নিৰ্জন শৈল দেৱালত প্ৰতিধ্বনিত হোৱা এটি পখীৰ কাকলি, যেন শুষ্ক মৰুৰ মাজত কোনো তৰংগিনীৰ প্ৰাণ-প্ৰৱাহৰ শব্দ! স্ফীত গৰ্ভত আজন্মা শিশুটিৰ 'মুভমেণ্ট' বাঢ়ি অহাৰ লগে লগে একলা একলাকৈ মই পূৰ্ণ হৈ উঠিছিলো। মোৰ ইচ্ছা-আকাংক্ষাৰ বিপুল জগতখন কেন্দ্ৰীভূত হৈছিলহি মোৰেই গৰ্ভত স্থিতি লোৱা এটি আজন্মা প্ৰাণত। আৰু আদিত্য! বুকুত সপোন আৰু সম্ভাৱনাৰ এখন পাহাৰ কঢ়িয়াবলৈ আৰম্ভ কৰিছিল তেওঁ। ...আৰু এদিন তুলাৰ দৰে কোমল, ঢক্‌ঢকীয়া কণমানি জীৱ এটিৰ কান্দোনে মোৰ তীব্ৰ প্ৰসৱ যন্ত্ৰণাক ম্লান কৰি পেলালে।

# শব্দ, নৈঃশব্দ্য, জীৱন

বৰ উজ্জ্বল, সুন্দৰ আছিল সেইবোৰ মুহূৰ্ত। কোনো শিশু কণ্ঠৰ অস্ফুট উচ্চাৰণ পৃথিৱীৰ সকলো গানতকৈ সুমধুৰ হ'ব পাৰে, ইয়াৰ পূৰ্বানুমান মোৰ নাছিল। শিশুৰ কণ্ঠ নিঃসৃত অবুজ কল্‌কলনিবোৰে চৌপাশক ইমান শব্দময় কৰি তুলিব পাৰে— মই নাজানিছিলো! আৰু এদিন অপাৰ নিস্তব্ধতালৈ আমাক নিক্ষেপ কৰি, আমাৰ হৃদয়ৰ সমস্ত উজ্জ্বলতা সামৰি লৈ, চৌপাশৰ সকলো সুৰ শব্দ বুটলি 'হিয়া' হঠাতে গুচি

গ'ল। জ্বৰৰ প্ৰচণ্ড উত্তাপে দহি পেলোৱাৰ পাছত বৰফৰ দৰে শীতল হৈ পৰা হিয়াৰ নিষ্প্ৰাণ কণমানি শৰীৰটো সাবটি মৃত মানুহৰ দৰেই নিথৰ হৈ পৰিছিল আদিত্য। অশ্ৰু আৰু হু হু শূন্যতাত নিজকে হেৰুৱাই প্ৰথমবাৰৰ বাবে যিদিনা সামান্য প্ৰকৃতিষ্ঠ হৈছিলো—নিৰ্বাক আদিত্যই মোৰ মূৰত হাত থৈছিল। চেঁচা। নিষ্পন্দ হাত। তেওঁৰ চকুৰ মণিত এখন শ্মশান গজি উঠিছিল। ...মই দেখিছিলো।

আমাক আৱৰি থকা সকলো বস্তুৱেই যেন প্ৰচণ্ডভাৱে সলনি হৈ গ'ল। সকলোতে একধৰণৰ নিৰ্লিপ্তিৰ ছাঁ পৰিল। ড্ৰইংৰুমৰ চোফাবোৰ, দেৱাল উজ্বলাই ৰখা মনালিছাৰ ভুৱনভুলোৱা হাঁহিটো, মেহগনি কাঠৰ বহল বিছনাখন, হিয়াৰ বাবে বিশেষভাৱে অৰ্ডাৰ দি বনাই অনা কণমানি খাটখন— মৃত নগৰীৰ প্ৰাচীন ঐশ্বৰ্যৰ দৰে বৰ করুণভাৱে ইহঁত থিয় দি থাকিল। পাৰাপাৰহীন নৈঃশব্দ্যত ডুবি ডুবি।

'নাই নাই। ইমান নীৰৱতা সহ্য কৰা নাযায়।' অতিষ্ঠ হৈ এদিন বিয়লি আদিত্যৰ দুহাত খামুচি ধৰিলো মই। বাহিৰত তেতিয়া সপ্ৰতিভ ৰ'দ। তেওঁ হাঁহিলে। বৰণহীন, নিঃশব্দ হাঁহি। বহুদিনৰ মূৰত আমি একেলগে বাহিৰলৈ ওলাই আহিলো। শীতত শীৰ্ণ হৈ পৰা লুইত আগৰ দৰেই বৈ আছে। সাৱলীল গতি। চিনাকি পাৰ্কখনত প্ৰায় দুবছৰৰ মূৰত ওচৰা-উচৰিকৈ বহিলো দুয়ো। সৰু সৰু নাওবোৰ উটি গৈছে। ঘোলা পানীত মাজে মাজে মেটেকা আৰু জাবৰৰ স্তুপ। সকলো স্বচ্ছন্দ। কোনো উখল-মাখল নাই।

'কিবা কোৱা।' তেওঁ ক'লে।

কি কোৱা যায়নো! পশ্চিম আকাশত বগা বগা ডাৱৰৰ চপৰা কেইটামান ওপঙি ফুৰিছে। সিহঁতৰ পিঠিত সুমথিৰা ৰ'দৰ আঁচোৰ। ঠায়ে ঠায়ে স্বৰ্ণাভ হৈ উঠিছে লুইতৰ পানী। মই মুখ ঘূৰালো। কিছুমান 'পেয়াৰ' খুব নিবিড় হৈ বহিছে। শকত, বগা, নীলা আলোৱান পৰিহিতা এক আধুনিকাৰ হাতত ধৰি তুলতুলীয়া শিশু এটি পাৰ্কখনলৈ সোমাই আহিল। ভদ্ৰ মহিলাৰ বাওঁহাতৰ কনিষ্ঠ আঙুলিত খামুচি ধৰি থুপুক্-থাপাক্কৈ খোজ কাঢ়িছে কণমানিটিয়ে। আনটো হাতত এটা বৃহদাকৃতিৰ পুতলা।

'ধুনীয়া। নহয় নে?' মই ক'লো। আদিত্যই এবাৰ মোৰ ফালে, তাৰ পাছত মোৰ দৃষ্টিক অনুসৰণ কৰি কণমানিটিৰ ফালে আৰু শেষত সুমথিৰাৰঙী ডাৱৰৰ চপৰাটোৰ ফালে চালে।

'ওঁ। ধুনীয়া।' তেওঁ আচলতে কাক ধুনীয়া বুলি ক'লে মোৰ বুজিবলৈ অসুবিধা হ'ল।

আদিত্যৰ হাতখন মোৰ দুহাতৰ মুঠিত লুকুৱাই মই শিশুটিৰ কলকলনি শুনিবৰ বাবে সজাগ হৈ ৰ'লো। লগে লগে মোৰ এক আচৰিত অনুভৱ হ'ল— কিবা যেন ভীষণ নিস্তব্ধতাই সকলোকে ছানি ধৰিছে। মানুহৰ খোজবোৰ, ওঁঠৰ কঁপনিবোৰ, আন্দোলিত গছ-পাতবোৰ আৰু নদীৰ স্নিগ্ধ সোণালী স্ৰোত— সকলো যেন ভয়ংকৰভাৱে শব্দহীন। কি এক গাঢ় নৈঃশব্দ্যই গ্ৰাস কৰি আনিছে সকলোকে! আনকি এই যে মোৰ নিচেই কাষতে বহি আছে আদিত্য— যাৰ প্ৰশ্বাস আৰু স্পন্দনৰ সৈতে মোৰ আত্মিক সম্পৰ্ক তেৱোঁ যেন নিমজ্জিত হৈ আছে সেই সুগভীৰ নৈঃশব্দ্যত। মোৰ ভয় লাগিল।

'আদিত্য, আদিত্য। উঠা। ঘৰলৈ যাম।' নিজৰ কণ্ঠই মোৰ কাণত অচিনাকি হৈ ধৰা দিলে। যেন নৈঃশব্দ্যৰ কোনো সুদৃঢ় প্ৰাচীৰত খুন্দা খাই মোৰ পৰাই পৃথক হৈ পৰিল মোৰেই

কণ্ঠ নিঃসৃত শব্দ। আদিত্য মোৰ ফালে চাই ব্যস্ত হৈ পৰিল।

'কি হ'ল? গা বেয়া নেকি?

এইবাৰ তেওঁৰ কথা মই শুনিলো। আমাৰ গাড়ীখন ষ্টাৰ্ট হোৱাৰ শব্দ, হৰ্ণ বজাৰ শব্দ সকলোৱেই মোৰ কাণত পৰিল। কিন্তু এই শব্দবোৰে মোক আৰুৰি বাঢ়ি অহা ছায়াঘন নিঃশব্দ তৰপবোৰক আঁতৰাব নোৱাৰিলে।

একেই স্তব্ধতা, শব্দহীনতাই আচ্ছন্ন কৰি আনিছিল নেকি আদিত্যকো। ষ্টেৰিঅ'ৰ ওপৰত, ঠাক ঠাককৈ সজোৱা কেছেটবোৰৰ ওপৰত, টিভিৰ ৰিম'ট কন্ট্ৰ'লৰ ওপৰত ধূলিৰ চামনি পৰিল।

এদিন তেওঁ মোক বাৰাণ্ডালৈ উলিয়াই আনিলে। তেতিয়া ফাগুন। আবেলি পছোৱা বলিছিল। বতাহৰ সো-সোঁৱনিৰ শব্দ মোৰ ঠিকেই কাণত পৰিল। কিন্তু এক ধৰণৰ বিচ্ছিন্নতাই সিহঁতক মোৰ ওচৰ চাপিবলৈ নিদিলে। মইতো জানো— শব্দ মানেই নৈঃশব্দ্যৰ অন্ত। কিন্তু কি সেই নৈঃশব্দ্য যি শব্দৰ সান্নিধ্যত প্ৰগাঢ় হৈ উঠে! নিশ্চয় মানুহৰ অন্তৰাত্মাৰ পৰাই ই বিকিৰিত হয় আৰু মানুহক নিলগাই ৰাখে শব্দময় পৃথিৱীৰ পৰা।

আস! যদিহে পুনৰ স্ফীত হৈ আহিলহেঁতেন মোৰ নাভিদেশ! তৰংগিনীৰ প্ৰাণ প্ৰৱাহৰ দৰে সেই মৃদু আজন্মা শব্দ যদি পুনৰ নিঃসৃত হ'লহেঁতেন মোৰেই তেজ-মঙহেৰে গঢ় ল'ব খোজা এটি শৰীৰৰ পৰা। যদিহে মোৰ শৰীৰে হেৰুৱাই নেপেলালেহেঁতেন নাৰীক পূৰ্ণ কৰি তোলা সেই কাংক্ষিত উৰ্বৰতা! সেইদিনাই নিশা মোৰ বুকুত মুখ গুজি উচুপি উঠিছিল আদিত্য।

'ওঁহো। আৰু সহ্য নহয় শ্ৰুতি। মই জীয়াই থাকিব খোজো। আমি এটি সন্তান এড'প্ট কৰিম।'

নিষ্প্ৰাণ ঘৰখন উজ্জীৱিত কৰি তুলিব বিচাৰিছিল তেওঁ। মই 'হিয়া'ৰ ফটো থকা এলবামটো উলিয়াই ল'লো। তাইৰ হাঁহিটোৰ পৰা এটা কল্ কল্ শব্দ নিগৰি আহিল আৰু মোৰ বুকুৰ ভিতৰত তোলপাৰ লগাবলৈ আৰম্ভ কৰিলে।

'নহয় আদিত্য, নহয়। যদিহে এড'প্ট কৰা সন্তানটি মোৰ বাবে 'হিয়া' হৈ নুঠে। যদি আমি ভবাৰ দৰে কথাবোৰ নহয়— এই স্তব্ধতা আঁতৰি নাযায়।'

মনৰ পৃথিৱীখন অলপ সহজ, মুকলি কৰিবলৈ হাবু-ডুবু খাই চেষ্টা কৰিছিল আদিত্যই। তেওঁ স্বাভাৱিকতে বিৰক্ত হ'ল আৰু দুপদুপাই ওলাই গ'ল। সেইদিনাই গধূলি আমাৰ গেটত 'টু লেট' লিখা ফলক এখন ওলমিল।

ব্যৱসায়ৰ কামত পুনৰ মনপুতি লাগিল আদিত্য। গায়ত্ৰী, দুবছৰীয়া অংশু আৰু ফুল আমাৰ ছয় কোঠালিৰ ঘৰটোৰ এটা পাৰ্টৰ নতুন বাসিন্দা হ'ল। কলেজৰ প্ৰবক্তা গায়ত্ৰী। সদ্য বিধৱা গায়ত্ৰীক দেখাৰ আগলৈকে নিয়ৰৰ দৰে কোমল নাৰীৰ মাজত ইমান শক্তি লুকাই থকাৰ কথা মই নাজানিছিলো। প্ৰচুৰ অধ্যয়নশীল আৰু বুদ্ধিদীপ্ত গায়ত্ৰী সহজেই মোৰ 'বন্ধু' হৈ পৰিল। আৰু অংশু! তাৰ থুনুক-থানাক মাত, থুপুক-থাপাক খোজ, কোমল হাঁহিবোৰে মোৰ অজ্ঞাতেই ঘৰখনত প্ৰাণৰ সঞ্চাৰ কৰিলে। ঘৰটোৰ সৰ্বত্ৰ সিঁচৰতি হৈ থকা, মই অ-ভংগুৰ বুলি ভবা নৈঃশব্দ্যৰ তৰপবোৰ অংশুৰ থুনুক-থানাক মাতে ক্ৰমশঃ আঁতৰাই থাকিল।

কাম কৰা ছোৱালী ফুলৰ লগত অংশুক থৈ গায়ত্ৰী কলেজলৈ যায়। অংশু মোৰ লগত থাকে। 'মা'ৰ লগতে সি 'আকল', 'আত্তি' ক'বলৈ শিকিছে। অংশুৰ হাঁহি, কান্দোন, অংশুৱে দলিয়াই দিয়া কাঁচৰ গিলাচ, ফুলদানি ভগাৰ 'ঝনক' 'ঝনক' শব্দ সকলো মোৰ আপোন হৈ পৰিছে। আনকি সি যেতিয়া শুই পৰে তাৰ নিমিলিত চকুৰ পতা, নিষ্পাপ মুখৰ তৃপ্তিৰ ভংগিমা, তাৰ ওঁঠ, হাতৰ পৰাও এক ধৰণৰ অদৃশ্য শব্দৰ গুণগুণনি প্ৰসাৰিত হয়। মই ভৰি উঠো। শূন্য কোঠালি কি এক অপূৰ্ব শব্দময়তাৰে উপচি পৰে।

মোৰ চৌপাশৰ নৈঃশব্দ্য ক্ৰমশঃ গলিব ধৰে। ভয়ংকৰভাৱে উদাস হৈ পৰা মোৰ সময়বোৰত হেঁপাহ আৰু ব্যস্ততাৰ এটা খল্‌মলনি আৰম্ভ হয়। ৰাতি পলমকৈ ঘৰ সোমোৱা আদিত্যকো সম্ভৱতঃ স্পৰ্শ কৰি যায় ঘৰৰ চৌহদত বাজি থকা সুখী শব্দবোৰৰ দ্যোতনাই...। ষ্টেৰিঅ', টিভিৰ পৰা ধূলিৰ চামনি আঁতৰি থাকে, যিদৰে হৃদয়ৰ পৰা আঁতৰিব ধৰে স্মৃতি আৰু হু হু হাহাকাৰৰ তৰপ। নিদ্ৰাৰ বড়িবোৰ মই একাষৰীয়া কৰি থৈ যাওঁ।

...আৰু এদিন নিশা পুনৰ মোৰ বাবে শব্দময় পৃথিৱীখন ধূসৰ হৈ পৰে। মোৰ কাষত শুই থকা আদিত্য নীৰৱেই বিছনাৰ পৰা উঠে, দুৱাৰ খুলি ওলাই যায়। গায়ত্ৰীৰ কোঠাৰ দুৱাৰ খোলাৰ আৰু পুনৰ বন্ধ কৰাৰ শব্দ হয়। অপেক্ষাৰ দুঃসহ ক্ষণবোৰৰ অন্ত পেলাই এসময়ত আদিত্য উভতি আহে আৰু মোৰ কাষত নীৰৱে শুই পৰে।

পুৱা বহুপৰ মই নিদ্ৰিত আদিত্যৰ মুখৰফালে চাই ৰওঁ। নিষ্কলুষ। উজ্জ্বল। 'হিয়া' যোৱাৰ পাছত তেওঁৰ মুখ ঢাকি ৰখা বিষাদৰ ডাৱৰ এতিয়া আঁতৰি গৈছে। আদিত্যক মই একো নক'লো। কোনো অনাকাংক্ষিত পাতনিৰে তেওঁৰ মুখৰ সুখী ৰেখাবোৰ বিকৃত কৰি দিবৰ ইচ্ছা মোৰ নগ'ল। সৰ্বোপৰি প্ৰত্যূষ-সায়াহ্নত অংশুৰ সান্নিধ্য তেতিয়ালৈ মোৰ বাবে অপৰিহাৰ্য হৈ পৰিছে।

এটা মাহত পুনৰ দুৰাতি একেই ঘটনাৰ পুনৰাবৃত্তি ঘটিল। মোৰ কাষৰ পৰা উঠি যোৱা আদিত্যৰ সন্তৰ্পণ খোজবোৰৰ লগে লগে মোৰ পাৰিপাৰ্শ্বিকতাৰ পৰা সমস্ত চিনাকি শব্দ আঁতৰি গৈ থাকিল।

মোৰ কাষৰ পৰা তেওঁৰ শ্বাস-প্ৰশ্বাসৰ শব্দ, হৃদস্পন্দনৰ শব্দ তুলি লৈ আদিত্য গায়ত্ৰীৰ ওচৰলৈ যায়। নৈঃশব্দ্যত ডুবি ডুবি মই ব্যাকুল হৈ অপেক্ষা কৰো তেওঁৰ বাবে। এসময়ত তেওঁ আহে। মোৰ কাষত শুই পৰে। তেওঁৰ নিশ্বাস, বুকুৰ স্পন্দনৰ শব্দ অহৰহ বতাহত বাজি থাকে। কিন্তু, এই শব্দই জোকাৰি পেলাব নোৱাৰে মোৰ সৰ্বত্ৰ শিপাই ৰোৱা নিস্তব্ধতা। নিঃসাৰ হৈ মই পৰি ৰওঁ পাৰাপাৰহীন সেই কঠিন নৈঃশব্দ্যত, অকলশৰে।

এয়া অলপ আগতে আদিত্য উঠি গৈছে। গভীৰ হৈ আহিছে নৈঃশব্দ্য। কিছু জয়াল। উৎকৰ্ণ হৈ মই অপেক্ষা কৰিছো মোৰ ফালে আগবাঢ়ি অহা এটি শব্দৰ বাবে। কিন্তু নাই। প্ৰতীক্ষাৰ দুঃসহ সময়বোৰ অতিক্ৰম কৰি কোনো শব্দই আগবাঢ়ি অহা নাই। ডিমলাইটৰ ঈষৎ নীলা পোহৰত পাকঘূৰণি খাই খাই বিস্তাৰিত হৈছে নৈঃশব্দ্যৰ ছাঁ আৰু মই ডুব গৈছো। কোঠাটোৰ সকলো আচবাব, দেৱালৰ পেইণ্টিঙৰ ওপৰত উফৰি পৰিছে সেই প্ৰাচীন, শোকাকুল স্তব্ধতা। মই থিয় হ'লো। এই নৈঃশব্দ্যৰ পৰা মই মোক বচাব লাগিব। খেপিয়াই খেপিয়াই মই দুৱাৰখনৰ ফালে আগবাঢ়িলো। গায়ত্ৰীৰ কোঠাৰ ভেণ্টিলেটৰেদি এচমকা পোহৰ আহি

বাৰাণ্ডাৰ একোণত থুপ খাইছেহি। চোতালত মৃদু বতাহ আৰু জোনাকৰ নিঃশব্দ কোলাকুলি। বনৰীয়া ফুলৰ সুঘ্ৰাণ উটি আহিছে বতাহত। গায়ত্ৰীৰ কোঠাৰ পৰা উটি আহিছে আদিত্যৰ অস্ফুট হাঁহিৰ শব্দ। এই সকলোবোৰে জড় কৰি পেলোৱাৰ উপক্ৰম কৰিছে মোক। কি আছে সেই কোঠাৰ ভিতৰত। অবিন্যস্ত দুটি পুৰুষ-নাৰীৰ আদিম নিবিড়তা! পৰস্পৰত মগ্ন হৈ পৰা নিভৃত উশাহ!

শ্লীলতাৰ গণ্ডীৰ বাহিৰৰ এটি দৃশ্যৰ মুখামুখি হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰি মই হেন্দেলত ধৰি ঘপকৈ দুৱাৰখন টানি দিলো। আৰু মোক আচৰিত কৰি মোৰ সমুখত প্ৰতিভাত হ'ল, মোৰ হৃদয়ত অপূৰ্ব ভাস্কৰ্যৰ দৰে খোদিত হৈ গ'ল সেই পৱিত্ৰতম দৃশ্য— অংশুক কোলাত লৈ চোফাত বহি খেলি আছে আদিত্যই। সেই খেলাত নিষ্কলুষ আনন্দেৰে যোগ দিছে ফুলে আৰু ডিভানৰ একোণত বগা কাপোৰেৰে সৰ্বশৰীৰ ঢাকি মৌন হৈ বহি আছে গায়ত্ৰী। ◻◻

কোমল বতাহ এজাকে পদুলিৰ কৃষ্ণচূড়া আৰু সোণাৰু ফুলৰ পাহিবোৰৰ লগত খেলি আছিল। দিনান্তত ধুসৰ হৈ আহিছিল পোহৰ আৰু কেইটামান জোনাকীয়ে দিনজোৰা আলস্যৰ অন্তত গাৰ চাকিবোৰ জ্বলাই লৈছিল। হঠাতে মৃদু বতাহজাকে প্ৰবল ধুমুহাৰ ৰূপ ল'লে— আন্দোলিত গছ পাতবোৰলৈ সঞ্চাৰিত হ'ল উদ্দাম-অস্থিৰ নাচোন। মুহূৰ্তৰ ভিতৰতে ৰহস্যময় সাজ পিন্ধি যেন অচিনাকি হৈ পৰিল সন্ধিয়াৰ পৃথিৱী।

তচ্‌নচ্ হৈ পৰা কণমানি জোনাকী কেইটাৰ বাবে অজন্তাৰ বুকুখন গধুৰ হৈ পৰিল। খোলা খিৰিকীৰ কাষত বহিঃ বিশ্বৰ এই সশব্দ আলোড়নক প্ৰত্যক্ষ কৰি তাই বহি থাকিল, অকলশৰে!

বতাহৰ এটা প্ৰচণ্ড টৌৱে অজন্তাক হাউলাই পেলালে। পানীৰ কিছুমান সূক্ষ্ম কণিকাই আঁচুৰি গ'ল তাইৰ মুখ, শাৰীৰ আঁচল। বতাহৰ খুন্দাত দেৱালত ওলোমাই থোৱা কেলেণ্ডাৰখন মাটিত পৰি গ'ল। অজন্তাই তুলি ল'লে। ৰঙা চিয়াঁহীৰ দাগৰ মাজত উজ্জ্বল হৈ জিলিকিছে এটা তাৰিখ— '১৫ জুন'। অজন্তাই শাৰীৰ আঁচলেৰে কেলেণ্ডাৰখন মচিলে আৰু পূৰ্বৰ ঠাইত ওলোমাই থ'লে। আচলতে উজ্জ্বল ৰঙাৰ মাজত জিলিকি থকা সেই তাৰিখটোৱেই 'আজি'। সেয়েহে মহানগৰীৰ প্ৰান্তীয় এলেকাৰ দুকোঠলীয়া ফ্লেটটোত অজন্তাই অকলশৰে যাপন কৰিব বিচাৰিছে নিজক। হৃদয়ৰ একোণত সংগোপনে সাৰ পাই উঠা বিষাদ আৰু একাকীত্বক।

ঘণীভূত হৈ আহিছিল এন্ধাৰ। বতাহৰ প্ৰাবল্য কিছু কমিছিল। বৰষুণৰ ডাঠ, দীঘলীয়া টোপালবোৰ বিজুলীৰ পোহৰত চিক্‌মিকাই উঠিছিল। দুমহলাত থকা নিজৰ কোঠাৰ খিৰিকীখনেৰে পদুলিত কৃত্ৰিম পোহৰৰ এটা চমকা দেখা পালে অজন্তাই। দীঘল ৰাস্তাটোৰ ওপৰত ছেদেলি-ভেদেলি হৈ পৰি থকা সোণাৰু আৰু কৃষ্ণচূড়াৰ পাহিবোৰৰ ওপৰত পাতল পোহৰৰ চমকাটো ক্ৰমশঃ উজ্জ্বল হৈ পৰিলহি। এখন গাড়ী থামিল পদুলিত আৰু গাড়ীৰ পৰা নামি এটা ওখ, ঋজু অবয়ৱ সিহঁতৰ ফ্লেটৰ ফালেই আগবাঢ়িল। বৰষুণৰ তীব্ৰতাক প্ৰত্যাহ্বান জনায়ে যেন আগন্তুকে সামান্যও শ্লথ

## ক্ষণভংগুৰ

নকৰিলে খোজৰ গতি। বৰঞ্চ প্ৰচণ্ড প্ৰত্যয় আৰু অহংকাৰেৰে প্ৰকৃতিৰ প্ৰতি নিৰ্লিপ্তি প্ৰদৰ্শন কৰি তেওঁ ফ্লেটৰ বাৰাণ্ডাত ভৰি থ'লে।

মুহূৰ্তৰ বাবে অজন্তা নিশ্চল হৈ গ'ল। আশা আৰু যন্ত্ৰণাৰ চাকনৈয়াত চূৰ্ণীকৃত হোৱা তাইৰ মনে সেই সময়তে খৰধৰকৈ কেইটামান 'কেলকুলেশ্যন' কৰি পেলালে। খিৰিকীখন বন্ধ কৰি তাই লাইটটো জ্বলাই দিলে।

'সা ৰে গা মা...' অজন্তাৰ মনোমত কলিংবেলৰ সাংগীতিক শব্দত কাৰোবাৰ উপস্থিতিৰ বতৰা। দুৱাৰ খুলি অজন্তাই দেখিলে সেই চিৰ পৰিচিত ভংগীৰে বৈ আছে শিশিৰ। ওখ, মেদহীন শৰীৰ। ওঁঠত জান-নাজান এটা হাঁহি। চকুত কিছু ঔদ্ধত্য, কিছু গভীৰতা।

'আহা'।

কোঠাটোলৈ সোমোৱাৰ আগে আগে পকেটৰ পৰা এখন ৰুমাল উলিয়াই মুখ-হাত মচিলে শিশিৰে। শিশিৰক বহিবলৈ দি ভিতৰৰ পৰা খৰধৰকৈ এখন টাৱেল আনি দিলে অজন্তাই।

'ভালদৰে মূৰটো মচি লোৱা। বৰকৈ তিতিলা।'

আকাশ নীলা টাৱেলখনেৰে মুখখন মচিবলৈ লৈ বৈ গ'ল শিশিৰ। কোন সুদূৰৰপৰা যেন শূন্যত ওপঙি আহিছে এটা কোমল, পৰিচিত গোন্ধ। হৃদয়ক পৱিত্ৰ কৰি তোলা, শৰীৰক নিষ্কলুষ কৰি তোলা এটা খুব আপোন আপোন গোন্ধ। অজন্তাৰ গাৰ গোন্ধ।

'বিশেষ কাম এটাত এইফালে আহিছিলো। ভাবিলো তোমাক লগ কৰি যাওঁ।' ইতস্ততঃবোধত শিশিৰৰ মাতটো মুকলিকৈ নোলাল। তাৰ সন্মুখত তলমূৰকৈ অজন্তা বহি আছে। আগতকৈ শেঁতা আৰু লেহুকা দেখাইছে অজন্তাক।

'কেনে আছা?' শিশিৰে সুধিলে। সামান্য হাঁহি মূৰটো লৰালে অজন্তাই। মুখত কোনো ভাব ফুটি নুঠিল। মুহূৰ্তৰ বাবে শিশিৰ বিৰক্ত হ'ল। চিৰদিনেই এনেকুৱা অভিব্যক্তিহীন অজন্তা। এই যে আজি এটা বিশেষ দিনত শিশিৰ আহিল ইয়াৰ বাবে এটা সুস্পষ্ট প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব নোৱাৰেনে অজন্তাই! অথচ এটা প্ৰতিক্ৰিয়া— আনন্দ, বিষাদ, প্ৰাপ্তি, অভিমান অথবা বিৰক্তিৰ— খুবেই আশা কৰিছিল সি।

'কাম হ'ল?' অজন্তাই সুধিলে। এটা উত্তাপহীন প্ৰশ্ন।

সন্মতিসূচকভাৱে মূৰ দুপিয়ালে শিশিৰে।

'তুমি বহা। মই কফি আনো।' অজন্তা উঠি গ'ল। ড্ৰয়িংৰুমৰ পৰা বেডৰুম পাৰ হ'লেই কিচ্চেন। বেডৰুম আৰু কিচ্চেনক সংলগ্ন কৰি ৰখা দুৱাৰখনত আঁউজি অলপ দীঘলকৈ উশাহ ল'লে অজন্তাই। পাঁচ মাহৰ পাছত তাই মুখামুখি হৈছে শিশিৰৰ স'তে। তাইৰ মনৰ মাজত ইতিমধ্যে উত্তৰবিহীন হাজাৰটা প্ৰশ্নৰ অগাডেৱা আৰম্ভ হৈছে।

কিমান স্বপ্ন আৰু আশাৰে সংপৃক্ত আছিল দুবছৰৰ পূৰ্বৰ আজিৰ দৰেই এটা বৰ্ষণমুখৰ দিন! সৰল, প্ৰাণোচ্ছল যুৱক এজনৰ হাতত ধৰি তাই প্ৰথম ভৰি দিছিল এই ঘৰটোত। ইঞ্জিনীয়াৰিং পাছ কৰি বেকাৰ হৈ থকা শিশিৰৰ লগত কলেজ এখনত মূৰটো গুজিয়েই ক'ৰ্ট মেৰেজ কৰিছিল তাই। গোড়া ব্ৰাহ্মণ পৰিয়ালৰ ছোৱালী হৈও সুদিৰ যুৱকৰ লগত বিয়াত বহাৰ বাবে ঘৰৰপৰা অজন্তাক ত্যেজ্যপুত্ৰী কৰিছিল। অথচ, যাৰ বাবে তাই ওপজা ঘৰখনৰ

স্নেহ আৰু আশ্ৰয় নেওচা দি গুচি আহিছিল, তেৱেঁই অজন্তাক এৰি থৈ গুচি গ'ল এখন অনাত্মীয় পৃথিৱীত।

বুকুৰ মাজত ওফন্দি আহিব ধৰা কান্দোন এটা জোৰকৈ চেপি ধৰি তাই খৰধৰকৈ কফি বনোৱাত লাগিল।

এই মুহূৰ্তত তাই অতীতত হেৰাব বিচৰা নাই। মনত ৰাখিব খোজা নাই অনিশ্চিত ভৱিষ্যতক। মাথোঁ বৰ্তমানৰ মুখামুখি হ'ব বিচাৰিছে, সহৃদয়তাৰে।

এডোখৰ চেণ্ডউইচ আৰু ভজা কাজু বাদামৰ প্লেটৰ সৈতে কফি কাপ আগ্ৰহেৰেই হাত পাতি ল'লে শিশিৰে।

'বাসন্তী নাই?'

'তাইৰ মাকৰ অসুখ। তিনিদিনৰ বাবে ঘৰলৈ গৈছে।'

আগতে অজন্তাই অকলে থাকিবলৈ ভয় কৰিছিল। ব্যস্ততা বাঢ়ি অহাত অজন্তাৰ ভয়ৰ প্ৰতি লক্ষ্য ৰাখিয়েই পাৰ্ট টাইম কাম কৰা মানুহজনীক বিদায় দি গাঁৱৰ পৰা বাসন্তীক আনি দিছিল শিশিৰে।

'অকলে থাকিবলৈ ভয় নকৰা আজিকালি?' প্ৰশ্নটো সুধি শিশিৰে বিব্ৰতবোধ কৰিলে।

'নাই! নকৰো।' সহজভাৱেই উত্তৰ দিলে অজন্তাই। 'সমুখৰ ফ্লেটটোত এতিয়া মোৰ ক'লিগ মনিদীপাৰ ফেমিলি থাকে। তলৰ আণ্টিয়েও খবৰ লৈ থাকে।'

কফিৰ কাপত নীৰৱে চুমুক দিওঁতে অজন্তাৰ পিছফালে পিকাছোৰ পেইণ্টিং এখনত চকু পৰিল শিশিৰৰ। সেইখন আগতে নাছিল। হঠাতে নতুন খেল এটা উদ্ভাৱন কৰাৰ দৰে কোঠাটো তন্নতন্নকৈ পৰ্যবেক্ষণ কৰিবলৈ আৰম্ভ কৰিলে শিশিৰে। বহু কিছু একে আছে। কিছু সলনি হৈছে। যিদৰে মানুহ সলনি হয়। দিনে দিনে। মাহে মাহে। বছৰে বছৰে।

ড্ৰয়িংৰুমত আগৰ মটিয়া ৰঙৰ কাৰ্পেটৰ ঠাইত এখন পাতল সেউজ ৰঙৰ কাৰ্পেট পৰা হৈছে। ৰাজস্থানী ষ্টাইলৰ বেতৰ চোফাৰ কাষতে এডাল ষ্টেণ্ডত এজোপা বনছাই কৰা কৰবী ফুলৰ গছ। কোঠাটোৰ এটা কোণত লাফিং বুদ্ধৰ এটা ষ্টেচু।

গ্লাচেৰে আবৃত কিতাপ থোৱা ৰেকত আধ্যাত্মিকতা সম্পৰ্কীয় কেইখনমান নতুন কিতাপ।

'কি চাইছা?'

'একো নাই।'

একোঠালী নিৰৱতা আৰু তাৰ মাজে মাজে টুকুৰা-টুকুৰ কথাৰ ভগ্নাংশ! পৰম অপৰিচিতৰ দৰে মুখামুখি হৈ বহি থাকিল এসময়ৰ অতি চিনাকি দুজন মানুহ।

অজন্তাৰ অস্বস্তি লাগিছিল। তাই এনেয়ে সুধিলে— 'অসুবিধা নহয় যদি ভাত খাই যোৱা। অৱশ্যে, যদি গায়ত্ৰীয়ে...'

সচেষ্ট হৈ উঠিল শিশিৰ। সি যেন অপেক্ষা কৰিছিল এনে এটা অনুৰোধৰ বাবেই।

'মই ইয়ালৈ আহিম বুলি গায়ত্ৰীয়ে জানে। যদি তুমি খুৱাব বিচৰা, মই আনন্দেৰেই ভাত খাই যাম।'

অপৰিচিতৰ আৱৰণৰ আঁৰত আগৰ সেই দুৰন্ত প্ৰেমিক, বে-পৰোৱা ল'ৰাজনক প্ৰত্যক্ষ কৰিলে অজন্তাই। তাই হাঁহি ক'লে— 'তুমি মুখ-হাত ধুই ফ্ৰেচ হৈ ভিতৰতে অলপ ৰেষ্ট

লোৱা। মই কিচ্চেনলৈ যাওঁ।'

বেডৰূম সংলগ্ন বাথৰূমলৈ যাবলৈ শিশিৰৰ অলপ আপচোচ হৈছিল। অজন্তাই গডৰেজৰ ভিতৰৰ পৰা সযতনে ৰখা পলিথিনৰ পেকেট এটা উলিয়াই আনিলে।

'তোমাৰ কাপোৰ। প্ৰয়োজন হ'লে চেঞ্জ কৰিব পাৰা।'

বিছনাত পেকেটটো থৈ অজন্তা কিচ্চেনলৈ গ'ল। পলিথিনৰ ভিতৰৰ পৰা এটা বগা হাফ ছাৰ্ট আৰু ক'লা পায়জামা উলিয়াই ল'লে শিশিৰে। সম্ভৱতঃ একেবাৰে ঘৰ এৰি যাবৰ সময়ত সি নিবলৈ পাহৰি গৈছিল।

সযতনে ধুই ইস্ত্ৰি কৰি থোৱা কাপোৰ সাজ হাতত লৈ অলপ সময় ৰৈ থাকিল শিশিৰ। অজন্তাৰ হাতৰ মমতাৰ পৰশ আছে কাপোৰ সাজত।

এসময়ত পুৱাৰ দৰে স্নিগ্ধ, এই মমতাময়ী অজন্তাজনী একেবাৰে নিজৰ আছিল শিশিৰৰ। স্বপ্নহীন আৰু হতাশগ্ৰস্ত সময়বোৰত প্ৰেৰণা আৰু ভালপোৱাৰে অজন্তাই আৱৰি ৰাখিছিল তাক। অথচ জীৱন যেতিয়া অৰ্থ আৰু ক্ষমতাৰে ভৰি গ'ল তেতিয়া কিমান ধূসৰ হৈ আহিল অজন্তা। আধুনিকতা আৰু স্বচ্ছল জীৱনৰ চাকচিক্যত কিমান আউটডেটেড, কিমান কমন হৈ পৰিল অজন্তা!

বিয়াৰ পাঁচ মাহৰ পিছতে পি ডব্লিউ ডিৰ ইঞ্জিনীয়াৰৰ চাকৰিত জইন কৰিছিল শিশিৰে। মধ্যবিত্ত পৰিয়ালৰ অভাৱগ্ৰস্ততাৰ মাজত ডাঙৰ হোৱা শিশিৰে যেন চাকৰি নহয়, আলাউদ্দিনৰ চাকিটোহে পালে! সোঁৰে-বাঁৰে টকা ঘটি আধুনিক বিলাসী জগতখনত এড্‌জাষ্ট কৰিবলৈ তৎপৰ হৈ উঠিল শিশিৰ। সংঘাত আৰম্ভ হৈছিল ইয়াতেই। শিশিৰৰ দৃষ্টিত পুৰাতন আৰু ভেলুলেছ কিছু আদৰ্শক আকোৰগোঁজকৈ অজন্তাই খামুচি ধৰিলে। শিশিৰে বিশেষভাৱে অৰ্ডাৰ দি অনোৱা ইৰাণী চিফনৰ কাৰুকাৰ্য খচিত শাৰীখন অজন্তাই দলিয়াই পেলালে। সুৰাৰ বটল আৰু নোটৰ বাণ্ডিল লৈ ঘৰলৈ অহা ঠিকাদাৰক উলিয়াই পঠালে। ক্লাব আৰু পাৰ্টিত শিশিৰৰ সংগী হ'বলৈ দৃঢ়তাৰে অস্বীকাৰ কৰিলে।

ফলত ক্লাব আৰু পাৰ্টিত বিদেশী পানীয় গলাধঃকৰণ কৰি আন কোনো নাৰীৰ লাহী কঁকালত হাত থৈ ডেন্স কৰিবলৈ আৰম্ভ কৰিলে শিশিৰে।

...লাহে লাহে অজন্তাৰ আদৰ্শ, প্ৰেম আৰু মমতাৰ আৱৰ্তৰ বাহিৰ হৈ গৈছিল শিশিৰ। এতিয়া অজন্তাৰ হাতৰ স্পৰ্শ থকা কাপোৰ সাজতে সি অনুভৱ কৰিলে হৃদয়ৰ সেই উত্তাপ— যি তাৰ জীৱনৰপৰা প্ৰত্যক্ষভাৱে মেলানি মাগিছে। শিশিৰৰ দুচকু ভৰি আহিল। সি বাথৰূমলৈ সোমাই গ'ল।

আনহাতে, শিশিৰে ভাত খাব বুলি কোৱাত অলপ অস্বস্তিত পৰিল অজন্তা। এনে এটা পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে বুলি তাই একেবাৰে ভবা নাছিল। সেয়ে বজাৰো কৰা নাছিল।

অৱশেষত, আলু-মটৰ-পনীৰৰ তৰকাৰী, বুটৰ দাইল আৰু ফ্ৰিজত থোৱা ইলিচ মাছৰ সৰিয়হ দিয়াৰে ৰাতিৰ সাজ ৰন্ধাৰ বাবে প্ৰস্তুত হ'ল অজন্তা।

বিয়াৰ পিছত প্ৰথম কেইটামান মাহত পাকঘৰৰ কামত অজন্তাক সহায় কৰি দিয়াটো চখ আছিল শিশিৰৰ। ক্ৰমশঃ আদৰ্শ আৰু জীৱন-শৈলীৰ পাৰ্থক্যই সিঁহতক ইমান আঁতৰাই নিছিল যে একেখন ঘৰতে থাকিও কাচিৎহে একেলগে খাবৰ বাবে বহিছিল সিহঁত। সেই সময়তে

একে ডিপাৰ্টমেণ্টৰ বিষয়া গায়ত্ৰী বৰুৱাৰ লগত শিশিৰৰ ঘনিষ্ঠতা বাঢ়ি আহিছিল। আধুনিকা, চৌখিন আৰু তীক্ষ্ণ ব্যক্তিত্বৰ অধিকাৰী গায়ত্ৰী মাজে মাজে সিহঁতৰ ঘৰলৈও আহিছিল। অজন্তাই গম পাইছিল বিয়াৰ দুমাহৰ পিছতে গায়ত্ৰীৰ স্বামী ঢুকাইছে।

এদিন তাই স্পষ্টকৈয়ে শিশিৰক সুধিছিল গায়ত্ৰীৰ লগত থকা তাৰ সম্পৰ্কৰ বিষয়ে।

'যিবিলাক চিটুৱেশ্যনত তুমি মোক সংগ নিদিয়া, মই গায়ত্ৰীৰ ক'ম্পেনি এনজয় কৰো। আউটডেটেড আদৰ্শ কিছুমান খামুচি ধৰি থাকি 'ধৰ্মাত্মা' হোৱাৰ প্ৰয়াস গায়ত্ৰীয়ে নকৰে। সময়ৰ লগত খোজ মিলাব পাৰে বাবেই গায়ত্ৰীক মোৰ ভাল লাগে।' শিশিৰে নিজৰ বে-পৰোৱা স্পষ্টবাদিতাৰে স্তব্ধ কৰি দিছিল অজন্তাক। ক্ৰমশঃ সিহঁতৰ মাজৰ ব্যৱধানে এনে পৰ্যায় পালেগৈ যে একেখন বিছনাতে অনাত্মীয় ব্যক্তিৰ সচেতনতাৰে সিহঁতে উজাগৰী নিশাবোৰ পাৰ কৰিবলৈ আৰম্ভ কৰিলে।

ৰন্ধাৰ মাজতে এবাৰ বেডৰুমলৈ ভুমুকিয়াই চাই অজন্তাই দেখিলে মুখ-হাত ধুই বিছনাত দীঘল দিছে শিশিৰে। তাই উলিয়াই দিয়া কাপোৰ সাজ শিশিৰে পিন্ধা নাই। বুকুৰ ওপৰত সোঁহাতেৰে ধৰি আছে। তেতিয়া চকু দুটা মুদি আন এক ভাবনাত ডুব গৈছিল শিশিৰ। বিবাহৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানত অজন্তাৰ দুগৰাকী বান্ধৱী, শিশিৰৰ দুজন ভায়েক, এজন সহকৰ্মী আৰু একেটা চৌহদতে থকা আন দুটা ভাৰাতীয়া পৰিয়াল উপস্থিত আছিল। কেক, লুচি, মটৰ, পনীৰ আৰু দুবিধ মিঠাইৰ অনুষ্টুপীয়া আয়োজন আৰু বিৰাট ৰং-তামাছাৰ মাজত পাৰ হৈ গৈছিল দিনটো। বৰ সুখী আছিল তেতিয়া সিহঁত।

ইয়াৰ পিছৰ বিবাহ বাৰ্ষিকীটো উদ্‌যাপন কৰা হৈছিল কাছাৰী ঘাটৰ এখন ফ্ল'টিং ৰেষ্টুৰেণ্টত। অজন্তাৰ হাজাৰ আপত্তি সত্ত্বেও শিশিৰে সেই আয়োজন কৰিছিল। নাম নজনা কন্‌টিনেণ্টেল দিছৰ পয়োভৰ, শিশিৰৰ বছ, সহকৰ্মীৰ অভিজাত ভিৰৰ মাজত বন্ধ কোঠাত সোমাই থাকি উশাহ ল'ব নোৱাৰাৰ দৰে অৱস্থা হৈছিল অজন্তাৰ। একোণত অকলশৰে বহি ৰৈছিল তাই।

সাংঘাতিক ধৰণে বিৰক্ত হৈছিল সেইদিনা শিশিৰ। অতি সাধাৰণ মিহি পটি দিয়া বগা পাটৰ কাপোৰ এযোৰ পিন্ধি পাৰ্টিলৈ আহিছিল অজন্তা। তাৰ আগ্ৰহক সম্পূৰ্ণৰূপে উপেক্ষা কৰিয়েই যেন তাই সকলোৰে পৰা আঁতৰি আছিল। আদৰ্শৰ অহংকাৰ! নে শিশিৰৰ প্ৰতি হেয় ধাৰণাৰ উদ্ধত প্ৰকাশ! এবাৰো অনুভৱ কৰাৰ চেষ্টা কৰা নাছিল অজন্তাই তাৰ পদোন্নতিৰ বাবে, ছ'চিয়েল ষ্টেটাছৰ বাবে এই পাৰ্টিৰ গুৰুত্ব কিমান! বিদ্ৰোহী হৈ উঠিছিল শিশিৰ। অজন্তাৰ সমুখতে গায়ত্ৰীৰ কান্ধত মূৰ থৈ বিৰবিৰাইছিল— 'গিভ মি ছেলটাৰ। প্লিজ।'

ঠ-ন-ৰ কৈ কিবা এটা ভগাৰ শব্দত শিশিৰৰ তন্ময়তা ভাগি গ'ল। খৰধৰকৈ কিচেনলৈ গৈ দেখিলে নিমখ থোৱা চিচাৰ বৈয়ামটো মাটিত পৰি ভাগি গৈছে। ভগা চিচাৰ টুকুৰাবোৰ বুটলিবলৈ লওঁতে অজন্তাৰ আঙুলি কাটি তেজ ওলাল। অজন্তাৰ হাতৰ ফালে হাতখন আগুৱাই নিও সংকুচিত কৰি আনিলে শিশিৰে। তাৰ পিছত পকাত পৰি থকা টুকুৰাবোৰ সামৰিব খুজিলে। 'নালাগে নালাগে। তুমি উঠা মই কৰিম।' একধৰণৰ কাঠিন্য আছিল অজন্তাৰ কথাত। শিশিৰ উঠি বেডৰুমলৈ গ'ল আৰু টিভিটো অন কৰি এখন চেয়াৰত বহি পৰিল।

ৰন্ধা শেষ হৈছিল। ডাইনিং টেবুলত প্লেট সজাই থাকোতে এটা ফোন আহিল। ফোনটো

ৰিচিভ কৰিয়েই অজন্তাৰ মুখখন পোহৰ হৈ গ'ল।

....'অ' ৰূপম... কেনে লাগিছে ফুৰি?'

'...ওঁ। ভালে আছো মই। ...নাই নাই একো অসুবিধা হোৱা নাই... অ'। মনিদীপাই খবৰ ৰাখিছে। ...কেনে লাগিছে সাগৰ?...। কেইটামান সুন্দৰ স্নেপ আনিবা মোৰ বাবে...। ...অ'কে ... বাই...।'

'ৰূপমৰ ফোন আছিল। উটিৰ পৰা কৰিছে।' শিশিৰক উদ্দেশ্যি ক'লে অজন্তাই। হঠাতে অজন্তাৰ পোহৰ হৈ থকা মুখখনলৈ চাই শিশিৰৰ বুকুখন শূন্য হৈ গ'ল। সি অনুভৱ কৰিলে অজন্তাৰ ভাল লগা, বেয়া লগা, ভালে থকা নথকা আদিবোৰৰ পৰা বহু দূৰলৈ গুচি গৈছে সি। ক্ৰমশঃ যেন এইবোৰ আন কাৰোবাৰ দায়িত্বৰ ভিতৰুৱা হৈ পৰিছে! ৰূপমক ভালদৰে চিনি পায় শিশিৰে। মনিদীপাৰ কাজিন আৰু অজন্তাৰ সহপাঠী। এতিয়া ইউনিভাৰচিটিত কাম কৰে। বৰ সংগোপনে শিশিৰৰ বুকুৰ একোণত এটা জ্বলন অনুভূত হ'ল।

তলমূৰকৈ খাবলৈ লোৱা অজন্তাও সামান্য অপ্ৰস্তুত হৈছিল। অলপ আগলৈকে হৃদয়ৰ কোনো এটা অৱচেতন কোণত সঁচাকৈয়ে এটা আশা আছিল— অন্ততঃ আজি শিশিৰ আহিব। সঁচাকৈয়ে আহিল শিশিৰ। কিন্তু, এবাৰৰ বাবেও শিশিৰে উল্লেখ কৰা নাই আজিৰ দিনটোৰ বিশেষত্বৰ কথা। অজন্তা বিমূঢ় হৈছে। তাই ধৰিব পৰা নাই আজিৰ দিনটোৰ লগত জড়িত স্মৃতিয়ে শিশিৰক টানি আনিছে নে এয়া নিতান্তই আকস্মিক— সাময়িক অথচ দৃঢ় এটা ইচ্ছা মাত্ৰ!

'আজি জুনৰ ১৫ তাৰিখ শিশিৰ। দিনটো মনত আছেনে তোমাৰ?' সুধিব খুজিলে অজন্তাই। কিন্তু, তাইৰ মুখৰ পৰা আন এটা প্ৰশ্নহে ওলাই আহিল, 'তুমি কি সিদ্ধান্ত ল'লা?' প্ৰশ্নটো বুজিবলৈ গৈ চৰচৰণি খালে শিশিৰে। অন্ততঃ আজিৰ দিনটোত সি এই বিষয়টোৰ পৰা আঁতৰি থাকিব বিচাৰিছিল। শিশিৰে ঘৰ এৰাৰ পিছতে আনুষ্ঠানিকভাৱে ডিভোৰ্ছ লোৱাৰ সিদ্ধান্তৰ বিষয়ে জনাইছিল অজন্তাই। কিন্তু, নিজেও নজনা কিবা এক কাৰণত বিষয়টোৰ পৰা আঁতৰি ফুৰিছিল শিশিৰ।

'আমি যিহেতু পৰস্পৰৰ পৰা আঁতৰিয়েই আছো, অনৰ্থকভাৱে সম্পৰ্ক এটা ওলোমাই ৰখাৰ নিশ্চয় কোনো প্ৰয়োজন নাই।' পুনৰ ক'লে অজন্তাই। এক দৃষ্টিৰে অজন্তাৰ মুখলৈ চালে শিশিৰে। তাইৰ ডাঠ কেঁকোৰা চুলিৰ তলত, শিৰত এতিয়াও জিলিকি আছে সেন্দূৰৰ এটা জান-নাজান দাগ।

শিশিৰৰ এনে লাগিল অজন্তাই স্বাধীনতা বিচাৰিছে। স্মৃতিৰ পৰা। শিৰত আঁকি লোৱা সেন্দূৰৰ মিহি দাগটোৰ পৰা।

'যদিহে আইনগতভাৱে বিচ্ছেদ নঘটাত তোমাৰ কিবা অসুবিধা হৈছে তেনেহ'লে নিশ্চয় সোনকালেই ডিভোৰ্ছৰ কামখিনি শেষ কৰিব লাগিব। তোমাৰ জীৱনটো নতুন ধৰণে গঢ় দিয়াত মোৰ লগত থকা সম্পৰ্ক অন্তৰায় হৈ পৰক —এয়া মই কেতিয়াও নিবিচাৰো।' আহত কণ্ঠেৰে শিশিৰে ক'লে।

মুহূৰ্তৰ বাবে কৌতুকত অজন্তাৰ চকু দুটা জ্বলি উঠিল।... 'আৰু তুমি? গায়ত্ৰীয়ে বাট চাই থকা নাই তোমাৰ বাবে? ডিভোৰ্ছৰ প্ৰয়োজন মোতকৈ তোমাৰ বেছি শিশিৰ।'

স্তব্ধ হৈ গ'ল শিশিৰ। গায়ত্ৰীয়ে দিনে-নিশাই জোৰ কৰিছে ডিভোৰ্ছৰ আনুষ্ঠানিকতাখিনি শেষ কৰিবলৈ।

কিন্তু ক্ৰমশঃ কেনেদৰে যে খেলিমেলি লাগিব ধৰিছে সকলোতে! অজন্তাৰ ব্যক্তিত্বত তাৰ একান্ত প্ৰয়োজনীয় 'কিবাকিবি'ৰ অভাৱৰ বাবে সি গায়ত্ৰীৰ কাষ চাপি গৈছিল। কিন্তু এতিয়া গায়ত্ৰীৰ মাজত সি বহু কিবাকিবিৰ অভাৱ দেখিছে যিখিনিৰে সমৃদ্ধ আছিল অজন্তা। অজন্তাৰ মাজত প্ৰকৃতিৰ 'স্বচ্ছতা' আছিল। গতিকে আদৰ্শৰ ওচৰত, হৃদয়ানুভূতিৰ সততাৰ ওচৰত সকলো ম্লান হৈ গৈছিল। আনহাতে, গায়ত্ৰীৰ বাবে কেৰিয়াৰেই সৰ্বস্ব। হৃদয়, আবেগ আদিৰ বাবে গায়ত্ৰীৰ জীৱনত বৰ বেছি সময় নাই। এই আত্মকেন্দ্ৰিকতা যেন ভয়াৱহভাৱে যান্ত্ৰিক! কেতিয়াবা অতিষ্ঠ হৈ পৰে শিশিৰ। নিঃসংগ হৈ পৰে। সি অনুভৱ কৰে তাৰ জীৱনৰ পৰা লাহে লাহে হেৰাই যাব ধৰিছে মানুহক নিৰাপত্তা দিব পৰা ভালপোৱাৰ সেই অনিৰ্বচনীয় শুদ্ধতা। নাৰীৰ মমত্বৰ সেই কুহুমীয়া উত্তাপ। যিদৰে সায়াহ্নত পোহৰ হেৰাই যায়। শৰতত লুপ্ত হয় মেঘমল্লাৰ।

'তুমি সংঘাতিক ধৰণে জেদী অজন্তা। এই জেদৰ বাবেই নিজক কষ্ট দিছা। মোকো...'

'শিশিৰ, ময়োতো ক'ব পাৰো তুমি কৃতঘ্ন। স্বাৰ্থপৰ। কিন্তু ক'ব বিচৰা নাই। সম্ভৱতঃ পৰস্পৰৰ ওচৰত অভিযোগ কৰাৰ অধিকাৰখিনি আমি হেৰুৱাইছো।'

শিশিৰে উঠি গৈ বেছিনত হাত ধুলে। চাৰে ন বাজিছে। আঁৰ চকুৰে বাচন সামৰি থকা অজন্তাক লক্ষ্য কৰিলে সি। মুখাৱয়বক নিৰ্লিপ্ত কৰি ৰখাৰ ব্যৰ্থ প্ৰচেষ্টাই তাইৰ মুখখন অধিক কৰুণ কৰি তুলিছে।

এটা কথা জানিবলৈ শিশিৰৰ খুব মন গ'ল— আজিৰ দিনটোৰ লগত জড়িত আনন্দ আৰু বিষাদৰ বিশেষ স্মৃতি কিছুমানে অজন্তাক আমনি কৰিছেনে! তায়ো ঘূৰি ফুৰিছে নে সোঁৱৰণীৰ অলি-গলিবোৰত, তাৰ দৰে! ড্ৰয়িং ৰূমৰ চোফাত বহি অজন্তাৰ বাবে অপেক্ষা কৰিলে সি। অজন্তা সোমাই আহি কোঠাটোৰ খিৰিকীবিলাক খুলি দিলে। ধুমুহা-বৰষুণ এতিয়া নাই।

এছাটি সেমেকা বতাহ খিৰিকীয়েদি সোমাই আহিল।

'কিয় খিৰিকী খুলিছা?'

'বতাহজাকৰ বাবে।' অজন্তাই মৃদুকৈ হাঁহিলে।

'বহু ৰাতি হ'ল। আৰু দেৰি নকৰো।' শিশিৰ থিয় হ'ল। পেণ্টৰ পকেটৰ পৰা সৰু এটা পেকেট উলিয়াই খুব দৃঢ়ভাৱে ক'লে— 'তোমাৰ বাবে সামান্য কিবা এটা আছিল।'

নীলা পাৰ্ল খটোৱা সোণৰ মিহি আঙুঠি এটা শিশিৰৰ হাতৰ মাজত চিক্‌মিকাই উঠিল।

'কিয়?' অজন্তাৰ মাতটো কঁপিছিল।

'অফিচৰ কামত গোৱালৈ গৈছিলো। দেখি তোমাৰ ভাল লাগিব বুলি ভাবি লৈ আনিলো।' অজন্তাই কঁপা কঁপা হাতেৰে আঙুঠিটো হাত পাতি ল'লে। একো নক'লে।

যাবৰ বাবে দুখোজ আগবঢ়াই পুনৰ উভতি আহিল শিশিৰ।

'অজন্তা, আজি ১৫ জুন। দিনটোৰ বিশেষত্ব তুমি হয়তো পাহৰিলা বা পাহৰাৰ অভিনয় কৰিছা। এই দিনটোত তোমাৰ ওচৰলৈ অহাটো মোৰ বাবে জৰুৰী আছিল।

'তুমি চিন্তা নকৰিবা। ডিভোৰ্চ্ছৰ কাগজখিনি সোনকালেই মই পঠাই দিম।

সশব্দে দুৱাৰখন খুলি শিশিৰ ওলাই গ'ল।

আচৰিত ধৰণে শূন্য হৈ গ'ল অজন্তাৰ বুকুখন। তাইৰ মনত এতিয়া আৰু কোনো খং নাই। দ্বন্দ্ব নাই। বিদ্বেষ নাই। ইমান ভয়ংকৰ শূন্যতাত কেনেদৰে যে মানুহ নিঃস্ব হৈ যায়! দুৱাৰ-খিৰিকী উন্মুক্ত হৈ থকা এটা কোঠাত এটা দীঘল নিশাৰ নিৰ্জনতাৰ মুখামুখি হৈ অজন্তা থিয় দি থাকিল। অকলশৰে। ❐ ❐

অ'টোৰ পৰা নামি বাৰাণ্ডাত থিয় দিয়ালৈকে আলাসতে যেন ওপঙিহে ৰ'ল অলি। ৰঞ্জনক 'চাৰপ্ৰাইজ' দিয়াৰ পৰিকল্পনাটো ঠিকে আছে যদিও আনন্দ-আবেগক চম্ভালি ল'বলৈ তাই অধিক সচেতন হ'বলগীয়া হৈছে। বিয়াৰ পাছত প্ৰথমবাৰৰ বাবে ৰঞ্জনৰ পৰা এসপ্তাহ আঁতৰত থাকিল তাই। কালি ৰঞ্জনে ফোন কৰোতেও তাই কৈছিল, 'কাইলৈ নহয় ৰণ— প্লিজ। পৰহিলৈ যাম। আৰুবা কেতিয়া এনেদৰে অহা হয় সৰু খুৰাৰ ঘৰলৈ।' শেঁতা হৈ গৈছিল ৰঞ্জনৰ কণ্ঠ, 'ঠিক আছে, তোমাৰ ইচ্ছা। কিন্তু, তোমাক খুব মিচ কৰিছো অলি। ক'তো ভাল লগা নাই। একো কামতে মন বহা নাই।' ...আৰু তাৰ পাছতে একো কামতে মন নবহা হ'ল অলিৰ। আজি পুৱা ৬ বজাতে তাই গুৱাহাটীমুখী গাড়ীত উঠি দিলে। কলিং বেল নবজোৱাকৈ দুৱাৰখন খুলি তাই ড্ৰয়িং ৰুমত সোমাল। তিনি বাজিছে। এই সময়ত কলেজৰপৰা আহি মুখ-হাত ধুই বাতৰি কাকত বা আলোচনী লৈ ষ্টাডিৰুমত বহে ৰঞ্জন। চেণ্ডেলযোৰ খুলি বেগটো চোফাৰ ওপৰতে থৈ তাই যিমান পাৰে শব্দ নোহোৱাকৈ ষ্টাডিৰুমৰ ফালে আগবাঢ়িল।

ষ্টাডিৰুমৰ পৰ্দাখন কোচাই আশ্চৰ্য আতংকত স্থানু হৈ গ'ল অলি। তাইৰ বাবে বৰ অপ্ৰত্যাশিত আছিল সেই দৃশ্য। বিছনাৰ নিচেই কাযতে খিৰিকীৰ ওচৰত আলিংগনাবদ্ধ দুটি শৰীৰ। উদ্দাম। ঘৰ্মাক্ত। ...ৰঞ্জনৰ নিবিড় আৰু ক্ষুধাতুৰ আলিংগনত তৃপ্ত, অস্থিৰ হৈ পৰিছে বৰ্ণা। তাইৰ ৰক্তিম, আকুল অধৰে ঘূৰ্মুটিয়াই ফুৰিছে ৰঞ্জনৰ কপাল, বাহু, বুকুত... আৰু তাইৰ অৰ্ধউন্মুক্ত বুকুৰ উঠা-নমাবোৰত প্ৰচণ্ড অস্থিৰতাৰে কিবা এটা বিচাৰি চলাথ কৰিছে ৰঞ্জনে— তাইৰ স্বামী ৰঞ্জনদীপ শইকীয়াই।

মাটিত যেন পোত খাই গৈছিল অলিৰ দুভৰি। তাই ৰৈ থাকিল। শব্দহীন, গতিহীন এখণ্ড সময় তাইৰ সন্মুখত ওপঙি থাকিল।

অলিৰ নিৰ্বাক উপস্থিতিৰ উমান পোৱা নাছিল আদিম আনন্দ আহৰণত ব্যস্ত ৰঞ্জন-বৰ্ণাৰ যুগল শৰীৰে। ঘন ঘন উশাহৰ পকনীয়াবোৰৰ সৈতে এক হ'ব ধৰা শৰীৰ দুটা বিছনাৰ ফালে আগবাঢ়ি গ'ল। ...আৰু ঠিক সেই সময়ত অলি জ্ঞানশূন্য হৈ মজিয়াত পৰি গ'ল।

## অন্তঃগাথা

****

নিজস্ব গতিৰে আগবাঢ়িল সময়। গৱেষণাৰ কামত ৰঞ্জনদীপ

অধিক ব্যস্ত হ'ল। অৱসৰৰ সময়খিনিত অধিক স্নেহ আৰু মমতাৰে তেওঁ অলিক আৱৰি ৰখাৰ চেষ্টা কৰিলে। কিন্তু স্বপ্নভংগৰ যন্ত্ৰণা আৰু অসহায়তাৰ দহন লৈ খং-অভিমানৰ এক দেৱালৰ সিপাৰে অকলশৰীয়া হৈ পৰিল অলি।

সেই ঘটনাটোৰ পাছৰ পৰা ৰঞ্জনৰ ছাত্ৰী বৰ্ণা নামৰ ছোৱালীজনী এদিনৰ বাবেও সিহঁতৰ ঘৰলৈ অহা নাই। অলিৰ দুহাত খামুচি ধৰি গভীৰ আবেগেৰে ৰঞ্জনে বুজাইছে তাইক, 'বিশ্বাস কৰা অলি— তাইৰ শৰীৰটোৰ বাদে আন একোৱেই মোক আকৰ্ষণ কৰা নাছিল। শৰীৰৰ ডাল-পাত মেলি ঠন ধৰি উঠিছিল তাই। ধৰি লোৱা প্ৰখৰ গ্ৰীষ্মৰ দুপৰ এটাত মই সেই ছাঁত খন্তেকৰ বাবে জিৰাইছিলোঁ।'

অলি জিকাৰ খাই উঠে। ইংৰাজী সাহিত্যৰ ছাত্ৰী আছিল তাই। ডান, হাবাৰ্টৰ মেটা ফিজিকেল পয়েট্ৰী পঢ়িছে। প্ৰেমৰ বাবে শৰীৰৰ অপৰিহাৰ্যতাক বিশ্বাস কৰি মনৰ পৰা তাই কেতিয়াবাই আঁতৰাই পেলাইছে প্লেট'নিক প্ৰেমৰ ধাৰণা। কিন্তু তাই এতিয়াও বিশ্বাস কৰিব পৰা নাই এজন প্ৰেমিকে, হৃদয়ৰ স্পৰ্শত উজ্জ্বল হৈ উঠিব পৰা এজন পুৰুষে কেৱল শৰীৰৰ তাগিদাত কোনো নাৰীৰ নগ্নতাত চলাথ কৰি ভ্ৰমিব পাৰে।

স্বাভাৱিক জীৱনৰ ছন্দপতন ঘটে ৰঞ্জন-অলিৰ। মৰম লগা মাত-কথা, কোমল স্বভাৱৰ অলি দিনে দিনে উগ্ৰ হৈ উঠে। ডাইনিঙত বহি ভাতৰ পাতত হাত দিয়েই স্বভাৱজাত নম্ৰতা এৰি তাই প্ৰশ্নবান এৰে— 'কিমান চাইজৰ ব্ৰা পিন্ধিছিল বৰ্ণাই?'

খং আৰু আক্ৰোশত তাই কঁপি উঠে। বিতত হৈ তলমূৰ কৰা ৰঞ্জনৰ চকুৰ সন্মুখতে ঠন্ ঠন্‌কৈ ভাগি যায় আয়নাৰ গিলাচ, চীনামাটিৰ দিছ।

'প্লিজ অলি... অলি... মানুহৰ ভুল হয়েই। মই ডাঙৰ অপৰাধ কৰিছোঁ। তোমাক ভীষণ কষ্ট দিছোঁ। জানো মই। কিন্তু, তোমাক ভাল পাওঁ অলি। সন্মুখলৈ চাবলৈ যত্ন কৰাচোন।... আৰু কেতিয়াও নহয় এনেকুৱা।' হিতাহিত জ্ঞান শূন্যপ্ৰায় হোৱা অলিৰ মূৰত হাত বুলাবলৈ যত্ন কৰে ৰঞ্জনে। অলি কান্দোনত ভাগি পৰে— 'আমাৰ বিয়াৰ এবছৰো পূৰ হোৱা নাছিল ৰণ। ক'ত কি ভুল হৈছিল মোৰ... মই এতিয়া কেনেদৰে থান থিত লগাই ল'ম ভাগি যোৱা বিশ্বাসবোৰ... কিদৰে আস্থা ৰাখিম তোমাৰ ওপৰত!'

ক্ৰমশঃ দিনবোৰ পাৰ হৈ গৈ থাকে। খুব সূক্ষ্মভাৱে ৰঞ্জনক পৰ্যবেক্ষণ কৰিবলৈ আৰম্ভ কৰে অলিয়ে। নাই! বৰ্ণাক লগ কৰাৰ, তাইৰ বাবে মন বেয়া কৰাৰ কোনো চিহ্নই প্ৰকট হৈ নুঠে তেওঁৰ অভিব্যক্তিত।... আৰু কিছু খবৰ সংগ্ৰহ কৰি অলি নিশ্চিত হয় যে ৰঞ্জনে সঁচাকৈয়ে নিজস্ব বৃত্ত এটা গঢ়ি লৈছে যাৰ ভিতৰত বৰ্ণাৰ কোনো স্থিতি নাই।

অলি আহত হয়। কিদৰে ক'ব পাৰে ৰঞ্জনে— 'তাইৰ শৰীৰটোৰ বাদে মুখৰ গঢ়ো মই মনত পেলাব নোৱাৰো!' অপ্ৰেম, অবিশ্বাসৰ পৃথিৱী এখন কল্পনা কৰে তাই। নগ্ন শৰীৰ কিছুমান লৈ কিলবিল কৰি থাকে এদল হৃদয়হীন মানুহে। কোনেও কাৰো মুখলৈ নাচায়। বৰ্ণনা নিদিয়ে শাওন কঢ়িয়াই ফুৰা সজল চকুৰ। মেঘকৃষ্ণ চুলিৰ। তাত মানুহৰ পৰিচয় হয় শৰীৰৰ গঠনেৰে, যেনে— কল গছৰ দৰে উৰুৰ তিৰোতাজনী, বাদামী নিপলৰ হালি পৰা স্তনৰ ছোৱালীজনী...। আৰু পুৰুষবোৰ! তাই শিয়ৰি উঠে। অসহ্যকৰ। অসহ্যকৰ।

ৰাতি বহল বিছনাখনৰ চুক এটাত নিস্তেজ হৈ অলি পৰি থাকে। নিজকে তাইৰ কটা গছ এডালৰ দৰে লাগে। এসময়ত ডাল আছিল। ঠাল-ঠেঙুলীত সেউজীয়া পাত আছিল। সেউজীয়া পাতবোৰ বতাহত কঁপিছিল... ডালত পৰি চৰায়ে গান গাইছিল। কটাৰ পাছত সেউজীয়া হেৰুৱাই, গান হেৰুৱাই গছডাল বাগৰি পৰিল... এসময়ত পাতবোৰ শুকাই গ'ল... প্ৰখৰ ৰ'দৰ দহন আৰু বৰষুণৰ তীব্ৰতা সহি সহি ভাগৰুৱা হৈ পৰা গছডালক শেলুৱৈ, কাঠফুলাই ছানি ধৰিলে। —এই গছডালকে খুব কাতৰ হৈ

বুকুলৈ চপাই আনিবলৈ দুহাত মেলি দিয়ে ৰঞ্জনে। অলিয়ে চক খাই উঠে। তাই কেৱল শৰীৰ নহয়। হ'ব নোৱাৰে ।... তাইৰ মুখখন মনত আছেনে ৰঞ্জনৰ! বুকুৰ সোমাজত থকা ক'লা তিল দুটা মনত ৰখাৰ দৰে ৰঞ্জনে মনত ৰাখিব পাৰিছেনে তাইৰ ছেলাউৰিৰ তলতো এটা তিল আছে। হাঁহিলে তাইৰ বাঁও গালত টোল পৰে। অনিৰ্ণেয় এন্ধাৰ পকনীয়া এটাই তাইক অচিন গহ্বৰ এটালৈ টানি নিয়ে।

এই শৰীৰ জহি যোৱাৰ পাছত কি বিচাৰিব ৰঞ্জনে তাইৰ ওচৰত। কি বিচাৰিব!

'অলি, অলি...' তাইৰ হাতত ধৰা ৰঞ্জনৰ হাতখনলৈ চাই সচকিত হৈ অলিয়ে ফোঁপাই ফোঁপাই উচুপিবলৈ ধৰি— 'মেক নুচুবা। মোক নুচুবা।'

সেইদিনা দেওবাৰ আছিল। ৰঞ্জনৰ বন্ধু ইঞ্জিনীয়াৰ প্ৰমথেশ কাকতিৰ বিবাহ-বাৰ্ষিকীৰ পাৰ্টিলৈ অনিচ্ছা সত্ত্বেও যাবলৈ মান্তি হৈছিল অলি। পাৰ্টিত অনভ্যস্ত অলি এমূৰৰ চোফা এখনত দুগৰাকী চিনাকি মহিলাৰ সৈতে বহি মানুহবোৰৰ আলেখ লেখ চাই থাকিল।... আৰু দুৱাৰমুখত সেয়া বৰ্ণা। হয়। বৰ্ণা আহিছে। দুগৰাকী বান্ধৱীৰ সৈতে গাঢ় নীলা ৰঙৰ চেলোৱাৰ পিন্ধা বৰ্ণা নামৰ বিশেষ ছোৱালীজনী অলিৰ সন্মুখেদিয়েই পাৰ হৈ গ'ল। অলিৰ সন্মুখত উজ্জ্বল পোহৰবোৰ ক্ৰমশঃ কমি আহি প্ৰায় নোহোৱা হ'ল। থিয়েটাৰ মঞ্চৰ স্পটলাইটৰ দৰে দুটা একক আৰু সুতীব্ৰ পোহৰত কেৱল দুলি থাকিল ৰঞ্জন আৰু বৰ্ণাৰ অবয়ৱ। অদৃশ্য মানুহৰ মৃদু কোলাহলৰ মাজত অলিয়ে নিবিষ্ট মনেৰে নিৰীক্ষণ কৰিবলৈ ধৰিলে অবয়ৱ দুটা। বৰ্ণাক দেখাৰ পাছতো জড়তাবিহীনভাৱে বন্ধুৰ লগত কথা পাতি থাকিল ৰঞ্জনে। এবাৰ অলিৰ ওচৰত আহি বহিল।... নাই। সচকিত হোৱাৰ, কিবা পোৰা বা হেৰুওৱাৰ কোনো চিহ্ন প্ৰকট হোৱা নাই ৰঞ্জনৰ মুখত। আনকি, সচেতন বা অৱচেতনভাৱে অথবা কৌতুহলী দৃষ্টিৰে পুনৰ এবাৰো তেওঁ বৰ্ণাৰ ফালে উভতি নাচালে। আৰু বৰ্ণা— ফুলৰ দৰে ধুনীয়া অথচ খৰস্ৰোতা নদীৰ দৰে উগ্ৰ যেন লগা ছোৱালীজনীৰ অবয়ৱত কেনেবাকৈ যেন ফুটি উঠিছে এক সুতীব্ৰ বিষাদৰ ৰেশ। এই বিষাদ প্ৰলেপে তাইক অধিক কমনীয় কৰি তুলিছে। অলিয়ে লক্ষ্য কৰিলে তাইৰ চকুৰ গুৰিত ক'লা দাগ পৰিছে, শীতৰ নদীৰ দৰে তাই শীৰ্ণ হৈ আহিছে। বৰ্ণাই সচেতনভাৱেই ৰঞ্জনৰ ফালে চাইছে। তাইৰ দৃষ্টিত মাজে মাজে প্ৰত্যাশা আৰু মাজে মাজে হতাশাৰ বিদ্যুৎৰেখা চমকি উঠিছে।... এবাৰ ৰঞ্জনৰ নিচেই ওচৰলৈ গৈ তাই আন কোনো ব্যক্তিৰ লগত কথা পাতিলে আৰু স্থিৰ দৃষ্টিৰে ৰঞ্জনৰ মুখলৈ চালে। তেওঁ ইতিমধ্যে উভতি লৈ আন এজনৰ লগত কথা পাতিবলৈ আৰম্ভ কৰিছিল। বৰ্ণাৰ দুচকুত অলপ অশ্ৰু বিৰিঙিব খুজিছিল নেকি! অলি উঠি গ'ল।

'বৰ্ণা, ভালে আছা?' অলিয়ে নিচেই কাষত ৰৈ তাইক সুধিলে। চমকি উঠিল বৰ্ণা। সেই দুৰ্ঘটনাটোৰ পাছত তাই আৰু অলিক লগ পোৱা নাছিল। তাই সম্ভৱতঃ ভবাও নাছিল লগ পালে অলিয়ে তাইক মাতিব। সামান্য হাঁহি ইতিবাচকভাৱে মূৰ দুপিয়ালে বৰ্ণাই।

'পৰীক্ষা কেনে হ'ল?' অলিয়ে আত্মীয়তাৰে সুধিলে।

'পাৰ হৈ গৈছে আৰু।'

তলমূৰকৈ বৰ্ণা ৰৈ থাকিল। ম্লান হ'ব খুজিও উজ্জ্বল হৈ থকা ছোৱালীজনীৰ ওচৰত নিজকে বৰ নিষ্প্ৰভ যেন লাগিল অলিৰ। এইজনী ছোৱালীৰ মুখৰ গঢ় মনত নাই ৰঞ্জনৰ —এই ৰঙা গোলাপৰ দৰে কোমল অথচ উগ্ৰ ধুনীয়া মুখখন।

'মেডাম, আমি যাওঁ। আপুনি বহিব চাগৈ অলপ সময়।'

এসময়ত অলিক মাত লগাই বৰ্ণা ওলাই গ'ল। কাষতে বহি প্ৰমথেশৰ লগত কথা পাতি থকা ৰঞ্জনে এবাৰো উভতি নাচলে। সেইদিনা ঘৰলৈ আহি উগ্ৰমূৰ্তি ধৰিলে অলিয়ে।

'তুমি বৰ্ণাক কিয় এনেদৰে এভইড কৰিবা? তাইৰ শৰীৰ স্পৰ্শ কৰাৰ পাছত তুমি কিয় জনাৰ চেষ্টা নকৰিবা তাইৰ হৃদয়ত তোমাৰ স্পৰ্শৰ দাগ আছেনে নাই?'

'এটা কথা কোৱা অলি— যদি তুমি বর্ণাৰ লগত মোক তেনে এটা অৱস্থাত নেদেখিলাহেঁতেন আৰু তোমাক মই ক'লোহেঁতেন মই বর্ণাৰ প্রেমত পৰিছো— তোমাৰ কষ্ট এতিয়াতকৈ কম হ'লহেঁতেন নেকি?

অলি ৰৈ যায়। বিয়াৰ পূৰ্বৰ কোনো আবেগজৰ্জৰ মুহূৰ্তত তায়েইতো কৈছিল— 'ৰণ, মোৰ শাৰীৰিক কিবা অভাৱৰ বাবে তুমি যদি আন কৰোবাৰ ওচৰ চাপা মই কষ্ট পাম। কিন্তু, তাতকৈয়ো মোৰ অধিক কষ্ট হ'ব যদি তুমি মোৰ হৃদয়ক নেওচা দি আন কাৰোবাৰ হৃদয় বিচাৰা, প্ৰেম বিচাৰা।' জুইৰ দৰে তীক্ষ্ণ হৈ আহে অলিৰ কণ্ঠ। 'তুমি তাইৰ প্রেমত পৰিছিলা?'

'ওহোঁ। দ্যেট ৱাজ জাষ্ট এ টেম্প'ৰেৰি...'

'প্লিজ ষ্টপ'ইট।' অলিয়ে হাত ভৰি এচাৰি চিঞৰি উঠে।

'অলি— জীৱনত তোমাৰ বাদে আন কোনো নাৰীয়ে মোৰ হৃদয় চুব পৰা নাই।' ৰঞ্জন আগবাঢ়ি আহে। 'মোক এবাৰৰ বাবে ক্ষমা কৰি নিদিবানে?' উচুপনি এটা খামুচি অলি বিছনাত ঢলি পৰে আৰু তেনেদৰেই টোপনি যায়। নিদ্রিত প্রেয়সী পত্নীৰ কাষত বহি নিদ্ৰাহীন ৰাতিটোৰ দুটা প্রহৰ পাৰ কৰি দিয়ে ৰঞ্জনদীপ শইকীয়াই।

****

অবিশ্বাস আৰু সংশয়ৰ প্ৰচণ্ড ব্যৱধান অতিক্ৰম কৰি অলি এদিনৰ বাবেও ৰঞ্জনৰ কাষলৈ নগ'ল। এক মাৰাত্মক জেদে তাইৰ হৃদয়ত, তাইৰ তেজত পানীৰ বাবে অপেক্ষা কৰি থকা মৰা সুঁতি এটাৰ স্তব্ধতাখিনি বিয়পাই দিছিল। আৰু অলিৰ স্বাভিমান, কঠোৰতাক মূল্য দি ৰঞ্জনে ষ্টাডিৰুমত শুবলৈ আৰম্ভ কৰিছিল। কিন্তু, বৰ আশ্চৰ্যকৰভাৱে দুয়ো উপলব্ধি কৰিছিল যে বিচ্ছিন্ন, ভিন্নমুখী জীৱন যাপন কৰিলেও দুয়োৰে মাজত এনে দৃঢ় বন্ধন আছে, পৰস্পৰৰ ওচৰত ইমান নিৰাপদ আশ্ৰয় আছে যে একেখন পৃথিৱীতে পৰস্পৰৰ পৰা বহু আঁতৰি জীয়াই থকাটো সম্ভৱ নহ'ব।

এদিন বর্ণাই ফোন কৰিলে অলিলৈ। শ্বিলঙত থকা যোৰহাটৰ ব্যৱসায়ী এজনৰ লগত তাইৰ বিয়া।

'মেডাম, মই কাৰ্ড পঠাইছো।' বিয়ালৈ আপোনালোক আহিবই লাগিব। ছাৰক ক'ব।'

'তুমি সুখী নে বর্ণা?'

'সুখী হ'বলৈ যত্ন কৰিম। পাৰিলে মোক ক্ষমা কৰি দিব মেডাম।'

খবৰটোৱে ৰঞ্জনৰ মনত কোনো প্রতিক্রিয়াৰ সৃষ্টি নকৰিলে। অন্ততঃ বাহ্যিক দৃষ্টিত তেনে যেনেই লাগিল। স্বাভাৱিকতেই বর্ণাৰ বিয়ালৈ সিহঁতৰ যোৱা নহ'ল।

বিয়াৰ দিনা ৰাতিৰ আহাৰৰ পাছত ৰঞ্জনৰ ৰুমত পানী এগিলাচ দিবলৈ গৈ অলিয়ে দেখিলে দুই হাত মূৰৰ তলত ৰাখি চিলিংখনলৈ শূন্য দৃষ্টিৰে চাই আছে ৰঞ্জনে।

'কি ভাবিছা?' ৰঞ্জনৰ খুব কাষত বহি মৰমেৰে সুধিলে তাই। আচলতে সেইদিনা বর্ণাৰ বাবে তেওঁৰ হৃদয়ত প্ৰেম আৰু আবেগৰ ঢৌ আছে বুলি বুজিব পৰা হ'লেই অলি সুখী হ'লহেঁতেন। 'মোৰ ডিপাৰ্টমেণ্টৰ খুব চোকা ছাত্র এজন আজি ঢুকাইছে। ৰাস্তা পাৰ হওঁতে গাড়ীয়ে চেপি মাৰিলে। বৰ ব্ৰাইট ষ্টুডেণ্ট আছিল। জিনিয়াছ...', ৰঞ্জনে উত্তৰ দিলে। সঁচাকৈয়ে পাছদিনা বাতৰি কাকতত খবৰটো পঢ়িলে অলিয়ে।

দিনবোৰলৈ কোনো নতুনত্ব নাহিল। ৰঞ্জনক নিৰীক্ষণ কৰি থকা অলি ভাগৰি পৰিল। সঁচাকৈয়ে বর্ণাৰ শৰীৰহে চিনি পাইছিল ৰঞ্জনে। হৃদয়ৰ কোনো অনিৰ্বচনীয় অনুভূতি সাঙোৰ খাই থকা নাছিল ৰঞ্জনৰ স্পৰ্শত। হৃদয়ৰ অনুপস্থিতিত মঙহৰ বাবে ক্ষুধাৰ্ত হৈ পৰিছিল তাইৰ স্বামী। তাই উপলব্ধি কৰিলে। এয়া তাইৰ বাবে কষ্টকৰ আছিল। তাই বাৰে বাৰে ৰঞ্জনৰ মুখামুখি হয়—

'তুমি কিয় এনে কৰিলা?'

'এনেকুৱা ঘটনা বহুতৰ জীৱনতে ঘটে অলি। আমাৰ দুয়োৰে বাবে এয়া তুমি পাহৰিবই লাগিব।'

'যদি তুমি মোক আন কাৰোবাৰ লগত তেনে এটা অৱস্থাত দেখিলাহেঁতেন সকলো পাহৰি স্বাভাৱিক হৈ থাকিব পাৰিলাহেঁতেন নে?'

'ভৱিষ্যতে আৰু কেতিয়াও এনেকুৱা নহয়। মোক বিশ্বাস কৰা অলি।'

'বিশ্বাস হৃদয়ৰ মাজত লুকুৱাই থোৱা কোনো মূৰ্ত বস্তু নহয় যে ইচ্ছা কৰিলেই উলিয়াই আনি য'তে ত'তে স্থাপন কৰিব পৰা যায়।' ৰঞ্জন কোঠাৰ পৰা ওলাই যায়। নিস্ফল আক্ৰোশত অলিয়ে কটা জীয়া মাছৰ দৰে চটফটাবলৈ ধৰে।

ৰাতিৰ পাছত দিন পাৰ হৈ যায়, দিনৰ পাছত ৰাতি। সিহঁতৰ বাবে সময় একে থাকে।... আৰু এদিন অলিক স্তম্ভিত কৰি বাতৰি কাকতত প্ৰকাশ পায় সেই খবৰটো— 'উগ্ৰপন্থীৰ আক্ৰমণত পত্নীসহ ব্যৱসায়ী নিহত।' কাষতে ধনী ব্যৱসায়ী স্বামীৰ সৈতে নৱ পৰিণীতা বৰ্ণাৰ ফটো। দাবী অনুযায়ী উগ্ৰপন্থীক ধন দিব নোৱাৰাৰ বাবেই এই ঘটনা। স্তব্ধ হৈ পৰে অলি। কি নৃশংস! এক প্ৰচণ্ড অপৰাধবোধ আৰু গ্লানিয়ে তাইক অবশ কৰি পেলাইছে। আচৰিতভাৱে এতিয়াও কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নাপায় ৰঞ্জনৰ মুখত। পূৰ্বৰ নিৰ্লিপ্তিৰে চাহ খাই খাই ৰঞ্জনে পেপাৰ পঢ়ে। অলিৰ লগত দুই এটা কথা পাতে। ভাত খাই সময়ত কলেজলৈ ওলাই যায়।

পদুলিত অপসৃয়মান হোৱা ৰঞ্জনৰ শৰীৰ কোনো ভয়ানক, অদ্ভুত বস্তু চোৱাদি অলিয়ে চাই থাকে। সেইদিনা অলপ পলমকৈ উভতি আহিল ৰঞ্জন। হাতত বজাৰৰ বেগ। অলিয়ে আগদিনাই আনিবলৈ দিয়া ফুলৰ গুটি আৰু জগজিত সিঙৰ এটা গজলৰ কেচেটো তেওঁ আনিবলৈ পাহৰা নাই।

গা বেয়া বুলি বিছনাত পৰি থকা অলিৰ ওচৰত বহি ৰঞ্জনে কথা পাতে। এগিলাচ কুহুমীয়া গাখীৰ অলিক আগৰ দৰেই জোৰ কৰি খুৱায়। ছেমিনাৰ পেপাৰ এখনৰ কাম কৰিবলগীয়া আছেবুলি সোনকালে ষ্টাডিৰুমত সোমোৱা ৰঞ্জনক এবাৰ ভুমুকিয়াই চালে অলিয়ে। শকত ভলিউমৰ দুখন কিতাপ মেলি কিবা আঁক বাঁক কৰি আছে। তাই আঁতৰি আহিল। এক অসহায় ভীতিয়ে তাইক বৰ্ণাৰ প্ৰসংগ উলিওৱাৰ পৰা বিৰত ৰাখিলে। ডাইনিঙত বহোতেও স্বাভাৱিক ৰঞ্জন। অলিয়ে একো খাব নোৱাৰিলে। খোৱাৰ পাছত দুয়ো অলপ সময় টিভি চালে। তাৰ পাছত ৰঞ্জন ষ্টাডিৰুমত শুবলৈ গ'ল।

বিছনাত পৰি চটফটাই থাকিল অলিয়ে। আঃ কি নিৰ্মম! তাইৰ চকুৰ আগত ভাঁহি থাকিল বৰ্ণাৰ ৰঙা গোলাপৰ দৰে মুখখন।... আৰু সেই ছবিৰ আগে-পিছে এটা অস্পষ্ট দৃশ্য— ষ্টাডিৰুমত আলিংগনাবদ্ধ দুটা শৰীৰ... দুটা কাতৰ সুঠাম বাহু, তৃপ্তিৰ আৱেশত মুদ খাই আহিব ধৰা এযুৰি চকু... ঘন ঘন উশাহৰ কিছু পকনীয়া...

ঢহমহকৈ অলি উঠি বহিল। এগিলাচ পানী খালে। তাই ৰঞ্জনক বৰ্ণাৰ কথা সুধিব। এতিয়াই সুধিব। কেনেদৰে ইমান নিৰ্লিপ্ত হৈ শুব পাৰিছে ৰঞ্জন... কেনেদৰে...

ৰঞ্জন শুব পৰা নাছিল। সন্তৰ্পনে ষ্টাডি ৰুমৰ দুৱাৰ খুলি অলিয়ে দেখিলে বিছনাত পৰি দুয়ো হাতৰ তলুৱাত মূৰ ৰাখি চিলিঙলৈ শূন্য দৃষ্টিৰে চাই আছে ৰঞ্জনে। তাই কাষ চাপি আহিল। ভীষণ বিধ্বস্ত দেখাইছে ৰঞ্জনক। ৰঙা পৰা চকু দুটাৰ সৈতে মুখখনত যেন সহস্ৰ যুগৰ বিষাদ আৰু অপেক্ষাৰ অৱসাদ। তাই কাষতে বহাতো ৰঞ্জনে গম নাপালে। এইবাৰ অলিয়ে ৰঞ্জনৰ চুলিত হাত থ'লে।

'ৰণ'

অলিলৈ চালে ৰঞ্জনে। উদভ্ৰান্ত অথচ বৰ মৰ্মভেদী আছিল সেই দৃষ্টি।

নীৰৱ মুহূৰ্ত কেইটামান পাৰ হৈ গ'ল। ৰঞ্জনক যেন ঠিকমতে বুজিব পৰা নাই অলিয়ে।

'বৰ্ণাৰ এনে হ'ব বুলি মই কেতিয়াও ভবা নাছিলো ৰণ! আজিও তুমি ক'বানে— তাইৰ শৰীৰৰ

বাদে...।' অলি ৰৈ গ'ল। তাইৰ অস্বস্তি ভাঙি যেন ব-হু-ত দূৰৰ পৰা ভাঁহি আহিল ৰঞ্জনৰ কণ্ঠ—

'...তাইক স্পৰ্শ কৰাৰ আগতে তাই মোৰ হৃদয় চুইছিল অলি... কিন্তু কোনো পৰিস্থিতিতে মই তোমাক হেৰুৱাব খোজা নাছিলো।' হুমুনিয়াহত পাক খাই খাই ওলাই অহা ৰঞ্জনৰ কথাখিনিয়ে খিৰিকীৰ পৰ্দাখন যেন মৃদুকৈ কঁপালে। ক্ৰমশঃ সেই কঁপনিটো প্ৰসাৰিত হ'ল কোঠাটোৰ ইষৎ নীলা পোহৰখিনিলৈ... তাৰ পাছত অলিৰ হাত দুখনলৈ। হাতত কঁপনিটো গুজি লৈয়ে অলিয়ে ৰঞ্জনৰ চুলিত আঙুলি বুলালে। প্ৰত্যয় আৰু মমতাৰ বহুত আশ্বাস আছিল নেকি সেই স্পৰ্শত! ৰঞ্জনে অলিৰ বুকত মুখ গুজি উচুপিবলৈ ধৰিলে।

বাহিৰত সোঁ সোঁকৈ এজাক বতাহ বলিছিল। ক'ৰবাত এটি নিশাচৰ চৰায়ে ৰৈ ৰৈ বিনাইছিল। কোনোবা এটা বিন্দুত যেন মিলি গৈছিল বতাহৰ সোঁ সোঁৱনি... চৰাইৰ বিননি... ৰঞ্জনৰ উচুপনি... আৰু ৰঞ্জনৰ চুলিৰ মাজত পথ হেৰুৱাই পেলোৱা অলিৰ হাতৰ অস্ফুট বুলনি...। ☐ ☐

# অপূৰ্ণ

ক'ত, কেতিয়া, কেনেদৰে প্ৰথমবাৰ তাই সুহুৰিটো শুনিছিল তাইৰ সঠিকভাৱে মনত নাই। কিন্তু তাইৰ মনত আছে, স্মৃতিয়ে ঢুকি পোৱা শৈশৱৰ দিনবোৰত এই সুহুৰিটোৱে তাইক বহুবাৰ বিহ্বল কৰিছিল। চাৰিওফালে গছ-গছনিৰে ঘেৰা, অতি সেৰেঙা জনবসতিৰ অঞ্চল এটাত সিহঁতৰ ঘৰটো আছিল। প্ৰকাণ্ড চৌহদ এটাত মাক-দেউতাক আৰু তাই। সৰুতে তাই দেউতাকৰ লগত শুইছিল। কুকুৰাই ডাক নিদিওঁতেই তাইৰ টোপনি ভাগিছিল। চিলমিল পোহৰে আঁতৰাব নোৱাৰা কোঠাটোৰ ডাঠ এন্ধাৰখিনিলৈ তাই ট-টকৈ চাই থাকিছিল সম্পূৰ্ণ পোহৰ নোহোৱালৈকে। এই সময়খিনিত দেউতাকক জোৰেৰে সাবটি ধৰি থাকিলেও চৰাইৰ মাতে সম্পূৰ্ণৰূপে থানবান কৰিব নোৱাৰা দোকমোকালিৰ নিৰ্জনতাৰ বোকোচাত সেই সুহুৰিটো উটি আহিছিল আৰু তীক্ষ্ণ অথচ নিস্পন্দ ধাৰ এটাৰে তাইক ৰেপিবলৈ আৰম্ভ কৰিছিল। অনিৰ্ণেয় উৎসৰ সুহুৰিটোৰ সুতীব্ৰ ৰেপনিলৈ তাইৰ ভয়টো ক্ৰমশঃ ইমানেই বাঢ়ি আহিছিল যে পাছলৈ পুৱতি নিশা সাৰ পালেও তাই চকু মেলিবলৈ ভয় কৰা হৈছিল। জোৰকৈ চকুহাল মুদি তাই আকৌ টোপনি যাবলৈ চেষ্টা কৰিছিল যেতিয়ালৈকে পূব আকাশ ৰাঙলী নহয়। শৈশৱৰ বহুত দুঃসময় আৰু উলাহ সোঁৱৰণীৰ পৰা খহি পৰিল। কিন্তু নিৰ্জনতাৰ বোকোচাৰে দেও দি আহি তাইৰ সত্তাক দুচেও কৰিব খোজা সেই সুহুৰিটো তাই পাহৰিব নোৱাৰিলে। পৰিপক্ক বয়সত চিন্তা, অভিজ্ঞতা আৰু অনুভূতিৰে বিশ্লেষণ কৰি তাই ঠিৰাং কৰিলে, একধৰণৰ একাকিত্ব আৰু অভাৱবোধৰ পৰাই তাৰ জন্ম হৈছিল। আচৰিতভাৱে বিছ-বাইছ বছৰৰ পাছত শৈশৱ আৰু যৌৱনৰ শেষাৰ্ধক একাকাৰ কৰি এক নিজান স্মৃতি বলয়ৰপৰা সুহুৰিটো উঠি আহিল আৰু নিঃসংগতা আৰু আত্মমগ্নতাৰ সময়ত তাইক ৰেপিবলৈ আৰম্ভ কৰিলে। পল্লৱৰ বুকুৰ মাজত ঢলি পৰা মধ্যনিশা আৰু তেওঁৰ বুকুতে জাকিমাৰি উঠি অহা পূৰ্বাচলৰ পোহৰবোৰেও এই সুতীক্ষ্ণ ৰেপনিক তাইৰ পৰা আঁতৰাই নিব নোৱাৰা হ'ল।

'তুমি সাংঘাতিকভাৱে সলনি হৈছা।' চোতালত উফৰি

পৰা কোমল, হালধীয়া ৰ'দজাকলৈ চাই থাকোতে পল্লৱে অনসূয়াৰ কান্ধত লাহেকৈ হাতখন থ'লেহি। পল্লৱৰ দৃষ্টিত উদ্বিগ্নতা।

'ক'তা-নাইতো!' তাইৰ মাতটো থোকাথুকি হ'ল। তাইৰ ভিতৰত কলিজা দুছেও কৰিব খোজা সুহুৰিটো তেতিয়াও বাজি আছিল। তাই লাহেকৈ হাঁহিবৰ চেষ্টা কৰিলে। পল্লৱে দুহাতৰ মাজত তাইৰ মুখখন লৈ অলপ সময় চাই থাকিল। তাৰ পাছত তাইৰ কপালত চুমা এটা দি ক'লে— 'যাওঁ। সোনকালে আহিম।' পদূলিত শেষ ফাগুনৰ ধূলি উৰুৱাই পল্লৱৰ গাড়ীখন অদৃশ্য হৈ গ'ল। তাইৰ পাৰিপাৰ্শ্বিকতাত নিঃসংগতাৰ বতাহ অলপ দুলি থাকিল। ...সুঁহুৰিৰ দহনটো ক্ৰমে তীব্ৰতৰ হৈ আহিল। এইবাৰ সময়ৰ সীমনা ওফৰাই সুহুৰিটোৱে ক্ৰমশঃ গতি কৰিলে অতীতলৈ।... ডাঠ কুঁৱলি... সোণাৰুৰ সৰি পৰা সতেজ হালধীয়া পাহিৰ ওপৰেৰে শ্লথ গতিৰে আগবাঢ়িছে তাইৰ মগ্ন, ইতস্ততঃ খোজবোৰ আৰু তাইৰ নিচেই কাষতে নিয়ৰত তিতি থকা, হাৰাই চেণ্ডেল পিন্ধা দুখন ভৰি তাইৰ লগতে সমান্তৰালভাৱে, মন্থৰ গতিৰে আগবাঢ়িছে। সুহুৰিটো তাইক স্তব্ধ কৰি অলপ সময় ৰৈ গ'ল আৰু তাৰ পাছত কৰুণ গুণগুণনি এটা হৈ স্বপ্ন আৰু স্বপ্নভংগৰ কথা কোৱা ওঁঠ দুখনৰ মাজত ওলমি থাকিল। কুঁৱলীৰ মাজেৰে ক্ৰমশঃ স্পষ্ট হৈ আহিল এখন মুখ— কৰুণ, কোমল, বিষণ্ণ দুচকুত অলপ সপোন আৰু অস্থিৰতা কঢ়িয়াই ফুৰা এখন মুখ...।

...গেৰুকামুখৰ নদীখন সন্মুখত লৈ সিহঁত বহি আছিল। তাই আৰু শৈবাল। আনন্দত বন ফৰিঙৰ দৰে জপিয়াই থকা সহপাঠীবোৰৰ পাৰভঙা আনন্দই সিহঁতক স্পৰ্শ কৰিব পৰা নাছিল। জীৱনৰ জটিল উপপাদ্য এটা আয়ত্তলৈ অনাৰ বৃথা প্ৰয়াস কৰি কৰি ভাগৰি পৰিছিল অনসূয়া। নিচাগ্ৰস্ত মানুহৰ দৰে নদীখনৰ বুকুত প্ৰতিবিম্বিত হোৱা সেউজীয়া পাহাৰটোক টুকুৰাটুকুৰকৈ ভাঙিবলৈ অল্পস্ফিত নদীখনৰ বুকুলৈ অবিৰতভাৱে শিল দলিয়াইছিল তাই। পানীৰ ভাঙি-ছিঙি যোৱা ঢৌবোৰে প্ৰতিবিম্ব পাহাৰখনৰ টুকুৰা এটা অলপ দূৰ উটুৱাই নিছিল। আন এটা ঢৌৱে পুনৰ আন এটুকুৰা পাহাৰ আনি সেই ঠাইত থাপিছিল।

'...স্বচ্ছ পানীয়ে দৰ্পন হৈ কিমান খেল যে খেলিব পাৰে!' তাই শৈবালক কৈছিল আৰু উভতি অহাৰ পৰত তাই শৈবালক কৈছিল সুদৃঢ় কৰিব খোজা সিহঁতৰ সম্পৰ্কৰ ভৱিষ্যৎ সিহঁতৰ সপোনবোৰৰ দৰে মসৃণ নহ'ব। 'তোমাৰ ওচৰত মোৰ সকলো অভাৱ পূৰাব পৰাকৈ কিবা এটা নাই। মই নিজেই খুব নিঃস্ব। মোৰ মানসিক নিঃস্বতাক আন এজন আৱেগিক, বেদনাবিলাসী মানুহ নিৰাপত্তা দিব নোৱাৰিব। ...এসময়ত তুমিও মোৰ ওচৰত কিবা এটাৰ অভাৱ ভীষণভাৱে অনুভৱ কৰিবা। মোৰ অভাৱবোৰ পূৰাব পৰাকৈ মই পল্লৱক পাইছো। তুমিও—।' থোকাথুকি হৈ অহা মাতটো সামৰি লওঁতে শৈবালৰ চকুত অজস্ৰ প্ৰশ্নৰ ভিৰ দেখিছিল তাই। নাই। সি এটা শব্দও উচ্চাৰণ নকৰিলে। ক্ষণন্তেক পিছতে তাৰ চকুৰ প্ৰশ্নবোধকবোৰ অন্তৰ্হিত হ'ল। তাৰ ঠাইত স্পষ্ট হৈ উঠিল শীতৰ উদং পথাৰৰ বুকু শুৱাই থকা শূন্যতা। 'আহো অনু, ভালে থাকিবা।' বনভোজৰ গাড়ীখন চহৰত সোমাওতে সি

কৈছিল। বেদনাহত, বিধ্বস্ত, ৰাতিৰ কেতেকীৰ হিয়াভঙা কণ্ঠৰ দৰে কলিজাৰ দাগ থকা চাৰনি এটা তাৰ চকুত লাগি আছিল। এতিয়া অনসূয়াই অদৃশ্য ৰেপনিটোৰে বুকুত কঁপনি তোলাৰ সময়ত দাপোণ চালে সেই চাৰনিটো দেখে— নিজৰ চকুত।

আপাততঃ নিজকে 'সুখী' বুলি ক'ব পৰাকৈ তাইৰ জীৱনটো বাহ্যিক দৃষ্টিত অন্ততঃ সমৃদ্ধ। হৃদয়ৱান, মৰমীয়াল স্বামী, ঐশ্বৰ্য, নিজৰ সত্তাক নিজৰ মাজত জীপাল কৰি ৰাখিব পৰাৰ স্বাধীনতাখিনি অনসূয়াই পাইছে। আনকি তাই নিবিচৰাৰ দৰেই বৰ্তমানলৈকে তাইৰ গৰ্ভতো সন্তানে স্থিতি লোৱা নাই। তাইৰ অনিচ্ছাক নিজৰ ইচ্ছাৰে জয় কৰাৰ চেষ্টা পল্লৱে কেতিয়াও কৰা নাই। ...লা ৰুশো ফুকোৰ এটা মাক্সিম তাইৰ খুব প্ৰিয় আছিল— 'জীৱনত লেঠাৰি নিছিগা সুখৰ বাদে আন সকলো কথাই সহ্য কৰিব পাৰি।' তেনেহ'লে হঠাতে অসহ্যকৰ হৈ পৰা সময়খিনি, অননুভূত এটা অভাৱৰ সুৰুঙাৰে আহি তাইৰ কলিজাত বাহ লোৱা সুহুৰিটো লেঠাৰি নিছিগা সুখৰে পৰিণতি নেকি? সুখে যে আত্মাক নিঃস্ব কৰে, সংকীৰ্ণ কৰে, তিলতিলকৈ—!

...বতাহ এজাকে বেগেৰে আহি তাইৰ শৃংখলিত চুলিখিনি অবিন্যস্ত কৰি পেলালে। কোবাল বতাহৰ বুকুত ফুলৰ এটা চিনাকি গোন্ধ উটি আহি তাইৰ বুকুখন ভৰাই পেলালে। আস! কিমান দিন যে বনৰীয়া ফুলৰ গোন্ধৰ পাছে পাছে দৌৰা নাই...! সুহুৰিটো নিতাল মাৰিলে অলপ সময়। কিন্তু অনসূয়াৰ মন-মগজুৰ পৰা ইয়াৰ উৎস-অবয়ৱৰ অন্বেষণ অন্তৰ্হিত নহ'ল।

ক'ত থাকে সুখ— সুখৰ সংজ্ঞা কি? দুচকু সজল হ'লে, বুকুৰ কোনো এটা অংশ বিষাই উঠিলে কোনো প্ৰিয়তম ব্যক্তিয়ে সহৃদয়তাৰে প্ৰসাৰিত কৰা দুবাহুৰ মাজত সুখ থাকে নেকি, নে নিজৰ অভাৱ আৰু প্ৰয়োজনক আৱৰি থকা কাৰোবাৰ আন্তৰিক সান্নিধ্য সাহচৰ্যৰ উত্তাপত সুখ থাকে? নিজৰ সমস্ত দোষ, পাপ, দুখ-দুৰ্বলতাক প্ৰেমেৰে আশ্ৰয় দিবলৈ সদা প্ৰস্তুত হৃদয় এখনেই সুখৰ উৎস নেকি য'ত সৰ্বক্ষণ নিচ্ছিদ্ৰ নিৰাপত্তাৰ প্ৰতিশ্ৰুতি বিদ্যমান! নে সুখ ৰাৰদ্ৰৱৰ্তি গহনা আৰু কাপোৰৰ ভাঁজত লুকাই থাকে— ৱাৰড্ৰৱ খুলিলেই এইবোৰ তাইৰ হাত-ডিঙি, চকু-মুখত ওলমি ফুৰিব! অনসূয়া বেডৰুমলৈ আহিল। পল্লৱৰ ফটোখনলৈ চকুৰ পলক নেপেলোৱাকৈয়ে চাই থাকিল তাই। মিচিকিয়াই থকা চকু দুটাই যেন ক'ব— 'মোৰ অনু, মোৰ অনু।' আজিকালি তাইৰ হৃদয়ৰ খবৰ পল্লৱে আগৰ দৰে নলয়। 'তুমি সলনি হৈছা' বুলি সৰু ল'ৰাৰ দৰে মুখ ওন্দোলাই অভিমান কৰা পল্লৱে তাইৰ নিচেই কাষতে থাকিলেও কিন্তু তাইৰ অভ্যন্তৰত বাজি থকা তাইক দুছেও কৰা সুহুৰিটো শুনা নাপায়।

এই সুহুৰিটো এদিন কলেজত নতুনকৈ ফুল এজাৰকেইজোপাৰ তলত থাপ মাৰি ধৰিছিল শৈবালে। 'কিয় ইমান মন মাৰি থাকিব লাগে সকলো সময়তে? ইমান কি দুখ আছেনো তোমাৰ?' তাৰ কণ্ঠত ব্যংগ আৰু উষ্মাৰ লগতে এক অদ্ভুত আন্তৰিকতা মিহলি হৈ আছিল। তাই একো ক'ব নোৱাৰিলে। যিবোৰ কথাক তাই যন্ত্ৰণাৰ উৎস বুলি ক'ব লাগিব তাতকৈ বহুত কষ্ট আৰু নোপোৱাৰ বেদনা বুকুত সামৰি বহুতে নিৰ্লিপ্ত, নিৰুদ্বেগ জীৱন-যাপন কৰে। তাই জানে। তেন্তে এয়া কি বিলাসীতা? যন্ত্ৰণাৰ? শৈবালৰ লগত অনুসূয়াৰ অন্তৰংগতা বাঢ়িছিল। লিখাৰ বাবে যথেষ্ট উৎসাহ দিছিল সি। তাইৰ কবিতাবোৰ, সৰু সৰু ছন্দায়িত তাই লিখা যিকোনো বাক্যাংশ সি খুব যত্নেৰে সংৰক্ষণ কৰিছিল আৰু কাকত-আলোচনীলৈ পঠাই দিছিল। তাই ক'ব

নোৱাৰাকৈয়ে কাকত-আলোচনীত তাইৰ কবিতা প্ৰকাশ পাবলৈ ধৰিছিল। 'অনসূয়া পূজাৰী' কবিতাপ্ৰেমী পাঠকৰ বাবে এটা চিনাকি নাম হৈ উঠিছিল। চিত্ৰশিল্পী আৰু গল্পকাৰ হিচাপে শৈবালৰ তেতিয়াই এক সুকীয়া স্থিতি আছিল। পৰস্পৰৰ সান্নিধ্য আৰু প্ৰেৰণাত সিহঁতৰ স্বপ্ন আৰু আশাবোৰ দুৰন্ত হৈছিল। প্ৰগাঢ় হৈ অহা বন্ধুত্বৰ কোনো এক পৰ্যায়ত অনসূয়াই উপলব্ধি কৰিছিল তাইৰ বুকুত বাজি থকা সুহুৰিটো শৈবালৰ নিৰ্মোহ আন্তৰিকতাৰ ছাঁত ইতিমধ্যে শুই পৰিছে। লাহে লাহে সিহঁতে উপলব্ধি কৰিছিল সমান্তৰাল বুলি ভবা সিহঁতৰ জীৱনৰ পথ দুটা এটা বিন্দুৰ ফালেই ধাৱমান হ'ব ধৰিছে। সময়ৰ ওপৰত কাৰো হাত নাথাকে। সিহঁত জানিছিল। প্ৰেমৰ দৰে এটা উজ্জ্বল আৱেগো সময়ৰ চাকনৈয়াত মৰা সুঁতিত পৰিণত হ'ব পাৰে। নাম দিব পৰা সম্পৰ্ক এটাৰ আৰম্ভণিৰ আগতেই সিহঁতে বিশ্বাস কৰিছিল। সেইবাবে অনসূয়াই যেতিয়া সিহঁতৰ উচ্ছাসিত, স্বপ্নময়, আৱেগিক সময়বোৰক তাৰ বুকুত এৰি দি গুচি যাবলৈ ওলাইছিল, সি ভিতৰি ভিতৰি চূৰ্ণমৈ হৈ গ'লেও আচৰিত হোৱা নাছিল। এম এ ফাইনেল পৰীক্ষাৰ আগে আগে কথাবোৰ সলনি হৈছিল। সকলোবোৰ আকস্মিক আছিল— পল্লৱৰ লগত অনসূয়াৰ চিনাকি, চৌম্বকীয় আকৰ্ষণ আৰু সমগ্ৰ সত্তাক নিৰাপত্তা দিব পৰা 'কিবা এটা'ৰ তাৎক্ষণিক আৱিষ্কাৰ আৰু তাইৰ সিদ্ধান্ত—। ভাল বন্ধু বা প্ৰেমিক হিচাপে তাই শৈবালৰ পৰা পোৱা 'সকলোবোৰ' তাইক সম্পূৰ্ণ কৰিব পৰাকৈ যথেষ্ট নহয়। সমগ্ৰ জীৱনৰ সহযাত্ৰী হিচাপে আপাততঃ তাইৰ মানসিকতাৰ, যন্ত্ৰণাবিলাসী, আৱেগিক ল'ৰা এজনে তাইক 'সকলোখিনি' দিব নোৱাৰিব। এই 'সকলো' পল্লৱৰ আছিল আৰু সুখী হোৱাৰ সপোন দেখা তাইৰ দুচকুৰ পৰা ক্ৰমশঃ শৈবাল নামৰ ল'ৰাটোৰ কাতৰ, বিষণ্ণ মুখখন অন্তৰ্হিত হৈছিল। সুখ বিচাৰি সন্মুখলৈ দিয়া খোজবোৰ ঠিকেইতো আছিল! সুদৃঢ়। পোন। ক্ষীপ্ৰ। তাই এবাৰৰ বাবেও ভবা নাছিল নিছিদ্ৰ সুখবোৰ অসহ্যকৰ হৈ এদিন সেই সুহুৰিটোক তাইৰ বুকুলৈ পুনৰ টানি আনিব— যিটো সুহুৰি শৈবালৰ বুকুত তাই এদিন এৰি আহিছিল। আচৰিতভাৱে ইমানদিনে সুহুৰিটো শৈবালৰ বুকুত শুই আছিল নে তাক নিৰ্দয়ভাৱে অহৰহ খান্দি আছিল তাই এবাৰৰ বাবেও জনাৰ প্ৰয়োজনবোধ কৰা নাছিল।

...তাইৰ সন্মুখৰ টেবুলত বগা কাগজখন পৰি আছে। পে'ন ষ্টেণ্ডত বিভিন্ন ডিজাইনৰ কেইবাটাও কলম। তাই উদাস দৃষ্টিৰে কলম কেইটালৈ চাই ৰ'ল। বিয়াৰ পাছত পৰস্পৰক আৱিষ্কাৰ কৰাৰ আনন্দত মত্ত হৈ থকা সময়খিনি পাৰ হৈ যোৱাৰ পাছৰ পৰা অহৰ্নিশে চেষ্টা কৰিও তাই একো লিখিব পৰা নাই। অসহ্যকৰ হৈ অহা সুহুৰিটো বুকুত লৈ তাই চটফটাই আছে— কিন্তু এয়া সেই অপূৰ্ণতাখিনি নহয়, যি তাইৰ কলমৰ চিয়াহী আছিল। এয়া এগৰাকী পৰিপূৰ্ণ মানুহৰ অসহ্যকৰ সুখ, বন্ধ কোঠা এটাৰ অপৰ্যাপ্ত কাৰ্বন-ডাই-অক্সাইডৰ দৰে— য'ত উশাহ ল'লে দম বন্ধ হৈ যাব খোজে। বিয়াৰ পাছত কেৱল পল্লৱৰ লগত থাকিবৰ বাবেই বিশ্বনাথ কলেজৰ প্ৰবক্তাৰ চাকৰিটো পায়ো এৰি দিছিল তাই। তাই পল্লৱৰ কাষত থাকিবলৈ বিচাৰিছিল। ছাঁৰ দৰে। নিঃসংগতালৈ তাইৰ ভয় লগা হৈছিল। পল্লৱৰ সান্নিধ্যৰ এক অদ্ভুত শক্তি আছিল যি চৰম বিপৰ্যয় আৰু সংকটৰ সময়তো আশ্চৰ্য স্বস্তিৰ উৎস হৈ তাইক সান্ত্বনা দিছিল। এতিয়া সেই নিৰাপত্তাৰ গণ্ডীৰ ভিতৰত পল্লৱৰ প্ৰতি অকুণ্ঠ আনুগত্য আৰু ভালপোৱাৰে হৃদয় চপচপীয়া হৈ থকাৰ পাছতো তাই অতীতত ঘূৰ্মুটিয়াই ফুৰিছে। আচলতে কোনেও কাকো কেতিয়াও প্ৰকৃতাৰ্থত পৰিপূৰ্ণ কৰি তুলিব নোৱাৰে। এই যে তাই

হৃদয় আৰু স্মৃতিৰ বাজি লগাই 'অপূৰ্ণতা' বিচাৰি ফুৰিছে, এয়াতো এক ধৰণৰ অভাৱেই। নহ'লে সময় হয়তো ইমান অবিশ্বাসী হৈ নুঠিলহেঁতেন!

সন্ধ্যা লাগিল।.... বহুত দিনৰ পাছত অনসূয়াই এই সময়ত গা ধুলে। তাৰ পিছত বগা শাৰী এখন পিন্ধি তাই লাইটবোৰ নুমুৱাই দিলে। প্ৰতিটো কোঠাতে ধুপ জ্বলালে আৰু বনৰীয়া ফুলৰ গোন্ধ এটা বিচাৰি বাহিৰলৈ ওলাই আহিল। জোনাকি পৰুৱাৰ টিমিক-ঢামাক পোহৰবোৰ শূন্যত ওপঙি ফুৰিছে। তাই আকাশলৈ চালে— 'আকাশ! তোমাৰ বিশালতা মোলৈ বিয়পোৱা' তাই গুণগুণালে। এইবাৰ সুহুৰিটো দেও দি দেও দি আহিল আৰু তাইৰ শৰীৰৰ কলকল ৰক্তস্ৰোতত মিলি যাবলৈ উথপথপ লগালে। এনতে পল্লৱে দুহাতেৰে তাইৰ কঁকালত মেৰিয়াই ধৰিলে— 'ইমান এন্ধাৰত থাকিবলৈ কি হ'ল অনু? মই তোমাৰ কাষত বহুত সময় থিয় দি আছো। তুমি গমেই নোপোৱা।' খুব মৰমেৰে ক'লে পল্লৱে। সুহুৰিটো এটোপাল অশ্ৰু হৈ তাইৰ চকুৰপৰা সৰি পৰিল। 'তোমাৰ বাবেই ৰৈ আছো' তাই তলমূৰকৈ ক'লে।

'হাৰে! কান্দিবলৈ আকৌ কি হ'ল?' পল্লৱে ব্যস্ত হৈ তাইক আলফুলকৈ বুকুৰ মাজলৈ টানি আনিলে।

'মোক এটি সন্তান লাগে পল' তাই বিৰবিৰাই কৈ গ'ল— 'মই হেৰাই যাব বিচৰা নাই... মই 'মা' হ'ব 'বিচাৰিছো।'

বনৰীয়া ফুলৰ গোন্ধ এটা বতাহত উটি আহিল। তাইৰ পৰা নিৰ্দিষ্ট দূৰত ৰৈ সুহুৰিটোৱে তাইক জোকাবলৈ ধৰিলে। তাইৰ অভ্যন্তৰত তেতিয়া আন এটা সত্তাই বিৰবিৰাই আছিল—

'....নহয়, নহয়— তুমি নহয়, শৈবাল, তোমাৰ অভ্যন্তৰৰ দুখ আৰু অপূৰ্ণতাখিনিহে অনুভৱৰ সুৰুঙাৰে মোৰ মাজলৈ সোমাই আহিছে। অসমীয়া সাহিত্যৰ প্ৰসিদ্ধ লেখক তুমি। তোমাৰ লেখাৰ প্ৰচ্ছন্ন বেদনাবোধ মোক হেৰুওৱাৰ বাবেইনে? কোৱা কোৱা—। তুমি 'হয়' বুলি ক'লে মই 'ধনী' আৰু 'দুখী' হ'ম। যদি 'নহয়' বুলি কোৱা মই নিঃস্ব হৈ যাম। শূন্য বতাহত ভৰ দি বাঢ়ি আহিব অসহ্যকৰ সুখ। মই সুখৰ ঘূৰ্ণীত এনেদৰে নিঃশেষ হৈ যাবলৈ নিবিচাৰো, কেতিয়াও নিবিচাৰো...।' ☐ ☐

"..........আৰু পাইনৰ সেউজীয়াৰ মাজে মাজে দৌৰি ফুৰাৰ কি যে আমেজ বনজ্যোৎস্না ! ফট ফটীয়া ৰাতিপুৱাবোৰত পাহাৰীয়া ৰাস্তাৰে আমি দৌৰি ফুৰো। মই আৰু ৰিকু - ৰিকুৰ কথা কৈছোতা তোমাক - মোৰ ভাইটি । সদায়ে আমাৰ মাজত কম্পিটিচন হয় আমাৰ ঘৰৰ কাষৰ কেঁকুৰিটোৰ পৰা দৌৰি কোনে প্ৰথমে বাৰ্নছ চাহাবে কৰি থৈ যোৱা আপেলৰ বাগানৰ কাষ পাবগৈ পাৰো।'

'তুমি দৌৰি খুব ভাল পোৱা, নহয়নে ?'

'হয়তো পাওঁ, মই খুব ভাল ফুটবলো খেলিব পাৰো জানানে ? ঘূৰণীয়া বলটোৰ পাছে পাছে দৌৰি ইয়াক নিজৰ নিয়ন্ত্ৰণলৈ অনা কামটোত সুকীয়া মজা আছে। ই কৰ্চৰ কিতাপৰ দৰেই এটা অধ্যয়ন কৰিবলগীয়া বিষয়।'

'বাহ! বৰ ধুনীয়াকৈ কথা ক'ব জানা তুমি ।'

'আৰু পাহাৰ বগোৱাতো মোৰ ভীষণ চখ জানানে! চাবা মই এদিন নামজ্বলা পৰ্বতাৰোহী হ'ম। এতিয়ালৈকে অৱশ্যে মই হিমালয়লৈ যোৱা নাই। কিন্তু পাপাই কৈছে বি এ ফাইনেল দিয়াৰ পাছত মই ইচ্ছা কৰিলে আমাৰ ইয়াত থকা 'এক্সপ্ল'ৰেচন ফাষ্ট' নামৰ ক্লাবটোত যোগ দিব পাৰিম। এই ক্লাবৰ পৰা প্ৰত্যেক বছৰতে হিমালয়ৰ যিকোনো শৃংগলৈ অভিযান উলিওৱা হয় -।'

ম'বাইল ফোনৰ মাজেৰে অনৰ্গল ভাহি আহি থাকিল অংকুৰ নামৰ ল'ৰাজনৰ উৎসাহ ভৰা মাতটো। সি কৈ গ'ল পৃথিৱীৰ আটাইতকৈ উচ্চ পৰ্বত শিখৰত থিয় দি আকাশ অভিমুখে দুবাহু প্ৰসাৰিত কৰাৰ কথা, তাৰ স্বপ্ন আৰু উড়ন্ত হেপাঁহৰ বৰ্ণিল পৃথিৱীখনৰ কথা।

..... আৰু মুগ্ধ শ্ৰোতা বনজ্যোৎস্না।

# শূন্যতাৰ স্বপ্ন গাথা

সন্ধ্যাৰ এই নিৰিবিলি সময়খিনি ক্ৰমশঃ তাইৰ বাবে একান্ত আকাংক্ষাৰ হৈ পৰিছে। ঘৰুৱা শিক্ষকজনৰ সৈতে বিৰক্তিদায়ক দুঘন্টা সময় অতিবাহিত কৰাৰ পাছত নিজৰ কোঠাৰ খিৰিকীৰ কাষত বহি ৰয় বনজ্যোৎস্না। এটা নিৰ্দিষ্ট সময়ত অংকুৰে ফোন কৰে। তাইৰ দুচকুত শিপা গজি বহা এন্ধাৰখিনিলৈ যেন লগে লগে এচপৰা পোহৰ বাগৰি আহে ! হুমুনিয়াহ আৰু বন্ধ বায়ুৰ আৰ্তিৰে ভৰি থকা কোঠালিটোলৈ যেন শীতল বতাহৰ বুকুৰে বগুৱাবাই সোমাই

আহে বহু দুৰণিৰ এটি সুৰীয়া বাহীৰ মাত !

বনজ্যোৎস্না - অংকুৰৰ এই সম্পৰ্কৰ আৰম্ভনি হৈছিল মাত্ৰ এমাহ আগতে। অংকুৰে বন্ধু এজনৰ নম্বৰ ডায়েল কৰোতে ভুলবশতঃ বনজ্যোৎস্নাৰ ম'বাইল বাজি উঠিছিল। তাৰ পাছত দুয়ো বন্ধু হৈ পৰিল। সেৰেঙা ফোন কলবোৰ ক্ৰমশঃ সঘন হ'বলৈ ধৰিলে। ...... আৰু এদিন বনজ্যোৎস্নাই অনুভৱ কৰিলে দিনটোৰ শেষৰ ঠিক আন্ধাৰ প্ৰগাঢ় হ'বলৈ ধৰা সময়খিনিত যদিহে অংকুৰে ফোন নকৰে তেনেহ'লে চৌপাশে জ্বলি উঠা হেজাৰ পোহৰেও তাইৰ বুকুৰ এন্ধাৰ আঁতৰাব নোৱাৰে।

'........ মই যে ইমান কথা কৈ আছো - তুমি কেৱল হা-না, বাঃ কৰি গৈছা, কিয় ? তোমাৰ কথা কোৱা। নতুন কিবা -' ফোনৰ সিটো পাৰত অংকুৰৰ আব্দাৰ মিশ্ৰিত কণ্ঠ। তাৰ কণ্ঠৰ লগতে আন এক ৰিমঝিম শব্দও শুনা পালে বনজ্যোৎস্নাই।

'বৰষুণ দিছে অংকুৰ ?'

'কেনেকৈ জানিলা ?'

'শব্দ শুনিছো।'

'বাঃ ! তুমি কম নহয় দেই। সঁচাকৈয়ে বৰষুণ দিছে। চোৰা বেলকনিত বহি সন্মুখত বৰষুণ লৈয়েই মই তোমালৈ ফোন কৰি আছো, অথচ বৰষুণ যে দিছে মোৰ হুচেই নাই। কিন্তু তুমি সিপাৰৰ পৰাই শুনা পালা বৰষুণ শব্দ।'

'বৰষুণত তিতি থকা পাইন গছবোৰ কেনেকুৱা লাগিছে দেখিবলৈ অংকুৰ?'

'বঢ়িয়া। হেই - হেই - বৰ আচৰিত কথা সোধা তুমি। কবিতা চবিতা লিখাৰ অভ্যাস আছে নেকি?

খিলখিলাই হাঁহি উঠিল বনজ্যোৎস্নাই। মেঘালয়ৰ এখন চহৰৰ দাঁতিকাষৰীয়া ঠাই এখনত ছবিৰ দৰে ধুনীয়া ঘৰ এটাৰ বেলকনিত বহি থকা ধুনীয়া ল'ৰাটোৱে পাহাৰী জুৰিৰ দৰে লগা সেই হাঁহিৰ শব্দ শুনিলে আৰু হুমুনিয়াহ এৰিলে। সম্ভৱতঃ এই ধুনীয়া হাঁহিৰ গৰাকিনী তাৰ সমবয়সীয়া ছোৱালীজনীৰ লগত কেতিয়াও দেখা-দেখি নহ'ব তাৰ। অদ্ভুত এটা বিষাদে তাক চুই গ'ল।

পাছদিনা সন্ধ্যা অংকুৰে তাইক কৈছিল নামনি অসমত থকা খুৰাকৰ ঘৰত তামোল গছ বগাই তামোল পাৰি অনাৰ বিচিত্ৰ অভিজ্ঞতাৰ কথা।

....... আৰু সিহঁতৰ কলেজৰ এষ্টাৰ নামৰ ট্ৰাইবেল ল'ৰা এটাই ৰিকুক জোকোৱাৰ পাছত তাক আৰু লগৰ দুটাক ৰিকু আৰু অংকুৰে কেনেকৈ পিটিলে তাৰ দীঘলীয়া বিৱৰণ।

'তুমি বৰ সাহসী ল'ৰা।' বনজ্যোৎস্না।

'মোৰ জানানে মাৰ্চিয়েল আৰ্ট শিকাৰো ভীষণ ইচ্ছা আছে। পাপাই নিদিয়ে। কিন্তু, লগৰ দুটাৰ পৰা মাৰ্চিয়েল আৰ্টৰ বহু কলা কৌশল মই শিকিছো।'

সেইদিনা অংকুৰে বনজ্যোৎস্নাৰ এখন ফটো বিচাৰিলে। ইয়াৰ আগতে ই-মেইল যোগে কথা পতাৰ প্ৰসংগও উলিয়াইছিল সি। কিন্তু বনজ্যোৎস্নাৰ কম্পিউটাৰ নাই। ইন্টাৰনেট কাফেলৈ যাবলৈ অসুবিধা।

'ঠিকনাটো লিখি যোৱা। মই গৈ কৈছো।' দুবাৰ সুধি বনজ্যোৎস্নাই ঠিকনাটো মনত ৰাখিলে।

'মোৰ ফটো নালাগে ?' অংকুৰ।

'মই ঠিকনা দিয়াৰ পাছত তুমি যদি কেতিয়াবা আমাৰ ঘৰলৈ আহা আৰু মোক দেখি তোমাৰ ভাল নালাগে - যদি তুমি আফচোচ কৰিবলৈ আৰম্ভ কৰা কি এজনী ছোৱালীৰ লগত ইমান সময় নষ্ট কৰি কথা পাতিলো - তেতিয়া ?'

'ধেৎ ! কেতিয়াও তেনেকুৱা নহয়। কাৰণ মই কেতিয়াও তোমাক লগ কৰিবলৈ নাযাওঁ।'

'কিয় ?' এইবাৰ আচৰিত হোৱাৰ পাল বনজ্যোৎস্নাৰ।

'মোৰো ভয় আছে — মোকো বেয়া লাগিব পাৰে তোমাৰ।'

ঠিক হ'ল, প্ৰথমে বনজ্যোৎস্নাই ফটো পঠাব। সেই ফটো পোৱাৰ পাছত অংকুৰে তাৰ ফটো পঠাই দিব।

ক্ৰমশঃ এক মধুৰ অৰ্বাচীন অনুভূতিত ডুব যাব ধৰিলে বনজ্যোৎস্না। মহানগৰীৰ নীলাচল পাহাৰৰ দাঁতিকাষৰীয়া সিহঁতৰ ঠাইখিনিলৈ ইতিমধ্যে বসন্ত আহিছিল।

ফাগুনৰ ৰুক্ষ-ধূলিয়ৰি বতাহে ছিৰিলা-ছিৰিলিকৈ ফালি থৈ যোৱা গছ-গছনিৰ ওপৰত বৰষুণ পৰিছিল এজাক দুজাককৈ। খিৰিকীৰ কাষত বহিলে মাজে মাজে সেমেকা শীতল বতাহে হাড়লৈকে কঁপাই গৈছিল।

ঋতু পৰিৱৰ্তনৰ এই বিচিত্ৰ সময়খিনিয়ে বনজ্যোৎস্নাৰ মনতো সিঁচি দিছিল বিচিত্ৰ কিছু আবিৰ, মন মতলীয়া কৰা কিছু সুগন্ধ।

বৰষুণৰ শব্দ, মেঘৰ গাজনি আৰু বতাহৰ ৰুৰনিৰ শব্দ শুনি খিৰিকীৰ কাষত ঘন্টাৰ পাছত ঘন্টা পাৰ কৰি দিয়া বনজ্যোৎস্নাই এদিন নিচেই পুৱাতে কুলিৰ মাত শুনিলে। ক'ৰবাত পাতৰ আঁৰত লুকাই কুলিয়ে বিনাইছে - কু ...... উ ...... কু ..... উ .......

গোটেই দিনটো কুলিৰ বিনন্দীয়া মাতটো বুকুত লৈ ফুৰিলে ছোৱালীজনীয়ে। বগা গোলাপৰ মাজত ফটোৰ বাবে মাকৰ কেমেৰাৰ সন্মুখত থিয় দিয়াৰ সময়তো বনজ্যোৎস্নাৰ বুকুৰ মাজত বিনাই আছিল কুলিৰ মাতটোৱে।

সৰুকৈ কেমেৰাৰ শব্দ - হ'ল - 'ক্লিক'।

দুদিনৰ পাছত বনজ্যোৎস্নাৰ ফটোখন বগা খাম এটাৰ ভিতৰত সোমাল। ফটোখনতো ব্যাপ্ত হৈ আছিল নেকি কুলিৰ এটা সুৰদি আকুল মাত !

ফটোখন পোৱাৰ দিনা উৎসাহী শুনা গ'ল অংকুৰৰ কণ্ঠ - 'কি ভীষণ ধুনীয়া তুমি বনজ্যোৎস্না ! ৰিকুৱে কৈছে তোমাৰ চকু দুটা নীলা পখিলাৰ নিচিনা। মোৰ কিন্তু ফটোখন হাতত লৈ এনে লাগিছে তুমি যেন দেখি আছা। আচ্ছা, তুমি ফটোখনত মন মাৰি আছা যে ইমান ! যেন বান বিধ্বস্ত মানুহ। ৰিফিউজি কেম্পত আছা।'

'তুমি ক'ত দেখিলা বান বিধ্বস্ত মানুহ ?'

'দেখিছো আৰু — । মেঘালয়ত থাকো যদিও আমি প্ৰতি বছৰে অসমলৈ দুবাৰকৈ যাওঁ। উজনি অসমৰ শিৱসাগৰ, তেজপুৰ, লক্ষীমপুৰলৈও গৈছো মই । তুমি অসমৰ চব

ঠাই চাইছা ?’

‘ওঁহো।’

‘গুৱাহাটীৰ বহু ঠাই অৱশ্যে মই ফুৰা নাই। কামাখ্যা, কলাক্ষেত্ৰ বালাজিলৈ গৈছো। পাপাই কয় - শুক্ৰেশ্বৰ ঘাটৰ পৰা লুইতত সুৰ্যাস্ত চাই বোলে বৰ ভাল লাগে। তুমি নিশ্চয় চাইছা। পাপাই উমানন্দৰ কথাও বৰকৈ কয়। সোণালী বান্দৰে তাত বোলে হাতৰ পৰা বিস্কুট থপিয়াই খায়।...... আৰু কামাখ্যা মন্দিৰৰ পৰা ওপৰলৈ ভুৱনেশ্বৰী নামৰ এটা মন্দিৰ আছে. ......’

পিছৰ কথাখিনি ক্ৰমশঃ অস্পষ্ট হৈ আহিছে। লুইতৰ বুকুত বেলি ডুব যোৱাৰ দৃশ্যটো মনত পেলাবলৈ বনজ্যোৎস্নাই আপ্ৰাণ চেষ্টা কৰিছে। সিহঁতৰ ঘৰৰ পিছফালৰ টিলাটোৰ ওপৰত সৰুতে জুমপাতি খেলিছিল সিহঁতে। কেতিয়াবা এন্ধাৰ হোৱাৰ সময়লৈকে টিলাটোৰ ওপৰৰ শিল এচটাত বহি বন্দনা আৰু তাই গান গাইছিল। লুইতলৈ, লুইতৰ বোঁৱতি পানীত প্ৰতিবিম্বিত বেলিটোলৈ কেতিয়াবা ৰ-লাগি চাইছিলনে তাই ! পোহৰ আৰু এন্ধাৰৰ নিজস্ব ৰং, ঘনত্ব আৰু আবেদন বনজ্যোৎস্নাৰ মনত আছে, কিন্তু সুৰ্যাস্ত .......... তাইৰ খুব আফচোচ হ’ল। কিয় এবাৰো সুৰ্যাস্তৰ সৌন্দৰ্য উপভোগ নকৰিলে তাই !

পিছদিনা অংকুৰৰ ফোন আহোতে বহুখিনি সজীৱ বনজ্যোৎস্না। তাইৰ মনত পাৰ বাগৰি যোৱা উলাহৰ ঢৌ।

‘এইমাত্ৰ শুক্ৰেশ্বৰ পাৰ্কৰ পৰা উভতি আহিলো অংকুৰ। বহুদিনৰ পাছত তুমি কোৱাৰ বাবেই সুৰ্যাস্ত চাবৰ বাবে তালৈ গৈছিলো। সঁচায়ে অপূৰ্ব। ........ আকাশত ডাৱৰ আছিল। নদীৰ সোঁত আৰু ডাৱৰৰ চপৰাবোৰৰ পিঠি কমলাবুলীয়া কৰি তুলিছিল মাৰ যাব খোজা বেলিয়ে। ......... ডুবাৰ সময়ত নদীৰ বুকুত ওলমি থকা মস্ত ৰঙা কাঁহী এখন যেন হয় বেলিটো। আৰু জানানে - বেলি ডুবাৰ পাছতো অলপ সময়লৈ আকাশখন সোণালী হৈ থাকে। সেই সোণালী ৰং প্ৰতিবিম্বিত হয় নদীৰ বুকুত । অপূৰ্ব !’

‘এদিন তোমাৰ লগত সুৰ্যাস্ত চাম বনজ্যোৎস্না। বহু বছৰৰ পাছত —। এনেকুৱা সময়বোৰত আচলতে কিছু এড্‌ভেঞ্চাৰ থাকিলে ভাল হয়। ধৰি লোৱা মস্ত বগা ঘোঁৰা এটা চেঁকুৰাই মই তোমাক অৰণ্যৰ লুংলুঙীয়া বাট এটাৰে নদীৰ তীৰলৈ লৈ গ’লো। ...... নদীৰ ওপৰত এখন দলং ........ দলঙৰ খুটাত ঘোঁৰাটো বান্ধি থৈ আমি দলঙৰ ওপৰত উঠিলো। ........... নৈ পৰীয়া বতাহে আমাক চুই যাব। বতাহৰ সোঁ-সোঁৱনি আৰু নদীৰ নিজস্ব শব্দৰ মাজত দলঙৰ ৰেলিঙত আউজি আমি বাট চাই ৰ’ম বেলি ডুবা পৰলৈ.........।’

‘সেয়া কেতিয়াও হৈ নুঠিব অংকুৰ।’ ........ বেদনাৰে ভাৰাক্ৰান্ত হৈ উঠিল বনজ্যোৎস্নাৰ কণ্ঠ।

‘হয়তো নহ’ব’। হঠাতে হতাশগ্ৰস্ত হৈ পৰিল অংকুৰো।

‘তথাপি ভাবি ভাল লাগে নহয় নে ? বাৰু বনজ্যোৎস্না, এদিন তুমি মোৰ বাবেই উমানন্দলৈ যাবা আৰু মোক সোণালী বান্দৰৰ কথা ক’বা। ক’বা নে ? তোমাৰ চকুৰেই মই উমানন্দ চাম।’

বাহিৰত বতাহ বলি আছিল। ক্ৰমশঃ তীব্ৰ হৈ আহিছিল বতাহৰ গতি। মেঘৰ

গৰ্জন বনজ্যোৎস্নাৰ কাণত পৰিল। তাইৰ অভ্যন্তৰতো এজাক ধুমুহা বলিছিল। দুয়োজাক ধুমুহাৰ সন্মিলিত আৰাওত তাইৰ কাণত নিচুকনি গীতৰ দৰে বাজি থকা অংকুৰৰ মাতটো হেৰাই থাকিল। খেপিয়াই খেপিয়াই খিৰিকীখন বন্ধ কৰিবলৈ চেষ্টা কৰোতে ৰতাহে বেঁকাকৈ উৰুৱাই অনা কেইটামান বৃষ্টিকণাই বনজ্যোৎস্নাক কোবাই গ'ল। তাইৰ নীলা চকুযুৰিৰ পৰাও একে সময়তে এজাক বৰষুণ নামি আহিল।

দুৱাৰমুখত বৈ মাকে চাই ৰৈছিল চকুৰ জটিল ৰোগত মাত্ৰ ন-বছৰ বয়সতে দৃষ্টি শক্তি হেৰুৱাই পোলোৱা তেওঁৰ ধুনীয়া জীয়েকলৈ।

কেইঘন্টামানৰ আগতে মাত্ৰ জীয়েকৰ আব্দাৰ মতে শুক্ৰেশ্বৰ পাৰ্কলৈ তাইক লৈ গৈছিল তেওঁ। ডুবন্ত বেলি আৰু নদীৰ বৰ্ণনা দিছিল গুণগুণাই জীয়েকৰ কাণত।

কিন্তু বনজ্যোৎস্নাই তেওঁৰ পোন কথাকেইটা নিজৰ মতে সজাই ইমান সুন্দৰকৈ ক'লে ফোনত কথা পতা ল'ৰাজনক ! কি বা হ'ল এতিয়া — জীয়েকৰ মুখত দেখোন ওন্দোলা আকাশখন উবুৰি হৈ পৰিছে। ........ বনজ্যোৎস্নাৰ মাকৰ চকুত থকা আকাশখনো ওন্দোলি উঠিল, এই যেন বৰষুণ সৰিব।

**পৰিশিষ্ট ঃ** প্ৰিয় পাঠক, বনজ্যোৎস্নাৰ কাহিনী আপুনি শুনিলে । আহকচোন এতিয়া অংকুৰৰ ওচৰলৈ যাওঁ । আচলতে কৈশোৰ অতিক্ৰম কৰা যুৱক-যুৱতীহালৰ মগ্ন সান্ধ্য আলাপৰ মই সাক্ষী আছিলো। এডভেঞ্চাৰপ্ৰিয় অংকুৰক এবাৰ দেখা পাবলৈ মোৰো তীব্ৰ হেঁপাহ জাগিছিল। সেয়া দেখিছেনে — ছবিৰ দৰে ধুনীয়া ঘৰ এটাৰ বেলকনিত মৰম লগা ল'ৰা এজন বহি আছে। কৈশোৰে মেলানি মগাৰ পাছতো ল'ৰাটোৰ মুখত লাগি ৰৈছে কৈশোৰৰ নিষ্কলুষ সাৰল্যৰ আভা-। তেৱেঁই অংকুৰ । ঘৰৰ সন্মুখৰ পাহাৰীয়া পথটোত দীঘল হৈ পৰিছে পাইনৰ ছাঁ। তাৰ সিপাৰৰ সমতল ঠাইখিনিত কেইজনমান কিশোৰে ফুটবল খেলিছে। তাৰ মাজৰে সেই যে ৰঙা স্পৰ্টিং আৰু ক'লা হাফপেন্ট পিন্ধা চটফটীয়া ল'ৰাজন — সি ৰিকু, অংকুৰৰ ভায়েক।

ঘূৰণীয়া বলটোৰ পাছে পাছে ৰিকুৰ দুভৰি দৌৰি আছে। স্বচ্ছন্দ সেই দুভৰিলৈ চাই বাৰে বাৰে কিৰিলিয়াই উঠিছে অংকুৰে।

সেয়া — বিপক্ষক আৰু এটা গ'ল দিলে ৰিকুয়ে। আনন্দত হাত জোকাৰি বহি থকাতে দুলিবলৈ ধৰিছে অংকুৰ। এজুম ল'ৰাই ৰিকুক দাঙি ধৰিছে। অংকুৰলৈ চাই হাত জোকাৰিছে ৰিকুৱে।

......... এসময়ত পাইনৰ দীঘল ছাঁবোৰৰ অৱয়ৱ আৰু দীঘল আৰু অস্পষ্ট হৈ আহিল। ল'ৰাজাকে খেল সামৰাৰ যো-জা কৰিলে।

অলপ পাছতে ৰিকু আহি অংকুৰৰ কাষত থিয় দিলেহি।

'খেল চালা দাদা ?'

'অ' । তুমি এনেদৰে খেলিলে সোনকালেই ষ্টেটৰ হৈ খেলিবলৈ চান্স পাবা।'

'লনলৈ যাবা ?' ৰিকুয়ে সুধিলে।

'যাম'। অংকুৰে কাষতে আউজাই থোৱা কিবা এটালৈ হাত মেলিলে।

প্ৰিয় পাঠক, পাতল এন্ধাৰৰ মাজতো মই স্পষ্টভাৱে দেখা পালো বেলকনিৰ

গ্ৰীলত আউজাই থোৱা এডাল পেং।

'নালাগে দিয়া, মই লৈ যাম।' ৰিকুয়ে অংকুৰক বাধা দি হুইল চেয়াৰখন ঠেলিব খুজিলে। আজন্ম পংগু ককায়েকৰ প্ৰতি তাৰ মৰম আৰু চিন্তাৰ শেষ নাই।

হঠাতে কিবা এটা কথা মনলৈ অহাৰ দৰে ব্যস্ত হৈ হাতৰ ঘড়ীলৈ চালে অংকুৰে।

'এতিয়া নহয় ৰিকু। অলপ পাছত। মই এতিয়া বনজ্যোৎস্নালৈ ফোন কৰিম।'

'ঠিক আছে তেন্তে। তুমি ফোন কৰা। মই হাত-ভৰি ধুই ফ্ৰেচ হৈ আহো —।'

চটফটীয়া ল'ৰাটো দেও দি দি ভিতৰলৈ সোমাই গ'ল। অংকুৰে বনজ্যোৎস্নাৰ নম্বৰ ডায়েল কৰিলে।

'হেলো।' বনজ্যোৎস্না ।

ভীষণ উৎসাহভৰা কণ্ঠেৰে অংকুৰে কৈ গ'ল — 'বাঃ তুমি আচৰিত দেই ! ..... কি কৰি আছিলা ? ফোন উঠাওতে ইমান দেৰি লাগেনে ? ....... ফুটবল খেলি এইমাত্ৰ ঘৰ সোমাইছো জানা। মই আজি ফিলিপহঁতৰ টিমক দুগোল দিলো। সকলোৱে কৈছে এনেদৰে খেলিলে সোনকালেই মই ষ্টেটৰ হৈ খেলিব পাৰিম ................।'